GSK S5 01 (M/P)
Exam Code : SKM5A

গদ্য আৰু নীতিকাব্য

পঞ্চম ষাণ্মাসিক

সংস্কৃত

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৰা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	**অৱিহণা যোগাইছে**
১—৭	ড° কল্পিতা বুজৱবৰুৱা, বি বৰুৱা কলেজ, গুৱাহাটী

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা সুদেজ্ঞা ভট্টাচার্য্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
(১, ২, ৩, ৭)
ড° গায়ত্রী শর্মা, সহযোগী তথা মুৱব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, সন্দিকৈ কলেজ
(৪, ৫, ৬)

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্তবিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৯

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৱাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ গদ্য আৰু নীতিকাব্য

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ প্রধান তথা ঐচ্ছিক পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিৰ নাম হৈছে গদ্য আৰু নীতিকাব্য। ইয়াত সর্বমুঠ চৈধ্যটা অধ্যায় আছে তথা পাঠ্যবিষয়টি দুটা খণ্ডত বিভক্ত কৰা হৈছে। প্রথম খণ্ডত সাতটা অধ্যায় আছে আৰু এই অধ্যায়সমূহত গদ্য আৰু নীতিকাব্যৰ বিষয়ে আলোচনা কৰা হৈছে। প্রথম অধ্যায়ত কাদম্বৰী ঃ চমু পৰিচয় আৰু দ্বিতীয় অধ্যায়ত কাদম্বৰী ঃ শূদ্রকবর্ণনম্ৰ বিষয়ে আলোচনা কৰা হৈছে। তৃতীয় আৰু চতুর্থ অধ্যায়ত কাদম্বৰী ঃ চণ্ডালকন্যাবর্ণনম্ আৰু কাদম্বৰী-উজ্জয়িনীবর্ণনম্ আলোচনা আগবঢ়োৱা হৈছে। পঞ্চম আৰু ষষ্ঠ অধ্যায়ত ক্রমে কাদম্বৰী - শুকনাসোপদেশঃ (মূল পাঠ) আৰু কাদম্বৰী - শুকনাসোপদেশঃ (অসমীয়া পাঠ) আলোচনা কৰা হৈছে। সপ্তম অধ্যায়টোত কাদম্বৰী ঃ সাহিত্য সমালোচনা আগবঢ়োৱা হৈছে। পাঠ্যবিষয়টিৰ দ্বিতীয় খণ্ডৰ অষ্টম অধ্যায়ত দশকুমাৰচৰিতম্ ঃ সাধাৰণ আলোচনা, নৱম অধ্যায়ত দশকুমাৰচৰিতম্ ঃ (সোমদত্তচৰিত) পূর্বপীঠিকা, তৃতীয় উচ্ছাসঃ পাঠ্যাংশৰ আলোচনা, দশম অধ্যায়ত দশকুমাৰচৰিতম্ ঃ (ৰাজবাহনচৰিত) পাঠ্যাংশৰ আলোচনা, একাদশ অধ্যায়ত শতক কাব্য আৰু ভর্তৃহৰিৰ নীতিশতকম্, দ্বাদশ অধ্যায়ত 'নীতিশতকম্'ৰ শ্লোকসমূহৰ (১-১০) আলোচনা, ত্রয়োদশ অধ্যায়ত 'নীতিশতকম্'ৰ শ্লোকসমূহৰ (১১-২০) আলোচনা, চর্তুদশ অধ্যায়ত 'নীতিশতকম্'ৰ শ্লোকসমূহৰ (২১-৩০) আলোচনা কৰা হৈছে।

খণ্ড পৰিচয় - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ পঞ্চম পাঠ্যবিষয়ৰ প্রথম খণ্ডৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত ভাস বিৰচিত স্বপ্নবাসবদত্তম্ নাটকৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত সর্বমুঠ সাতটা অধ্যায় আছে।

পাঠ্যবিষয়টিৰ অধ্যায়সমূহ হ'ল—

অধ্যায় ১ ঃ কাদম্বৰী - চমু পৰিচয়

অধ্যায় ২ ঃ কাদম্বৰী - শূদ্রকবর্ণনম্

অধ্যায় ৩ ঃ কাদম্বৰী - চণ্ডালকন্যাবর্ণনম্

অধ্যায় ৪ ঃ কাদম্বৰী - উজ্জয়িনীবর্ণনম্

অধ্যায় ৫ ঃ কাদম্বৰী - শুকনাসোপদেশঃ (মূল পাঠ)

অধ্যায় ৬ ঃ কাদম্বৰী - শুকনাসোপদেশঃ (অসমীয়া পাঠ)

অধ্যায় ৭ ঃ কাদম্বৰী - সাহিত্য সমালোচনা

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান আৰ্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **কাদম্বৰী - চমু পৰিচয়** ৫-১৫

মহাকবি বাণভট্টৰ পৰিচয়; বাণভট্টৰ সময়; বাণভট্টৰ ৰচনাৱলী; কাদম্বৰীৰ কাহিনীৰ আধাৰ; কাদম্বৰীৰ কাহিনী ঃ কাদম্বৰীৰ পূৰ্বাৰ্ধৰ কাহিনী, কাদম্বৰীৰ উত্তৰাৰ্ধৰ কাহিনী।

অধ্যায় ২ ঃ **কাদম্বৰী - শূদ্রকবর্ণনম্** ১৬-২৯

'শূদ্রকবর্ণনম্'ৰ মূল সংস্কৃত পাঠ; মূল সংস্কৃত পাঠৰ শব্দার্থ; মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ; 'শূদ্রকবর্ণনম্' পাঠটিৰ সাৰাংশ।

অধ্যায় ৩ ঃ **কাদম্বৰী - চণ্ডালকন্যাবর্ণনম্** ৩০-৪০

'চণ্ডালকন্যাবর্ণনম্'ৰ মূল সংস্কৃত পাঠ; মূল সংস্কৃত পাঠৰ শব্দার্থ; মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ; 'চণ্ডালকন্যাবর্ণনম্' পাঠটিৰ সাৰাংশ।

অধ্যায় ৪ ঃ **কাদম্বৰী - উজ্জয়িনীবর্ণনম্** ৪১-৫৬

'উজ্জয়িনীবর্ণনম্'ৰ মূল সংস্কৃত পাঠ; মূল সংস্কৃত পাঠৰ শব্দার্থ; মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ; 'উজ্জয়িনীবর্ণনম্' পাঠটিৰ সাৰাংশ।

অধ্যায় ৫ ঃ **কাদম্বৰী - শুকনাসোপদেশঃ (মূল পাঠ)** ৫৭-৭৩

'শুকনাসোপদেশঃ'-ৰ মূল সংস্কৃত পাঠ; মূল সংস্কৃত পাঠৰ শব্দার্থ।

অধ্যায় ৬ ঃ **কাদম্বৰী - শুকনাসোপদেশঃ (অসমীয়া পাঠ)** ৭৪-৮৩

মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ; 'শুকনাসোপদেশঃ' পাঠটিৰ সাৰাংশ।

অধ্যায় ৭ ঃ **কাদম্বৰী - সাহিত্য সমালোচনা** ৮৪-১০০

বাণভট্টৰ ৰচনাশৈলী; বাণোচ্ছিষ্টং জগৎ সর্ৱম্; গদ্যং কবীনাং নিকষং বদন্তি; কথাৰূপে 'কাদম্বৰী'; 'কাদম্বৰী'ৰ কাব্যিক বৈশিষ্ট্য; বাণভট্টৰ পৰৱর্তী প্রভাৱ।

অধ্যায় ১ ঃ কাদম্ববী - চমু পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ মহাকবি বাণভট্টৰ পৰিচয়
১.৪ বাণভট্টৰ সময়
১.৫ বাণভট্টৰ ৰচনাৱলী
১.৬ কাদম্ববীৰ কাহিনীৰ আধাৰ
১.৭ কাদম্ববীৰ কাহিনী
১.৭.১ কাদম্ববীৰ পূৰ্বাৰ্ধৰ কাহিনী
১.৭.২ কাদম্ববীৰ উত্তৰাৰ্ধৰ কাহিনী
১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্রগতিৰ খতিয়ান
১.১১ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত সাহিত্যৰ মহান গদ্যকাৰ বাণভট্টৰ বিষয়ে বিস্তাৰিতভাৱে জানিব পাৰিব
- বাণভট্টৰ লিখনিসমূহৰ বিষয়ে সম্যক আভাস লাভ কৰিব পাৰিব
- বাণৰ বিখ্যাত কাব্য ‘কাদম্ববীৰ’ বিষয়ে জ্ঞান লাভ কৰিবলৈ সক্ষম হ’ব
- ‘কাদম্ববী’ কাব্যৰ কাহিনী, কাহিনীৰ আধাৰ আদিৰ বিষয়েও অৱগত হ’ব পাৰিব।

১.২ পৰিচয়

সংস্কৃত সাহিত্যত দুই প্রকাৰৰ কাব্য পোৱা যায়— দৃশ্য কাব্য আৰু শ্রব্য কাব্য। দৃশ্য কাব্য নাটক আদি। অভিনয়ৰ জৰিয়তে প্রদর্শন কৰিব পৰা যায় বাবেই ইয়াক দৃশ্য কাব্য বোলা হয়। শ্রব্য কাব্যসমূহ হ’ল কাব্য-মহাকাব্য আদি। শ্রব্য কাব্য আকৌ দুই প্রকাৰৰ— পদ্য আৰু গদ্য।

সংস্কৃত সাহিত্যৰ বিশাল কাব্য সাহিত্যৰ ভাণ্ডাৰত অলংকাৰশাস্ত্রসন্মত গদ্যকাব্যৰ সংখ্যা মাত্র চাৰিটি। সেইকেইখন হৈছে— দণ্ডীৰ ‘দশকুমাৰচৰিতম্’, বাণভট্টৰ ‘কাদম্ববী’ আৰু ‘হর্ষচৰিত’ আৰু সুবন্ধুৰ ‘বাসবদত্তা’।

এই অধ্যায়টিত সংস্কৃত সাহিত্যৰ জ্যোতিষ্কৰূপ বাণভট্ট আৰু তেওঁৰ বিখ্যাত সাহিত্য কীর্তি 'কাদম্বৰী'ৰ বিষয়ে সম্যক আলোচনা আগবঢ়োৱা হৈছে। অধ্যায়টি অধ্যয়ন কৰি আপুনি বাণভট্টৰ বিষয়ে জানিব পাৰিব। তেওঁৰ বংশ পৰিচয়, শিক্ষা আদিৰ লগতে বিভিন্ন ৰচনাৱলীৰ সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব। ইয়াৰ উপৰিও বাণৰ শ্রেষ্ঠ সাহিত্যকর্ম 'কাদম্বৰী' কাব্যৰ বিষয়েও এই অধ্যায়টিৰ জৰিয়তে বিস্তাৰিতভাৱে জানিব পাৰিব।

১.৩ মহাকবি বাণভট্টৰ পৰিচয়



উচ্ছ্বাস ঃ অধ্যায়।

ভাৰতীয় প্রাচীন কবি সাহিত্যিকসকলে প্রায়েই নিজৰ পৰিচয় প্রদানত নীৰবতা অবলম্বন কৰিছে। সেইক্ষেত্রত বাণভট্ট ব্যতিক্রম। 'কাদম্বৰী' কাব্যৰ প্রথম এঘাৰটা শ্লোকত তেওঁ নিজৰ বংশ-পৰিচয় উল্লেখ কৰিছে। 'হর্ষচৰিতম্' গ্রন্থৰ প্রথম তিনিটা ***উচ্ছ্বাস***তো কবিয়ে নিজৰ পৰিচয় সবিস্তাৰ উল্লেখ কৰিছে। এইবোৰ অধ্যয়ন কৰি জানিব পাৰি যে তেওঁৰ পূর্বপুৰুষ আছিল বাৎসায়ন গোত্রৰ বেদ বিদ্যাত পাৰ্গত কুবেৰ নামেৰে জনাজাত এজন ব্রাহ্মণ। কুবেৰৰ চাৰিজন পুত্র আছিল। তাৰে এজনৰ নাম আছিল পাশুপত। পাশুপতৰ পুত্র অর্থপতি। এই অর্থপতিৰ আকৌ এঘাৰজন পুত্র আছিল। এই পুত্রসকলৰ ভিতৰত এজনৰ নাম আছিল চিত্রভানু। তেওঁৰ পত্নী এগৰাকীৰ নাম আছিল ৰাজদেৱী। চিত্রভানু আৰু ৰাজদেৱীৰে পুত্র বাণভট্ট।

বাণভট্টৰ পূর্বপুৰুষসকলৰ দিনৰ পৰাই বাসস্থান আছিল কান্যকুব্জৰ শোননদীৰ পশ্চিম পাৰত অৱস্থিত প্রীতিকূট নামৰ গাঁও। শৈশৱতে বাণে মাতৃক হেৰুৱায়। মাতৃ অবিহনে পিতৃয়েই তেওঁক লালন-পালন কৰে। কিন্তু চৈধ্য বছৰ বয়সতে তেওঁৰ পিতৃৰো মৃত্যু ঘটে। পিতৃ-মাতৃহীন বাণ সঙ্গতদোষৰ বাবে যৌৱন কালত বৰ উৎপতীয়া স্বভাৱৰ হৈ পৰে। নিজৰ সঙ্গীসকলৰ লগত বহুদিন গৃহ ত্যাগ কৰি বিদেশ ভ্রমণ কৰে। এই ভ্রমণৰ সময়ছোৱাত তেওঁ বহু জ্ঞান আৰু অভিজ্ঞতা লাভ কৰে। ভ্রমণ শেষ কৰি তেওঁ পুনৰ নিজৰ গৃহলৈ ঘূৰি আহে।

ইয়াৰ পিছত সম্রাট হর্ষবর্দ্ধনে বাণভট্টক পত্র পঠিয়াই মাতি পঠায়। বাণেও সেই আমন্ত্রণ ৰক্ষা কৰি সম্রাটৰ ওচৰ পায়গৈ। প্রথমে ৰজাই তেওঁক আগ্রহেৰে গ্রহণ কৰা নাছিল। কিন্তু পাছলৈ ৰজাই তেওঁক শ্রদ্ধাৰ ভাবেৰে ৰাজসভাত স্থান দিয়ে। কালক্রমত তেওঁ সম্রাটৰ অত্যন্ত প্রিয় হৈ পৰে আৰু ৰাজসভাৰ প্রধান পণ্ডিত হয়গৈ। ৰজা হর্ষবর্দ্ধনৰ পৃষ্ঠপোষকতাতে বাণে তেওঁৰ অমৰ কাব্য দুখন অর্থাৎ 'হর্ষচৰিতম্' আৰু 'কাদম্বৰী' ৰচনা কৰে। কিন্তু দুর্ভাগ্যক্রমে 'কাদম্বৰী' কাব্যখন লিখা সম্পূর্ণ নহওঁতেই বাণভট্টৰ মৃত্যু হয়। পিছত তেওঁৰ পুত্র ভূষণভট্ট বা পুলিন্দই 'কাদম্বৰী'খন সম্পূর্ণকৈ ৰচনা কৰে।

১.৪ বাণভট্টৰ সময়

বাণভট্টৰ পৃষ্ঠপোষক ৰজা আছিল থানেশ্বৰ ৰাজ্যৰ সম্রাট হর্ষবর্দ্ধন। ঐতিহাসিক তথ্য অনুসৰি হর্ষবর্দ্ধনৰ ৰাজত্বকাল ৬০৬ খ্রীষ্টাব্দৰ পৰা ৬৪৮ খ্রীষ্টাব্দলৈ। গতিকে নিশ্চিতভাৱে ক'ব পাৰি যে বাণৰ সময় খ্রীষ্টীয় ষষ্ঠ শতকৰ শেষভাগৰ পৰা সপ্তম শতকৰ প্রথমভাগৰ ভিতৰত।


১.৫ বাণভট্টৰ ৰচনাৱলী

বাণভট্টৰ দুই সাহিত্যকীর্তি হৈছে 'হর্ষচৰিতম্' আৰু 'কাদম্বৰী'। 'হর্ষচৰিতম্' এখন আখ্যায়িকা। আনহাতেদি 'কাদম্বৰী' এখন কথা। 'হর্ষচৰিতম্' আঠোটা উচ্ছ্বাসত বিভক্ত। ইয়াৰে প্রথম তিনিটা উচ্ছ্বাসত কবিয়ে নিজৰ বংশ-পৰিচয় বর্ণনা কৰিছে। পিছৰ কেইটাত সম্রাট হর্ষবর্দ্ধনৰ জীৱনবৃত্ত বর্ণনা কৰা হৈছে। ঐতিহাসিক বিষয় লৈ ৰচনা কৰা 'হর্ষচৰিত' বাণৰ প্রথম ৰচনা বুলি ভাব হয়। 'কাদম্বৰী' গ্রন্থৰ ৰচনা সম্পূর্ণ কাল্পনিক। গ্রন্থকাৰে কাহিনী উপস্থাপন কৰিছে এটি কাল্পনিক বিষয়লৈ। বাণভট্টই ৰচনা কৰা 'চণ্ডীশতকম্' নামৰ কাব্যত এশ দুটা পদ্য সন্নিৰিষ্ট আছে। এই কাব্যত দেৱী দুর্গাৰ মহিষাসুৰ বধৰ কাহিনী আৰু দেৱীৰ স্তুতি পোৱা যায়। মূলতে এই তিনিখন গ্রন্থ বাণভট্টই ৰচনা কৰা বুলি আমি নিশ্চিতভাৰে পাওঁ আৰু বহুতো গ্রন্থ আছে যিবোৰ বাণে ৰচনা কৰা বুলি ভবা হয়। যেনে, 'পার্বতীপৰিণয়ম্' নামৰ পাঁচটা অঙ্কযুক্ত এখন নাটক, 'মুকুটতাড়িতকম্' নামৰ আন এখন নাটক, 'শিৱশতকম্' আৰু 'শাৰদচন্দ্রিকা' নামৰ দুখন গ্রন্থ ইত্যাদি।



জানি থোৱা ভাল

১) (বাণৰ বংশাৱলী)



(বাণভট্টৰ পুত্রক ভূষণভট্ট, ভূষণবাণ, পুলিন্দ, পুলিন নামেৰেও জনা যায়)

২) **কথা ঃ** বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্য-দর্পণ' নামৰ গ্রন্থত 'কথা'ৰ লক্ষণ এনেদৰে দিছে—

"কথায়াং সৰসং ৱস্তু গদ্যৈৰেৱ ৱিনির্মিতম্।

ক্বচিদত্র ভৱেদার্যা ক্বচিদ্বক্ত্রাপৰক্ত্রকে।
আদৌ পদ্যৈর্নমস্কাৰঃ খলাদের্বৃত্তকীর্তনম্।।"

অর্থাৎ 'কথা'ত গদ্যৰ মাধ্যমেৰে সৰস কাহিনী বর্ণিত হয়। এনে কোনো কোনো কাব্যত আর্যা, ৰক্ত্র আৰু অপৰক্ত্র ছন্দৰ পদ্য থাকে। এই কাব্যৰ আদিতে পদ্যত ৰচিত কবিৰ ইষ্ট দেৱতাৰ স্তুতি থাকে, তাৰ পিছত থাকে অসৎ লোক আৰু সৎ বা সাধু লোকৰ চৰিত্রৰ বর্ণনা। ইয়াৰ পিছত থাকে পৰিকল্পিত কাহিনীভাগৰ বর্ণনা।

৩) **আখ্যায়িকা ঃ** 'সাহিত্যদর্পণ' গ্রন্থত বিশ্বনাথ কবিৰাজে 'আখ্যায়িকা'-ৰ লক্ষণ নির্দেশ কৰি কৈছে—

আখ্যায়িকা কথাৱৎ স্যাৎ কৱের্বংশানুকীর্তনম্।
অস্যামন্যকৱীনাঞ্চ বৃত্তং পদ্যং ক্বচিৎ ক্বচিৎ।।
কথাংশানাং ব্যৱচ্ছেদ আশ্বাস ইতি বদ্ধ্যতে।
আর্যাৱক্ত্রাপৰক্ত্রানাং ছন্দসা যেন কেনচিৎ।।
অন্যাপদেশেনাশ্বাসমুখে ভাৱ্যর্থসূচনম্।

অর্থাৎ, আখ্যায়িকা কথাৰ দৰেই। ইয়াৰ আদিতে কবিৰ বংশৰ বর্ণনা আৰু ক'ৰবাত ক'ৰবাত অন্য কবিসকলৰ কাহিনী বর্ণিত থাকে। কাহিনীৰ অংশবোৰক আশ্বাস বোলে। প্রত্যেক আশ্বাসৰ আৰম্ভণিতে হ'বলগীয়া ঘটনাৰ সূচনা কৰা হয় আর্যা, ৰক্ত আৰু অপৰক্ত্র— এই তিনিটাৰ যিকোনো এটা ছন্দত ৰচনা কৰা পদ্যৰ জৰিয়তে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ কাদম্বৰী গ্রন্থৰ ৰচয়িতা কোন?

.....

প্রশ্ন ২ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) কাদম্বৰী এখন .....।

খ) হর্ষচৰিত এখন .....।

প্রশ্ন ৩ ঃ বাণভট্টই ৰচনা কৰা কেইখনমান গ্রন্থৰ নাম লিখক।

.....

.....

প্রশ্ন ৪ ঃ বাণভট্ট কোন ৰজাৰ সভাকবি আছিল?

.....

১.৬ কাদম্বৰীৰ কাহিনীৰ আধাৰ

'কাদম্বৰী' শব্দৰ প্রকৃত অর্থ 'সুৰা'। সুৰা বা মদিৰাৰ প্রভাৱত মানুহ যিদৰে আত্মহাৰা হয়, 'কাদম্বৰী' গ্রন্থখন অধ্যয়ন কৰিলেও মানুহ আপোন পাহৰা হৈ পৰে। আপুনি ইতিমধ্যে এই

গ্ৰন্থৰ ৰচকৰ বিষয়ে জানিব পাৰিলে। এতিয়া এই কাব্য লিখিবলৈ বাণভট্টই কি গ্ৰন্থৰ পৰা অনুপ্ৰেৰণা পাইছিল বা কি গ্ৰন্থখন তেওঁৰ ৰচনাৰ আধাৰৰূপে লৈছিল তাক জানিব পাৰিব।

সম্ভৱতঃ বাণভট্টই গুণাঢ্যৰ 'বৃহৎকথা'ৰ পৰা 'কাদম্বৰী' ৰচনা কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল। গুণাঢ্যই প্ৰাকৃত ভাষাত 'বৃহৎকথা' ৰচনা কৰিছিল। কিন্তু বৰ্তমান এই গ্ৰন্থ পোৱা নাযায় অৰ্থাৎ বিলুপ্ত হৈছে। 'বৃহৎকথা'ৰ সংক্ষিপ্ত সংস্কৃত ৰূপ হিচাপে সোমদেৱৰ দ্বাৰা ৰচিত 'কথাসৰিৎসাগৰ' নামৰ গ্ৰন্থখন পোৱা যায়। লগতে ক্ষেমেন্দ্ৰ ৰচিত 'বৃহৎকথামঞ্জৰী' আৰু বুধস্বামী ৰচিত 'বৃহৎকথাশ্লোকসংগ্ৰহঃ' নামে গ্ৰন্থও সংস্কৃতত পোৱা যায়। বাণভট্টই 'কাদম্বৰী'ৰ কাহিনীৰ আধাৰ ৰূপে 'বৃহৎকথা'ৰ কাহিনীৰ ওপৰত ৰচিত 'কথাসৰিৎসাগৰ' কাব্যৰ দশম ***লম্বক***ৰ ত্ৰয়োদশ ***তৰঙ্গ***ত বৰ্ণিত কাহিনী গ্ৰহণ কৰিছে।

'কথাসৰিৎসাগৰ' আৰু 'কাদম্বৰী'— এই দুয়োখন গ্ৰন্থতে বৰ্ণনা কৰা কল্পিত চৰিত্ৰসমূহৰ ভালেখিনি মিল দেখা যায়। অৱশ্যে ঘটনাৰ স্থান আৰু কোনো কোনো পাত্ৰৰ নামৰ অমিলো পোৱা যায়। লগতে কাদম্বৰীত কাহিনীভাগৰ অগ্ৰগতি আৰু পৰিণতিৰ পিনেও বৈসাদৃশ্য দেখা যায়। বাণভট্টই কাদম্বৰীৰ কাহিনীভাগৰ আধাৰৰূপে 'কথাসৰিৎসাগৰ'ৰ কাহিনী গ্ৰহণ কৰিলেও কিন্তু তেওঁ নিজৰ অভিজ্ঞতা, প্ৰতিভা আৰু নিপুণতাৰে কাদম্বৰীক এখন সৰ্বোৎকৃষ্ট গ্ৰন্থৰূপে ৰচনা কৰিছে।



লম্বক, তৰঙ্গ ঃ
'কথাসৰিৎসাগৰ'ৰ অধ্যায়সমূহৰ নাম।

১.৭ কাদম্বৰীৰ কাহিনী

কাদম্বৰীৰ ভাগ দুটা ঃ 'পূৰ্বাৰ্ধ' আৰু 'উত্তৰাৰ্ধ'। পূৰ্বাৰ্ধৰ কাহিনীভাগ বাণভট্টই নিজে ৰচনা কৰা। তেওঁৰ আকস্মিক জীৱনাৱসানৰ কাৰণে কাদম্বৰীৰ কাহিনীভাগ অসম্পূৰ্ণ হৈ ৰয়। পিছত তেওঁৰ পুত্ৰ ভূষণভট্টই এই কাব্যৰ উত্তৰাৰ্ধ ৰচনা কৰি কাহিনীটো সম্পূৰ্ণ কৰে।

১.৭.১ কাদম্বৰীৰ পূৰ্বাৰ্ধৰ কাহিনী

কাদম্বৰীৰ পূৰ্বাৰ্ধৰ কাহিনী তলত বৰ্ণনা কৰা হ'ল—

বিদিশা নগৰীৰ ৰজা আছিল শূদ্ৰক। এদিন তেওঁৰ ৰাজসভালৈ এজনী চণ্ডাল কন্যাই বুঢ়া চণ্ডাল এটাৰ সৈতে আহে। লগতে আনে এটা ভাটৌ চৰাই। ভাটৌটোৱে মানুহৰ দৰে কথা ক'ব পাৰে। চণ্ডাল কন্যাই চৰাইটো ৰজাক উপহাৰ দি যায়। ৰজাৰ কৌতূহল জন্মিল। ৰজাই চৰাইটোৰ বিষয়ে সবিশেষ জানিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। তেতিয়া ভাটৌটোৱে নিজৰ কাহিনী ক'বলৈ ধৰিলে—

বিন্ধ্য পৰ্বতৰ ওচৰত পম্পা সৰোবৰ। তাৰে পাৰত থকা এজোপা শিমলু গছত সেই ভাটৌটোৱে বাস কৰিছিল। তাৰ জন্মৰ পিছতেই মাক ঢুকাল। বাপেকৰ ডেউকাৰ মাজতে সোমাই সি ডাঙৰ হ'বলৈ ধৰিলে। এদিন চিকাৰলৈ অহা চিকাৰী কিছুমানে গছজোপাত থকা চৰাইবোৰ মাৰি পেলালে। তেতিয়া তাৰ বাপেকো মৰিলে। ভাটৌটোৱে কোনো মতে চিকাৰীৰ হাতৰ পৰা সাৰি চুঁচৰি-বাগৰি পম্পাসৰোবৰৰ পাৰ পালেগৈ।

এনে সময়তে এদল মুনি কুমাৰৰ লগত হাৰীত মুনি পম্পা সৰোবৰত স্নান কৰিবলৈ আহিল। তেওঁ তাতে ভাটৌ পোৱালীটোক পালে আৰু কেইটোপালমান পানী খুৱাই আশ্রমলৈ লৈ গ'ল। আশ্রমত হাৰীতৰ পিতৃ জাবালি মুনিয়ে তাক দেখি ক'লে— 'ই কর্মফল ভোগ কৰিছে।' তাকে শুনি মুনিসকলে জাবালিক ভাটৌটোৰ কাহিনী ক'বলৈ অনুৰোধ কৰিলে। জাবালিয়েও ভাটৌৰ পূর্বজন্মৰ কাহিনী ক'বলৈ ধৰিলে—

অৱন্তী দেশৰ উজ্জয়িনী নামৰ নগৰত তাৰাপীড় নামে ৰজা আছিল। তেওঁৰ পত্নী বিলাসৱতী। ৰজাৰ এজন মন্ত্রীৰ নাম শুকনাস। মন্ত্রীৰ পত্নী মনোৰমা। তাৰাপীড় ৰজাৰ পুত্রৰ নাম চন্দ্রাপীড় আৰু শুকনাসৰ পুত্রৰ নাম বৈশম্পায়ন। দুয়োজনৰ জন্ম একেদিনাই। দুয়োজনে একেলগেই নানা বিদ্যাত শিক্ষালাভ কৰি ডাঙৰ-দীঘল হয়।

যথাসময়ত চন্দ্রাপীড়ক যুৱৰাজৰ পদত অভিষিক্ত কৰা হ'ল। তাৰ পিছত তেওঁ দিগ্বিজয়ৰ বাবে ওলাল। লগত ওলাল বিপুল সৈন্যবাহিনী আৰু বৈশম্পায়নকে ধৰি বন্ধুসকল। বহুদেশ জয় কৰাৰ পাছত ৰাজকুমাৰে সৈন্যসকলৰ সৈতে হিমালয় পর্বতৰ ওচৰৰ সুৱর্ণপুৰত শিবিৰ পাতিলেগৈ। এদিন চন্দ্রাপীড়ে অকলে তেওঁৰ অশ্ব ইন্দ্রায়ুধত আৰোহন কৰি গৈ গৈ অচ্ছোদ সৰোবৰৰ পাৰ পালেগৈ। সৰোবৰৰ পাৰতে এটি শিৱ মন্দিৰ। সেই মন্দিৰতে চন্দ্রাপীড়ে ভগৱানৰ আৰাধনাত মগ্ন হৈ এগৰাকী শুধ বগা বল্কল ধাৰিনী যুৱতীক গীত গাই থকা দেখা পালে। তেওঁলোকৰ মাজত পৰিচয় হ'ল। যুৱতীগৰাকীয়ে চন্দ্রাপীড়ক ফলমূলেৰে অভ্যর্থনা কৰিলে। যুৱৰাজে যুৱতীগৰাকীৰ তেনে অৱস্থাৰ বিষয়ে জানিবলৈ বিচাৰিলে।

তেতিয়া যুৱতীগৰাকীয়ে নিজৰ জীৱনৰ কাহিনী বর্ণাবলৈ ধৰিলে। যুৱতীগৰাকীৰ নাম মহাশ্বেতা। তেওঁ হেমকূট পর্বতৰ গন্ধর্বৰাজ্যৰ ৰজা হংস আৰু ৰাণী গৌৰীৰ কন্যা। এবাৰ অচ্ছোদ সৰোবৰৰ পাৰতে তেওঁ দুজন ঋষিকুমাৰক লগ পায়। তাৰে এজনৰ নাম পুণ্ডৰীক আৰু আনজনৰ নাম কপিঞ্জল। মহাশ্বেতা আৰু পুণ্ডৰীক ইজনে-সিজনৰ প্রতি আকৃষ্ট হৈ পৰে।কিন্তু মহাশ্বেতা পুনৰ নিজৰ ৰাজভৱনলৈ উভতি যাবলগীয়া হয়। সন্ধিয়া পৰত কপিঞ্জল ৰাজভৱনলৈ আহি মহাশ্বেতাক লগ ধৰি কয় যে পুণ্ডৰীক তেওঁৰ বিৰহত অতিকৈ কাতৰ হৈ পৰিছে। সেয়েহে তেওঁ যেন এবাৰ পুণ্ডৰীকৰ ওচৰলৈ গৈ তেওঁৰ জীৱন ৰক্ষা কৰে। মহাশ্বেতায়ো প্রিয়তমৰ জীৱন ৰক্ষাৰ বাবে অচ্ছোদ সৰোবৰৰ পাৰলৈ যায়। কিন্তু তেওঁ গৈ পোৱাৰ আগতেই পুণ্ডৰীকৰ মৃত্যু হয়। কপিঞ্জল আৰু মহাশ্বেতা শোকত ভাগি পৰি কান্দিবলৈ ধৰে। এনেতে স্বর্গীয় জ্যোতি এটাই আকাশৰ পৰা আহি পুণ্ডৰীকৰ শৱদেহটো তুলি লৈ যায়। কপিঞ্জলো তাৰ পিছে পিছে যায়। কিন্তু আকাশবাণী হয় যে মহাশ্বেতাৰ লগত পুণ্ডৰীকৰ পুনৰ মিলন ঘটিব। সেই সময়লৈ মহাশ্বেতাই অপেক্ষা কৰিব লাগে। মহাশ্বেতাই নিজৰ কাহিনী চন্দ্রাপীড়ৰ আগত বর্ণনা কৰি কয় যে পুণ্ডৰীকৰ লগত মিলনৰ আশাতে তেওঁ এনেদৰে ব্রত পালন কৰি শিৱৰ আৰাধনা কৰি আছে।

শোকাভিভূত মহাশ্বেতাক চন্দ্রাপীড়ে সান্ত্বনা দিলে। তাৰ পিছত মহাশ্বেতাৰ

অনুৰোধত যুৱৰাজ গন্ধর্বলোকলৈ গ'ল। তাতে তেওঁ মহাশ্বেতাৰ প্রিয় বান্ধৱী কাদম্বৰীক লগ পালে। কাদম্বৰীৰ ৰূপত চন্দ্রাপীড় মুগ্ধ হ'ল। দুয়ো দুয়োৰে প্রতি আকৃষ্ট হ'ল। কিছুদিন হেমকূটত কটাই চন্দ্রাপীড় পুনৰ নিজ ঘৰলৈ উভতিল। যুৱৰাজৰ উজ্জয়িনীলৈ আগমনত সকলো আনন্দিত হৈ পৰিল। সকলোৱে তেওঁক দিগ্‌বিজয় সম্বন্ধীয় সকলো কথা সুধিলে। চন্দ্রাপীড়েও নানা কথা জনালে।

(এইখিনিতে বাণভট্টৰ আকস্মিক বিয়োগৰ বাবে কাদম্বৰীৰ পূর্বার্ধৰ কাহিনীৰ অন্ত পৰিল। পিছত তেওঁৰ পুত্র ভূষণভট্টই পৰৱর্তী কাহিনীভাগ অর্থাৎ উত্তৰার্ধ ৰচনা কৰে।)

১.৭.২ কাদম্বৰীৰ উত্তৰার্ধৰ কাহিনী

আপুনি ইতিমধ্যে কাদম্বৰী কাব্যৰ পূর্বার্ধৰ কাহিনীৰ বিষয়ে অৱগত হ'ল। এতিয়া উত্তৰার্ধৰ কাহিনীৰ বিষয়ে তলত অধ্যয়ন কৰিব পাৰিব।

পূর্বার্ধৰ অন্তত উল্লেখ কৰা মতে চন্দ্রাপীড় উজ্জয়িনী পাই ৰাজভৱনত পিতৃ-মাতৃক লগ পায়। বহুদিনৰ মূৰত যুৱৰাজ ৰাজধানীলৈ উভতি অহাত সকলোৰে মনত অপাৰ আনন্দ।

চন্দ্রাপীড় নিজে ৰাজভৱনত থাকিলেও কাদম্বৰীৰ প্রতি চিন্তাই তেওঁক আকুল কৰি তোলে। তেওঁ কাদম্বৰীৰ খবৰ ল'বলৈ পত্রবাহকক পঠায়। পত্রবাহকে উভতি আহি জনায় যে কাদম্বৰীয়ে যুৱৰাজৰ চিন্তাত অতিকৈ বেদনা ভূগি আছে। কাদম্বৰীৰ অৱস্থাৰ কথা শুনি চন্দ্রাপীড় মূর্চ্ছা যায়। সংজ্ঞা ঘূৰাই পাই কেনেকৈ এই অৱস্থাৰ উপশম কৰিব পাৰি তাকে চিন্তা কৰিবলৈ ধৰিলে। তাৰ পিছত চন্দ্রাপীড়ে পিতৃ-মাতৃৰ আজ্ঞা লৈ বৈশম্পায়নক লগ কৰাৰ বাবে দশপুৰ নামৰ স্থানলৈ যায়। তালৈ গৈ তেওঁ বৈশম্পায়ন অচ্ছোদ সৰোবৰৰ তীৰত থকা বুলি জানিব পাৰে। তাৰ পিছত গম পায় যে মহাশ্বেতাৰ অভিশাপত বৈশম্পায়নৰ মৃত্যু হ'ল। এই কথা শুনি চন্দ্রাপীড় শোকত কাতৰ হৈ পৰে। সকলো কথাৰ সম্ভেদ পোৱাৰ আশাৰে তেওঁ মহাশ্বেতাৰ আশ্রমত উপস্থিত হয়গৈ। মহাশ্বেতাই জনায় যে এজন যুৱকে তেওঁ বৈৰাগ্য জীৱন যাপন কৰি থাকোতে শিষ্টাচাৰ ভঙ্গ কৰিবলৈ আহিছিল। সেয়েহে তেওঁ যুৱকজনক পাপকর্মৰ বাবে ভাটৌ হৈ জন্ম গ্রহণ কৰিবলৈ অভিশাপ দিয়ে। তাৰ পিছত নিজৰ অপৰাধৰ ফলতেই হওক বা পাপৰ ফলতেই হওক যুৱকজনে মাটিত বাগৰি পৰি প্রাণত্যাগ কৰে। সেই যুৱকজনেই আছিল বৈশম্পায়ন। নিজৰ বন্ধুৰ এনে দুর্দশাৰ কথা শুনি চন্দ্রাপীড়েও দুখতে মৃত্যু বৰণ কৰে। যুৱৰাজৰ মৃত্যুৰ শোকত সকলো নিমজ্জিত হৈ থকাৰ সময়তে কাদম্বৰী সেই স্থানলৈ আহে। তাতে চন্দ্রাপীড়ৰ শৱদেহ দেখি তেওঁ সংজ্ঞাহীন হৈ পৰে। এনেতে দৈৱবাণী হয় যে 'পুণ্ডৰীকৰ দেহ চন্দ্রলোকত সুৰক্ষিত হৈ আছে। মহাশ্বেতাই তেওঁৰ লগত পুনৰ মিলনলৈ অপেক্ষা কৰিব লাগে। চন্দ্রাপীড় চন্দ্রৰ অংশ। অতি সোনকালে কাদম্বৰীৰ

লগতো তেওঁৰ পুনৰ মিলন ঘটিব। সেই কাৰণে চন্দ্রাপীড়ৰ দেহ পানীত ভহাই নিদি বা অগ্নি সৎকাৰ নকৰি যতনেৰে ৰক্ষা কৰিব লাগে।' এই দৈৱবাণী শুনি কাদম্বৰীয়েও শুকুলা সাজ পৰিধান কৰি চন্দ্রাপীড়ক নিজৰ স্পর্শেৰে সযতনে ৰাখিলে।

ইতিমধ্যে চন্দ্রাপীড়ৰ সেনাপতি মেঘনাদে উজ্জয়িনীলৈ গৈ ৰজা-ৰানীক সকলো ঘটনা বিৱৰি ক'লে। সকলো অচ্ছোদ সৰোবৰৰ তীৰলৈ আহে। চন্দ্রাপীড়ৰ দেহ ৰক্ষা কৰাত যত্নৰযাতে কোনো ত্রুটি নঘটে,তাৰ বাবে ৰজা তাৰাপীড় আৰু ৰাণী বিলাসৱতীয়েও অন্য এখন আশ্রম পাতি সৰোবৰৰ তীৰতে থাকিবলৈ ল'লে। লগতে মন্ত্রী শুকনাস আৰু তেওঁৰ পত্নীও থাকিল।

পূৰ্বাৰ্ধত বর্ণনা কৰা মতে ভাটৌটোৰ পূৰ্বজন্মৰ কাহিনী বর্ণনা কৰি থকা জাবালি মুনিয়ে তেতিয়া কয় যে এইটোৱেই সেই ভাটৌ যাৰ নাম বৈশম্পায়ন, যিটোৱে মহাশ্বেতাৰ শাপত এই জন্মত ভাটৌ হৈ জন্মিল। এই কথাবোৰ শুনি ভাটৌটোৱে অতীতৰ সকলো ঘটনা মনত পেলাবলৈ ধৰিলে। সকলো ঘটনা মনত পৰাত বৈশম্পায়ন নামৰ ভাটৌটোৱে চন্দ্রাপীড়ক লগ পাবলৈ ইচ্ছা কৰে। কিন্তু জাবালি মুনিয়ে তাক পাখী গজালৈকে আৰু ভালকৈ উৰিব পৰা হোৱালৈকে অপেক্ষা কৰিবলৈ কয়। কিছুদিনৰ পিছত নিজৰ আত্মীয়সকলক লগ পাবলৈ উৰা মাৰোতেই চণ্ডালৰ হাতত ভাটৌৰূপী বৈশম্পায়ন বন্দী হয়। সেই চণ্ডালৰ ঘৰতে বন্দী হৈ কিছুদিন থকাৰ পিছত চণ্ডালকন্যাই তাক ৰজা শূদ্রকক উপহাৰ ৰূপে দিয়ে।

শূদ্রকৰ ৰাজসভাত নিজৰ কাহিনী কৈ থকা বৈশম্পায়নে ৰজাক ক'লে যে চণ্ডাল কন্যাগৰাকী কোন, কিয় তেওঁক পুত্র বুলি সম্বোধন কৰিছে, কিহৰ বাবেই বা তেওঁক বন্দী কৰি ৰাখিছে আৰু কি কাৰণে ৰাজসভালৈ লৈ আনিছে একো নাজানে।

তেতিয়া ৰজাৰো কৌতূহল উপজিল। তেওঁ চণ্ডাল কন্যাক মতাই আনিলে। চণ্ডাল কন্যাই শূদ্রকক 'ৰোহিনীপতি' বুলি সম্বোধন কৰিলে। লগতে ক'লে যে তেঁৰে লক্ষ্মীদেৱী, ভাটৌটোৰ প্রথম জন্ম পুণ্ডৰীকৰ মাতৃ। পিতৃৰ আদেশত পিছৰ জন্মতো তাক মাতৃৰূপে ৰক্ষা কৰি আছে। এতিয়া ভাটৌটো অভিশাপ মুক্ত হ'ল আৰু মনুষ্য ৰূপ ঘূৰাই পালে।

চণ্ডাল-কন্যাৰ কথাখিনি শুনি ৰজা শূদ্রকৰ পূৰ্বজন্মৰ সকলো কথা, বৈশম্পায়নৰ লগত বন্ধুত্ব, কাদম্বৰীৰ প্রতি প্রেম— সকলো মনত পৰিল। ফলত শাপৰ অন্ত পৰিল। শূদ্রকৰ প্রাণে চন্দ্রাপীড়ৰ দেহত প্রবেশ কৰিলে। কাদম্বৰীয়ে চন্দ্রাপীড়ৰ যি শৱদেহ সাবটি ধৰি আছিল, সি যেন টোপনিৰ পৰা সাৰ পাই প্রাণ পাই উঠিল। চন্দ্রাপীড়ে জনালে যে পুণ্ডৰীকো শাপমুক্ত হৈছে। কেইমুহূর্তমানৰ পিছতে পুণ্ডৰীকো মহাশ্বেতাৰ ওচৰলৈ আহিল। তেওঁলোকৰ পুনৰ মিলন হ'ল। ইয়াৰ পিছত প্রত্যেকেই পূৰ্বৰ শৰীৰ ঘূৰাই পোৱাত এক উৎসৱমুখৰ পৰিবেশত কাহিনীৰ পৰিসমাপ্তি ঘটে।

(কাদম্বৰীৰ উত্তৰার্ধৰ কাহিনীভাগৰ এইখিনিতে অন্ত পৰে।)



জানি থোৱা ভাল

১) 'কাদম্বৰী' কাব্যৰ বিষয়বস্তু হ'ল চন্দ্রাপীড় আৰু কাদম্বৰী তথা মহাশ্বেতা আৰু পুণ্ডৰীকৰ বিভিন্ন জন্মৰ প্রেম কাহিনী। ইয়াত বর্ণিত হৈছে যে কেনেদৰে চন্দ্রই মহাশ্বেতাৰ বিৰহত কাতৰ পুণ্ডৰীকৰ অভিশাপত পৃথিৱীত জন্ম লয়। জন্ম লয় চন্দ্রাপীড়ৰূপে আৰু গন্ধর্ৱৰাজকুমাৰী কাদম্বৰীৰ প্রেমত পৰে। পুণ্ডৰীকেও চন্দ্রৰ শাপত পৃথিৱীত জন্ম গ্রহণ কৰে চন্দ্রাপীড়ৰ বন্ধু বৈশম্পায়নৰূপে। চন্দ্রাপীড় আৰু বৈশম্পায়নে প্রাণত্যাগ কৰি জন্মগ্রহণ কৰে ক্রমে ৰজা শূদ্রক আৰু ভাটৌ চৰাইৰূপে। শেষত সকলোৰে নিজ নিজ প্রিয়জনৰ লগত মিলন হয়। অর্থাৎ বাণভট্টই 'কাদম্বৰী' কাব্যত তিনিটা জন্মৰ কাহিনী বর্ণনা কৰিছে। প্রথম জন্মত চন্দ্র, দ্বিতীয় জন্মত চন্দ্রাপীড় আৰু তৃতীয় জন্মত ৰজা শূদ্রকৰ কাহিনী আৰু সেইদৰে প্রথম জন্মত পুণ্ডৰীক, দ্বিতীয় জন্মত বৈশম্পায়ন আৰু তৃতীয় জন্মত মানুহৰ দৰে কথা ক'ব পৰা ভাটৌ চৰাইৰ কাহিনী ইয়াত পোৱা যায়।

২) **অৱন্তী ৰাজ্য ঃ** পুৰণি কালৰ মালৱ দেশ। প্রসিদ্ধ উজ্জয়িনী নগৰ এই ৰাজ্যৰ ৰাজধানী আছিল। শিপ্রা নদীৰ পাৰত উজ্জয়িনী নগৰ অৱস্থিত আছিল।

৩) **হেমকূট পর্বত ঃ** কিংপুৰুষ ক্ষেত্র নামৰ হিমালয় পর্বতৰ ওচৰত এখন ঠাইৰ সীমাত অৱস্থিত পর্বত হেমকূট। এই পর্বতৰ দীঘ নৱৈ সহস্রলোচন, প্রস্থ আৰু বিস্তাৰ দ্বিসহস্রযোজন।

৪) **হাৰীত মুনি ঃ** ধর্মশাস্ত্রৰ প্রৱর্তক এজন মুনি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ 'কাদম্বৰী' শব্দৰ প্রকৃত অর্থ কি?

.....

প্রশ্ন ৬ ঃ বাণভট্টই কাদম্বৰীৰ কাহিনীৰ আধাৰ ৰূপে লোৱা গ্রন্থখন কি?

.....

প্রশ্ন ৭ ঃ কাদম্বৰীৰ ভাগ দুটা কি কি?

.....

প্রশ্ন ৮ ঃ শূদ্রকক ভাটৌটো কোনে উপহাৰ দিছিল?

.....

প্রশ্ন ৯ ঃ চন্দ্রাপীড়ৰ পিতৃ আৰু মাতৃৰ নাম কি আছিল?

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- সংস্কৃত সাহিত্যৰ প্ৰসিদ্ধ গদ্য ৰচকসকলৰ ভিতৰত অন্যতম বাণভট্ট। তেওঁ থানেশ্বৰ ৰাজ্যৰ ৰজা হৰ্ষবৰ্দ্ধনৰ সভাকবি আছিল। তেওঁৰ সময় খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ শেষৰভাগৰ পৰা সপ্তম শতিকাৰ প্ৰথমভাগৰ ভিতৰত বুলি বাণে নিজৰ বিষয়ে তেওঁৰ দুই বিখ্যাত গ্ৰন্থ 'হৰ্ষচৰিত' আৰু 'কাদম্বৰী'ত লিপিবদ্ধ কৰি থৈ গৈছে।
- বাণভট্টৰ ৰচনাৱলীৰ ভিতৰত উল্লেখযোগ্য ৰচনা হৈছে হৰ্ষচৰিত, কাদম্বৰী, চণ্ডীশতকম্, পাৰ্ৱতীপৰিণয়ম্, মুকুটতাড়িতকম্ আদি।
- 'কাদম্বৰী' বাণভট্টৰ অন্যতম সাহিত্য কীৰ্তি। এই গ্ৰন্থৰ কাহিনীভাগৰ আধাৰ গ্ৰন্থ হৈছে সোমদেৱৰ দ্বাৰা ৰচিত 'কথাসৰিৎসাগৰ'।
- 'কাদম্বৰী'-ৰ কাহিনীভাগ দুটা ভাগত বিভক্ত— 'পূৰ্বাৰ্ধ' আৰু 'উত্তৰাৰ্ধ'। 'পূৰ্বাৰ্ধ' বাণভট্টই ৰচনা কৰে। তেওঁৰ আকস্মিক বিয়োগৰ বাবে 'কাদম্বৰী'ৰ কাহিনীভাগ আধৰুৱা হৈ ৰয়। পিছত তেওঁৰ পুত্ৰ ভূষণভট্টই উত্তৰাৰ্ধ ৰচনা কৰি 'কাদম্বৰী' গ্ৰন্থৰ কাহিনী সম্পূৰ্ণ কৰে।



১.৯ অধিক জানিবলৈ

১) কাণে, পি. ভি. (১৯৮৬), *হৰ্ষচৰিতম্*, দিল্লী ঃ মোতিলাল বানাৰসী দাস।
২) কালে, এম. আৰ. (১৯৬৮), *কাদম্বৰী*, পূৰ্বভাগ, দিল্লী ঃ মোতিলাল বানাৰসী দাস।
৩) শৰ্মা, থানেশ্বৰ (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।
৪) শৰ্মা, প্ৰভাত চন্দ্ৰ (২০০০), *কাদম্বৰী*(অনুবাদ), গুৱাহাটী ঃ আবিলেক।



১.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বাণভট্ট।

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) কথা; খ) আখ্যায়িকা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ বাণভট্টই ৰচনা কৰা কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে, হৰ্ষচৰিত, কাদম্বৰী,

চণ্ডীশতকম্, পার্ৱতীপৰিণয়ম্, মুকুটতাড়িতকম্ আদি।

৪নং প্ৰশ্নৰ উত্তৰ ঃ সম্ৰাট হৰ্ষবৰ্দ্ধন।

৫নং প্ৰশ্নৰ উত্তৰ ঃ সুৰা।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সোমদেৱ বিৰচিত 'কথাসৰিৎসাগৰ'।

৭নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্বাৰ্ধ আৰু উত্তৰাৰ্ধ।

৮নং প্ৰশ্নৰ উত্তৰ ঃ চণ্ডালকন্যাই।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ৰজা তাৰাপীড় আৰু ৰাণী বিলাসৱতী।



১.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ আখ্যায়িকা কি?

প্ৰশ্ন ২ ঃ হেমকূট পৰ্বত ক'ত অৱস্থিত?

খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বাণভট্টৰ চমু পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ কাদম্বৰীৰ কাহিনীৰ উৎস সম্পৰ্কে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মহাকবি বাণভট্টৰ বিষয়ে এটি চমু আভাস ডাঙি ধৰক।

প্ৰশ্ন ২ ঃ বাণভট্টৰ ৰচনাৱলীৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ কাদম্বৰী-ৰ পূৰ্বাৰ্ধৰ কাহিনীভাগ নিজৰ ভাষাত লিখক।

** ***** **

অধ্যায় ২ ঃ কাদম্ৱৰী ঃ শূদ্রকৱর্ণনম্

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ 'শূদ্রকৱর্ণনম্'ৰ মূল সংস্কৃত পাঠ
২.৪ মূল সংস্কৃত পাঠৰ শব্দার্থ
২.৫ মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ
২.৬ 'শূদ্রকৱর্ণনম্' পাঠটিৰ সাৰাংশ
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্রগতিৰ খতিয়ান
২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'কাদম্ৱৰী' কাব্যৰ কথামুখত বর্ণিত ৰজা শূদ্রকৰ বিষয়ে জানিব পাৰিব
- ৰজা শূদ্রকৰ চৰিত্রৰ বৈশিষ্ট্যসমূহ সম্পর্কে অৱগত হ'ব পাৰিব
- মূল সংস্কৃত পাঠৰ লগতে শব্দার্থ আৰু অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিব।

২.২ পৰিচয়

আপুনি ইতিমধ্যেই আগৰ অধ্যায়ত সংস্কৃত সাহিত্যৰ এজন অন্যতম গদ্যকাৰ বাণভট্টৰ বিষয়ে অধ্যয়ন কৰিলে আৰু লগতে তেওঁৰ বিখ্যাত কাব্য 'কাদম্ৱৰী'ৰ বিষয়েও জানিব পাৰিলে। কাদম্ৱৰীৰ কথামুখমত ৰজা শূদ্রকৰ বর্ণনা পোৱা যায়। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি শূদ্রকৰ বিষয়ে অৱগত হ'ব পাৰিব। প্রাচীন ভাৰতীয় ৰজাসকলৰ চাৰিত্রিক বৈশিষ্ট্যসমূহ বাণভট্টই শূদ্রক বর্ণনাৰ মাধ্যমেৰে প্রকাশ কৰিছে। আপুনি এই বৈশিষ্ট্যসমূহৰ বিষয়েও অৱগত হ'ব পাৰিব। অধ্যায়টিত আপুনি মূল পাঠ্যাংশৰ লগতে শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব। সংস্কৃত সাহিত্যত মহাকবি বাণভট্ট যি বিশেষ গদ্য ৰচনাৰীতিৰ বাবে বিখ্যাত হৈছে, এই অধ্যায়টি অধ্যয়ন কৰি আপুনি তেওঁৰ সেই বিশেষ ৰচনাৰীতিৰ লগতো পৰিচিত হ'ব পাৰিব।

২.৩ 'শূদ্রকবর্ণনম্'ৰ মূল সংস্কৃত পাঠ

কাদম্বৰী কাব্যৰ আৰম্ভণিতে বাণভট্টই ৰজা শূদ্রকৰ বর্ণনা দাঙি ধৰিছে। বিদিশা নগৰীৰ শাসক শূদ্রক এজন সর্বগুণসম্পন্ন ৰজা আছিল। এই 'শূদ্রকবর্ণনম্'ৰ সংস্কৃত পাঠ্যাংশ আপোনাৰ বাবে তলত উল্লেখ কৰা হ'ল—

আসীদশেষ-নৰপতি-শিৰঃ সমভ্যর্চিত-শাসনঃ পাকশাসন ইবাপৰঃ চতুৰুদধিমালা মেখলায়া ভুবো ভর্তা, প্রতাপানুৰাগাবনত-সমস্ত-সামন্ত-চক্রঃ, চক্রবর্তিলক্ষণোপেতঃ, চক্রধৰ ইব কৰকমলোপলক্ষ্যমাণ-শঙ্খ-চক্র-লাঞ্ছনঃ, হৰ ইবজিতমন্মথাঃ গুহ ইবাপ্রতিহতশক্তিঃ, কমলযোনিৰিব বিমানীকৃতৰাজহংসমণ্ডলঃ, জলধিৰিব লক্ষ্মী-প্রসূতিঃ, গঙ্গাপ্রবাহ ইব ভগীৰথপথ-প্রবৃত্তঃ ৰবিৰিব প্রতি-দিবসোপজায়মানোদয়ঃ, মেৰুৰিব সকলভূবনোপজীব্যমানপাদচ্ছায়ঃ, দিগ্‌গজ ইবানবৰত-প্রবৃত্ত-দানার্দ্রীকৃতকৰঃ, কর্তা মহাশ্চর্যাণাম্, আহর্তা ক্রতূনাম্, আদর্শঃ সর্বশাস্ত্রাণাম্, উৎপত্তিঃ কলানাম্, কুলভবনং গুণানাম্, আগমঃ কাব্যামৃত-ৰসানাম্, উদয়শৈলো মিত্রমণ্ডলস্য, উত্পাতকেতুৰহিতজনস্য, প্রবর্তয়িতা গোষ্ঠীবন্ধানাম্, আশ্রয়ো ৰসিকানাম্, প্রত্যাদেশো ধনুষ্মতাম্, ধৌৰেয়ঃ সাহসিকানাম্, অগ্রণীর্বিদগ্ধানাম্, বৈনতেয় ইব বিনতানন্দজননঃ, বৈণ্য ইব চাপকোটি-সমুৎসাৰিত-সকলাৰাতিকুলাচলো ৰাজা শূদ্রকো নাম।

নাম্নৈব যো নির্ভিন্নাৰাতিহৃদয়ো বিৰচিতনৰসিংহৰূপাড়ম্বৰম্, এক বিক্রমাক্রান্তসকল-ভূবনতলো বিক্রমত্রয়ায়াসিতভুবনত্রয়ং জহাসেব বাসুদেবম্। অতিচিৰকাললগ্নমতিক্রান্ত-কুনৃপতি-সহস্র-সম্পর্ক-কলঙ্কমিব ক্ষালয়ন্তী যস্য বিমলে কৃপাণ-ধাৰাজলে চিৰমুবাস ৰাজলক্ষ্মীঃ। যশ্চ মনসি ধর্মেন, কোপে যমেন, প্রসাদে ধনদেন, প্রতাপে বহ্নিনা, ভূজে ভুবা, দৃশি শ্রিয়া, বাচি সৰস্বত্যা, মুখে শশিনা, বলে মৰুতা, প্রজ্ঞায়াং সুৰগুৰুণা, ৰূপে মনসিজেন, তেজসি সবিত্রা চ বসতা সর্ব-দেবময়স্য প্রকটিত বিশ্বৰূপাকৃতেৰনুকৰোতি ভগবতো নাৰায়নস্য। যস্য চ মদকল-কৰি-কুম্ভ-পীঠ-পাটনমাচৰতা লগ্ন-স্থূলমুক্তাফলেন দৃঢ়মুষ্টিনিষ্পীড়ন-নিষ্ঠ্যূত-ধাৰাজলবিন্দু-দন্তৰেণেব কৃপাণেনাকৃষ্যমাণা সুভটৌৰঃকপাটঘটিত-কবচ-সহস্রান্ধকাৰ-মধ্যবর্তিনী-কৰি-কৰ-তট-গলিত-মদজলাসাৰ-দুর্দিনাসু অভিসাৰিকেব সমৰনিশাসু সমীপমসকৃদাজগাম ৰাজলক্ষ্মীঃ। যস্য চ হৃদয়স্থিতানপি পতীন্ দিধক্ষুৰিব প্রতাপানলো বিয়োগিনীনামপি ৰিপু-সুন্দৰীণামন্তর্জনিতদাহো দিবানিশং জজ্বাল। যস্মিংশ্চ ৰাজনি জিতজগতি পৰিপালয়তি মহীং চিত্রকর্মসু বর্ণসঙ্কৰাঃ, ৰতেষু কেশগ্রহাঃ, কাব্যেষু দৃঢ়বন্ধাঃ, শাস্ত্রেষু চিন্তাঃ, স্বপ্নেষু বিপ্রলম্ভাঃ, ছত্রেষু কনকদণ্ডাঃ, ধ্বজেষু প্রকম্পাঃ, গীতেষু ৰাগবিলসিতানি, কৰিষু মদবিকাৰাঃ, চাপেষু গুণচ্ছেদাঃ, গবাক্ষেষু জালমর্গোঃ, শশিকৃপানকবচেষু কলঙ্কাঃ, ৰতিকলহেষু দূতসম্প্রেষণানি, সার্যক্ষেষু শূণ্যগৃহাঃ প্রজানামাসন্। যস্য চ পৰলোকাদ্ভয়ম্, অন্তঃপুৰিকালকেষু ভঙ্গঃ, নূপুৰেষু মুখৰতা, বিবাহেষু কৰপীড়নম্, অনবৰতমখাগ্নিধূমেনাশ্রুপাতঃ, তুৰগেষু কশাভিঘাতঃ, মকৰধ্বজে চাপধ্বনিৰভূত্।

তস্য চ ৰাজ্ঞঃ কলিকাল-ভয়-পুঞ্জীভূত-কৃতযুগানুকাৰিণী ত্রিভুবনপ্রসবভূমিৰিব বিস্তীর্ণা মজ্জন্মালব-বিলাসিনী-কুচতটাস্ফালন-জর্জৰিতো-র্মিমালয়া জলাবগাহনাবতাৰিত-জয়কুঞ্জৰ-কুম্ভ-

সিন্দূৰ-সন্ধ্যায়মানসলিলয়া উন্মদ-কলহংস-কুল-কোলাহল-কূলয়া বেত্রবত্যা পৰিগতা বিদিশাভিধানা নগৰী ৰাজধান্যাসীৎ।

স তস্যাঞ্চ বিজিতাশেষ-ভূবনমণ্ডলতয়া বিগতৰাজ্যচিন্তাভাৰনির্বৃতঃ, দ্বীপান্তৰাগতানেক-ভূমিপাল-মৌলিমালা-লালিত-চৰণযুগলঃ, বলয়মিব লীলয়া ভুজেন ভুবন-ভাৰমুদ্বহন্, অমৰ-গুৰুমপি প্রজ্ঞয়োপহসদ্ভিৰনেক- কুলক্রমাগতৈৰসকৃদালোচিত নীতিশাস্ত্র-নির্মল-মনোভিৰলুব্ধৈঃ স্নিগ্ধৈঃ প্রবুদ্ধৈশ্চামাত্যৈঃ পৰিবৃতঃ, সমানবয়োবিদ্যালঙ্কাৰৈৰনেকমূর্ধাভিষিক্ত-পার্থিবকুলোদ্গতৈৰ-খিলকলা-কলাপালোচন-কঠোৰমতিভিৰতিপ্রগল্ভৈঃ কালবিদ্ভিঃ প্রেমানুৰক্ত-হৃদয়ৈৰগ্রাম্য পৰিহাসকুললৈৰিঙ্গিতাকাৰ-বেদিভিঃ কাব্য-নাটকাখ্যানকাখ্যায়িকালেখ্য-ব্যাখ্যানাদি-ক্রিয়া-নিপুণৈৰতিকঠিন-পীবৰস্কন্ধোৰুবাহুভিঃ অসকৃদবদলিত-সমদ-ৰিপু-গজঘটা-পীঠবন্ধৈঃ কেশৰিকিশোৰকৈৰিব, বিক্রমৈকৰসৈৰপি বিনয় ব্যৱহাৰভিৰাত্মনঃ প্রতিবিম্বৈৰিব ৰাজপুত্রৈঃ সহ ৰমমাণঃ প্রথমে বয়সি মুখমতিচিৰমুবাস। তস্য চাতিবিজিগীষুতয়া মহাসত্ত্বাতয়া চ তৃণমিব লঘুবৃত্তি স্ত্রৈণমাকলয়তঃ প্রথমে বয়সি বর্তমানস্যাপি ৰূপবতোঽপি সন্তানার্থিভিৰমাত্যৈৰপেক্ষিতস্যাপি সুৰতসুখস্যোপৰি দ্বেষ ইবাসীত্। সত্যপি ৰূপবিলাসোপহসিত-ৰতিবিভ্রমে লাবন্যবতি বিনয়-বত্যন্বয়বতি হৃদয়হাৰিণি চাবৰোধজনে, স কদাচিদনবৰত-দোলায়মান-ৰত্নবলয়ো ঘর্ষৰিকাস্ফালন-প্রকম্পমান-ঝনঝণায়মান-মণিকর্ণপূৰঃ স্বয়মাৰব্ধমৃদঙ্গবাদ্যঃ সঙ্গীতকপ্রসঙ্গেন, কদাচিদবিৰল-বিমুক্ত-শৰাসাৰ- শূন্যীকৃতকাননো মৃগয়াব্যপাৱেণ কদাচিদাবদ্ধবিদগন্ধমণ্ডলঃ কাব্য প্রবন্ধৰচনেন, কদাচিচ্ছা-স্ত্রালাপেন, কদাচিদাখ্যানকাখ্যায়িকেতিহাসপুৰাণাকর্ণনেন, কদাচিদালেখ্য-বিনোদেন, কদাচিদ্বীণয়া, কদাচিদ্দর্শনাগত-মুনিজন-চৰণশুশ্রূষয়া, কদাচিদক্ষৰচ্যুতক-মাত্রাচুত্যক-বিন্দুমতী-গূঢ়চতুর্থপাদ-প্রহেলিকা-প্রদানাদিভিঃ, বনিতাসম্ভোগসুখপৰাঙ্মুখঃ সুহৃদপৰিবৃতো দিবসমনৈষীত্। যথৈব চ দিবসমেবমাৰব্ধ-বিবিধ-ক্রীড়া-পৰিহাসচতুৰৈঃ সুহৃদ্ভিৰুপেতো নিশামনৈষীৎ।



জানি থোৱা ভাল

ওপৰৰ পাঠটোত পোৱা কিছুমান উল্লেখযোগ্য সংস্কৃত পদৰ ব্যাকৰণ তথা ভাঙনি তলত দেখুৱা হ'ল। পদবোৰ ব্যাকৰণগত দিশৰ পৰা বুজি ল'লে সংস্কৃত ভাষাৰ জ্ঞান আহৰণ কৰাত আপুনি যথেষ্ট সুবিধা পাব।

১) বিমলে = অধিকৰণে সপ্তমী
২) উবাস = বস্ + লিট্ + ণল্
৩) বসতা = বস্ + শতৃ + তৃতীয়া একবচন (পুংলিঙ্গ)
৪) ৰাজলক্ষ্মীঃ = কর্তৰি প্রথমা
৫) পতীন্ = কর্মণি দ্বিতীয়া
৬) প্রতাপানলঃ = প্রতাপ এব অনলঃ (ৰূপক কর্মধাৰয় সমাস)
৭) দিবানিশম্ = দিবা চ নিশা চ (দ্বন্দ্ব সমাস)
৮) জজ্বাল = জ্বল্ + লিট্ ণল্

৯) পৰিপালয়তি = পৰি—পাল + লট্ তি

১০) অভূৎ = ভূ + লুঙ্ + প্রথম পুৰুষ, একবচন

১১) স্ত্রৈণম্ = স্ত্রীণাং সমূহ ইতি স্ত্রী + অন্

১২) আসীৎ = অস্ + লঙ্ দ।

২.৪ মূল সংস্কৃত পাঠৰ শব্দার্থ

আপুনি ইতিমধ্যে 'শূদ্রকবর্ণনম্'-ৰ মূল সংস্কৃত পাঠটো অধ্যয়ন কৰিলে। এতিয়া এই পাঠৰ মূল সংস্কৃত শব্দসমূহৰ অসমীয়া অর্থসমূহ অধ্যয়ন কৰিব পাৰিব। মূল সংস্কৃত পাঠৰ শব্দার্থ তলত উল্লেখ কৰা হ'ল—

আসীৎ (আছিল) অশেষ (সকলো) নৰপতি (ৰজা) শিৰঃ (শিৰত) সমভ্যর্চিত (সন্মানেৰে সৈতে) শাসনঃ (আদেশ) ***পাকশাসন*** ইব (ইন্দ্ৰৰ দৰে) অপৰ (দ্বিতীয়) চতুঃ (চাৰিটা) উদধি (সাগৰৰ) মালা (পংক্তি বা শাৰী) মেখলায়া (মেখেলাৰে পৰিবেষ্টিতা) ভূবঃ (পৃথিৱীৰ) ভর্তা (গৰাকী বা স্বামী), প্রতাপ (প্রভাব বা ক্ষমতা) অনুৰাগ (মৰম বা বাৎসল্যত) অবনত (বশীভূত) সমস্ত (সকলো) সামন্ত চক্রঃ (ৰজাসকল), চক্রবর্তিলক্ষনোপেতঃ (সম্রাটৰ লক্ষণযুক্ত) চক্রধৰ ইব (চক্রধাৰী বিষ্ণুৰ দৰে) কৰকমলে (হস্ত কমলত) উপলক্ষ্যমান (দৃশ্যমান) শঙ্খ-চক্র-লাঞ্ছনঃ (শঙ্খ আৰু চক্রৰ চিন বা চিহ্ন) হৰ ইব (শিৱৰ দৰে) জিত (জয়ী) মন্মথঃ (মদন বা কামদেৱ) গুহ ইব (কার্ত্তিকৰ দৰে) অপ্রতিহতশক্তিঃ (বাধাহীন শক্তি), কমলযোনিঃ ইব (ব্রহ্মাৰ দৰে) বিমানীকৃত (বাহন কৰে) ৰাজহংসমণ্ডল (ৰাজহাঁহবোৰক), জলধিঃ ইব (সমুদ্রৰ দৰে) লক্ষ্মী (সম্পদৰ) প্রসূতিঃ (উৎপত্তিস্থল) গঙ্গা প্রবাহঃ ইব (গঙ্গানদীৰ জলধাৰাৰ দৰে) ভগীৰথপথপ্রবৃত্তঃ (ভগীৰথে প্রবর্তন কৰা পথেৰে যোৱা), ৰবিঃ ইব (সূর্যৰ দৰে) প্রতিদিৱসঃ (প্রতিদিনে) উপজায়মানোদয়ঃ (উদয় হয়), মেৰুঃ ইব (সুমেৰু পর্বতৰ দৰে), সকল ভুবন (সমস্ত ভূলোকৰ) উপজীব্যমান (আশ্রিত বা আশ্রয় গ্রহণ কৰা) পাদচ্ছায়ঃ (চৰণ ছায়াত), দিগ্‌গজ ইব (হাতীৰ দৰে) অনবৰত (অনবৰতে) প্রবৃত্ত (লাগি থাকে) দান (দানেৰে) আর্দ্রীকৃত (তিঁতি থাকে) কৰঃ (হাত), কর্তা (গৰাকী) মহাশ্চর্যানাম্ (বহু বিস্ময়কৰ কামৰ), আহর্তা (অনুষ্ঠিত কৰোতা) ক্রতূনাম্ (যজ্ঞসমূহৰ), আদর্শঃ (দাপোনস্বৰূপ) সর্বশাস্ত্রানাম্ (সকলো শাস্ত্রৰ), উৎপত্তিঃ (উৎপত্তিস্থল) কলানাম্ (কলাবিদ্যাৰ), কুলভবনম্ (বংশানুক্রমিক আশ্রয়স্থান), গুণানাম্ (গুণসমূহৰ), আগমঃ (উৎপত্তিস্থান) কাব্যামৃত ৰসানাম্ (অমৃতৰ দৰে কাব্যৰসৰ), উদয়শৈলো (উদয় পর্বতৰ দৰে) মিত্রমণ্ডলস্য (মিত্র বা বন্ধুসকলৰ), উৎপাতকেতুঃ (বিনাশসূচক ধূমকেতু স্বৰূপ) অহিতজনস্য (শত্রুসকলৰ), প্রবর্তয়িতা (প্রতিষ্ঠাতা) গোষ্ঠীবন্ধনানাম্ (বিদ্বানসকলৰ সভাৰ), আশ্রয়ো (আশ্রয়স্থল), ৰসিকানাম্ (কাব্যৰসিক বা সাহিত্যানুৰাগীসকলৰ), প্রত্যাদেশো (প্রতিৰোধক), ধনুষ্মতাম্, (ধনুর্বিদসকলৰ), ধৌৰেয়ঃ (প্রধান বা ধুৰন্ধৰ), সাহসিকানাম্ (সাহসীসকলৰ মাজত) অগ্রনী (অগ্রগন্য) বিদগ্ধানাম্ (বিদ্বানসকলৰ মাজত), বৈনতেয় ইব (গড়ুৰৰ দৰে) বিনতা (গড়ুৰৰ মাতৃ) আনন্দজননঃ (আনন্দৰ আধাৰ), বৈন্য ইব (বেনুপুত্র পৃথুৰ দৰে), চাপকোটি (কোটি সংখ্যক ধনু) সমুৎসাৰিত (উৎখাত কৰিছিল)



পাকশাসন ঃ ইন্দ্র।



কুলাচল ঃ কুলপর্বত নামেৰে প্রসিদ্ধ সাতখন পর্বত। সেইকেইখন হ'ল = মহেন্দ্র, মলয়, সহ্য, শুক্তিমান্, ঋক্ষৰান, বিন্ধ্য আৰু পাৰিপাত্র।

সকলোৰাতি (সকলো শত্রুক) ***কুলাচলো*** (কুলপর্বতক) ৰাজা (ৰজা) শূদ্রকো নাম (শূদ্রক নামৰ) নাম্না এব (নামৰ দ্বাৰাই) যো (যিজনে অর্থাৎ শূদ্রকে) নির্ভিন্ন (ভেদ কৰিছিল।) অৰাতি (শত্রুৰ) হৃদয়ঃ (হৃদয়) বিৰচিত (ধাৰণ কৰিছিল) নৰসিংহৰূপ (নৰসিংহৰূপ) আড়ম্বৰম্ (আড়ম্বৰকাৰীক অর্থাৎ আড়ম্বৰপূর্ণ কার্য্য কৰোতাজনক) এক (একমাত্র) বিক্রম (পৰাক্রমতে) আক্রান্ত (আয়ত্তকাৰী বা অধীনলৈ আনোতা) সকলভুবনতলো (ত্রিভুবন) জহাসেব (যেন উপহাস কৰিছিলে) বাসুদেবম্ (বিষ্ণুক)। অতিচিৰকাললগ্নম্ (দীর্ঘকাল ধৰি লাগিছিলে) অতিক্রান্ত (অতীতত) কুনৃপতি (কুৎসিত বা বেয়া ৰজাৰ) সহস্র (হাজাৰ হাজাৰ) সম্পর্ক (সম্পর্কত বা সংসর্গত) কলঙ্কমিব (কলঙ্ক বা দুষিত চিহ্ন নিচিনা) ক্ষালয়ন্তী (ধোৱাৰ বাবে) যস্য (যাৰ বা শূদ্রকৰ) কৃপান (তৰোৱালৰ) ধাৰাজলে (ধাৰাজলত) চিৰমুবাস (চিৰকাল বাস কৰিছিল) ৰাজলক্ষ্মীঃ (ৰাজলক্ষ্মীয়ে)। যশ্চ (যাৰ) মনসি (অন্তৰত) ধর্মেন (ধর্ম), কোপে (ক্রোধ বা খঙত) যমেন (যম), প্রসাদে (অনুগ্রহত)ধনদেন (কুবেৰ), প্রতাপে (ক্ষমতাত) বহ্নিনা (অগ্নি), ভুজে (বাহুত) ভুবা (পৃথিৰী), দৃশি (দৃষ্টিত বা চকুত) শ্রিয়া (লক্ষ্মী), বাচি (বাক্যত বা কথাত) সৰস্বত্যা (সৰস্বতী), মুখে (মুখত) শশিনা (চন্দ্র), বলে (শক্তিত) মৰুতা (বায়ু), প্রজ্ঞায়াং (বুদ্ধিত), সুৰগুৰুণা (বৃহস্পতি) ৰূপে (ৰূপত) মনসিজেন (কামদেব), তেজসি (প্রতাপত) সবিত্রা (সূর্য) চ (আৰু) বসতা (বাস কৰা বাবে) সর্বদেবময়স্য (সর্বদেবময়) প্রকটিত বিশ্বৰূপাকৃতে (বিশ্বৰূপধাৰী) অনুকৰোতি) (অনুকৰণ কৰে) ভগবতো (ভগবান) নাৰায়ণস্য (বিষ্ণুৰ)। যস্য (যাৰ অর্থাৎ শূদ্রকৰ) চ (আৰু) মদকল (মদমত্ত) কৰি (হাতী) কুম্ভপীঠ (হাতীৰ শিৰত লগোৱা মণিময় ফলক) পাটন (বিদীর্ণ বা ফালি পেলাওতে) আচৰতা (কৰোতো) লগ্ন (লাগি থকা) স্থূল (ডাঙৰ ডাঙৰ) মুক্তাফলেন (মুকুটাবোৰ) দৃঢ়মুষ্টি (দৃঢ় মুঠিত) নিষ্পীড়ন (চেপি ধৰাত) নিষ্ঠূত (নিগৰি পৰা) ধাৰাজালবিন্দু (জলবিন্দুসমূহৰ) দন্তৰেণ ইব (ওখ-চাপৰ হোৱাৰ নিচিনা) কৃপাণেন (তৰোৱালৰ দ্বাৰা) আকৃষ্যমানা (আকর্ষিত হৈ) সুভটৌৰঃ (সুনিপুণ যোদ্ধাসকলৰ) কপাটঘটিত (বহল বক্ষৰ পৰা সুলকি পৰা) কৱচসহস্র (সহস্র কৱচৰ) অন্ধকাৰ মধ্যবর্তিনী (অন্ধকাৰৰ মাজত) কৰিকৰতট (হাতীৰ শুঁড়ৰ পৰা) গলিত (নির্গত) মদজলাসাৰ (মদৰসৰ বৃষ্টিত) দুর্দিনাসু (ঘন অন্ধকাৰ) অভিসাৰিকেব (অভিসাৰিকাৰ দৰে) সমৰনিশাসু (সমৰ বা যুদ্ধৰ দৰে নিশাবোৰ) সমীপম (ওচৰলৈ) অসকৃৎ (বাৰে বাৰে) আজগাম (আহিছিল) ৰাজলক্ষ্মী (ৰাজলক্ষ্মীয়ে)। যস্য (যাৰ অর্থাৎ শূদ্রকৰ) হৃদয়স্থিতানপি (হৃদয়ত থিতাপি লৈ থকা) পতীন্ (পতিসকলকো) দিধক্ষুৰিব (যেন দহিব খুজিছিল) প্রতাপানলো (প্রতাপৰ দৰে অগ্নিয়ে) বিয়োগিনীনামপি (বিৰহিনীসকলৰো) ৰিপুসুন্দৰীনাম্ (শত্রুনাৰীসকলৰ) অন্তর্জনিত (মানুহে উৎপাদন কৰা) দাহো (দাহে) দিবানিশং (দিনে নিশাই) জজ্বাল (জ্বলি আছিল) যস্মিংশ্চ (আৰু সেই) ৰাজনি (ৰজা) জিত (জয় কৰি) জগতি (জগৎ) পৰিপালয়তি (পালন বা শাসন কৰোতে) মহীঃ (পৃথিৰী) চিত্রকর্মসু (চিত্রকর্মত) বর্ণসঙ্কৰাঃ (বর্ণসঙ্কৰ বা বর্ণৰ সংমিশ্রণ), ৰতেষু (ৰতি-কর্মত) কেশগ্রহাঃ (কেশ গ্রহণ), কাব্যেষু (কাব্যত) দৃঢ়বন্ধাঃ (দৃঢ়বন্ধন অর্থাৎ সমাস আদিৰ প্রয়োগৰ দ্বাৰা ৰচনাসমূহ হৈছিল) শাস্ত্রেষু (শাস্ত্রসমূহত) চিন্তাঃ (চিন্তা আছিল) স্বপ্নেষু (সপোনতে) বিপ্রলম্ভাঃ (বিচ্ছেদ বা প্রতাৰণা আছিল), ছত্রেষু (ছাতিতে) কনকদণ্ডাঃ (সোণৰ দণ্ড বা লাঠী আছিল) ধ্বজেষু (পতাকাত) প্রকম্পাঃ (কম্পন

আছিল), গীতেষু (গানত) ৰাগবিলসিতানি (ৰাগৰ ব্যৱহাৰ হৈছিল), কৰিষু (হাতীৰ মাজতে) মদবিকাৰাঃ (মদজনিত বিকাৰ আছিল), চাপেষু (ধনুত) গুণচ্ছেদাঃ (গুণৰ ছেদ ঘটিছিল), গবাক্ষেষু (খিৰীকত) জালমার্গাঃ (জাল আছিল অর্থাৎ বায়ু প্রবেশৰ বাবে সৰু সৰু ফুটা আছিল), শশি (চন্দ্র), কৃপান (তৰোৱাল) কবচেষু (কবচত) কলঙ্কাঃ (কলঙ্ক আছিল), ৰতিকলহেষু (ৰতি-কলহত) দূতসম্প্রেষণানি (দূত নিয়োগ হৈছিল) সার্যক্ষেষু (দবা, পাশা আদি খেলত) শূন্যগৃহাঃ (গৃহশূন্য হৈছিল) প্রজানাম্ (প্রজাৰ দ্বাৰা অর্থাৎ প্রজাক্ষয়ৰ দ্বাৰা) আসন্ (আছিল), যস্য (যাৰ অর্থাৎ শূদ্রকৰ) চ (আৰু) পৰলোকাৎ (পৰলোকৰ পৰা) ভয়ম্ (ভয়), অন্তঃপুৰিকা (অন্তঃপুৰবাসিনী সুন্দৰীসকলৰ বা ৰমনীসকলৰ) অলকেষু (অলকৰাশিত) ভঙ্গঃ (কুটিলতা বা বক্রতা আছিল), নূপুৰেষু (নেপুৰতহে) মুখৰতা (বাচালতা বা শব্দ আছিল), বিবাহেষু (বিবাহত) কৰ (পাণি বা হাত) পীড়নম্ (গ্রহণ হৈছিল), অনবৰত (অনবৰতে) মখাগ্নি (যজ্ঞৰ অগ্নিৰ) ধূমেন (ধোৱাত) অশ্রুপাতঃ (চকুৰ পানী ওলাইছিল), তুৰগেষু (ঘোড়াসমূহৰ ওপৰত) কশাভিঘাতঃ (চামৰাৰ লাঠীৰে প্রহাৰ হৈছিল), মকৰধ্বজে (কামদেৱৰ) চাপধ্বনি (ধনুত টঙ্কাৰ ধ্বনি) অভূত (হৈছিল)।

তস্য চ (আৰু তেওঁৰ অর্থাৎ শূদ্রকৰ) ৰাজ্ঞঃ (ৰজাৰ) কলিকাল (কলিকালৰ) ভয় (ভয়তে) পুঞ্জীভূত (সংকুচিত) কৃতযুগ (সত্যযুগৰ) অনুকাৰিণী (অনুকৰণ কৰিছিল)। ত্রিভুবন প্রসবভূমিৰিব (ত্রিভুবনৰ উৎপত্তিস্থলৰ দৰে) বিস্তীর্ণা (বিশাল)। মজ্জন (স্নানৰতা) মালব বিলাসিনী (মালবদেশীয় ৰমনীসকল) কুচতাস্ফালন (স্তনৰ আঘাত লাগি) জর্জৰিত (চূর্ণ বা ক্ষীণ হৈছিল) উর্মিমালয়া (তৰঙ্গমালা)। জলাবগাহনা (পানীত স্নান কৰাৰ বাবে) অবতাৰিত (নমা) জয় (জয়ী) কুঞ্জৰ (বিপক্ষ) কুম্ভ (হাতীবোৰৰ) সিন্দুৰ (সেন্দুৰবোৰ) সন্ধ্যায়মান (সন্ধিয়াৰ) সলিলয়া (পানীত) উন্মদ (আনন্দিত) কলহংসকুল (কলহংসকুলৰ) কোলাহল (কোলাহলত) কূলয়া (তীৰ বা পাৰ) বেত্রবত্যা (বেত্রবতী নদীৰ দ্বাৰা) পৰিগতা (পৰিৱেষ্টিত) বিদিশাভিধানা (বিদিশা নামৰ) নগৰী (নগৰ) ৰাজধান্যাসীৎ (ৰাজধানী আছিল)।

স (তেওঁ অর্থাৎ শূদ্রকে) তস্যাঞ্চ (আৰু তেওঁৰ) বিজিত (জয় কৰি) অশেষ (সমস্ত) ভূবনমণ্ড লতয়া (ভূমণ্ডল বা পৃথিৰী) বিগত (দূৰ হৈছিল) ৰাজ্যচিন্তাভাৰ (ৰাজ্যচিন্তাভাৰ) নির্বৃতঃ (নিশ্চিন্ত মনে), দ্বীপান্তৰাগতা (দ্বীপান্তৰৰপৰা অহা) অনেক ভূমিপাল (বহু ৰজাৰ) মৌলিমালা (মুকুটমালাই) লালিত (সাদৰেৰে স্পর্শ কৰিছিল) চৰণযুগলঃ (চৰণযুগল), বলয়মিব(বলয়ৰ দৰে) লীলয়া (অনায়াসে) ভুজেন (বাহুৰে) ভুবন (পৃথিৰীৰ) ভাৰমুদ্বহন্ (ভাৰ বহন কৰি), অমৰগুৰুমপি (দেবগুৰু বৃহস্পতিকো) প্রজ্ঞয়া (জ্ঞান বা বুদ্ধিৰে) উপহসদ্ভিঃ (উপহাস কৰি) অনেককুলক্রমাগত (অনেক বংশপৰম্পৰাক্রমে প্রাপ্ত) অসকৃৎ (বাৰে বাৰে) আলোচিতনীতিশাস্ত্র (নীতিশাস্ত্র আলোচনাৰে) নির্মল মনোভিঃ (মন নির্মল হোৱা) অলুব্ধৈঃ (অলোভী) স্নিগ্ধৈঃ (অনুৰক্ত) প্রবুদ্ধৈঃ (কার্যত সতর্ক) অমাত্যৈঃ (মন্ত্রীসকলৰ দ্বাৰা) পৰিবৃতঃ (পৰিবেষ্টিত আছিল)। সমানবয় (সমান বয়সৰ) বিদ্যালঙ্কাৰৈঃ (বিদ্যা আৰু অলঙ্কাৰেৰে) অনেকমূর্ধাভিষিক্ত (ব্রাহ্মণ আৰু ক্ষত্রিয়ৰ মিলত সৃষ্টি হোৱা) পার্থিবকুলোদ্গত (ৰাজকুলসম্ভূত)। অখিল (সমস্ত) কলাকলাপালোচন (কলাবিদ্যাৰ আলোচনাৰ দ্বাৰা) কঠোৰমতিভিঃ (পৰিপক্কতা লাভ কৰিছিল) অতি প্রগল্ভৈঃ (অত্যন্ত চতুৰ)

কালবিদ্ভিঃ অৱসৰজ্ঞ প্রেমানুৰক্তহৃদয়ৈ (প্রণয় অনুৰক্ত বা প্রীতিৰদ্বাৰা অনুৰক্ত) অগ্রাম্যপৰিহাসকুশলৈ (মার্জিত পৰিহাসত নিপুন) ইঙ্গিতাকাৰবেধিভিঃ (ইংগিত আৰু আকাৰত পাৰদর্শি) কাব্য নাটকাখ্যানকাখ্যায়িকালেখ্য (কাব্য, নাটক, আখ্যান, আখ্যায়িকা, আলেখ্য) ব্যাখ্যানাদি (অর্থ ব্যাখ্যা আদি) ক্রিয়া (কামত) নিপুনৈ (পার্গত) অতি কঠিনপীবৰ (অতি কঠিন বা দৃঢ় আৰু পুষ্ট) স্বন্ধোৰুবাহুভিঃ (স্কন্ধ, উৰু আৰু বাহুৰ দ্বাৰা) অসকৃদ্ (বাৰে বাৰে বা বহুবাৰ) অবদলিত (মদন কৰিছিল বা জোকাৰি দিছিল) সমদ (মত্ত) ৰিপু (শত্রু) গজঘটা (হাতীবোৰৰ) পীঠবন্ধৈঃ (পিঠিত বান্ধি থোৱা আসনসমূহ) কেশৰি (সিংহ) কিশোৰকৈৰিব (শিশুৰ দৰে), বিক্রমৈকৰমৈৰপি (মহা পৰাক্রমী) বিনয়ব্যবহাৰি (ব্যৱহাৰত বিনয়ী) আত্মনঃ (নিজৰ) প্রতিবিম্বৈৰিব (প্রতিবিম্বৰ দৰে) ৰাজপুত্রৈঃ (ৰাজপুত্রসকলৰ) সহ (লগত) ৰমমানঃ (আমোদ-প্রমোদ কৰি) প্রথমে বয়সি (কিশোৰ বয়স) সুখম্ (সুখেৰে) অতিচিৰম্ (বহুদিন) উবাস (বাস কৰিছিল)।

তস্য (তেওঁৰ বা শূদ্রকৰ) অতিবিজিগীষুতয়া (অতি বিজয়ৰ অভিলাষ থকা হেতুকে) মহাসত্ত্বতয়া চ (আৰু অধ্যৱসায় বা ধৈর্য্যশীলতা থকাৰ বাবে) তৃণমিব (তৃণ বা ঘাঁহৰ দৰে) লঘুবৃত্তি (অসাৰ) স্ত্রৈণম্ (নাৰীসকলক) আকলয়তঃ (ভাবিছিল)। প্রথমে বয়সি (যুৱ অৱস্থাত) বর্তমানস্যাপি (থাকিও) ৰূপবত্যোৎপি (ৰূপবান হৈয়ো) সন্তানার্থিভিঃ (তেওঁৰ সন্তান কামনা কৰিছিল) অমাত্যৈঃ (মন্ত্রীসকলৰ দ্বাৰা) অপেক্ষিতস্যাপি (প্রার্থিত হৈয়ো) সুৰত (স্ত্রী বা নাৰী) সুখস্যোপৰি (সম্ভোগ সুখৰ ওপৰত) দ্বেষ (বিদ্বেষ) ইব (যেন) আসীত (আছিল)।

সত্যপি সতি + অপি (থাকিলেও) ৰূপবিলাস (ৰূপ - লাৱন্যত আৰু বিলাসত) উপহসিত (চেৰ পেলোৱা বা উপহাস কৰা) ৰতি (কামদেৱৰ পত্নী ৰতিক) বিভ্রমে (বিলাসকো) লাবণ্যবতি (লাবণ্যময়ী) বিনয়বতি (বিনয়ৱতী) অন্বয়বতি (উচ্চবংশজাতা বা উচ্চ কুলত জন্মা) হৃদয়হাৰিনি চ (আৰু মনোহাৰিনী) অবৰোধজনে (নাৰীসকল), সঃ (তেওঁ অর্থাৎ শূদ্রকে) কদাচিৎ (কেতিয়াবা) অনবৰত দোলায়মান (অনবৰতে আন্দোলিত) ৰত্নবলয়ো (ৰত্ন খচিত বলয় বা খাৰু) ঘর্ঘৰিকা (বীণা) আস্ফালন (বজাওতে) প্রকম্পমান (কম্পিত হৈছিল) ঝণঝণায়মান (জন্‌জননি তুলিছিল) মণিকর্ণপূৰঃ (মণি খচিত কাণৰ ফুলিয়ে) স্বয়ম্ (নিজেই) আৰব্ধ (বজাওঁতে) মৃদঙ্গবাদ্যঃ (মৃদঙ্গ নামৰ বাদ্যবিশেষ) সঙ্গীতক প্রসঙ্গেন (সংগীত চর্চা কৰোতে)। কদাচিৎ (কেতিয়াবা) অবিৰল (ঘন) বিমুক্ত (মুক্ত কৰিছিল) শৰাসাৰ (শৰবৃষ্টিত) শূন্যীকৃত (শূন্য কৰি) কাননো (অৰণ্য) মৃগয়াব্যাপাৰেন (মৃগয়াকার্যেৰে) কদাচিৎ (কেতিয়াবা) অবদ্ধ (আহ্বান কৰি) বিদগ্ধমণ্ডলঃ (পণ্ডিত সমাজক) কাব্যপ্রবন্ধৰচনেন (কাব্য-প্রবন্ধ ৰচনা কৰিছিল)। কদাচিৎ (কেতিয়াবা আখ্যন (গল্প) আখ্যায়িকা (বিস্তৃত কথা) ইতিহাস (ইতিহাস বা বুৰঞ্জী) পুৰাণা (পুৰাণ আদি) আকর্ণনেন (শুনিছিল)। কদাচিৎ (কেতিয়াবা) আলেখ্য (চিত্রকর্ম বা চিত্রাঙ্কন) বিনোদেন (চাইছিল)। কদাচিৎ (কেতিয়াবা) বীণয়া (বীণাৰাগ শুনিছিল)। কদাচিৎ (কেতিয়াবা) দর্শনাগত (দর্শন কৰিবলৈ অহা) মুনিজন (মুনিসকলৰ) চৰণশুশ্রূষয়া (চৰণ সেৱা কৰিছিল), কদাচিৎ (কেতিয়াবা) অক্ষৰচ্যুতক-মাত্রাচুত্যক-বিন্দুমতী--গূঢ়চতুর্থপাদ-প্রহেলিকা (অক্ষৰচ্যুতক, মাত্রাচুত্যক, বিন্দুমতী, গূঢ়চতুর্থপাদ, প্রহেলিকা আদিসাথঁৰ) প্রদানাদিঙিঃ (প্রদান কৰিছিল)। বনিতা (স্ত্রী বা নাৰী) সম্ভোগসুখ (সম্ভোগ

সুখৰ পৰা) পৰাঙ্মুখঃ (বিৰত হৈ) সুহৃৎ (বন্ধু-বান্ধৱৰ দ্বাৰা) পৰিবৃতো (পৰিবেষ্টিত হৈ) দিৱস (দিনবোৰ) অনৈষীৎ (অতিবাহিত কৰিছিল)। যথৈব চ (আৰু যিভাৱে) দিৱসম্ এব (দিনবোৰ) আবদ্ধ (আৰম্ভ কৰা) বিবিধ ক্রীড়া (বিভিন্ন খেল-ধেমালিৰে) পৰিহাস (কৌতুকত) চতুৰৈঃ (নিপুন বা পাৰ্গত) সুহৃদ্ভিঃ (বন্ধু-বান্ধৱৰ সৈতে) উপেতঃ (মিলিত হৈ) নিশাম্ (নিশাবোৰো) অনৈষীৎ (অতিবাহিত কৰিছিল)।



জানি থোৱা ভাল

১) **ভগীৰথ ঃ** এবাৰ সগৰ ৰজাই অশ্বমেধ যজ্ঞ পাতিবলৈ স্থিৰ কৰে। সেই উদ্দেশ্যে যজ্ঞৰ ঘোড়াটো এৰি দিয়ে। স্বৰ্গৰ ৰজা ইন্দ্রই ঘোড়াটো পাতালত থকা কপিল মুনিৰ আশ্রমত লুকুৱাই থয়। সগৰ ৰজাৰ ষাঠী হাজাৰ পুত্র আছিল। তেওঁলোকে যজ্ঞৰ ঘোড়া বিচাৰি গৈ গৈ কপিল মুনিৰ আশ্রম পায়গৈ। তেওঁলোকৰ চিঞৰ-বাখৰত মুনিৰ ধ্যান ভঙ্গ হয়। মুনিৰ চকুৰ পৰা ওলোৱা অগ্নিয়ে সগৰ ৰজাৰ ষাঠী হাজাৰ পুত্রক ভস্মীভূত কৰে।

কালক্রমে ভগীৰথে সেই পুত্রসকলক উদ্ধাৰ কৰাৰ বাবে কঠোৰ তপস্যা কৰে। তেওঁৰ তপস্যাত গঙ্গা দেৱী সন্তুষ্ট হয়। দেৱীয়ে তেওঁৰ স্রোত মহাদেৱক ধাৰণ কৰিবলৈ আৰু তাৰ বাবে মহাদেৱক সন্মত কৰিবলৈ ভগীৰথক কয়। ভগীৰথেও কঠোৰ তপস্যা কৰি ভগৱানক সন্তুষ্ট কৰে। মহাদেৱে গঙ্গাৰ স্রোত নিজৰ জটাত ধাৰণ কৰিবলৈ সন্মত হয়। কিন্তু গঙ্গা শিৱৰ জটাত আবদ্ধ হৈ থাকে। ভগীৰথে পুনৰ শিৱক প্রার্থনা কৰাত তেওঁ গঙ্গাৰ স্রোত মর্ত্ত্যলৈ বোৱাই দিয়ে। সেই নদীৰ পানীৰ পৰশত সগৰ ৰজাৰ ষাঠী হাজাৰ পুত্রয়ো মুক্তি লাভ কৰে। সেয়েহে গঙ্গা নদীৰ আন এটা নাম ভাগীৰথী।

২) **উদয়শৈল ঃ** আন নাম উদয়গিৰি বা উদয়াচল। সূর্য উদয় হোৱা বুলি ধাৰণা কৰা এখন কাল্পনিক পর্বত। উদয়গিৰি এখন তীর্থক্ষেত্র।

৩) **বর্ণসঙ্কৰ ঃ** ক) বেলেগে বেলেগ বর্ণ বা ৰঙৰ সংমিশ্রণ।

খ) নিজৰ জাতিৰ বাহিৰে আন জাতিৰ পুৰুষ বা নাৰীৰ সম্পর্কৰ ফলত জন্ম গ্রহণ কৰা লোকৰ জাতিক বর্ণসঙ্কৰ জাতি বোলা হয়। পুৰণি কালত এঘাৰ প্রকাৰৰ বর্ণসঙ্কৰ জাতি আছিল।

৪) **অক্ষৰচ্যুতক ঃ** এক প্রকাৰৰ সাঁথৰ। অক্ষৰ মানে আখৰ। চ্যুতক মানে লোপ হোৱা। এই সাঁথৰত আখৰ এটা নাইকিয়া বা লোপ কৰি সেই আখৰটো উদ্ধাৰ কৰিবলৈ দিয়া হয়।

৫) **মাত্রাচ্যুতক ঃ** মাত্রাৰ হিচাপত ৰচিত পদ্যত এটা মাত্রাৰ লোপ কৰি অন্য অর্থ প্রকাশ কৰাকে মাত্রাচ্যুতক বোলা হয়।

৬) **বিন্দুমতী** ঃ এইটো হ'ল সংস্কৃত পদ্য ৰচনাৰ এক প্রকাৰৰ কৌতুক। ইয়াত আখৰবোৰৰ ঠাইত একোটা বিন্দু দিয়া হয়। ব্যঞ্জনবর্ণৰ লগত অন্য স্বৰবোৰৰ চিনবোৰ দেখুওৱা হয়, পদটো সজাব লাগে।

৭) **গূঢ়চতুর্থপাদ** ঃ সাধাৰণতে সংস্কৃত পদ্যত চাৰিটা চৰণ বা পাদ থাকে। গূঢ়চতুর্থপাদত প্রথম, দ্বিতীয় আৰু তৃতীয় চৰণৰ উল্লেখ থাকে। আগৰ উল্লেখিত তিনিটা চৰণৰ আখৰেৰে চতুর্থ চৰণটো অর্থযুক্তভাৱে ৰচনা কৰিব লাগে।

৮) **প্রহেলিকা** ঃ যি বাক্যত বাহ্য (প্রকাশিত) আৰু অভ্যন্তৰ (অপ্রকাশিত) দুটা অর্থ থাকে, বাক্যটো শুনাৰ লগে লগে প্রকৃত অর্থটো গোপন হৈ থাকি আন এটা অর্থহে প্রকাশ পায়, তাকে প্রহেলিকা বোলে।

২.৫ মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

আপুনি ইতিমধ্যে 'শূদ্রকবর্ণনম্'ৰ মূল সংস্কৃত পাঠ অধ্যয়ন কৰিলে। লগতে প্রতিটো সংস্কৃত শব্দৰ অসমীয়া অর্থ জানিলে। এতিয়া আপুনি মূল সংস্কৃত পাঠৰ অসমীয়া ভাঙনি অধ্যয়ন কৰিবলৈ পাব।

দ্বিতীয় ইন্দ্রৰ দৰে শূদ্রক নামে এজন ৰজা আছিল। সমস্ত ৰজাই নতশিৰে তেওঁৰ আদেশ মানি লৈছিল। চাৰি সমুদ্রৰ মালাৰ দৰে মেখেলাৰে পৰিবেষ্টিত পৃথিৱীৰ তেওঁ অধীশ্বৰ আছিল। তেওঁৰ পৰাক্রম আৰু প্রীতিৰ অধীনস্থ শৰীৰত ৰাজচক্রৱর্তী লক্ষণে শোভা পাইছিল। চক্রধাৰী বিষ্ণুৰ দৰে তেওঁৰ হাতত শঙ্খ-চক্র-গদা-পদ্মৰ চিন দেখা গৈছিল। মহাদেৱৰ দৰে তেওঁ মদনজয়ী আছিল। কার্ত্তিকৰ দৰে আছিল তেওঁৰ বাধাহীন শক্তি। ব্রহ্মাই যিদৰে ৰাজহংস মণ্ডলক বাহন কৰিছিলে, তেনেদৰে তেৱোঁ (শূদ্রকেও) ৰাজমণ্ডলক (পৰাজিত কৰি) মান-অভিমানহীন কৰিছিল। তেওঁ সমুদ্রৰ দৰে সম্পদৰ উৎপত্তি স্থল আছিল। গঙ্গাৰ জলধাৰা যিদৰে ভগীৰথে প্রৱর্তন কৰা পথেৰে প্রবাহিত হৈছিল, তেনেদৰে তেৱোঁ ভগীৰথ বংশজ। সূর্যৰ দৰে তেওঁৰো প্রতিদিনে অভ্যুদয় হৈছিল। সুমেৰু পর্বতৰ ছায়াত দেবতাসকলে বিশ্রাম লোৱাৰ দৰে তেওঁৰ চৰণছায়াত প্রজাসকলে আশ্রয় লৈছিল। দিকহস্তীৰ শুড় (কৰ) যিদৰে সদায় প্রৱহমান মদৰসধাৰাৰ দ্বাৰা সিক্ত (তিতি) হৈ থাকে, তেনেদৰে তেওঁৰো হাত (কৰ) দানজলৰ দ্বাৰা সিক্ত হৈ আছিল। তেওঁ বহু বিস্ময়কৰ কাম সম্পন্ন কৰিছিল। বহু যজ্ঞ-অনুষ্ঠান কৰিছিল। তেওঁ সকলো শাস্ত্রৰ দাপোনস্বৰূপ আছিল। সমস্ত কলাবিদ্যাৰ উৎপত্তিস্থল, গুণসমূহৰ বংশানুক্রমিক আশ্রয়স্থল, অমৃতৰ দৰে কাব্যৰসৰ উৎসস্থল আছিল তেওঁ। উদয়াচলত সূর্যমণ্ডলৰ দৰে তেওঁ বন্ধুবর্গৰ উন্নতিৰ স্থান যেন আছিল। তেওঁ আছিল শত্রুসকলৰ বিনাশকাৰী ধুমকেতুৰ দৰে। তেওঁ বিদ্বৎসমাজ পাতিছিল। তেওঁ আছিল সাহিত্যানুৰাগীসকলৰ আশ্রয়স্বৰূপ। ধনুর্দ্ধৰসকলক প্রতিৰোধ কৰিছিল তেওঁ। সাহসীসকলৰ মাজত তেওঁ আছিল প্রধান (ধুৰন্ধৰ)। বিদ্বানসকলৰ মাজত তেওঁ অগ্রগণ্য আছিল। গড়ুৰে বিনতাক (গড়ুৰৰ মাতৃ) আনন্দ দিয়াৰ দৰে তেওঁ বিনতসকলৰ অর্থাৎ বশ্যতাপন্নসকলৰ আনন্দ বর্দ্ধন কৰিছিল। বেণপুত্র পৃথুৰে ধনুৰে কুলপর্বতসমূহক উৎখাত কৰাৰ দৰে তেৱোঁ ধনুর্বাণেৰে সমস্ত

শত্রুকুল উচ্ছেদ কৰিছিল।

তেওঁৰ (শূদ্রকৰ) নামৰ দ্বাৰাই শত্রুসকলৰ হৃদয় ভাঙি গৈছিল। তেওঁ যে শত্রুবক্ষ বিদাৰণ কৰিবলৈ নৰসিংহ ৰূপ ধাৰণ কৰা আড়ম্বৰকাৰী আৰু ত্রিবিক্রমৰদ্বাৰা (তিনি খোজৰ দ্বাৰা) ত্রিভুবন আয়ত্ত কৰা বিষ্ণুক যেন উপহাসেহে কৰিছিল। বহু কালধৰি হাজাৰ হাজাৰ কুৎসিত (বেয়া) ৰজাৰ সম্পর্কত থকাৰ বাবে যি কলঙ্ক লাগিছিল তাক ধোৱাৰ বাবেই যেন ৰাজলক্ষ্মীয়ে তেওঁৰ (শূদ্রকৰ) স্বচ্ছ জলৰ দৰে তৰোৱালৰ ধাৰাত থিতাপি লৈছিলহি। তেওঁ (শূদ্রকে) যেন সর্বদেবময় বিশ্বৰূপধাৰী ভগৱান বিষ্ণুকহে অনুকৰণ কৰিছিল। তেওঁৰ অন্তৰত ধর্মই, ক্রোধত যমে, অনুগ্রহত কুবেৰে, প্রতাপত অগ্নিয়ে, বাহুযুগলত পৃথিৱীয়ে, মুখত চন্দ্রই, শক্তিত বায়ুৰে, বুদ্ধিত বৃহস্পতিয়ে, ৰূপত কামদেৰে, শক্তিত সূর্যই বাস কৰিছিল। তেওঁ (শূদ্রকে যুদ্ধক্ষেত্রত শত্রুপক্ষৰ) মদমত্ত হাতীবোৰৰ মদৰসেৰে তিতি থকা শিৰৰ কুম্ভদেশ নিজৰ তৰোৱালেৰে বিদাৰণ কৰিছিল। ফলত তৰোৱালত লাগি আহিছিল ডাঙৰ ডাঙৰ মুকুতাবোৰ। তেতিয়া দৃঢ়ভাৱে ধাৰণ কৰা সেই তৰোৱাল দেখাত জলবিন্দুসমূহৰ দৰে ধাৰেৰে ওখ চাপৰ হোৱাৰ নিচিনা হৈছিল। তেওঁৰ সেই তৰোৱালে যেন ৰাজলক্ষ্মীক আকর্ষণ কৰিছিল। হাতীৰ কুম্ভৰপৰা নির্গত মদৰসে সৃষ্টি কৰা মেঘাচ্ছন্ন দিনৰ যুদ্ধক্ষেত্রৰ দৰে অন্ধকাৰ নিশাবোৰত ৰাজলক্ষ্মীয়ে সুনিপুন যোদ্ধাসকলৰ বহল বক্ষৰপৰা সুলকি পৰা সহস্র কৰচৰ অন্ধকাৰৰ মাজত অভিসাৰিকাৰ দৰে অনেকবাৰ শূদ্রকৰ ওচৰলৈ আহিছিল। তেওঁৰ (শূদ্রকৰ) প্রতাপ বহ্নি দিনে নিশাই জ্বলি আছিল। সেই বহ্নিৰ দাহে বিৰহিনী শত্রু নাৰীসকলৰ হৃদয়ত থিতাপি লৈ থকা পতিসকলকো যেন দহিব খুজিছিল।

জগতজয়ী পৃথিৱী পৰিপালক সেই ৰজাৰ (অর্থাৎ শূদ্রকৰ) ৰাজত্বকালত চিত্র কর্মতহে বর্ণসঙ্কৰ অর্থাৎ বর্ণ বা বৰণৰ সংমিশ্রণ ঘটিছিল (কিন্তু সমাজত বর্ণসঙ্কৰ অর্থাৎ বিভিন্ন বর্ণ বা জাতিৰ সংমিশ্রণ ঘটা নাছিল)। ৰতিকর্মতহে কেশ গ্রহণ চলিছিল। (কিন্তু বিবাদ আদিত কেশ গ্রহণ চলা নাছিল)। দৃঢ়বন্ধনে ঠাই পাইছিল কাব্য ৰচনাত (কিন্তু কাৰাগাৰত দৃঢ়বন্ধন নাছিল)। চিন্তা-চর্চা আছিল শাস্ত্রত (কিন্তু প্রজাৰ অন্ন আদিৰ চিন্তা নাছিল)। সপোনতহে বিচ্ছেদ বা প্রতাৰণা ঘটিছিল (আন কোনো ক্ষেত্রতে প্রতাৰণা বা বিচ্ছেদ নহৈছিল)। ছাতিত সোণৰ দণ্ড আছিল (কিন্তু অপৰাধৰ বাবে স্বর্ণদণ্ড বা অর্থদণ্ড নাছিল)। কম্পনৰ ঠাই আছিল পতাকাত (দণ্ড আদিৰ ভয়ত প্রজাসকলৰ কম্পন নাছিল)। গানতেই ৰাগৰ ব্যৱহাৰ হৈছিল (আন কোনেও কাৰো প্রতি ৰাগ বা বিদ্বেষ নকৰিছিল)। হাতীৰ মাজতহে মদজনিত বিকাৰ আছিল (প্রজাসকলৰ চিত্ত বা মনত মদ বিকাৰ নাছিল)। ধনুৰ গুণতহে ছেদ ঘটিছিল (প্রজাৰ গুণবোৰৰ ছেদ বা বিলোপ হোৱা নাছিল)। খিৰিকীবোৰতহে জালৰন্ধ্র আছিল (মানুহৰ মনত জালৰন্ধ্র বা ছল-কপটতা নাছিল)। কলঙ্কৰ স্থান আছিল চন্দ্র, তৰোৱাল আৰু কৱচত (কিন্তু প্রজাসকলৰ চৰিত্রত কলঙ্ক নাছিল)। পাশাখেলৰ ঘৰবোৰহে শূন্য হৈছিল (প্রজাসকলৰ কাৰো ঘৰ শূন্য হোৱা নাছিল)। তেওঁৰ অর্থাৎ ৰজা শূদ্রকৰ ভয় আছিল কেবল পৰলোকৰ পৰা (শত্রুৰ পৰা ভয় নাছিল)। অন্তঃপুৰৰ ৰমনীসকলৰ অলকতহে ভঙ্গ বা বক্রতা আছিল (যুদ্ধৰ ভয় বা পৰাজয় নাছিল)। মুখৰতা (শব্দ) আছিল কেৱল নেপুৰতহে (প্রজাৰ মাজত মুখৰতা নাছিল)। কৰ গ্রহণ হৈছিল কেৱল বিবাহত (মানুহৰ মাজত ৰজাক দিবলগীয়া

কৰৰ পীড়া নাছিল)। অনবৰতে চলি থকা যজ্ঞৰ অগ্নিৰ ধোঁৱাৰ বাবে অশ্রুপাত হৈছিল (শোকৰ বাবে নহয়)। অশ্বৰ পিঠিতহে ***কশাঘাত*** হৈছিল (চোৰ-ডকাইতৰ অভাৱত আন ক'তো কশাঘাত হোৱা নাছিল)। কেৱল কামদেৱৰ ধনুয়েহে টঙ্কাৰ বা শব্দ তুলিছিল (সৈন্যসকলৰ মাজত ধনুৰ টঙ্কাৰ হোৱা নাছিল)।



কশ ঃ চাবুক।
কশাঘাত ঃ চাবুকৰ আঘাত বা কোব।

তেওঁৰ অর্থাৎ ৰজা শূদ্রকৰ ৰাজধানী আছিল বিদিশা নগৰী। ই যেন কলিযুগৰ (পাপৰ) ভয়ত সঙ্কুচিত, সত্যযুগৰ অনুকাৰিনী তথা ত্রিভূবনৰ উৎপত্তি স্থলৰ দৰে বিশাল আছিল। এই নগৰ বেত্রৱতী নদীৰ দ্বাৰা পৰিৱেষ্টিত আছিল। স্নানৰতা মালবদেশীয় ৰমনীসকলৰ স্তনৰ আঘাতত এই নদীৰ উর্মিমালা ক্ষীণ হৈছিল। যুদ্ধজয়ী হাতীবোৰক এই নদীৰ পানীত নমাই দিয়া হৈছিল। সিহঁতৰ শিৰত সানি দিয়া সেন্দুৰ উটি গৈ বেত্রৱতীৰ পানীত সন্ধিয়াৰ ৰং সানিছিল। আনন্দিত কলহংসৰ কোলাহলত নদীৰ দুয়ো পাৰ মুখৰিত হৈ আছিল।

সেই ৰজা শূদ্রকে সমস্ত ভূমণ্ডল জয় কৰাৰ বাবে তেওঁৰ ৰাজ্যচিন্তা দূৰ হৈছিল। অন্যান্য দ্বিপৰ পৰা অহা ৰজাসকলৰ মুকুটমালাই তেওঁৰ চৰণ চুৱাই আছিল। তেওঁ নিজ বাহু বলেৰে বলয়ৰ দৰে জগতৰ ভাৰ অনায়াসে বহন কৰিছিল। তেওঁ বংশ পৰম্পৰাক্রমে মন্ত্রিত্বত অধিষ্ঠিত মন্ত্রীসকলৰ দ্বাৰা আবৃত্ত আছিল। তেওঁলোকে জ্ঞানেৰে যেন সুৰগুৰু বৃহস্পতিকো চেৰ পেলাইছিল। অনবৰতে নীতিশাস্ত্র অনুশীলন কৰাৰ বাবে তেওঁলোকৰ মন শুদ্ধ বা নির্মল আছিল। তেওঁলোক লোভহীন বা অলোভীও আছিল।

তেওঁ (শূদ্রকে) ৰাজপুত্রসকলৰ সৈতে খেলা-ধূলা বা আমোদ-প্রমোদ কৰিছিল। তেওঁলোক অর্থাৎ ৰাজপুত্রসকল আছিল ব্রাহ্মণ আৰু ক্ষত্রিয়ৰ মিলনত সৃষ্টি হোৱা ৰাজকুলসম্ভুত। ৰজাৰ সমতুল্য আছিল তেওঁলোকৰ বিদ্যা, বয়স আৰু অলংকাৰ। সকলো নৃত্য গীত আদি কলাবিদ্যাৰ আলোচনাৰ দ্বাৰা তেওঁলোকৰ মনে পৰিপক্কতা লাভ কৰিছিল। তেওঁলোক আছিল অত্যন্ত চতুৰ বা প্রতিভাশালী আৰু অৱসৰজ্ঞ। ৰজাৰ প্রীতিৰ দ্বাৰা অনুৰক্ত আছিল তেওঁলোক। মার্জিত পৰিহাসত তেওঁলোক কুশল আছিল। আকাৰ-ইংগিত বিশেষজ্ঞ আছিল তেওঁলোক। কাব্য, নাটক, আখ্যান, আখ্যায়িকা, চিত্রবিদ্যা আৰু অর্থ ব্যাখ্যা আদি কামত তেওঁলোক বিচক্ষণ আছিল। তেওঁলোকৰ স্কন্ধ, উৰু আৰু বাহু অতি দৃঢ় আৰু পুষ্ট আছিল। তেওঁলোকে সিংহ কিশোৰৰ দৰে শত্রুপক্ষৰ মত্ত হস্তীবোৰৰ পিঠিত আসন পাৰি বহিছিল। পৰাক্রমী হৈয়ো তেওঁলোক আছিল বিনয়ী। তেওঁলোক যেন ৰজাৰ (শূদ্রকৰ) প্রতিবিম্বহে আছিল। এইদৰে ৰজাৰ প্রথম বয়স (কিশোৰ বয়স) আমোদ-প্রমোদেৰে অতিবাহিত হৈছিল।

তেওঁ (শূদ্রক) অতি বিজয় অভিলাষী আছিল। বীৰত্বৰ কাৰণে তেওঁ নাৰীক তৃণৰ দৰে (ঘাঁহ-বনৰ দৰে) জ্ঞান কৰিছিল। যদিও তেওঁ যুৱক আছিল, পৰম সুন্দৰ আছিল, আৰু মন্ত্রীসকলে তেওঁৰ সন্তান হোৱাটো কামনা কৰিছিল তথাপি তেওঁৰ যেন সম্ভোগ সুখৰ প্রতি বিদ্বেষ ভাব আছিল।

তেওঁৰ (ৰজা শূদ্রকৰ) ৰূপ-লাৱন্য সম্পন্না, বিনয়বতী, উচ্চ বংশজাতা, বিলাসত কামদেৱৰ পত্নী ৰতি দেৱীকো চেৰ পেলোৱা, মনোহাৰিনী মহিষী বা পত্নী আছিল। তথাপি তেওঁ সঙ্গীত

আদি চর্চা কৰি দিন অতিবাহিত কৰিছিল। তেওঁ বাদ্য বজাওঁতে হাতৰ ৰত্নবলয় (সোণৰ খাৰু) অনবৰতে আন্দোলিত হৈছিল। বীণা বজাওতে মনিময় কাণৰ অলঙ্কাৰেও জন্‌জননি তুলিছিল। এনেদৰে মৃদঙ্গ বজাই তেওঁ সঙ্গীত চর্চা কৰিছিল। কেতিয়াবা তেওঁ অনবৰতে শৰ নিক্ষেপ কৰি অৰণ্য শূন্য কৰি মৃগয়া (চিকাৰ) কৰিছিল। কেতিয়াবা বিদগ্ধ পণ্ডিতসকলৰ সভা পাতি কাব্য-প্রবন্ধ ৰচনা কৰিছিল। কেতিয়াবা শাস্ত্র আলোচনা কৰিছিল। কেতিয়াবা আখ্যান, আখ্যায়িকা, ইতিহাস, পুৰাণ আদি শুনিছিল। কেতিয়াবা চিত্রকর্ম বা চিত্রাঙ্কণ চাইছিল। কেতিয়াবা বীণাৰাগ শুনিছিল। কেতিয়াবা তেওঁক দর্শন কৰিবলৈ অহা মুনিসকলৰ চৰণসেৱা কৰিছিল। কেতিয়াবা অক্ষৰচ্যুতক, মাত্রাচ্যুতক, বিন্দুমতী, গূঢ়চতুর্থপাদ, প্রহেলিকা আদি সাঁথৰ দিয়া কাম কৰিছিল। এইদৰে তেওঁ স্ত্রীসম্ভোগ সুখৰ পৰা বিৰত থাকি, বন্ধু-বান্ধৱৰ দ্বাৰা পৰিবেষ্টিত হৈ দিনবোৰ অতিবাহিত কৰাৰ দৰে বিভিন্ন খেল-ধেমালি আৰু কৌতুকত পাৰ্গত বন্ধু-বান্ধৱৰ সৈতে লগ লাগি নিশাবোৰো অতিবাহিত কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ৰজা শূদ্রকৰ ৰাজধানীখনৰ নাম কি আছিল?

.....

প্রশ্ন ২ ঃ ৰজা শূদ্রকৰ ৰাজধানীখন কি নদীৰ দ্বাৰা পৰিবেষ্টিত আছিল?

.....

প্রশ্ন ৩ ঃ গঙ্গা নদীক কোনে তপস্যা কৰি মর্ত্যলৈ আনিছিল?

.....

প্রশ্ন ৪ ঃ 'কুলপর্বত' বুলিলে কি বুজে?

.....

প্রশ্ন ৫ ঃ 'বর্ণসঙ্কৰ'-ৰ ওপৰত এটি টোকা চমুকৈ লিখক।

.....

২.৬ 'শূদ্রকবর্ণনম্' পাঠটিৰ সাৰাংশ

মহাকবি বাণভট্টৰ অমৰসৃষ্টি 'কাদম্বৰী'। এই 'কাদম্বৰী' কথাকাব্যৰ কথামুখত বিদিশাধিপতি মহাৰাজ শূদ্রকৰ এক মনোজ্ঞ ভাষাচিত্র কবিয়ে চিত্রিত কৰিছে। তাৰ সংক্ষিপ্ত বিৱৰণ তলত দাঙি ধৰা হ'ল—

বিদিশা নগৰীৰ অধিপতি আছিল মহাৰাজ শূদ্রক। তেওঁ সমস্ত ভূমণ্ডলৰ একছত্রী সম্রাট আছিল। সকলো ৰজাই তেওঁৰ আদেশ নতশিৰে মানি লৈছিল। শূদ্রক এজন চক্রৱর্তী ৰাজলক্ষণযুক্ত শক্তিশালী সম্রাট আছিল। তেওঁ আছিল ভগীৰথৰ বংশজ। তেওঁ নিজৰ ধনুর্বাণেৰে সমস্ত শত্রুকুল উচ্ছেদ কৰিছিল। তেওঁৰ নাম শুনিলেই শত্রুসকলৰ হৃদয় যেন ভাঙি গৈছিল। শূদ্রকে সমগ্র ভূমণ্ডল জয় কৰিছিল। সেই বাবে তেওঁৰ ৰাজ্যচিন্তা দূৰ হৈছিল। তলতীয়া ৰজাসকল তেওঁৰ

ওচৰলৈ আহি শূদ্রকৰ চৰণ পখালি আছিল।

ৰজা শূদ্রকৰ ৰাজত্বকালত প্রজাসকল অতি সুখ-শান্তিৰে বাস কৰিছিল। তেওঁলোকে নিশ্চন্তমনে শাস্ত্র অধ্যয়নত মনোনিবেশ কৰিব পাৰিছিল। ছল-কপটতা মানুহৰ মনৰ পৰা আঁতৰি গৈছিল। মানুহে কেৱল মৃত্যুলৈহে ভয় কৰিছিল। শত্রুৰ দ্বাৰা বা যুদ্ধত কোনো প্রজাৰ মৃত্যু হোৱা নাছিল। ফলত কাৰো গৃহ শূন্য হোৱা নাছিল ।

শূদ্রকৰ মন্ত্রীসভা কার্য্যজ্ঞ মন্ত্রীসকলৰ দ্বাৰা গঠিত আছিল। মন্ত্রীসকল অতি বিদ্বান, জ্ঞানী আছিল। তেওঁলোকে জ্ঞানেৰে যেন গুৰু বৃহস্পতিকো চেৰ পেলাইছিল। মন্ত্রীসকল বংশ পৰম্পৰা ক্রম অনুসৰি মন্ত্রিত্বৰ পদত অধিষ্ঠিত হৈছিল। তেওঁলোকৰ মনবোৰ আছিল নির্মল আৰু লোভহীন।

ৰজা শূদ্রকৰ শত্রু ভয় নথকাৰ বাবে তেওঁ আমোদ-প্রমোদেৰে দিনবোৰ অতিবাহিত কৰিছিল। শূদ্রকৰ লগৰীয়া আছিল বয়স, বিদ্যাত তেওঁৰ সমবয়সীয়া ৰাজপুত্রসকল। সেইসকলৰ লগত শূদ্রকে বিভিন্ন কলাবিদ্যাৰ আলোচনা কৰিছিল। ৰজাই সঙ্গীত সমাৰোহ আদিৰো অনুষ্ঠান কৰিছিল। শূদ্রকে বীণা, মৃদঙ্গ আদি বাদ্যত লহৰ তুলিছিল। কেতিয়াবা মৃগয়াও কৰিছিল। বিদ্বান পণ্ডিতসকলৰ সভা পাতি কাব্য-প্রবন্ধ আদি ৰচনা কৰিছিল। বিদগ্ধসকলৰ পৰা আখ্যান, আখ্যায়িকা, পুৰাণ, ইতিহাস আদি শুনিছিল। কেতিয়াবা চিত্রকর্ম চায়, কেতিয়াবা বীণাৰাগ শুনি, কেতিয়াবা ঋষি মুনিসকলক যথাযথভাৱে সেৱা-শুশ্রূষা কৰি শূদ্রকে দিনবোৰ অতিবাহিত কৰিছিল।



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'কাদম্বৰী' কাব্যৰ 'কথামুখম্'ত বর্ণিত ৰজা শূদ্রকৰ চৰিত্রৰ বৈশিষ্ট্যসমূহৰ বিষয়েও অৱগত হ'ল। ৰজা শূদ্রক এজন সর্বগুণসম্পন্ন নৃপতি আছিল। ত্রিভুবনৰ সমস্ত গুণৰাশিৰে তেওঁ যেন বিভূষিত আছিল। তেওঁৰ ৰাজত্বকালত প্রজাসকলেও শত্রু-ভয় নোহোৱাকৈ অতি সুখ-শান্তিত দিন অতিবাহিত কৰিছিল। বাণভট্টই দৰাচলতে শূদ্রক ৰজাৰ বর্ণনাৰ যোগেদি এজন আদর্শ নৃপতিৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰিছে।
- সংস্কৃত পাঠ্যাংশৰ লগতে প্রতিটো সংস্কৃত শব্দৰ অসমীয়া অর্থ আৰু মূল পাঠৰ অসমীয়া অনুবাদো পঢ়িবলৈ সক্ষম হ'ল।



২.৮ অধিক জানিবলৈ

১) কালে, এম. আৰ. (১৯৬৮), *কাদম্বৰী*, পূর্বভাগ, দিল্লী ঃ মোতিলাল বানাৰসী দাস।

২) বন্দ্যোপাধ্যায়, অশোক কুমাৰ (২০০৪), *কাদম্বৰী (কথামুখম্)*, কলকাতা ঃ শ্রীবলৰাম প্রকাশনী।

৩) শর্মা, প্রভাত চন্দ্র (২০০০), *কাদম্বৰী* (অনুবাদ), গুৱাহাটী ঃ আবিলেক।



২.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ বিদিশা নগৰী।

২নং প্রশ্নৰ উত্তৰ ঃ বেত্রৱতী নদী।

৩নং প্রশ্নৰ উত্তৰ ঃ সগৰ ৰজাৰ পৰিনাতি ভগীৰথে।

৪নং প্রশ্নৰ উত্তৰ ঃ সাতখন পর্বতৰ সমষ্টিক 'কুলপর্বত' বোলা হয়। সেই পর্বতকেইখন হৈছে— মহেন্দ্র, মলয়, সহ্য, শুক্তিমান্, ঋক্ষৱান্, বিন্ধ্য আৰু পাৰিপাত্র।

৫নং প্রশ্নৰ উত্তৰ ঃ স্বজাতিৰ বাহিৰে অন্য জাতিৰ পুৰুষ বা নাৰীৰ মিলনৰ ফলত জন্মা লোকসকলৰ জাতিক 'বর্ণসঙ্কৰ' বোলা হয়।



২.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ প্রহেলিকা মানে কি?

প্রশ্ন ২ ঃ অক্ষৱচ্যুতক মানে কি?

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক ঃ ভগীৰথ, প্রহেলিকা, বর্ণসংকৰ, বিন্দুমতী।

গ) ৰচনাধর্মী প্রশ্ন (৩০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'শূদ্রকবর্ণনম্' নামৰ পাঠটিৰ সাৰাংশটো লিখক।

প্রশ্ন ২ ঃ মহাকবি বাণভট্টৰ অনুকৰণত ৰজা শূদ্রকৰ এটি বর্ণনা ডাঙি ধৰক।

** ***** **

অধ্যায় ৩ ঃ কাদম্ৱৰী ঃ চণ্ডালকন্যাবর্ণনম্

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ 'চণ্ডালকন্যাবর্ণনম্'ৰ মূল সংস্কৃত পাঠ
৩.৪ মূল সংস্কৃত পাঠৰ শব্দার্থ
৩.৫ মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ
৩.৬ 'চণ্ডালকন্যাবর্ণনম্' পাঠটিৰ সাৰাংশ
৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৮ অধিক জানিবলৈ
৩.৯ অগ্রগতিৰ খতিয়ান
৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'কাদম্ৱৰী' কাব্যৰ অন্তর্গত 'কথামুখম্'ত বর্ণিত 'চণ্ডালকন্যাবর্ণনম্'ৰ বিষয়বস্তুৰ বিষয়ে জানিব পাৰিব
- বাণভট্টৰ সূক্ষ্ম নিৰীক্ষণ শক্তিৰ বিষয়ে অৱগত হ'ব পাৰিব
- বাণভট্টৰ বর্ণনা নৈপুণ্যৰ বিষয়ে আভাস লাভ কৰিব
- মূল সংস্কৃত পাঠৰ লগতে শব্দার্থ আৰু অসমীয়া ভাঙনিও জানিব পাৰিব।

৩.২ পৰিচয়

আপুনি ইতিমধ্যে আগৰ অধ্যায়ত কাদম্ৱৰী কাব্যৰ অন্তর্গত 'কথামুখম্'ত থকা 'শূদ্রকবর্ণনম্' অধ্যয়ন কৰিলে। লগতে 'কথামুখম্'ৰ বর্ণিত বিষয়বস্তুৰ বিষয়ে এটি সম্যক ধাৰণা লাভ কৰিলে। বাণভট্টৰ বৈশিষ্ট্যপূর্ণ গদ্য লিখনিৰ লগতো পৰিচিত হ'ল। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি 'কথামুখম্'ত বর্ণিত আন এটি অংশ 'চণ্ডালকন্যাবর্ণনম্'ৰ বিষয়বস্তু জানিব পাৰিব। মূল সংস্কৃত পাঠৰ লগতে প্রতিটো সংস্কৃত শব্দৰ অসমীয়া অর্থৰ বিষয়েও জানিব পাৰিব। তদুপৰি মূল সংস্কৃত পাঠআৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব। এই অধ্যয়নটিৰ যোগেদি আপুনি বাণভট্টৰ বৈশিষ্ট্যপূর্ণ গদ্য লিখন পদ্ধতি আৰু তেওঁৰ সূক্ষ্ম নিৰীক্ষণ শক্তিৰ লগতো পৰিচিত হ'ব পাৰিব।

৩.৩ 'চণ্ডালকন্যাবৰ্ণনম্'ৰ মূল সংস্কৃত পাঠ

'কাদম্বৰী' কাব্যৰ 'কথামুখম্'ত বাণভট্টই বিভিন্ন বিষয়ৰ অৱতাৰণা কৰিছে। সেইবোৰৰ ভিতৰত 'চণ্ডালকন্যাবৰ্ণনম্' নামৰ অংশটি বিশেষভাৱে উল্লেখযোগ্য। মহাৰাজ শূদ্রকৰ ৰাজসভালৈ এদিন এগৰাকী চণ্ডাল কন্যা আহে। লগতে তেওঁ পিঞ্জৰাবদ্ধ এটি শুক পক্ষীও (ভাটৌ চৰাই) আনে। চণ্ডালকন্যাৰ ৰূপ-সৌন্দর্য্য দেখি সকলো অভিভূত হৈ পৰে। মহাকবি বাণভট্টই এই চণ্ডালকন্যাৰ এটি অনবদ্য ভাষাচিত্ৰ নিজৰ নিপুন লিখনিৰে চিত্ৰিত কৰিছে। 'চণ্ডালকন্যাবৰ্ণনম্'ৰ মূল সংস্কৃত পাঠ আপোনাৰ অধ্যয়নৰ বাবে তলত উল্লেখ কৰা হ'ল—

অথনিপতিস্তু 'দূৰাদালোকয়' ইত্যভিধায় প্রতীহার্য্য নির্দিশ্যমানাং তাং বয়ঃ —পৰিণাম শুভ্রশিৰসা, ৰক্ত-ৰাজীবেক্ষণাপাঙ্গেন, অনবৰত-কৃত-ব্যায়ামতয়া যৌৱনাপগম্যেপ্যশিথিল-শৰীৰসন্ধিনা,সত্যপি মাতঙ্গত্বে নাতিনৃশংসাকৃতিনা, অনুগৃহীতার্যবেশেন শুভ্রবাসসা পুৰুষেণাধিষ্ঠিতা-পুৰোভাগাম্, আকুলাকুল-কাকপক্ষধাৰণা কনক-শলাকা-নির্মিতমপ্যন্তর্গত শুকপ্রভাশ্যামায়মানং মৰকতময়মিব পঞ্জৰমুদ্বহতা চণ্ডালদাৰকেণানুগম্যমানাম্, অসুৰগৃহীতামৃতাপহৰণ-কৃত-কপট-পটু-বিলাসিনী-বেশস্য শ্যামতয়া ভগবতো হৰেৰিবানুকুর্বতীম্ সঞ্চাৰিণীমিবেন্দ্রনীলমণিপুত্রিকাম্, আগুল্ফাবিলম্বিনা, নীলকঞ্চুকেনাচ্ছন্নশৰীৰাম্, উপৰি-ৰক্তাংশুক বিৰচিতাবগুণ্ঠানাং নীলোত্-পলস্থলীমিব নিপতিতসন্ধ্যা-তপাম্ এক-কর্ণাবসক্ত-দন্তপত্র-প্রভা-ধবলিত-কপোলমণ্ডলাম্, উদ্যদিন্দুবিম্বচ্ছৰিত-মুখীমিব-বিভাবৰীম্, আকপিল-গোৰোচনা-ৰচিত-তিলক তৃতীয় লোচনাম্ ইশানুচৰিত-কিৰাতবেশামিব ভবানীম্, উৰঃস্থল-নিবাস-সংক্রান্ত-নাৰায়ণ-দেহপ্রভা-শ্যামলিতামিব শ্রিয়ম্, কুপিত-হৰ-হুতাশন-দহ্যমান-মদন-ধূম-মলিনীকৃতামিব ৰতিম্, উন্মদ-হলি-হলাকর্ষণ ভয়-পলায়িতামিব কালিন্দীম্, অতিবহল-পিণ্ডালক্তক-ৰস-ৰাগ-পল্লবিত-পাদপঙ্কজাম্, অচিৰ-মূদিত-মহিষা-ৰুধিৰ-ৰক্ত-চৰণামিব ক্যাত্যায়নীম্,আলোহিতাঙ্গুলি-প্রভা-পাটলিত-নখ-ময়ূখাম্, অতিকঠিন-মণিকুট্টিম-স্পর্শমসহমানাং ক্ষিতিতলে পল্লব-ভঙ্গানিব নিধায় সঞ্চৰন্তীম্, আপিঞ্জৰেণোত্-সর্পিণা নূপুৰমণীনাং প্রভাজালেন ৰঞ্জিত-শৰীৰতয়া পাবকেনেব ভগবতা ৰূপৈকপক্ষপাতিনা প্রজাপতিম-প্রমাণী-কুর্বতা জাতি-সংশোধনার্থমালিঙ্গিতদেহাম্, অনঙ্গ-বাৰণ-শিৰোনক্ষত্রমালায়মানেন ৰোম-ৰাজি-লতালবালকেন মেখলা-দাম্না পৰিগতজঘনস্থলাম্, অতিস্থূল-মুক্তাফল-ঘটিতেন শুচিনা হাৰেণ গঙ্গাস্রোতসেব কালিন্দীশঙ্কয়া কৃতকণ্ঠগ্রহাম্, শৰদমিব বিকসিত-পুণ্ডৰীক-লোচনাম্, প্রাবৃষমিব ঘনকেশজালাম্, মলয়মেখলামিব চন্দনপল্লবাতংসাম্, নক্ষত্রমালামিব চিত্রশ্রবণাভৰণ-ভূষিতাম্, শ্রিয়মিব হস্তস্থিত-কমল-শোভাম্, মূর্চ্ছামিব মনোহাৰিণীম্, অৰণ্যভূমিমিব অক্ষতৰুপসম্পন্নাম্, দিব্যঘোষিতামিবাকুলীনাম্, নিদ্রামিব লোচনগ্রাহিনীম্, অৰণ্যকমলিনীমিব্, মাতঙ্গকুলদূষিতাম্, অমূর্তামিব স্পর্শবর্জিতাম্, আলেখ্যাগতামিব দর্শনমাত্রাফলাম্, মধুমাস-কুসুম-সমৃদ্ধিমিব অজাতিম্, অনঙ্গ-কুসুম-চাপলেখামিব মুষ্টিগ্রাহ্যমধ্যাম্, যক্ষাধিপ- লক্ষ্মীমিব-অলকোদ্ভাসিনীম্, অচিৰোপৰূঢ়-যৌবনাম্, অতিশয়ৰূপাকৃতিম্ অনিমিষলোচনো দদর্শ।।

দৃষ্টাচ তাং সমুপজাত-বিস্ময়স্যাভূন্মনসি মহীপতেঃ—অহোহু বিধাতুৰস্থানে ৰূপ-নিষ্পাদন-প্রযত্নঃ তথাহি,যদি নামেয়মাত্মৰূপোপহসিতাশেষৰূপসম্পদূত্পাদিতা,কিমর্থমপগত-স্পর্শ-সম্ভোগ-

সুখে কৃতং কুলে জন্ম। মন্যে চ মাতঙ্গ জাতি-স্পর্শদোষ-ভয়াদস্পৃতেয়মুত্পাদিতা প্রজাপতিনা, অন্যথা কথমিয়মক্লিষ্টতা লাবণ্যস্য। নহি কৰতল-স্পর্শ-ক্লেশিতানামবয়বানামীদৃশী ভবতি কান্তিঃ। সর্বথা ধিগ্‌বিধাতাৰম্ অসদৃশসং-যোগকাৰিণম্। অতিমনোহৰাকৃতিৰপি ক্রূৰজাতিতয়া যেনেয়মসুৰশ্রীৰিব সতত-নিন্দিত-সুৰতা ৰমণীয়াহপ্যুদ্বেজয়তি ইতি। এবমাদি চিন্তয়ন্তমেব ৰাজানমীষদবগলিত-কর্ণ পল্লবাবতংসা প্রগল্‌ভবনিতেব কন্যকা প্রণনাম।।

৩.৪ মূল সংস্কৃত পাঠৰ শব্দার্থ

আপুনি ইতিমধ্যে 'চণ্ডালকন্যাবর্ণম্'ৰ মূল সংস্কৃত পাঠটো অধ্যয়ন কৰিলে এতিয়া এই পাঠৰ সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থসমূহ তলত উল্লেখ কৰা হ'ল—

অবনিপতিঃ (ৰজাই) দূৰাৎ (দূৰৰ পৰাই) আলোকময় (দেখুৱা) ইতি (এইবুলি) অভিধায় (কোৱাত) প্রতীহার্য্যা (দুৱৰী বা দ্বাৰপালিকাই) নির্দিশ্যমানাং (দেখুৱাই দিছিল) তাং (তেওঁক অর্থাৎ চণ্ডালকন্যাক) বয়ঃ (বয়সত) পৰিণাম (বার্দ্ধক্য) শুভ্র (শুভ্র বা বগা), শিৰসা (শিৰেৰে), ৰক্ত (ৰঙা) ৰাজীৱ (পদ্মৰ দৰে) ঈক্ষণাপাঙ্গেন (নয়ন প্রান্ত অর্থাৎ চকুৰ কোণ), অনবৰত (সকলো সময়তে) কৃত (কৰাৰ বাবে) ব্যায়ামতয়া (পৰিশ্রম কৰাৰ বাবে) যৌবনাপগমেৎপি (যৌৱন পাৰ হৈ গ'লেও) শিথিল (দৃঢ়) শৰীৰসন্ধিনা (দেহৰ বান্ধ), সত্যপি [সতি + অপি (হ'লেও)] মাতঙ্গত্বে (চণ্ডাল) নাতি (নাছিল) নৃশংসাকৃতিনা (ভয়লগা আকৃতিৰ), অনুগৃহীত (পিন্ধিছিল) আর্যবেশেন (আর্য অর্থাৎ সভ্য বেশ) শুভ্র বাসসা (শুভ্র বসন বা বস্ত্র), পুৰুষেণাধিষ্ঠিত (এনে এজন পুৰুষ আছিল) পুৰোভাগাম্ (সন্মুখত বা আগত থকা)। আকুলাকুল কাকপক্ষধাৰিণা (মূৰত জুটুলা-জুটুল চুলিৰে) কনক (সোণৰ) শলাকা (শলাৰে) নির্মিতম্ অপি (নির্মাণ কৰা) অন্তর্গত (ভিতৰত থকা) শুক (ভাটৌ চৰাইৰ) প্রভাশ্যামায়মানং (গাৰ পোহৰত শ্যাম বৰণীয়া হোৱা) মৰকতময়মিব (যেন ***মৰকত মণি***ৰে নির্মাণ কৰা) পঞ্জৰম্ (এটা পিঁজৰা) উদ্বহতা (লৈ আনিছিল) চণ্ডালদাৰকেণ (চণ্ডাল শিশু) অনুগম্যমানাম্ (তেওঁৰ অর্থাৎ চণ্ডাল কন্যাৰ পিছে পিছে আহিছিল)।



মৰকত ঃ মৰকত মণি। সেউজীয়া বৰণৰ এবিধ ৰত্ন। 'পান্না' নামেৰেও জনা যায়।



অগুলফ ঃ সৰু গাঁথি
কঞ্চুকেন ঃ চোলা
অবগুণ্ঠনাম ঃ ওৰণি

অসুৰগৃহীত (অসুৰে হাতত লোৱা) অমৃতাপহৰণ (অমৃত অপহৰণ কৰিবলৈ) কৃত (কৰিছিল) কপট (ছল-চাতুৰি) পটু (পার্গত) বিলাসিনীবেশস্য (মোহিনী বেশ ধাৰণ কৰা) শ্যামতয়া (শ্যামবৰণীয়া) ভগবতো (ভগৱান) হৰেঃ ইব (বিষ্ণুকহে যেন) অনুকুর্বতীম্ (অনুকৰণ কৰিছিল)। সঞ্চাৰিণীম্ (গতিশীল) ইব ইন্দ্রনীলমণিপুত্রিকাম্ (যেন ইন্দ্রনীলমণিৰ পুতলাহে)। ***আগুল্‌ফ***(সৰু গাঁথিলৈকে) বিলম্বিনা (ওলমি থকা) নীল (নীলা বৰণীয়া) ***কঞ্চুকেন*** (চোলাৰে) আচ্ছন্ন (আবৰি আছিল) শৰীৰাম্ (দেহাটো)। উপৰি (ওপৰ ভাগত বা শিৰত) ৰক্তাংশুক (ৰঙাৰঙৰ কাপোৰৰ) বিৰচিত ***অবগুণ্ঠনাম্*** (ওৰণি আছিল)। নীলোত্পলস্থলীমিব (নীলা পদুমৰ ভূমিৰ নিচিনা যেন) নিপতিত (পৰিছেহি) সন্ধ্যাতপাম্ (বিয়লিৰ ৰ'দছাটি)। এক (এখন) কর্ণ (কাণত) অবসক্ত (ওলমি আছিল বা পিন্ধি আছিল) দন্তপত্র (হাতীৰ দাঁতেৰে গঢ়া অলংকাৰ) প্রভা (পোহৰত) ধবলিত (জিলিকি আছিল) কপোলমণ্ডলাম্ (গালখন)। উদ্যদ্ (উদীয়মান) ইন্দুবিম্ব (জোনে পোহৰ) বিচ্ছুৰিত (দিছিল) মুখীম্ ইব (মুখখনে যেন) বিভাবৰীম্ (ৰাতিৰ দৰে)। আকপিল (কপিল বৰণৰ

বা ঈষৎ ৰঙচুৱা বৰণৰ) গোৰোচনাৰচিত (গোৰোচনা নামৰ দ্ৰব্যৰে লোৱা) তিলক (ফোঁটটি) তৃতীয়লোচনাম্ (তৃতীয় নয়ন যেন লাগিছিল)। ঈশস্য (শিবৰ) অনুচৰিত (অনুকৰণ কৰা) কিৰাত (কিৰাত বা চিকাৰীৰ) বেশামিব (বেশধাৰিণী) ভবানীম্ (ভবানী বা পার্বতীৰ দৰে লাগিছিল)। উৰঃস্থল (বক্ষস্থলত) নিবাস (বাস কৰা বা জিৰণি লোৱা) সংক্রান্ত (সংলগ্ন হৈ থকা) নাৰায়ণ (ভগৱান নাৰায়ণ বা বিষ্ণুৰ) দেহপ্রভা (দেহৰ কান্তি বা সৌন্দর্যই) শ্যামলিতামিব (শ্যামবৰণীয়া হৈ পৰিছিল) শ্রিয়ম্ (লক্ষ্মীদেৱী)। কুপিত (ক্রুদ্ধ) হৰ (শিৱৰ) হুতাশন (কোপানলত) দহ্যমান (দগ্ধ হোৱা) মদন (মদনৰ) ধূম (ভস্মৰে) মলিনীকৃতামিব (মলিন হোৱা) ৰতিম্ (ৰতিহে)। উন্মদ (উন্মাদ) হলি (বলভদ্রৰ বা বলৰামৰ) হলাকর্ষণ (নাঙলৰ আকর্ষণৰ) ভয় (ভয়ত) পলায়িতামিব (পলায়ন কৰা) কালিন্দীম্ (যমুনা নদীহে)। অতিবহল (প্রচুৰ বা বহু বেছি) পিণ্ডালক্তক (ঘন আলতা) ৰস (ৰসেৰে) ৰাগ (ৰঞ্জিত বা ৰঙচুৱা) পল্লবিত (নতুনকৈ ফুলা পদুমৰ দৰে) পাদপঙ্কজাম (চৰণ পদ্ম দুটি অর্থাৎ চৰণ দুখনি)। অচিৰ (এতিয়াই) মৃদিত (ছিন্ন কৰা) মহিষাসুৰ (মহিষাসুৰৰ) ৰুধিৰ (ৰক্তৰে বা তেজেৰে) চৰণামিব (চৰণ সিক্ত হোৱা) কাত্যায়নীম্ (দেৱী দুর্গাহে)। আলোহিত (অতি ৰঙা) আঙ্গুলি (আঙুলিৰ) প্রভা (পোহৰেৰে) পাটলিত (পাতল ৰঙাবৰণ ধাৰণ কৰিছিল) নখময়ূখাম্ (নখ কেইটাই)। অতি কঠিন (সুকঠিন) মণিকুট্টিম (মণিময় বা ৰত্নৰে নির্মিত) স্পর্শম্ (স্পর্শ কৰিবলৈ) অসহমানাং (সহ্য কৰিব নোৱাৰি) ক্ষিতিতলে (মজিয়াত) পল্লবভঙ্গানিব (পল্লৱখণ্ড বা কোমল ফুল পাহি) নিধায় (পাৰি) সঞ্চৰন্তীম্ (খোজ দি গৈ আছিল)। আপিঞ্জৰেণ (হালধীয়া-ৰঙা বৰণৰ) উৎসর্পিণা (ওপৰলৈ উঠিছিল) নূপুৰমনীনাং (নেপুৰৰ মণিকেইটা) প্রভাজালেন (তাৰ পোহৰত) ৰঞ্জিত (জিলিকি উঠিছিল) শৰীৰতয়া (তেওঁৰ অর্থাৎ চণ্ডালকন্যাৰ শৰীৰ)। পাবকেনেব (যেন অগ্নিদেৱে) ভগবতা (ভগৱান) ৰূপেক (ৰূপৰ) পক্ষপাতিনা (পক্ষপাতী হৈ) প্রজাপতিম (সৃষ্টিকর্তা ব্রহ্মাৰ) প্রমাণীকুর্বতা (কর্ত্তৃত্ব নেওচি) জাতিসংশোধনার্থম্ (জাতি-শুদ্ধিৰ বাবে) আলিঙ্গিতদেহাম্ (এওঁৰ দেহক আলিঙ্গন কৰিছিল)। অনঙ্গত (কামদেৱৰ) বাৰণ (হস্তীৰ) শিৰো (শিৰত থকা) ***নক্ষত্রমালা***য়মানেন (যেন নক্ষত্রমালাধাৰিহে)। ৰোমৰাজি (ৰোমৰাশিৰ) লতা (লতাজুপিৰ) আলবালনেক (ক্ষুদ্র জলধাৰাহে) মেখলাদাম্না (কৰধনিৰে অর্থাৎ কঁকালত পিন্ধা অলঙ্কাৰেৰে) পৰিগত (আগুৰি আছিল) জঘনস্থলাম্ (নিতম্বদেশ)। অতিস্থূল (অতি ডাঙৰ ডাঙৰ) মুক্তাফল (মুকুতা মণিৰে) ঘটিতেন (নির্মিত) শুচিনা (শুভ্র বা বগা) হাৰেণ (হাৰ এধাৰি) গঙ্গাস্রোতসেব (যেন গঙ্গাপ্রৱাহে) কালিন্দী (যমুনা প্রবাহ) অশঙ্কয়া (ভুল কৰি) কৃতকণ্ঠগ্রহাম্ (যেন কণ্ঠত বা ডিঙিত সাৱটি ধৰিছে)। শৰদমিব (শৰৎকালৰ দৰে) বিকসিত (বিকশিত) পুণ্ডুৰীক (পদুমফুল বা কমলৰ দৰে) লোচনাম্ (নয়নযুৰি)। প্রাবৃষমিব (বর্ষাকালৰ দৰে) ঘন (ঘন) কেশজালাম্ (চুলিটাৰি)। মলয় (মলয় পর্বতৰ) মেখলামিব (মধ্যভাগৰ ভূমিৰ দৰে) চন্দনপল্লব (চন্দন পল্লৱেৰে) অবতংসাম্ (শিৰোভূষণ কৰিছিল অর্থাৎ তেওঁ শিৰত অলংকাৰ ৰূপে চন্দন পল্লৱ ধাৰণ কৰিছিল)। নক্ষত্রমালামিব (নক্ষত্রপুঞ্জৰ দৰে) চিত্রশ্রবণাভৰণ [চিত্রা, শ্রৱণা, ভৰণী আদি নক্ষত্রৰে অথবা চিত্র (নানাবিধ) শ্রৱণাভৰণ (কর্ণৰ অলংকাৰেৰে)] ভূষিতাম্ (বিভূষিত আছিল)। শ্রিয়মিব (লক্ষ্মীদেৱীৰ দৰে) হস্ত (হাতত) স্থিত (লোৱা) কমল (পদুমেৰে) শোভাম্ (শোভিতা) মূর্চ্ছামিব্ (মূর্চ্ছাৰ দৰে



নক্ষত্রমালা ঃ ১) সাতাইশটা মুকুতা মণিৰে গঁথা হাৰ;
২) নক্ষত্রপুঞ্জ।

অর্থাৎ মূর্চ্ছাই চৈতন্য বিলোপ কৰাৰ দৰে) মনোহাৰিণীম্ (মুগ্ধ কৰিছিল বা মনোহৰ আছিল)। অৰণ্য ভূমিমিব (অৰণ্যৰ দৰে) অক্ষতৰুসম্পন্নাম্ (অক্ষতৰু শোভিতা বা অক্ষত ৰূপ লাৱণ্য যুক্তা)। দিব্য (স্বৰ্গীয়) ঘোষিতামিবা (দেবকন্যাৰ দৰে) অকুলীনাম্ (অকুলীনা অর্থাৎ সৎবংশত জন্ম লোৱা নহয়)। নিদ্রামিব (নিদ্রাৰ দৰে) লোচন (নয়ন) অগ্রাহিনীম্ (আকর্ষণ কৰে)। অৰণ্য (অৰণ্যৰ) কমলিনীমিব (পদুম ফুলৰ দৰে) মাতঙ্গ (হস্তী বা চণ্ডাল) কুল (সমূহ বা বংশ) দূষিতাম্ (দূষিতা)। অমূর্তামিব (মূর্তিহীনৰ দৰে) স্পর্শবর্জিতাম্ (অস্পৃশ্যা)। আলেখ্যাগতামিব (চিত্রিত বিষয়ৰ দৰে) দর্শনমাত্রফলাম্ (দর্শনতে তেওঁৰ প্রয়োজন শেষ হৈছিল)। মধুমাস (চ'ত মাহৰ) কুসুম-সমৃদ্ধিমিব (পুষ্প সম্পদৰ দৰে অর্থাৎ চ'ত মাহত নুফুলা ফুলৰ দৰেই) অজাতিম্ (জাতিৰহিত অর্থাৎ চণ্ডালকণ্যাৰ কোনো জাতি নাছিল)। অনঙ্গ (কামদেৱৰ) কুসুম-চাপলেখামিব (পুষ্প ধনুৰ দৰে) মুষ্টি (মুঠিত) গ্রাহ্য (লুকুৰা) মধ্যম্ (কঁকাল)। যক্ষাধিপ (যক্ষসকলৰ অধিপতি অর্থাৎ কুবেৰ) লক্ষ্মীমিব (সম্পদৰ দৰে) আলক (অলকা নগৰী বা চুলিৰে) উদ্ভাসিনীম্ (শোভিতা)। অচিৰম্ উপৰূঢ়যৌবনাম্ (নব যৌৱনসম্পন্না) অতিশয়ৰূপাকৃতিম্ (অত্যন্ত ৰূপৱতী)। অনিমিষলোচনো (অনিমেষ অর্থাৎ চকুৰ পলক নেপেলোৱাকৈ) দদর্শ [চণ্ডাল কন্যাক ৰজাই (চাই থাকিল)]।

দৃষ্ট্বা (দেখি) চ (আৰু) তাং (তেওঁক অর্থাৎ চণ্ডাল কন্যাক) সমুপজাত (উপজিছিল) বিস্ময়স্য (বিস্ময়ৰ) অভূৎ (হৈছিল) মনসি (মনত) মহীপতেঃ (ৰজাৰ অর্থাৎ শূদ্রকৰ)। অহো (উঃ) বিধাতুঃ (বিধাতাৰ) অস্থানে (অস্থানত বা অপাত্রত) ৰূপ নিষ্পাদন (ৰূপ নির্মাণৰ) প্রযত্ন ঃ (চেষ্টা)। তথাহি (কাৰণ) যদি নাম (যিহেতু) ইয়ম্ (এই কণ্যাক) আত্ম (নিজৰ) ৰূপ (ৰূপেৰে) উপহসিত (উপহাস কৰি বা চেৰ পেলাই) অশেষ (বাকী সমস্ত) ৰূপসম্পদ (ৰূপসম্পদক) উৎপাদিতা (উৎপাদন কৰিছে বা সৃজন কৰিছে), কিমর্থম্ (কিহৰ বাবে বা কিয়) অপগত (বর্জিত বা অযোগ্য)স্পর্শসম্ভোগসুখে (স্পর্শ-সম্ভোগ-সুখৰ) কৃতং (কৰিলে) কুলে (বংশত) জন্ম (জন্ম)। মন্যে চ (আৰু ভাৱ হয়) মাতঙ্গজাতি (চণ্ডালজাতিৰ) স্পর্শদোষভয়াৎ (স্পর্শদোষৰ ভয়ত) অস্পৃশ্যতা (স্পর্শ নকৰাকৈয়ে) ইয়ম্ (এওঁক) উৎপাদিতা (সৃষ্টি কৰিলে বা সৃজিলে) প্রজাপতিনা (সৃষ্টিকর্তা ব্রহ্মাই), অন্যথা (নহলে) কথম্ (কেনেকৈ) ইয়ম্ (এওঁৰ অর্থাৎ চণ্ডাল কন্যাৰ) অক্লিষ্টতা (অক্ষত হৈ আছে।) লাবণ্যস্য (ৰূপ-লাৱণ্যৰ)। নহি (নহয়) কৰতলস্পর্শ (কৰতলেৰে অর্থাৎ হাতৰ তলুৱাৰে স্পর্শ কৰা) ক্লেশিতানাম্ (পীড়িত বা মর্দিত) অবয়বানাম্ (অবয়বসমূহৰ বা অঙ্গসমূহৰ) ঈদৃশী (এনে) ভবতি (হয়) কান্তিঃ (দীপ্তি বা সৌন্দর্য)। সর্বথা (সকলো প্রকাৰে) ধিগ্ (নিন্দা কৰো) বিধাতাৰম্ (বিধাতাক) অসদৃশসংযোগ কাৰিণম্ (অসদৃশ বা বিসদৃশ সংযোগকাৰী)। অতি মনোমোহা (অতি মনোহৰ) আকৃতিৰপি (আকৃতিৰ হ'লেও) ক্রুৰজাতিতয়া (নিষ্ঠুৰ জাতিৰ কাৰণে অর্থাৎ চণ্ডালজাতিৰ কাৰণে) যেন (যিহেতু) অয়ম্ (এৰোঁ অর্থাৎ চণ্ডালকণ্যা) অসুৰশ্রীৰিব (অসুৰ লক্ষ্মীৰ দৰে) সতত (সদায়) নিন্দিত (নিন্দা কৰা) সুৰতা (দেৱগণৰ) বনৰীয়া অপি (মনোৰমা হৈয়ো উদ্বেজয়তি ইতি (উদ্বিগ্নতাৰ সৃষ্টি কৰে)। এবমাদি (এনেদৰে সকলো) চিন্তয়ন্তমেব (চিন্তা কৰি থকা) ৰাজানম্ (ৰজাক অর্থাৎ শূদ্রকক) ঈষৎ (অলপ) অবগলিত (হলাই) কর্ণপল্লব (কাণৰ কিশলয়) অবতংসা (অলংকাৰ) প্রগল্ভ (প্রগল্ভা) বনিতেব (ৰমণীৰ দৰে) কণ্যকা (চণ্ডাল কন্যাই) প্রণনাম (প্রণাম জনাইছিল)।



জানি থোৱা ভাল

ওপৰৰ পাঠটিত পোৱা কিছুমান উল্লেখযোগ্য সংস্কৃতপদৰ ব্যুৎপত্তি তথা ব্যাকৰণ তলত দেখুওৱা হ'ল—

১) অবনিপতিঃ = অবনেঃ পতিঃ (ষষ্ঠী তৎপুৰুষ) কর্তৰি প্রথমা

২) দদর্শ = দৃশ + লিট্ ণল্।

৩) দূৰাৎ = অপাদানে পঞ্চমী।

৪) অভিধায় = অভি — ধা + ল্যপ্।

৫) নিধায় = নি — ধা + ল্যপ্।

৬) প্রতীহার্যা = অনুক্তে কর্তৰি তৃতীয়া।

৭) সঞ্চৰন্তীম্ = সম্ — চৰ + শতৃ + স্ত্রিয়ামীপ্।

৮) দৃষ্টবা = দৃশ + ক্ত্বাচ্।

৯) অভূৎ = ভূ + লুঙ্, প্রথম পুৰুষ, এক বচন।

১০) মন্যে = মন্ + লট্ এ।

১১) বিধাতাৰম্ = ধিক্ শব্দযোগে দ্বিতীয়া

১২) ক্রূৰজাতিতয়া = হেত্বর্থে তৃতীয়া।

৩.৫ মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

ওপৰত উল্লেখ কৰা মূল সংস্কৃত পাঠৰ অসমীয়া ভাঙনি এতিয়া আপুনি অধ্যয়ন কৰিব পাৰিব। সংস্কৃত পাঠ্যাংশৰ অসমীয়া ভাঙনি তলত উল্লেখ কৰা হ'ল—

"আঁতৰৰ পৰাই দেখুওৱা" এইবুলি ৰজাই (শূদ্রকে) কোৱাত দুৱৰীয়ে তেওঁক (চণ্ডাল কন্যাক) দেখুওৱাই দিলে। (চণ্ডাল কন্যাৰ) আগত এজন পুৰুষ। বার্দ্ধক্যৰ কাৰণে তেওঁৰ শিৰ শুভ্র কেশেৰে ভৰা। নয়ন প্রান্ত ৰঙা পদ্মৰ (পদুমৰ) দৰে। যৌৱন পাৰ হৈ গ'লেও অনবৰতে পৰিশ্রম কৰি থকাৰ কাৰণে তেওঁৰ দেহৰ বান্ধ দৃঢ় হৈ আছিল (অর্থাৎ শিথিল হৈ যোৱা নাছিল)। জাতিত চণ্ডাল হ'লেও বৰ ভয়লগা আকৃতিৰ নাছিল। তেওঁ সভ্য বা ভদ্রলোকৰ দৰে বসনেৰে (পোছাকেৰে) আৰু শুভ্র বেশেৰে আহিছিল। (তেওঁলোকৰ) পিছত এজন চণ্ডাল শিশু। মূৰত তাৰ জুটুলা জুটুল চুলি। হাতত এটা সোণৰ পিজঁৰা। সোণৰ শলা কেইডাল (পিঁজৰাৰ) ভিতৰত থকা ভাটৌচৰাইটোৰ গাৰ পোহৰত জিলিকি উঠাৰ বাবে পিঁজৰাটো দেখাত মৰকতমণিৰে নির্মাণ কৰা যেন দেখা গৈছিল।

(সেই চণ্ডাল কণ্যাই) নিজৰ শ্যাম বৰণীয়া সৌন্দর্যৰ দ্বাৰা অসুৰে হাত কৰি লোৱা অমৃত হৰণ কৰিবলৈ ছল কৰি মোহিনী বেশ ধাৰণ কৰা ভগৱান বিষ্ণুকহে যেন অনুকৰণ কৰিছিল। (তেওঁ) যেন ইন্দ্রনীল মণিৰে গঢ়া গতিশীল এটি পুতলাহে। সৰু গাঁথিলৈকে ওলমি পৰা নীলা বৰণৰ চোলা এটাৰে (তেওঁৰ) দেহাটো আবৰা। মূৰত ৰঙা কাপোৰৰ ওৰণি এখন যেন নীলা

পদুমৰ ভূমিত বিয়লিৰ এখন কাণত ৰ'দছাটিহে পৰিছিল। (তেওঁৰ) এখন কাণত এটি ***দন্তপত্র*** ওলমি আছিল তাৰ পোহৰত চণ্ডালকণ্যাৰ গালটি জিলিকি আছিল। এনে লাগিছিল যেন নিশাৰ মুখত জোনটিয়ে পোহৰহে দিছে। (তেওঁৰ) কপালত ঈষৎ ৰঙচুৱা বৰণৰ ***গোৰোচনাৰে*** লোৱা ফোঁটটো তৃতীয় নয়ন (নেত্র) যেন লাগিছিল। তেওঁক এনে লাগিছিল যেন শিৱক অনুসৰণ কৰা কিৰাতবেশধাৰিণী পার্বতীহে। (চণ্ডালকণ্যা) যেন ভগৱান বিষ্ণুৰ বক্ষঃস্থলত জিৰণি লোৱাৰ কাৰণে তেওঁৰ দেহৰ দীপ্তি লাগি শ্যামবর্ণা বা শ্যাম বৰণীয়া হোৱা লক্ষ্মীদেৱীহে। (তেওঁ) যেন ক্রুদ্ধ মহাদেৱৰ কোপানলত দগ্ধ হোৱা মদনৰ (কামদেৱৰ) দেহভস্মৰে মলিন হোৱা ***ৰতিহে***। (তেওঁক) বলদর্পী বলৰামৰ (বলভদ্র) নাঙলৰ আকর্ষণৰ ভয়ত পলায়ন কৰা যমুনা নদীৰ দৰে দেখাইছিল। অতি প্রচুৰ আৰু ঘন আলতাৰসেৰে ৰঞ্জিত তেওঁৰ চৰণ দুখনি। দেখি ভাৰ হৈছিল যেন নতুনকৈ প্রস্ফুটিত ৰঙচুৱা পদুমফুল যেন চৰণ দুখনি সদ্য নিহত মহিষাসুৰৰ তেজেৰে চৰণ সিক্ত হোৱা দেৱী দুর্গাহে। ঈষৎ ৰঙা বৰণৰ আঙুলিৰ পোহৰেৰে তেওঁৰ (চণ্ডাল কণ্যাৰ) নখকেইটাই ***পাটল*** বৰণ ধাৰণ কৰিছিল। সুকঠিন ৰত্নৰে নির্মিত মজিয়াৰ স্পর্শ সহিব নোৱাৰিহে যেন তেওঁ ফুলৰ পাহি (পল্লৱখণ্ড) পাৰি তাৰ ওপৰেৰে খোজ দি গৈ আছিল। (তেওঁ পৰিধান কৰা) হালধীয়া ৰঙা বৰণৰ নেপুৰৰ মণিকেইটা ওপৰলৈ উঠিছিল। সেইবোৰৰ পোহৰত তেওঁৰ শৰীৰ জিলিকি উঠিছিল। যেন কেৱল ৰূপ-লাৱণ্যৰ আদৰ কৰোঁতা অগ্নিদেৱে প্রজাপতি ব্রহ্মাৰ কর্তৃত্ব নেওচি জাতি-শুদ্ধিৰ বাবে তেওঁৰ (চণ্ডালকণ্যাৰ) শৰীৰক আলিঙ্গন কৰিছিল। তেওঁৰ জঘনস্থল এডাল কৰধনিৰে আগুৰা আছিল। ই যেন কামদেৱৰ হাতীৰ শিৰত থকা নক্ষত্র মালাধাৰিহে। ই যেন তেওঁৰ নাভিৰ (নাড়ীৰ) ওপৰত থকা ৰোমৰাশিৰ লতাজুপিৰ গুৰিত থকা ক্ষুদ্র জলধাৰাহে। তেওঁৰ ডিঙিত ডাঙৰ ডাঙৰ মুকুতা মণিৰে এধাৰি শুভ্র হাৰ আছিল যেন গঙ্গাপ্রবাহে যমুনা স্রোত বুলি ভুল কৰি (চণ্ডালকণ্যাৰ ডিঙিকে) সাৱটি ধৰিছিল। শৰৎকাল যিদৰে বিকশিত বগা পদুমফুলেৰে শোভিত তেনেদৰে তেওঁৰ নয়নযুৰিও বিকশিত (ডাঙৰ) আছিল। বর্ষাকালত যেনেকৈ চুলিৰ দৰে ক'লা মেঘ (আকাশে) ধাৰণ কৰে, তেনেদৰে তেওঁৰো মেঘৰ দৰে চুলিটাৰি (ঘন আৰু ক'লা) আছিল। চন্দন পল্লৱে মলয় পর্বতৰ মাজভাগ অলংকৃত কৰাৰ দৰে তেওঁৰো শিৰোভূষণ আছিল চন্দন পল্লৱ। নক্ষত্রমালা যিদৰে চিত্রা, শ্রাৱণা, ভৰণী আদি নক্ষত্রৰে গঠিত, তেনেদৰে তেওঁৰো কর্ণযুগলত আছিল চিত্র-বিচিত্র আভৰণ। কমলচিহ্ন শোভিতা লক্ষ্মীদেৱীৰ নিচিনাকৈ তেওঁৰ হাততো পদুমফুলে শোভা পাইছিল। মূর্চ্ছাই চৈতন্য বিলোপ কৰাৰ দৰে তেৰোঁ (চণ্ডালকন্যায়ো সকলোকে) মুগ্ধ কৰিছিল। ***অক্ষতৰু***শোভিতা অৰণ্যভূমিৰ দৰে তেওঁৰ ৰূপ-লাৱণ্য আছিল অক্ষত।



দন্তপত্র ঃ কাণৰ অলংকাৰ বিশেষ। হাতীৰ দাঁতৰ পৰা অতীতত এই অলংকাৰ বনোৱা হৈছিল বাবে ইয়াৰ নাম 'দন্তপত্র'।

গোৰোচনা ঃ গৰুৰ পিত্তৰসৰ পৰা হোৱা এবিধ হালধীয়া ৰঙৰ বস্তু।

ৰতি ঃ কামদেৱৰ পত্নী।

পাটল ঃ বগা আৰু ৰঙা ৰঙৰ মিশ্রণত হোৱা ৰং। গুলপীয়া ৰং।




অক্ষতৰু ঃ ৰুদ্রাক্ষৰ গছ।

পৃথিৱী স্পর্শ নকৰা দেৱকন্যাৰ দৰে তেওঁ অকুলীনা [অর্থাৎ স্বর্গীয় দেৱকন্যাসকল যিদৰে কু পৃথিৱীত জন্মা নহয়, তেনেদৰে চণ্ডালকণ্যাও সৎবংশত জন্মা (অকুলীনা) নহয়]। নিদ্রাই যিদৰে চকুক আকর্ষণ কৰে, তেনেদৰে তেওঁ সকলোৰে নয়ন আকর্ষণ কৰিছিল। বনত থকা পদুমফুল যিদৰে হস্তীৰ (মাতঙ্গৰ) দ্বাৰা দূষিত হয়, তেনেদৰে তেওঁ চণ্ডালবংশত (মাতঙ্গকুলত) জন্মাৰ বাবেই দূষিতা। মূর্তিহীনক যিদৰে স্পর্ষ কৰিব নোৱাৰি তেনেদৰে তেৰোঁ অস্পৃশ্যা (স্পর্শ কৰিব নোৱাৰা) চিত্রিত বিষয়ৰ দৰে দর্শনতে তেওঁৰ প্রয়োজন শেষ হৈছিল। তেওঁ অজাতি যেন জাতী

ফুল নুফুলা চ'ত মাহৰ ৰূপহে। হাতৰ মুঠিতে লুকুৱা কঁকালটিৰে তেওঁক কামদেৱৰ পুষ্পধনুৰ দৰে দেখা গৈছিল। ***অলকা***নগৰীত শোভা পায় থকা কুবেৰৰ সম্পদৰ দৰে তেৰোঁ চুলিৰ অলকেৰে জিলিকি আছিল। তেওঁ নবযৌৱনা, তেওঁৰ ৰূপ-লাৱণ্যৰ সীমা নাছিল। (ৰজা শূদ্রকে) অনিমেষ নয়নেৰে (চণ্ডালকণ্যাক) চাই আছিল।

তেওঁক দেখি ৰজাৰ বিস্ময় উপজিছিল। (ৰজাই) তেওঁ মনে মনে ভাবিছিল—উঃহ্ল বিধাতাই অপাত্রত সৌন্দর্য্য সৃষ্টিৰ যত্ন কৰিছে। কাৰণ, যদি এওঁক (চণ্ডালকণ্যাক) নিজৰ ৰূপ-লাৱণ্যৰে সমস্ত ৰূপ-সম্পদক চেৰ পেলোৱাকৈ সৃজিছেই, তেনেহ'লে কিয় স্পর্শ-সম্ভোগ-সুখৰ অযোগ্য (চণ্ডাল) কুলত জন্ম দিলে? ভাৱ হয় চণ্ডালকুলৰ স্পর্শদোষৰ ভয়তে প্রজাপতি ব্রহ্মাই এওঁক স্পর্শ নকৰাকৈয়ে সৃজন কৰিলে। নহ'লে কেনেকৈ এওঁৰ ৰূপ-লাৱণ্য অক্ষত হৈ থাকিব? কাৰণ হাতেৰে স্পর্শ পীড়িত অবয়ৱৰ এনে দীপ্তি নহয়। বিসদৃশ সংযোগকাৰী বিধাতাক (মই) সকলো প্রকাৰে নিন্দা কৰোঁ। কাৰণ সদায় দেৱতাসকলক নিন্দা কৰা অসুৰলক্ষ্মীৰ দৰে এই চণ্ডালকন্যা পৰমাসুন্দৰী আৰু কোমলাঙ্গী হ'লেও চণ্ডালজাতিৰ বুলি এওঁৰ সম্ভোগ সদায় নিন্দনীয় বুলি উদ্বেগ জন্মিছে।

এনেদৰে সকলো চিন্তা কৰি থকা ৰজাক (শূদ্রকক) চণ্ডালকন্যাই কাণৰ কিশলয়-অলংকাৰ হলাই প্রগল্‌ভা ৰমণীৰ দৰে প্রণাম জনাইছিল।।



অলকা ঃ কুবেৰৰ নগৰী, ই কৈলাস পর্বতত অৱস্থিত।

জানি থোৱা ভাল



১) **কুবেৰ** ঃ কুবেৰৰ পিতৃ আছিল বিশ্রৱা (বিশ্রৱস্) মুনি। ধনৰ অধিপতি বুলি কুবেৰক জনা যায়। লগতে তেওঁ যক্ষসকলৰ আৰু উত্তৰ দিশৰো অধিপতি। এওঁৰ ভৰি তিনিখন, দাঁত আঠটা। এওঁৰ মিত্র হ'ল ৰুদ্র। কৈলাস পর্বতত অৱস্থিত অলকানগৰীৰ এওঁ ৰজা। এওঁৰ বিমানখনৰ (বাহনখনৰ) নাম 'পুষ্পক'। এওঁৰ মণিগ্রীৱ আৰু নলকুৱৰ নামেৰে দুজন পুত্র আছিল।

২) **যমুনা নদী** ঃ যমুনা সূর্যৰ পত্নী সংজ্ঞাৰ গর্ভজাতা কন্যা। এওঁ নদীৰ ৰূপ লাভ কৰে। 'কলিন্দ' নামৰ পর্বতৰ পৰা ওলাই অহাৰ কাৰণে এই যমুনা নদীৰ আন এটা নাম 'কালিন্দী'।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ চণ্ডালকন্যা কোন ৰজাৰ ৰাজসভালৈ আহিছিল?

.....

প্রশ্ন ২ ঃ চণ্ডালকন্যাই লগত কি আনিছিল?

.....

প্রশ্ন ৩ ঃ চণ্ডালকন্যাৰ লগত আৰু কোন কোন আহিছিল উল্লেখ কৰক।

প্রশ্ন ৪ ঃ 'নক্ষত্রমালা' বুলিলে কি বুজায়?

.....

.....

প্রশ্ন ৫ ঃ 'দন্তপত্র' মানে কি?

.....

.....

৩.৬ 'চণ্ডালকন্যাবর্ণনম্' পাঠটিৰ সাৰাংশ

মহাকবি বাণভট্ট ৰচিত তেওঁৰ বিখ্যাত গদ্যকাব্য 'কাদম্বৰী'ৰ কথামুখত 'চণ্ডালকন্যাবর্ণনম্' নামৰ পাঠটি পোৱা যায়। এবাৰ বিদিশা নগৰীৰ অধিপতি মহাৰাজ শূদ্রকৰ ৰাজ্যসভালৈ এগৰাকী চণ্ডালকন্যা আহে। লগত আনে এটি অপূর্ব ৰত্নৰ দৰে ভাটৌ চৰাই। চৰাইটো চণ্ডাল কন্যাই ৰজাক উপহাৰ স্বৰূপে দিয়ে। অতি ৰূপৱতী সেই কন্যা গৰাকীক শূদ্রকে অপলক দৃষ্টিৰে চাই আছিল। তাৰে এটি অনন্য সুন্দৰ ভাষাচিত্র বাণভট্টই তেওঁৰ নিপুণ লিখনিৰে অংকণ কৰিছে।

ৰজা শূদ্রকে প্রথম দর্শনতে চণ্ডাল কন্যাৰ ৰূপ দেখি অতিশয় মুগ্ধ হৈ পৰিছিল। ৰজাৰ ভাব হৈছিল যে সেই কন্যা যেন বিষ্ণুৰ মোহিনী ৰূপ, যি ৰূপ ধাৰণ কৰি ভগৱানে ছলনা কৰি অসুৰসকলৰ পৰা অমৃত হৰণ কৰিছিল। তেওঁ যেন ইন্দ্রনীল মণিৰে গঢ়া এটি গতিশীল পুতলাহে। কাণত পিন্ধা অলংকাৰৰ দীপ্তিত তেওঁৰ গাল উজ্জ্বল হৈ পৰিছিল; এনে লাগিছিল যেন চন্দ্রমণ্ডলৰ দ্বাৰা শোভিতা নিশাহে। চণ্ডালকন্যাৰ কপালত গোৰোচনাৰে লোৱা এটি তিলক আছিল। সেই তিলকটোৰে তেওঁক কিৰাত বেশধাৰিণী সাক্ষাৎ দুর্গাদেৱীৰ দৰে লাগিছিল। কিন্তু পিছমুহূর্ততে শূদ্রকৰ ভাৰ হৈছিল। তেওঁ যেন শ্যামবৰণীয়া লক্ষ্মীদেৱী, অথবা শিৱৰ ক্রোধাগ্নিত দহন হোৱা মদনৰ পত্নী ৰতি বা বলৰামৰ নাঙলৰ ভয়ত ভীতা যমুনানদী। তেওঁৰ ভৰি দুখন আলতা ৰঙেৰে ৰঙা হৈ আছিল। ফলত তেওঁক মহিষাসুৰৰ তেজেৰে চৰণসিক্ত হোৱা দেৱী দুর্গা যেন দেখা গৈছিল।

চণ্ডালকন্যাই ৰঙা-হালধী ৰঙৰ মণিৰে গঁথা নেপুৰ ভৰিত পিন্ধিছিল। সেই নেপুৰৰ মণিসমূহৰ জ্যোতিত তেওঁৰ শৰীৰ উজলি উঠিছিল। শূদ্রকৰ ভাৰ হৈছিল যেন সৃষ্টিকর্তা ব্রহ্মাই তেওঁক অস্পৃশ্যা কৰি সৃষ্টি কৰাৰ বাবে অগ্নিদেৱতাই বিধাতাৰ কর্তৃত্ব নেওচি জাতিশুদ্ধিৰ বাবে তেওঁৰ শৰীৰটোক আলিঙ্গন কৰি আছে। চণ্ডাল কন্যাৰ মনোমোহা ৰূপে সাক্ষাৎ লক্ষ্মী দেৱীৰ দৰে শোভা পাইছিল। তেওঁৰ ৰূপ লাৱণ্যই সকলোকে মুগ্ধ কৰি ৰাখিছিল।

চণ্ডালকন্যা মনোহাৰিণী। তেওঁৰ অক্ষতৰূপসম্পন্না। তেওঁ সৎকুলত জন্মা নহয়। মাতঙ্গকুলত জন্মা বাবে তেওঁ অস্পৃশ্যা বা দূষিতা। তথাপি তেওঁ সকলোৰে নয়ন আকর্ষণ কৰিছিল। তেওঁ অতিশয় ৰূপৱতী, নৱযুৱতী। ৰজা শূদ্রকে অপলক দৃষ্টিৰে চণ্ডালকন্যালৈ চায় ভবিছিল যে বিধাতাই যেন বিশ্ব ব্রহ্মাণ্ডৰ সকলো ৰূপ সম্পদক তাচ্ছিল্য কৰি তেওঁক স্পর্শ নকৰাকৈয়ে সৃষ্টি কৰিছিল। সেয়েহে তেওঁ অক্ষতৰূপসম্পন্না হ'ব পাৰিছে। কাৰণ হাতেৰে স্পর্শ কৰি সৃষ্টি কৰাহেঁতেন এনে সর্ববিজয়িনী খুত নথকা ৰূপৰ অধিকাৰিণী হোৱা সম্ভৱ নহ'লহেতেঁন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ অলকানগৰী ক'ত অৱস্থিত?

.....

প্রশ্ন ৭ ঃ কুবেৰ কোন?

.....

প্রশ্ন ৮ ঃ চণ্ডালকন্যাই ৰজাক কি উপহাৰ দিছিল?

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাণভট্ট বিৰচিত 'চণ্ডালকন্যাবর্ণনম্' নামৰ অংশটিৰ বিষয়ে জানিব পাৰিলে। কবিয়ে যেন চণ্ডালকন্যাৰ যোগেদি এটি অনবদ্য ভাষাচিত্রহে অংকন কৰিছে।
- বাণভট্টৰ সূক্ষ্ম নিৰীক্ষণ শক্তি আৰু বর্ণনা নৈপুণ্যৰ বিষয়েও আভাস লাভ কৰিলে।
- মূল সংস্কৃত পাঠ্যাংশৰ লগতে প্রতিটো সংস্কৃত শব্দৰ অসমীয়া অর্থ পঢ়িবলৈ সক্ষম হ'ল।
- পাঠ্যাংশৰ অসমীয়া অনুবাদো অধ্যয়ন কৰিলে।
- কিছুমান উল্লেখযোগ্য সংস্কৃত পদৰ ব্যাকৰণগত টোকাও জানিব পাৰিলে।



৩.৮ অধিক জানিবলৈ

১) কালে, এম. আৰ. (১৯৬৮), *কাদম্বৰী*, পূর্বভাগ, দিল্লী ঃ মোতিলাল বানাৰসী দাস।

২) বন্দ্যোপাধ্যায়, অশোক কুমাৰ (২০০৪), *কাদম্বৰী (কথামুখম্)*, কলকাতা ঃ শ্রীবলৰাম প্রকাশনী।

৩) শর্মা, প্রভাত চন্দ্র (২০০০), *কাদম্বৰী* (অনুবাদ), গুৱাহাটী ঃ আবিলেক।



৩.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ চণ্ডালকন্যা বিদিশা নগৰীৰ ৰজা শূদ্রকৰ ৰাজসভালৈ আহিছিল।

২নং প্রশ্নৰ উত্তৰ ঃ চণ্ডালকন্যাই লগত এটা ভাটৌ চৰাই আনিছিল।

৩নং প্রশ্নৰ উত্তৰ ঃ চণ্ডালকন্যাৰ লগত এজন বৃদ্ধ চণ্ডাল আৰু এটি চণ্ডাল শিশু আহিছিল।

৪নং প্রশ্নৰ উত্তৰ ঃ সাতাইশটা মুকুতামণিৰে গঁথা হাৰক 'নক্ষত্রমালা' বুলি কোৱা হয়। নক্ষত্রপুঞ্জক অর্থাৎ আকাশত থকা নক্ষত্রৰ সমষ্টিকো 'নক্ষত্রমালা' বোলে।

৫নং প্রশ্নৰ উত্তৰ ঃ পুৰণি কালত হাতীৰ দাঁতৰ পৰা কাণত পিন্ধা এবিধ বিশেষ অলংকাৰ বনোৱা হৈছিল। ইয়াকে 'দন্তপত্র' বোলা হয়।

৬নং প্রশ্নৰ উত্তৰ ঃ অলকা নগৰী কৈলাস পর্বতত অৱস্থিত।

৭নং প্রশ্নৰ উত্তৰ ঃ ধন-সম্পদৰ অধিপতি কুবেৰ।

৮নং প্রশ্নৰ উত্তৰ ঃ চণ্ডালকন্যাই ৰজা শূদ্রকক এটা ভাটৌ চৰাই উপহাৰ দিছিল।



৩.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন ঃ

প্রশ্ন ১ ঃ সংস্কৃত পদৰ ব্যুৎপত্তি লিখক—

অবনিপতিঃ, নিধায়, দূৰাৎ, মন্যে।

খ) বস্তুধর্মী প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গোৱোচনা মানে কি?

প্রশ্ন ২ ঃ কালিন্দী কোন?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰজা শূদ্রকৰ দ্বাৰা দেখা চণ্ডালকন্যাৰ বর্ণনা দিয়ক।

প্রশ্ন ২ ঃ 'চণ্ডালকন্যাবর্ণনম্' নামৰ পাঠটিৰ সাৰাংশটো লিখক।

*** ***** ***

অধ্যায় ৪ ঃ কাদম্ববী-উজ্জয়িনীবর্ণনম্

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ 'উজ্জয়িনীবর্ণনম্'ৰ মূল সংস্কৃত পাঠ
৪.৪ মূল সংস্কৃত পাঠৰ শব্দার্থ
৪.৫ মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ
৪.৬ 'উজ্জয়িনীবর্ণনম্' পাঠটিৰ সাৰাংশ
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'কাদম্ববী' কাব্যত বর্ণিত উজ্জয়িনী নগৰীৰ বর্ণনা অধ্যয়ন কৰিবলৈ পাব
- প্রাচীন ভাৰতবর্ষৰ এখন উল্লেখযোগ্য নগৰী উজ্জয়িনী নগৰীৰ ঐশ্বর্য্য-বিভূতিৰ আভাস লাভ কৰিব পাৰিব
- মহাকবি বাণভট্টৰ লিখনিৰ বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'ব পাৰিব
- মূল সংস্কৃত পাঠৰ লগতে শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব।

৪.২ পৰিচয়

আপুনি ইতিমধ্যেই আগৰ অধ্যায়ত সংস্কৃত সাহিত্য জগতৰ এজন লেখত ল'বলগীয়া অন্যতম গদ্যকাৰ বাণভট্টৰ বিষয়ে অধ্যয়ন কৰিলে। লগতে তেওঁৰ বিখ্যাত কথাকাব্য 'কাদম্ববী'ৰ বিষয়েও জানিব পাৰিলে। কাদম্ববীত উজ্জয়িনী নগৰীৰ বর্ণনা পোৱা যায়। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি এই উজ্জয়িনী নগৰীৰ বিষয়ে অৱগত হ'ব পাৰিব। প্রাচীন ভাৰতবর্ষৰ এখন সমৃদ্ধিশালী নগৰী উজ্জয়িনী অৱন্তী ৰাজ্যত অৱস্থিত আছিল। ঐশ্বর্য বিভূতিৰে পৰিপূর্ণ এই নগৰীৰ মনোৰম বর্ণনা আপুনি এই অধ্যায়ত অধ্যয়ন কৰিব পাৰিব। অধ্যায়টিত আপুনি মূল সংস্কৃত পাঠ্যাংশৰ লগতে শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব। সংস্কৃত গদ্য সাহিত্যৰ মহান লেখকসকলৰ অন্যতম মহাকবি বাণভট্টৰ যি বিশেষ গদ্য ৰচনাশৈলী, সেই বিশেষ ৰচনাশৈলীৰ লগতো আপুনি এই অধ্যায়টি অধ্যয়ন কৰি পৰিচিত হ'ব পাৰিব।

৪.৩ 'উজ্জয়িনীবৰ্ণনম্'ৰ মূল সংস্কৃত পাঠ

'কাদম্বৰী' কাব্যত মহাকবি বাণভট্টই উজ্জয়িনী নগৰীৰ বৰ্ণনা দাঙি ধৰিছে। অৱন্তী ৰাজ্যৰ শিপ্ৰা নদীৰ তীৰত অৱস্থিত এই উজ্জয়িনী এখন অতি সমৃদ্ধিশালী নগৰী আছিল। এই 'উজ্জয়িনীবৰ্ণনম্'ৰ সংস্কৃত পাঠ্যাংশ আপোনাৰ বাবে তলত উল্লেখ কৰা হ'ল—

অস্তি সকলত্রিভুবনললামভূতা, প্রসৱভূমিৰিব কৃতযুগস্য, আত্মনিবাসোচিতা ভগৱতা মহাকালাভিধানেন ভুৱনত্রয়সর্গস্থিতিসংহাৰকাৰিণী প্রমথনাথেনাপৰেৰ পৃথিৱী সমুৎপাদিতা, দ্বিতীয়পৃথিৱীশঙ্ক্যা চ জলনিধিনেব ৰসাতলগম্ভীৰেণ জলপৰিখাবলয়েন পৰিবৃতা, পশুপতিনিবাসপ্রীত্যা গগণপৰিসৰোল্লেখিশিখৰমালেন কৈলাসগিৰিণেব সুধাসিতেন প্রাকাৰমণ্ডলেন পৰিগতা, প্রকটশঙ্খশুক্তি-মুক্তাপ্রৱালমৰকত মণিৰাশিভিশ্চামীকৰচূর্ণবালুকানিকৰনিচিতৈ ৰায়ামিভিৰগস্ত্যপৰিপীতসলিলৈঃ সাগৰৈৰিব মহাৰিপণি পথৈৰূপশোভিতা, সুৰাসুৰসিদ্ধগন্ধর্ৱবিদ্যাধৰোৰগাধ্যাসিতাভিশ্চিত্রশালাভি ৰিৱৰতোৎসৱ প্রমদাবলোকনকুতূহলাদম্বৰতলাবতীর্ণাভির্দিব্যবিমানপংক্তিভিৰিৱালংকৃতা, মথনোদ্ধতদুগ্ধ ধৱলিতমন্দৰদ্যুতিভিঃ কনকময়ামলকলশশিখৰৈ ৰনিলদোলায়িতসিতধ্বজৈৰুপৰিপত দভ্রগঙ্গৈৰিব তুষাৰগিৰি শিখৰৈৰমৰমন্দিৰৈর্বিৰাজিতশৃঙ্গাটকা, সুধাবেদিকোপশোভিতো দ পানৈৰন ৰত চলিত জলঘটীযন্ত্রসিচ্যমানহ ৰিতোপবনান্ধকাৰৈঃ কেতকীধূলিধূসৰৈৰুপশল্যকৈৰূপশোভিতা, মদমুখৰমধুকৰ পটলান্ধকাৰিতনিস্কুটা, স্ফুৰদুপবনলতাকুসুমপৰিমল সুৰভিসমীৰণা, ৰণিতসৌভাগ্যঘণ্টৈৰালোহিতাং শুকপতাকৈৰাবদ্ধৰক্তচামৰৈর্বিদ্রুমময়ৈঃ প্রতিভবনমুচ্ছিতৈর্মকৰাঙ্কৈর্মদনয়ষ্টিকেতুভিঃ প্রকাশিত মকৰধ্বজপূজা, সতত প্রবৃত্তাধ্যয়নধ্বনির্ধৌতকল্মষা, স্তিমিতমুৰজৰৱগম্ভীৰসর্জিতেষু সলিলসীকৰাসাৰস্তবকৰচিতদুর্দিনেষু পর্যস্তবিকিৰণৰচিত সুৰচাপচাৰুষু ধাৰাগৃহেষু মত্তময়ূৰৈর্মণ্ডলীকৃত শিখণ্ডৈস্তাণ্ডৱব্যসনিভিৰাবধ্যমানকেকাকোলাহলা, বিকচকুৱলয়কান্তৈৰুৎফুল্ল কমলধবলোদৰৈৰনিমিষদর্শনৰমণীয়ৈৰাখণ্ডললোচনৈৰিব সহস্রসংখৈৎৰুদ্ভাসিতা সৰোভিঃ, অবিৰলকদলীবন কলিতাভিৰমৃতফেনপুঞ্জপাণ্ডুৰাভির্দিশি দিশি দন্তৱলভিকাভির্ভিধৱলীকৃতা, যৌৱনমদমত্তমালৰী কুচকলশলুলিতসলিলয়া ভগৱতো মহাকালস্য শিৰসি সুৱসৰিতমালোক্য সমুপজাতের্ষ্যয়েব সতত সমাবদ্ধতৰংগভ্রুকুটিলেখয়াখমিবক্ষালয়ন্ত্যা সিপ্রয়া পৰিক্ষিপ্তা, সকলভুৱনখ্যাতযশসা হৰজটাচন্দ্রেণেব কোটিসাৰেণ মৈনাকেনেবাবিদিতপক্ষপাতেন মন্দাকিনীপ্রবাহেণেব প্রকটিতকনকপদ্মৰাশিনা স্মৃতিশাস্ত্রেণেব সভাৱসথকূপপ্রপাৰামসুৰসদনসেতুযন্ত্রপ্রবর্তকেন মন্দৰেণেবোদ্ধৃতসমগ্রসাগৰৰত্নসাৰেণ সংগৃহীতগাৰুড়েনাপি ভুজংগভীৰুণাখলোপজীবিনাপি প্রণয়িজনোপজীব্যমানবিভৱেন বীৰেণাপি বিনয়বতা প্রিয়ংবদেনাপি সত্যবাদিনাহভিৰূপেণাপি স্বদাৰসংতুষ্টেনাতিথিজনাভ্যাগমার্থিনাপি পৰপ্রার্থনানাভিজ্ঞেন কামার্থপৰেণাপি ধর্মপ্রধানেন মহাসত্ত্বেনাপি পৰলোকভীৰুণা সকলবিজ্ঞানবিশেষবিদাবদান্যেন দক্ষেণ স্মিতপূর্বাভিভাষিণা পৰিহাসপেশলেনোজ্জ্বলেষেণ

শিক্ষিতাশেষদেশভাষেণ বক্রোক্তিনিপুণেনাখ্যায়িকাখ্যানপৰিচয়চতুৰেণ সর্বলিপিজ্ঞেন মহাভাৰতপুৰাণৰামায়ণানুৰাগিণা বৃহৎকথাকুশলেন দ্যুতাদিকলা কলাপপাৰগেণ শ্রুতৰাগিণা সুভাষিতব্যসনিনা প্রশান্তেন সুৰভিমাসমাৰুতেনেব সততদক্ষিণেন হিমগিৰিকাননেনেবান্তঃ সৰলেন লক্ষ্মণেনেব ৰামাৰাধননিপুণেন শত্রুঘ্নেনেৰাৰিস্কৃতভৰতপৰিচয়েন দিৰসেনেৰ মিত্রানুবর্তিনা বৌদ্ধেনেৰ সর্বাস্তিবাদশূৰেণ সাংখ্যাগমেনেব প্রধানপুৰুষোপেতেন জিনধর্মেণেৰ জীৱাণুকম্পিনা বিলাসি জনেনাধিষ্ঠিতা, সশৈলেব প্রাসাদৈঃ, সশাখানগৰেব মহাভৰনৈঃ, সকল্পবৃক্ষেব সৎপুৰুষৈঃ, দর্শিতাবিশ্বৰূপেব চিত্রভিত্তিভিঃ, সন্ধেব পদ্মৰাগানুৰাগিনী, অমৰাধিপমূর্তিৰিব মখশতানলধূমপূতা, পশুপতিলাস্যক্রীড়েব সুধাধৱলাট্টহাসা, বৃদ্ধের জাতৰূপক্ষয়া, গড়ুৰ মূর্তিৰিবাচ্যুতস্থিতিৰমণীয়া, প্রভাতবেলেব প্রবুদ্ধসর্বলোকা শবৰবসতিৰিবাবলম্বিচামৰনাগদন্তধবলগৃহা, শেষতনুৰিব সদাসন্নবসুধাধৰা, জলধিমহানবেলেব মহাঘোষপুৰিত দিগন্তৰা, প্রস্তুতাভিষেকভূমিৰিব সংনিহিত কনকঘট সহস্রা, গৌৰীব মহাসিংহাসনোচিতমূর্ত্তিঃ, অদিতিৰিব দেৱকুলসহস্রসেব্যা, মহাবৰাহলীলেব দর্শিত হিৰণ্যাক্ষপাতা, কদ্রুৰিবানন্দিতভূজংগলোকা, হৰিবংশ কথেবানেকবালক্রীড়াৰমণীয়া, প্রকটাঙ্গনোপভোগাপ্য খণ্ডিতচৰিত্রা, ৰক্তবর্ণাপি সুধাধবলা, অবলম্বিত মুক্তাকলাপাপি বিহাৰভূষণা, বহুপ্রকৃতিৰপি স্থিৰা বিজিতামৰলোকদ্যুতিৰবন্তীষুজ্জয়িনী নাম নগৰী।

য়স্যামুত্তুঙ্গসৌধোৎসঙ্গসংগীতসঙ্গিনীনামঙ্গনানামমধুৰেণ গতিৰ বেণাকৃষ্যমাণাধোমুখতুৰংগ পূৰঃ পর্যস্তৰথপতাকাপটঃ কৃতমহাকালপ্রণাম ইব প্রতিদিৱসমালক্ষ্যতে গচ্ছন্ভগবান্দিবসকৰঃ। য়স্যাং চ সন্ধ্যা ৰাগাৰুণা ইব সিন্দুৰমণিকুট্টিমেষু প্রাৰব্ধকমলিনী পৰিমলা ইব মৰকতবেদিকাসু গগনতলপ্রসৃতা ইব বৈদুর্যমণিভূমিষু তিমিৰপটলবিঘটনোদ্যতা ইব কৃষ্ণাগুৰুধূমমণ্ডলেষ্বভিভূততাৰকাপংক্ত্য ইব মুক্তাপ্রালম্বেষু বিকচকমলচুম্বিন ইব নিতম্বিনীমুখেষু প্রভাতচন্দ্রিকামধ্যপতিতা ইব স্ফটিকভিত্তিপ্রভাসু গগনসিন্ধুতৰংগালম্বিন ইব সিতপতাকাংশুকেষু পল্লৱিতা ইব সূর্যকান্তোপলেষু ৰাহুমুখকুহৰপ্রবিষ্টা ইবেন্দ্রনীলবাতায়নৱিৱৰেষু বিৰাজন্তে ৰবিগভস্তয়ঃ। য়স্যাং চানুপজাততিমিৰত্বাদবিঘটিতচক্রবাকমিথুনা ব্যর্থীকৃতসুৰতপ্রদীপাঃ সংজাতমদনানলদিগ্দাহা ইব কামিনীনাং ভূষণপ্রভাভির্য়ান্তি বালাতপপিঞ্জৰা ইব ৰজন্যঃ। য়াং চ সংনিহিতবিষম লোচনামনবৰতমতিমধুৰো ৰতিপ্রলাপ ইব প্রসর্পন্মুখৰীকৰোতি মকৰকেতুদাহহেতুভূতো ভবনকলহংসকুলকোলাহলঃ। য়স্যাং চ নিশিনিশি পৱনবিলোলৈর্দুকূল-পল্লৱৈৰুল্লসদ্ভির্মালৱীমুখকমলকান্তিলজ্জিতস্যেন্দোঃ কলঙ্কমিবাপনয়ন্তো দূৰপ্রসাৰিতোর্দ্ধধ্বজভুজাঃ প্রাসাদা লক্ষ্যন্তে। য়স্যাং চ সৌধশিখৰশায়িনীনাং পশ্যন্মুখানি পুৰসুন্দৰীণাং মদনপৰবশ ইব পতিতঃ প্রতিমাছলেন লুঠতি বহলচন্দনজলসেকশিশিৰেষু মণিকুট্টিমেষু মৃগলাঞ্ছনঃ। য়স্যাং চ নিশাবসান প্রবুদ্ধস্য তাৰতৰমপি পঠতঃ পঞ্জৰভাজঃ শুকসাৰিকাসমূহ স্যাভিভুতগৃহসাৰসবিৰুতেন বিস্তাৰিণা বিলাসিনীভূষণৰবেণাবিভাব্যমানা ব্যথীভবন্তি প্রভাতমঙ্গলগীতয়ঃ। য়স্যাং চানিবৃত্তির্মণিপ্রদীপানামন্তস্তৰলতা হাৰানামস্থিতিঃ সংগীতমুৰজধ্বনীনাং দ্বন্দ্ববিয়োগশ্চক্রনাম্নাং বর্ণপৰীক্ষা কনকানামস্থিৰত্বং ধ্বজানাং মিত্রদ্বেষঃ কুমুদানাং কোশগুপ্তিৰসীনাম্। কিং বহুনা। য়স্যাং সুৰাসুৰচূড়ামণি মৰীচিচুম্বিতচৰণনখময়ূখো নিশিতশূল দাৰিতান্ধকমহাসুৰো

গৌৰীনূপুৰকোটিঘৃষ্টশেখৰচন্দ্ৰ শকল স্ত্রিপুৰভস্মৰজঃ কৃতাঙ্গৰাগো মকৰধ্বজধ্বং সবিধুৰয়া ৰত্যা প্রসাদয়ন্ত্যা প্রসাৰিতকৰযুগলবিগলিতবলয়নিকৰার্চিতচৰণঃ প্রলয়ানলশিখাকলাপকপিলজটা-ভাৰভ্রান্তসুৰসিন্ধুৰন্ধ্রকাৰাতির্ভগবানুৎসৃষ্টকৈলাসবাসপ্রীতির্মহাকালাভিধানঃ স্বয়ং নিবসতি।

৪.৪ মূল সংস্কৃত পাঠৰ শব্দার্থ

আপুনি ইতিমধ্যে 'উজ্জয়িনীবর্ণনম্'-ৰ মূল সংস্কৃত পাঠটো অধ্যয়ন কৰিলে। এতিয়া এই পাঠৰ মূল সংস্কৃত শব্দসমূহৰ অসমীয়া অর্থসমূহ অধ্যয়ন কৰিব পাৰিব। মূল সংস্কৃত পাঠৰ শব্দার্থ তলত উল্লেখ কৰা হ'ল।

অস্তি (আছে) সকল (সমস্ত) ত্রিভূৱন (ত্রিভুৱনৰ) ললামভূতা (অলংকাৰস্বৰূপ), প্রসৱভূমিৰিব (যেন উৎপত্তি স্থল) কৃতযুগস্য (সত্য যুগৰ), আত্মনিৱাসোচিতা (নিজৰ নিৱাসৰ যোগ্যকৈ), ভগৱতা (ভগৱান) মহাকালাভিধানেন (মহাকাল নামৰ) ভূৱনত্রয় (ত্রিভূৱনৰ) সর্গস্থিতিসংহাৰকাৰিণী (সৃষ্টি-স্থিতি-প্রলয়ৰ কাৰণ) প্রমথনাথেন (শিৱই বা মহাদেৱে) অপবে (আন এখন) পৃথিৱী (পৃথিৱী) সমুৎপাদিতা (সৃষ্টি কৰিছিল), দ্বিতীয়পৃথিৱীশঙ্কয়া (দ্বিতীয় পৃথিৱী বুলি শঙ্কা কৰি) চ (আৰু) জলনিধিনেব (যেন সাগৱে) ৰসাতল গম্ভীৱেণ (পাতাল গভীৰ) জলপৰিখাবলয়েন (পৰিখাৰ আৱৰণেৰে) পৰিবৃতা (আবৃতা), পশুপতিনিৱাসপ্রীত্যা (পশুপতিৰ নিৱাসৰ প্রীতিতে) গগনপৰিসৰোল্লেখি (আকাশলঙঘা) শিখৰমালেন (শৃঙ্গযুক্ত) কৈলাসগিৰিণেব (কৈলাসপর্বতেহে) সুধাসিতেন (শুক্ল চূর্ণৰদ্বাৰা ধৱলীকৃত) প্রাকাৰমণ্ডলেন (উচ্চ প্রাচীৰসমূহে) পৰিগতা (পৰিৱেষ্টিত), প্রকট (জিলিকি আছে) শঙ্খশুক্তি মুক্তাপ্রবালমৰকতমণি (শঙ্খ-শুক্তি-মুক্তা প্রৱাল মৰকত আৰু মনিবোৰ) ৰাশিভিশ্চামীকৰচূর্ণবালুকানিকৰ নিচিতৈৰায়াম (সূৱর্ণ-চূর্ণ আৰু বালুকা ৰাশি থুপ খাই) অগস্ত্যপৰিপীতসলিলৈঃ (অগস্ত্যমুনিয়ে জলপান কৰাৰ পাছত) সাগৱৈৰিব (সাগৰৰ নিচিনা) মহাবিপনিপথৈ (বিশাল মহাবিপনি থকা পথেৰে) ৰূপশোভিতা (শোভিত হৈ আছে), সুৰাসুৰসিদ্ধ-গন্ধর্ববিদ্যাধৰো-ৰগ (দেৱতা অসুৰ সিদ্ধ গন্ধর্ব-বিদ্যাধৰ-নাগৰ) অধ্যাসিতাভিশ্চিত্রশালাভিঃ (চিত্র থকা আলেখ্য-গৃহৰে) অবিৰত (অনৱৰতে চলি থকা) উৎসৱপ্রমদা (উৎসৱৰ প্রমদাসকলক) অৱলোকনকুতূহলাদ (অৱলোকন কৰাৰ কৌতুহলতে) অম্বৰতলাৱতীর্ণাভি (আকাশৰ পৰা নামি অহা) দিব্যবিমান (দিব্যবিমানহে যেন) পংক্তিভিৰিবালংকৃতা (শাৰীৰে অলংকৃত) (এই নগৰী), মথনোদ্ধত (মন্থনৰ সময়ত উত্থিত) দুগ্ধধৱলিত (গাখীৰেৰে শুভ্র বা ধৱলিত) মন্দৰদ্যুতিভিঃ (মন্দৰ পর্বতৰ শোভা), কনকময়ামল (সোণৰ চক্‌চকীয়া) কলশ (কলচি) শিখৰৈ (শিখৰত আছে), অনিল (বতাহে) দোলায়িত (দোলায়িত কৰে) সিতধ্বজৈ (শুভ্র পতাকা) উপৰিপতদভ্রগঙ্গৈৰিব (যেনিবা আকাশী গঙ্গাহে ওপৰত পৰিছে), তুষাৰগিৰিশিখৰৈ (হিমালয়ৰ শিখৰৰ দৰে উন্নত)। অমৰমন্দিৰৈ (দেৱ মন্দিৰবোৰে) বিৰাজিত (বিৰাজ কৰিছে) শৃঙ্গাটকা (নগৰৰ চতুষ্পথবোৰ), সুধাবেদিকোপশোভিত (বগা ৰঙৰ বেদীৰ শোভিত) উদপানৈ (কুঁৱা বা কূপবোৰ) অনবৰত চলিত (অনবৰতে চলি থকা) জলঘটীয়ন্ত্র (জলকলস মন্ত্রেৰে) সিচ্যমান (জলসিঞ্চন কৰা) হৰিতোপবনান্ধকাৰৈঃ (সেউজীয়া উপবনে এইবোৰ

অন্ধকাৰ কৰি ৰাখিছে), কেতকী ধূলিধূসৰৈ (কেতকীৰ ৰেণুৰে ধূসৰিত) উপশল্যকৈ ৰূপশোভিতা (গৃহসমূহৰ সমীপত থকা উপবনবোৰ), মদমুখৰমধুকৰ (মধুপান-মত্ততাৰে মুখৰিত ভোমোৰাবোৰে) পটলান্ধকাৰিতনিস্কুটা (উপবনবোৰ অন্ধকাৰ কৰি ৰাখে), স্ফুৰদুপবনলতাকুসুম (উপবনত লৰি থকা লতা-কুসুমৰাজিৰ) পৰিমল (সুগন্ধৰে) সুৰভি (সুৰভিত কৰি তোলে) সমীৰণা (বতাহ), ৰণিত (ধ্বনিত) সৌভাগ্যঘণ্টৈ (সৌভাগ্যঘণ্টা) লোহিতাংশুকপতাকৈ (পতাকাৰ বস্ত্ৰ ৰঙা বৰণৰ) আৰব্ধ (বন্ধা আছে) ৰক্তচামৰৈ (ৰক্তবৰ্ণৰ চোঁৱৰ) বিদ্রুমময়ৈঃ (প্ৰৱালমণি আৰি দিয়া আছে), প্রতিভৱনম (প্রতিটো ঘৰতে) উচ্ছ্রিতৈর্মকৰাঙ্কৈ (মকৰ-চিহ্ন সম্বলিত) মদনয়ষ্টিকেতুভিঃ (মদন-বৃক্ষ নির্মিত উচ্চ পতাকা আছে), প্রকাশিত মকৰধ্বজপূজা (এইবোৰে মদনদেৱতাৰ পূজাৰ সূচনা কৰে), সতত (অনৱৰতে) প্রবৃত্তাধ্যয়নধ্বনি (উত্থিত বেদাদি পাঠৰ ধ্বনিয়ে) ধৌতকল্মষা (পাপ দূৰ কৰে) স্তিমিত (নিশ্চল হৈ উঠে) মুৰজৰব (মুৰজধনি) গম্ভীৰগর্জিতেষু (গম্ভীৰ গর্জন যেন হয়) সলিলসীকৰা-সাৰস্তবক (ধাৰাসাৰে পৰা জলকণিকাবোৰে) ৰচিত (সৃষ্টি কৰে) দুর্দিনেষু (মেঘাচ্ছন্ন দিনৰ), পর্যস্তৰবিকিৰণৰচিতসুৰচাপচারুষু ধাৰাগৃহেষু (উপৰি-পতিত সূর্যৰ কিৰণে ইন্দ্রধনুৰ সৃষ্টি কৰি সুন্দৰ কৰে) মত্ত ময়ূৰৈর্মণ্ডলীকৃত (মত্ত ময়ুৰবৃন্দই ঘূৰি ঘূৰি) শিখণ্ডৈস্তাণ্ডবব্যসনিভিৰাবধ্যমান (চালি ধৰি নৃত্য জুৰি) কেকাকোলাহলা (কেকাধ্বনিৰে কোলাহল জুৰে)। বিককুবলয়কান্তৈ (প্রস্ফুটিত নীলোৎপলৰাজিৰে এইবোৰ ৰমনীয়), উৎফুল্লকমলধ্বলোদৰৈ (মাজে মাজে বিকশিত কুমুদসমূহ) অনিমিষদর্শনৰমণীয়ৈৰাখণ্ডললোচনৈৰিব (অনিমিষ অর্থাৎ বহু বিধ মৎস্যৰ দৃশ্যৰে এইবোৰ ৰমনীয় হৈ উঠে) সহস্রসংখ্যৈৰুদ্ভাসিতা (সৰোভিঃ (দেৱৰাজৰ সহস্র নয়নৰ দৰে এই সৰোবৰবোৰ) অবিৰলকদলীবনকলিতাভি (ঘন ঘন কদলীবনে আবৃত্ত কৰি আছে), অমৃতফেনৰ-পুঞ্জপাণ্ডুৰাশি (অমৃতৰ ফেনপুঞ্জৰ দৰে শুভ্র এইবোৰ), দিশি দিশি দন্তবলভিকাভির্ধবলীকৃতা (কেউপিনে হাতীৰ দাঁতেৰে নির্মাণ কৰা চন্দ্রশালাবোৰ আছে) যৌৱনমদমত্তমালবীকুচকলশলুলিত সলিলয়া (যৌৱন- মতলীয়া মালৰীসুন্দৰীসকলৰ স্তনকুম্ভই এই নদীৰ পানী আলোড়িত কৰে) ভগবতো মহাকালস্য শিৰসি (ভগৱান মহাকালৰ শিৰৰ ওপৰত) সুৰসৰিতমালোক্য (আকাশী-গংগা দেখিবলৈ পাই) সমুপজাতের্ষ্যয়েব (ঈর্ষা উপজিহে যেন) সততসমাবদ্ধতৰংগভ্রূকুটিলেখয়া (অনবৰত তৰঙ্গৰূপ ভ্রূকুটি বান্ধি) খমিব ক্ষালয়ন্ত্যা (আকাশখন ধুৱাই আছে) সিপ্রয়া পৰিক্ষিপ্তা (শিপ্রানদীয়ে এই নগৰীক আবৃত কৰি আছে), সকলভুবনখ্যাতযশসা (সমস্ত পৃথিৱীয়ে এওঁলোকৰ যশস্যাৰ কথা জানে), হৰজটাচন্দ্রেণেৰ (হৰজটালগ্ন চন্দ্র) কোটিসাৰেণ (অগ্রভাগযুক্ত), মৈনাকেনেবাবিদিত (মৈনাক পর্বতে অনুভৱ নকৰা) পক্ষপাতেন (ডেউকাৰ পতন), মন্দাকিনী প্রবাহেণের (আকাশী গঙ্গাৰ প্রৱাহৰ দৰে) প্রকটিতকনকপদ্মৰাশিনা (পদ্মসংখ্যাৰ কনকৰাশি প্রকাশ পাইছে) স্মৃতিশাস্ত্রেণেব (স্মৃতিশাস্ত্র দৰে) সভাবসথকূপ- (সভা, বিদ্যালয়, কূপ বা কুৱাঁ), প্রপা (মদ্যপানগৃহ) আৰাম (উদ্যান) সুৰসদন (দেৱ-মন্দিৰ) সেতুযন্ত্র (সেতুযন্ত্র) প্রবর্তকেন (আদিৰ বিধান আছে, এওঁলোকে এইবোৰৰ প্রৱর্তন কৰিছে), মন্দৰেণেবোদ্ধৃত-সমগ্রসাগৰৰত্নসাৰেণ সংগৃহীত (মন্দৰ পর্বতে সমস্ত ৰত্নৰ সাৰ উদ্ধাৰ কৰিছিল, এওঁলোকেও এইবোৰ সংগ্রহ কৰিছে) সংগৃহীতগাৰুড়েনাপি (এওঁলোকে গাৰুড়ো অর্থাৎ মৰকত মণিও সংগ্রহ কৰে) ভূজঙ্গভীৰুণা

কেকা — ম'ৰা চৰাইৰ মাত



গাৰুড় — মৰকত মণি, সেউজীয়া বৰণৰ এবিধ মূল্যৱান পাথৰ।



খল — নতুন ধান থোৱা ঠাই বা পথাৰত মৰণা মাৰোঁতে ব্যৱহাৰ কৰা ঠাই।



সুৰভিমাস - বসন্তকাল



কল্পবৃক্ষ - বাঞ্ছিত ফল দান কৰিব পৰা বৃক্ষ।



মখ - যজ্ঞ
অনল - জুই
পশুপতি - শিৱ
লাস্যক্রীড়া - তাণ্ডৱনৃত্য

(যদিও ভুজঙ্গভীৰু অর্থাৎ গণিকাসক্তজনৰ সম্পর্কৰ প্রতি সন্ত্রস্ত) (এওঁলোকে খলক আশ্রয়কৰি জীৱিকা অর্জন কৰে) প্রণয়িজনোপজীৱ্যমান- বিভৱেন (যদিও এওঁলোকৰ সম্পদ ৰাশি সাধুসকলে উপভোগ কৰে) বীৰেণাপি বিনয়বতা (এওঁলোক বীৰ হৈয়ো বিনয়ী) প্রিয়ংবদেনাপি সত্যবাদিন (প্রিয়বাদী হৈও সত্যবাদী) অভিৰূপেণাপি স্বদাৰসংতুষ্ট (অভিৰূপ অর্থাৎ বিদ্বান হৈও স্বপত্নীৰ ওপৰত সন্তুষ্ট) অতিথিজনাভ্যাগমার্থিনাপি (অভ্যাগতসকলৰ আগমন প্রার্থনা কৰে যদিও) পৰ-প্রার্থনাভিজ্ঞেন (আনৰ ওৰত ধন প্রার্থনা কৰা বা খোজাত অনভিজ্ঞ) কামার্থপৰেণাপি ধর্মপ্রধানেন (কামার্থপৰ হৈও এওঁলোক ধর্মপ্রধান) মহাসত্বেনাপি পৰলোকভীৰুণা (মহাশক্তিশালী হৈও এওঁলোকে পৰলোকভীৰু) সকলবিজ্ঞানবিশেষবিদা (সকলো শিল্প আৰু শাস্ত্ৰৰ জ্ঞান থকা) বদান্যেন (বদান্য অর্থাৎ প্রিয়বাদী), দক্ষেণ (দক্ষ) স্মিতপূর্বাভিভাষিণা (স্মিতভাষী) পৰিহাসপেশলেন (পৰিহাসপ্রিয়) উজ্জ্বলবেষেণ (পৰিস্কাৰ বসন বা বস্ত্র পিন্ধে) শিক্ষিতাশেষদেশভাষেণ (নানা দেশৰ ভাষা চর্চা কৰে) বক্রোক্তিনিপুণেন (বক্রোক্তিত নিপুণ) আখ্যায়িকাখ্যানপৰিচয়তুৰেণ (আখ্যায়িকা আৰু আখ্যানৰ বিশেষ জ্ঞানত এওঁলোক কুশল) সর্বলিপিজ্ঞেন (সকলো লিপি চিনি পায়) মহাভাৰতপুৰাণৰামায়ণানুৰাগিণা (মহাভাৰত, ৰামায়ণ আৰু পুৰাণৰ প্রতি অনুৰাগ আছে) বৃহৎকথাকুশলেন (বৃহৎকথাত কুশল) দ্যুতাদিকলাকলাপপাৰগেণ (পাশাখেল আদি কলা-বিদ্যাত পাৰদর্শী) শ্রুতৰাগিণা (শাস্ত্রজ্ঞানত অনুৰাগ আছে) সুভাষিতব্যসনিনা (মধুৰ বচনত আসক্ত) প্রশান্তেন (প্রশান্ত বা ক্রোধ নাই) সুৰভিমাসমাৰুতেনেব (বসন্তকালৰ পৱনৰ দৰে) সতত (সততে) দক্ষিণেন (দক্ষিণ বা উদাৰ) হিমগিৰিকাননেব (হিমালয়ৰ) অৰণ্যৰ দৰে) অন্তঃসৰলেন (অন্তৰ সৰল) লক্ষ্মণেনেব (লক্ষ্মণৰ দৰে) ৰামাৰাধননিপুণেন (ৰামৰ আৰাধনাত নিপুণ) শত্রুঘ্নেনেবাবিস্কৃতভৰত পৰিচয়েন (শত্রুঘ্নই ভৰতৰ প্রতি স্নেহ দেখুৱাৰ দৰে) দিৱসেনেবে (দিৱস বা দিনৰ দৰে) মিত্রানুবর্তিনা (মিত্র বা সূর্যক অনুগমন কৰে) বৌদ্ধেনেব (বৌদ্ধসকলৰ দৰে) সর্বাস্তিবাদশূৱেণ (সর্বাস্তিবাদীৰ দৰে সকলো বস্তুৰে অস্তিত্ব স্বীকাৰ কৰাত নিপুণ) সাংখ্যাগমেনেব (সাংখ্য দর্শনৰ দৰে) প্রধানপুৰুষোপেতেন (ধনৱান আৰু গুণৱান উত্তমলোকৰ আশ্রয়), জিনধর্মেণেৰ (জৈন ধর্মৰ দৰে) জীৱানুকম্পিনা (সকলো জীৱৰ প্রতি সদয়), বিলাসিজনেনাধিষ্ঠিতা (বিলাসীসকলে বাস কৰে) সশৈলেব প্রাসাদৈঃ (প্রাসাদ আকৃতিৰ গহসমূহেৰে (এই নগৰী) পর্বতময়ী) সশাখানগৱেব মহাভৱনৈঃ (বিশাল ভৱনসমূহেৰে (এই নগৰী) শাখা - নগৰ যেন), সকল্পবৃক্ষেব সৎপুৰুষৈ) (সৎপুৰুষেৰে এই নগৰী কল্পবৃক্ষযুক্তা) দর্শিতবিশ্বৰূপেব চিত্রভিত্তিভিঃ (নানা চিত্রৰে পৰিচিত্র ঘৰবোৰৰ বেৰবোৰে যেন বিশ্বৰূপ দেখুৱাইছে) সন্ধেব (সন্ধ্যাসময়ৰ দৰে) পদ্মৰাগানুৰাগিনী (পদ্মৰাগৰ ৰক্তিমা প্রকাশ পাইছে) অমৰাধিপমূর্তিৰিব (অমৰাধিপৰ মূর্তিৰ দৰে) মখশতানলধূমপূতা (শতযজ্ঞৰ অগ্নিৰ ধোৱাঁৰ দ্বাৰা পৰিত্র), পশুপতিলাস্যক্রীড়েব (শিৱৰ তাণ্ডৱ নৃত্যৰ দৰে) সুধা ধবলাট্টহাসা (অমৃতৰ দৰে শুক্ল অট্টহাস্য) বৃদ্ধেব জাতৰূপক্ষয়া (বৃদ্ধসকলৰ দৰে ৰূপ ক্ষয় হয়) গৰুড়মূর্তিৰিবাচ্যুতস্থিতিৰমনীয়া (গৰুড়ৰ মূর্তিৰ দৰে এই নগৰীও অচ্যুত অর্থাৎ দৃঢ় অৱস্থানৰ দ্বাৰা ৰমনীয়) প্রভাতবেলেব (প্রভাত বা পুৱাৰ সময়ৰ দৰে) প্রবুদ্ধসর্বলোকা (সকলো লোক প্রবুদ্ধ অর্থাৎ জ্ঞানী) শৱৰৱসংতিৰিৰাৱলম্বি (শৱৰসকলৰ বাসভূমিৰ গৃহসমূহ

আঁৰি থোৱা) চামৰনাগদন্তধৱলগৃহা (চোঁৰৰ আৰু হাতীৰ দাঁতেৰে ধৱল হৈ থাকে) শেষতনুৰিব (অনন্ত নাগৰ দৰে) সদাসন্নৱসুধাধৱা (ওচৰত বসুধাধৰ অর্থাৎ পর্বত আছে), জলধিমথনবেলেব (সমুদ্রমন্থনৰ সময়ত) মহাঘোষপূৰিতদিগন্তৰা (মহাঘোষ বা বিপুল ধ্বনিয়ে দশোদিশ ছানি পেলাইছিল) প্রস্তুতাভিষেকভূমিৰিব (সজ্জিত অভিষেক ভূমিৰ দৰে) সংনিহিতকনকবটসহস্রা (সহস্র সোণৰ কলম সজায় থোৱা আছে), গৌৰীব (গৌৰী অর্থাৎ দুর্গাদেৱীৰ দৰে) মহাসিংহাসনোচিতমূর্তিঃ (মহাসিংহাসন ৰূপ আসনত উপৰিষ্ট কৰিবলৈ যোগ্য) অদিতিৰিব (অদিতিৰ দৰে) দেৱকুলসহস্রসেব্যা (দেৱকুলবোৰ সহস্র সেৱাৰ যোগ্য) মহাবৰাহ লীলেব (মহাবৰাহ লীলাৰ দৰে) দর্শিতহিৰণ্যাক্ষপাতা (হিৰণ্যাক্ষৰ নিপাত দেখুৱাইছিল) কদ্রুৰিব (কদ্রুৰ দৰে) আনন্দিতভূজংগলোকা (সর্পকুলক আনন্দ দিছিল)। হৰিবংশকথেব (হৰিবংশ অর্থাৎ কৃষ্ণৰ বাল-ক্রীড়াৰ কাহিনীৰে) অনেক বাল ক্রীড়াৰমণীয়া (অনেক বালকৰ ক্রীড়াৰে ৰমণীয়) প্রকটাঙ্গনোপভোগাপ্য (নাৰীসকলৰ উপভোগ প্রকটিত হ'লেও অর্থাৎ নাৰীসকলে নানা সুগন্ধি-দ্রব্যাদি উপভোগ কৰিলেও) অখণ্ডিতচৰিত্রা (তেওঁলোকৰ চৰিত্র অখণ্ডিত),ৰক্তবর্ণাপি (ৰঙাবৰণৰ হ'লেও) সুধাধবলা (শ্বেতবর্ণ চূর্ণৰদ্বাৰা ধৱলিত), অবলম্বিতমুক্তাকলাপাপি (মুক্তাকলাপ ধাৰণ কৰিও ই) বিহাৰভূষণা (বিহাৰভূষণা অর্থাৎ জৈনবিহাৰসমূহৰ দ্বাৰা শোভিতা), বহু প্রকৃতিৰপি (বহুনাগৰিকযুক্তা হৈয়ো) স্থিৰা (ই স্থিৰ), বিজিতামৰলোকদ্যুতি (অমৰাৱতীৰ সৌন্দর্যকো চেৰ পেলাইছে) অৱন্তীষুজ্জয়িনী নাম নগৰী (অৱন্তী ৰাজ্যত উজ্জয়িনী নামেৰে নগৰী)।

য়ম্যামুত্তুঙ্গসৌধেৎসঙ্গ (ইয়াৰ উচ্চ সৌধৰ কোলাত আশ্রয় লোৱা) সংগীতসঙ্গিনীনামঙ্গনানাম্ (সুন্দৰী ৰমনীসকলৰ) অতিমধুৰেণ (অতি মধুৰ) গীতৰবেণ (গীতৰ ধ্বনিত) আকৃষ্যমাণা (আকৃষ্ট হোৱা) অধোমুখতুৰংগঃ (তলমুৱা ঘোঁৰাকেইটা) পুৰঃ পর্যন্তৰথপতাকাপটঃ (ৰথৰ পতাকাৰ বস্ত্র আগলৈ অৱনমিত কৰি) কৃতমহাকালপ্রণাম ইব (যেন ভগৱান মহাকালক প্রণাম জনাইছে) প্রতিদিৱস-মা লক্ষ্যতে (প্রতিদিনে দেখা যায়) গচ্ছন ভগৱান্দিবসকৰঃ (যায় ভগবান সূর্য্য)। য়স্যাং চ (আৰু ইয়াত) সংন্ধ্যাৰাগাৰুণা ইব। (সন্ধ্যাৰ অৰুণ ৰাগৰ দৰে) সিন্দূৰ মণিকুট্টিমেষু প্রাৰব্ধকমলিনী-পৰিমলনা ইব মৰকত বেদিকাসু (মৰকত মনিৰ বেদীত এইবোৰ পৰি নীলকমলে আগুৰি থকাৰ নিচিনাকৈ ঘূৰণীয়া হৈ জিলিকি উঠে) গগনতলপ্রসৃতা ইব বৈদূর্যমণিভূমিষু (বৈদূর্যমনিৰ ভূমিৰ ওপৰত আকাশত বিস্তৃত হোৱাৰ দৰে শোভা পায়। তিমিৰ পটলবিঘট নোদ্যতা ইব (অন্ধকাৰ আৱৰণ দূৰ কৰিবলৈ উদ্যত হোৱাৰ দৰে) কৃষ্ণা গুৰুধূমমণ্ডলেষু (কৃষ্ণ আৰু চন্দনৰ ধূমমণ্ডলত জিলিকি উঠা কিৰণবোৰ) অভিভূততাৰকাপংক্ত্য ইব (যেন তাৰকামণ্ডলীকহে অভিভূত কৰি তোলে) মুক্তাপ্রলম্বেষু (ওলমাই থোৱা মুক্তাৰাজিৰ ওপৰত জিলিকি উঠা) বিকচকমলচুম্বিন ইব (যেন বিকশিত কমলৰাজিকহে চুম্বন কৰে) নিতম্বিনীমুখেষু (সুন্দৰীসকলৰ মুখবোৰত) প্রভাত চন্দ্রিকামধ্যপতিা ইব (প্রভাতী জ্যোৎস্নাৰ ওপৰত শোভা পোৱা যেন) স্ফটিকভিত্তি প্রভাসু (স্ফটিকমণিৰ ঘৰৰ বেৰবোৰৰ পৰা) গগনসিন্ধুতৰংগালম্বিন ইব (যেন আকাশীগংগাৰ উর্মিমালাতহে আশ্রয় লয়) সিতপতাকাংশুকেষু (শুভ্র পতাকা পটত জিলিকি উঠা) পল্লবিতা ইব (পল্লৱিত বা অংকুৰিত হৈ উঠে যেন)

কদ্রু - দক্ষৰ কন্যা, কশ্যপ মুনিৰ ভার্যা আৰু সর্প জাতিৰ মাতৃ।



বিষমলোচনঃ — শিৱ

সূর্যকান্তোপলেষু (সূর্যকান্ত মণিৰ ওপৰত জিলিকি থকা) ৰাহুমুখকুহৰ-প্রৰিষ্টা ইব (ৰাহুৰ মুখত প্রবেশ কৰাৰ দৰে) ইন্দ্রনীলবাতায়নবিবৰেষু (ইন্দ্রনীল মণিৰ খিড়িকীবোৰৰ জলঙাবোৰত) বিৰাজন্তে ৰবিগভস্তয়ঃ (এই নগৰীত ৰবিৰ কিৰণসমূহ)। যস্যাং চানুপজাততিমিৰত্বাদ (তাত নিশাবোৰত অন্ধকাৰ নোহোৱাৰ বাবে) বিঘটিতচক্রবাকমিথুনা (চক্রৱাকমিথুনৰ বিৰহ নঘটে) ব্যর্থীকৃতসুৰতপ্রদীপাঃ (ৰতি-ক্রিয়াৰ প্রদীপবোৰ নিষ্প্রয়োজনীয় হয়), সংজাতমদনানলদিগ্‌দাহা (মদন অনল উপজি যেন কেউদিশ দহন কৰে) ইব (যেন) কামিনীনাং (কামিনীসকলৰ) ভূষণপ্রভাভির্য়ান্তি (ভূষণ প্রভাৰে পীতবর্ণ) বালাতপপিঞ্জৰা ইব (বালসূর্য্যৰ কিৰণত হোৱাৰ দৰে) ৰজন্যঃ (নিশাবোৰ)। যাং চ (আৰু ইয়াত) সংনিহিতবিষমলোচনাম (শিৰ বা ত্রিলোচন ওচৰতে থকা) অনবৰতমতিমধুৰো ৰতিপ্রলাপ ইব (অনবৰতে ৰতিদেৱীয়ে কৰা অতি মধুৰ বিলাপৰ দৰে) প্রসর্পন্মুখৰীকৰোতি (এই নগৰীক মুখৰিত কৰি তোলে) মকৰকেতুদাহহেতুভূতো (মকৰধ্বজ দহনৰ কাৰণে) ভবনকলহংসকুলকোলাহলঃ (ভৱনসমূহত কলহংসসমূহৰ অনৰৰত কোলাহল উঠে)। যস্যাং চ (আৰু ইয়াৰ) নিশিনিশি (ৰাতি-ৰাতি) পৱনবিলোলৈর্দুকূলপল্লবৈৰুল্লাস (পতাকাৰ পাট-কাপোৰবোৰ বতাহে কঁপায়) মানৱীমুখকমলকান্তিলজ্জিতস্য (মালৱীসুন্দৰীসকলৰ মুখকমলৰ কান্তি দেখি লজ্জিত হৈ পৰা) ইন্দোঃ কলঙ্কমিবাপনয়ন্তো (চন্দ্রৰ কলঙ্ক দূৰ কৰিবৰ মনেৰে) দূৰপ্রসাৰিতোর্ধ্বজভুজাঃ প্রাসাদা লক্ষ্যন্তে (প্রাসাদসমূহে ধ্বজৰূপ ভূজসমূহ দূৰলৈ প্রসাৰিত কৰা যেন দেখা যায়)। যস্যাং চ সৌধশিখৰশায়িনীনাং (ইয়াতে সৌধ-শিখৰত শয়ন কৰি থকা) পশ্যন্মুখানি পুৰসুন্দৰীণাং (পুৰসুন্দৰীসকলৰ মুখবোৰ দেখি) মদনপৰবশ ইব (মদন পৰৱশ হৈহে যেন) পতিতং প্রতিমাছলেন লুঠতি (প্রতিবিম্বৰ ছলেৰে বাগৰি পৰা) বহলচন্দনজলসেকশিশিৰেষু (বিস্তৰ চন্দন দ্রৱৰ ছিটিকনিৰে শীতল হৈ থকা) মণিকুট্টিমেষু মৃগলাঞ্চনঃ (মণিময় গৃহভূমিত বাগৰি পৰে)। যস্যাং চ (আৰু ইয়াতে) নিশাৱসানপ্রবুদ্ধস্য (নিশাৰ অন্তত) তাৰতৰমপি পঠতঃ (উচ্চস্বৰেৰে শব্দ কৰে) পঞ্জৰভাজঃ (পিঁজৰাত আৱদ্ধ হৈ থকা) শুকসাৰিকাসমূহস্য (ভাটৌ-মইনা আদি চৰাইৰ) অভিভূতগৃহসাৰপাবিৰুতেন (সাৰসৰ কলৰৱে অভিভূত কৰি তোলে) বিস্তাৰিণা (বিস্তৰ শব্দই) বিলাসিনীভূষণৰবেণ (বিলাসিনীসকলৰ ভূষণৰাজিৰ শব্দই) অবিভাব্যমানা ব্যর্থীভৱন্তি (যেন ব্যর্থ হৈ পৰে) প্রভাতমঙ্গলগীতয়ঃ (প্রভাতৰ মঙ্গলগীতবোৰ), যস্যাং (ইয়াত) চানিবৃত্তির্মণিপ্রদীপানামন্তঃ (মণিপ্রদীপসমূহ নির্বাপিত নহয়) তৰলতা হাৰাণাম (তৰলতা আছে মুক্তামালাসমূহত) অস্থিতিঃ সংগীতমুৰজধ্বনীনাং (সংগীতকালত মূৰজধ্বনিসমূহেহে থিতাপি হেৰুৱাই) দ্বন্দ্ববিয়োগশচক্রনাম্নাং (দম্পতীৰ বিৰহ ঘটে চক্রবাকমিথুনৰ) বর্ণপৰীক্ষা কনকানাম (বর্ণপৰীক্ষা হয় স্বর্ণৰাজিত) অস্থিৰত্বং ধ্বজানাং (অস্থিৰতা আছে ধ্বজসমূহৰ) মিত্রদ্বেষঃ কুমুদানং (কুমুদসমূহে মিত্র-দ্বেষ কৰে) কোশগুপ্তিৰসীনাম্ (কোষত গোপন কৰি ৰখা হয় তৰোৱালবোৰকহে)। কিং বহুনা (এনেকি) যস্যাং (ইয়াত) সুৰাসুৰ (সুৰাসুৰৰ) চূড়ামণিমৰীচিচুম্বিতচৰণনখময়ূখো (শিৰোৰত্নৰ কান্তিয়ে চৰণৰ নখৰ কিৰণক চুম্বিত কৰা) নিশিতশূলদাৰিতান্ধকমহাসুৰো (তীক্ষ্ণ ত্রিশূলেৰে মহাসুৰ অন্ধকক বিদাৰণ কৰোঁতা) গৌৰীনূপুৰকোটিঘৃষ্টশেখৰচন্দ্রশকল (গৌৰীৰ নূপুৰৰ অগ্রভাগে কপালৰ চন্দ্রকলাক ঘর্ষন কৰা)

ত্রিপুৰভস্মৰজঃ কৃতাঙ্গৰাগো ত্রিপুৰভস্মৰজৰদ্ধাৰা অংগ ৰঞ্জিত হৈ পৰা) মকৰধ্বজংসবিধুৰয়া ৰত্যা (কামদেৱৰ বিনাশত বিধুৰা বা কাতৰ হোৱা) প্রসাদয়ন্ত্যা (প্রসন্ন কৰিবলৈ) প্রসাৰিত (প্রসাৰিত কৰা) কৰযুগলবিগলিত (কৰযুগলৰ পৰা খহি পৰা) বলয় (বলয়বোৰে বা খাৰুবোৰে) নিকৰার্চিতচৰণ) (চৰণ বন্দনা কৰা) প্রলয়ানলশিখা (প্রলয়কালৰ অগ্নিৰ শিখাৰ নিচিনা) কলাপকপিলজটাভাৰভ্রান্ত (কপিল বৰণৰ জটাভাৰৰ চাৰিওফালে) সুৰসিন্ধু (আকাশী গংগাই) অন্ধকাৰাতি (অন্ধকৰিপুৰে) ভৰ্গবানুৎসৃষ্ট (সুখ ত্যাগ কৰি) কৈলাসবাসপ্রীতি (কৈলাসত বসতিৰ সুখ) মৰ্হাকালাভিধানঃ (মহাকাল নামেৰে খ্যাত) স্বয়ং (স্বয়ং) নিবসতি (বাস কৰিছে (এই উজ্জয়িনী নগৰত)।



জানি থোৱা ভাল

১) **অৱন্তী ৰাজ্য** — পুৰণি কালৰ মালৱ দেশ। বিখ্যাত উজ্জয়িনী নগৰ এই অৱন্তী ৰাজ্যৰ ৰাজধানী আছিল। এই নগৰ শিপ্রা নদীৰ তীৰত অৱস্থিত আছিল।

২) **উজ্জয়িনী** — উজ্জয়িনী নগৰ। ই পুৰণি ভাৰতবর্ষৰ মালৱ দেশৰ ৰাজধানী আছিল।

৩) **অগস্ত্য মুনি** — অগস্ত্যৰ আন এটা নাম অগস্তি। মহাভাৰতৰ আদিপর্ব, বনপর্ব আৰু ৰামায়ণৰ বালকাণ্ডত অগস্ত্য মুনিৰ কাহিনী পোৱা যায়। তেওঁ এজন অতি তেজস্বী ঋষি আছিল। এবাৰ কালকেয় নামৰ অসুৰ এটাই সাগৰত আত্মগোপন কৰি উপদ্রৱ কৰিছিল। সেই উপদ্রৱৰ পৰা ৰক্ষা পাবলৈ দেৱতাসকলে বিষ্ণুৰ আৰাধনা কৰে। ভগৱান বিষ্ণুৱে অগস্ত্যক তাৰ প্রতিকাৰ কৰিবলৈ কয়। বিষ্ণুৰ অনুৰোধত তেওঁ সমুদ্রৰ জল পি খাই কালকেয়ক বধ কৰে।

৪) **কৈলাস পর্বত** — এখন বিখ্যাত পর্বত। ই কুবেৰ আৰু ভগৱান শিৱৰ বসতিস্থল বুলি কোৱা হয়। চিৰশুভ্র এই পর্বতখনক 'ৰজতগিৰি'ও বোলে। কুবেৰৰ বসতিস্থল বাবে ইয়াৰ আন নাম 'ৰাজৰাজগিৰি।'

৫) **ইন্দ্রনীল মণি** — এবিধ নীলাবৰণৰ ৰত্ন। 'চিন্তামণিঃ' নামৰ গ্রন্থ অনুসৰি এই মণি এঁৰা গাখীৰত ডুবাই দিলে যদি গাখীৰখিনি নীলাবৰণৰ হৈ যায় তেনেহ'লে ই বিশুদ্ধ ইন্দ্রনীল মণি।

৬) **হিৰণ্যাক্ষ** — হিৰণ্যাক্ষ আদি দৈত্য। এওঁ কশ্যপ মুনি আৰু দিতিৰ পুত্র। ৰৰাহৰূপী ভগৱান বিষ্ণুৱে এওঁক বধ কৰিছিল। এওঁৰ যমজ ভাতৃ আছিল হিৰণ্যকশিপু।

৭) **আস্তীক মুনি** — এওঁ জৰৎকাৰু মুনিৰ একে নামৰ পত্নীৰ গর্ভত জন্ম গ্রহণ কৰা এজন মুনি। এবাৰ হস্তিনাপুৰৰ ৰজা পৰীক্ষিতক শমীক নামৰ মুনিৰ পুত্র শৃঙ্গীৰ শাপ অনুসৰি তক্ষক নাগে দংশন কৰি বধ কৰিছিল। পৰীক্ষিত ৰজাৰ পুত্র জন্মেজয়ে সর্পসত্রৰ অনুষ্ঠান কৰি সাপবোৰৰ নিধন ঘটাইছিল। আস্তীক মুনিয়ে নিজৰ প্রভাৱৰ বলত তক্ষকক নিধন নঘটোৱাকৈ ৰাখিছিল। মহাভাৰতৰ বনপর্বৰ অন্তর্গত অনুপর্ব আস্তীকপর্বত আস্তীক মুনিৰ বহু কাহিনী পোৱা যায়।

৪.৫ মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

আপুনি ইতিমধ্যে 'উজ্জয়িনী বর্ণনম্'ৰ মূল সংস্কৃত পাঠ অধ্যয়ন কৰিলে। লগতে প্ৰতিটো সংস্কৃত শব্দৰ অসমীয়া অর্থও জানিলে। এতিয়া আপুনি মূল সংস্কৃত পাঠৰ অসমীয়া ভাঙনি অধ্যয়ন কৰিবলৈ পাব—

অৱন্তী ৰাজ্যত উজ্জয়িনী নামেৰে এখন নগৰ আছে। সমগ্ৰ ত্ৰিভুৱনৰ অলংকাৰ স্বৰূপা এই নগৰী। ই যেন সত্যযুগৰ উৎপত্তি স্থল। ত্ৰিভুৱনৰ সৃষ্টি স্থিতিপালনৰ কাৰণ মহাকাল নামৰ ভগৱান ভূতনাথে নিজৰ নিৱাসৰ উপযোগীকৈ সৃষ্টি কৰা এই নগৰী যেন দ্বিতীয় পৃথিৱীহে। ই পাতাল-গভীৰ পৰিখাৰ (গড়খাৰৈ) আৱেৰণেৰে আবৃতা, যেন দ্বিতীয় পৃথিৱী বুলি শংকা কৰি (পাতাল-গভীৰ) সাগৰেহে ইয়াক আবৃত কৰিছে। বগা বা শুক্ল চূৰ্ণৰ দ্বাৰা শুভ্ৰ আকাশলঙঘী শিখৰবোৰৰ দৰে ওখ ওখ প্ৰাচীৰসমূহে ইয়াক পৰিৱেষ্টিত কৰি ৰাখিছে, যেন পশুপতিৰ নিৱাসৰ প্ৰীতিতে অমৃতৰ দৰে ধৱল বা শুভ্ৰ আকাশলঙঘী শৃঙ্গযুক্ত কৈলাস পৰ্বতেহে ইয়াক আবৃত কৰিছে। বিশাল মহাবিপনিযুক্ত পথবোৰেৰে ই শোভিত হৈ আছে। সেইবোৰত শঙ্খ-শুক্তি, মুক্তা, প্ৰৱাল, মৰকত আৰু মণিসমূহ জিলিকি আছে, সেইবোৰ যেন অগস্ত্য মুনিয়ে জল পান কৰাৰ পিছত শঙ্খ, শুক্তি, মুক্তা, প্ৰৱাল, মৰকত আৰু মণিবোৰ প্ৰকট হৈ থকা, সোণৰ চূৰ্ণ আৰু বালুকাৰাশি (বালিবোৰ) থুপ খাই থকা সাগৰহে। এই নগৰী দেৱতা, অসুৰ, সিদ্ধ, গন্ধৰ্ব, বিদ্যাধৰ, নাগৰ চিত্ৰ থকা অলেখ গৃহৰে অলংকৃত। অনৱৰতে চলি থকা উৎসৱৰ সুন্দৰী নাৰীসকলক চোৱাৰ কৌতূহলতে আকাশৰ পৰা অৱতীৰ্ণ হোৱা দেৱতা, অসুৰ, সিদ্ধ, গন্ধৰ্ব, বিদ্যাধৰ আৰু নাগে অৱস্থান কৰা সেইবোৰ দিব্য বা স্বৰ্গীয় বিমানহে। এই নগৰীৰ চাৰিআলিবোৰত হিমালয়ৰ শিখৰৰ দৰে ওখ দেৱ-মন্দিৰবোৰে বিৰাজ কৰিছে। এইবোৰৰ শোভা যেন (সাগৰ) মন্থনৰ সময়ত উত্থিত দুগ্ধবোৰেৰে ধৱলিত বা শুভ্ৰ কৰা মন্দৰ পৰ্বতহে। এইবোৰৰ শিখৰত সোণৰ চক্‌চকীয়া কলচি আছে। মন্দিৰবোৰত থকা শুভ্ৰ পতাকা বতাহে দোলায়িত কৰে। যেন আকাশী গঙ্গাহে ওপৰত পৰিছে। নগৰৰ উপকণ্ঠবোৰো চমৎকাৰ। সেইবোৰত থকা কুঁৱাবোৰ বগা ৰং দিয়া বেদীৰে জিলিকি আছে। অনৱৰতে ঘূৰাই থকা জলকলস-যন্ত্ৰৰে জলসিঞ্চন কৰা সেউজীয়া উপবনে এইবোৰ অন্ধকাৰ কৰি ৰাখিছে। কেতেকীফুলৰ ৰেণুৰে সেইবোৰ ধূসৰিত হৈ আছে। ঘৰবোৰ সমীপতে থকা উপবনবোৰ মধুপান কৰি মত্ততাৰে মুখৰিত মধুকৰবোৰে অন্ধকাৰ কৰি ৰাখে। উপবনৰ লৰি থকা লতাৰ পুষ্পৰাজিৰ পৰিমলে সমীৰণ সুশোভিত কৰি তোলে। নগৰৰ প্ৰতিটো ঘৰতে মকৰচিহ্ন থকা মদন-বৃক্ষ-নিৰ্মিত উচ্চ পতাকা আছে। পতাকাৰ কাপোৰৰ বৰণ ৰঙা। এইবোৰত ৰঙা ৰঙৰ চোঁৰৰ বন্ধা আছে। তাতে প্ৰৱাল মনি আৰি দিয়া হৈছে। সৌভাগ্য ঘণ্টা বাজি থাকে। এইবোৰে মদন-দেৱতাৰ পূজাৰ সূচনা কৰে। অনৱৰতে শুনা পোৱা বেদ আদি পাঠৰ ধ্বনিয়ে পাপ দূৰ কৰে। এই নগৰীত কিছুমান যন্ত্ৰযুক্ত সলিলগৃহ আছে। সেইবোৰত মুৰজধ্বনি হয়। এই ঘৰবোৰৰ চাৰিওপিনে বেৰ থকাৰ কাৰণে শব্দবোৰ নিশ্চল হৈ উঠে। সেইবোৰ শব্দ গভীৰ গৰ্জন যেন হয়। ধাৰাসাৰে পৰা জলকণিকাবোৰে মেঘাচ্ছন্ন দিনৰ সৃষ্টি কৰে। তাৰ ওপৰতে পৰা সূৰ্যৰ কিৰণে ইন্দ্ৰধনুৰ সৃষ্টি কৰি সুন্দৰ কৰে।

নগৰৰ মত্ত ময়ূৰবোৰে চালি ধৰি নৃত্য কৰি কেকাধ্বনিৰে কোলাহল জোৰে। সহস্ৰ সৰোবৰেৰে এই নগৰী সুশোভিত। এইবোৰ প্ৰস্ফুটিত নীলা পদুমেৰে ৰমণীয়। মাজে মাজে বিকশিত কুমুদফুলবোৰ। অনিমিষ অৰ্থাৎ বহুবিধ মৎস্যৰ দৃশ্যৰে এইবোৰ মনোমোহা হৈ উঠে। নীলোৎপলৰ দৰে কান্ত, কুমুদৰ দৰে শুভ্ৰ মধ্যভাগযুক্ত আৰু অনিমিষ দৃষ্টিৰ দ্বাৰা ৰমনীয় দেৱৰাজৰ (ইন্দ্ৰৰ) সহস্ৰ নয়নৰ দৰে এই সৰোবৰবোৰ। ইয়াত কেউপিনে হাতীৰ দাঁতেৰে নিৰ্মাণ কৰা চন্দ্ৰশালাবোৰ আছে। এইবোৰ ঘন ঘন কদলীবনেৰে আবৃত। এইবোৰ অমৃতৰ ফেনপুঞ্জৰ দৰে শুভ্ৰ। এই (উজ্জয়িনী) নগৰীক শিপ্ৰা নদীয়ে আবৃত কৰি ৰাখিছে। যৌৱন মতলীয়া মালৱ দেশৰ সুন্দৰীসকলৰ স্তনকুম্ভই এই নদীৰ পানী আলোড়িত কৰে। ভগৱান মহাকাল শিৱৰ ওপৰত আকাশী গঙ্গা দেখিবলৈ পাই ঈৰ্ষা উপজিহে যেন এই নদীয়ে (শিপ্ৰা নদী) অনৱৰতে তৰঙ্গৰ দৰে ভ্ৰূকুটি বান্ধি আকাশখন ধুৱাই আছে।

চন্দ্ৰশালা — অট্টালিকাৰ ওপৰ ভাগত থকা গৃহ। 'কূটগৃহ', 'বড়ভী' আৰু 'শিৰোগৃহ' এইকেইটা শব্দয়ো চন্দ্ৰশালাক বুজায়।

এই (উজ্জয়িনী) নগৰী বিলাসী লোকৰ বসতিস্থল। সমগ্ৰ ভুৱনে তেওঁলোকৰ যশস্যাৰ কথা জানে। হৰজটালগ্ন নিশাপতি অৰ্থাৎ চন্দ্ৰ কোটিসাৰ অৰ্থাৎ অগ্ৰভাগযুক্ত, এই নগৰীৰ মানুহো কোটি কোটি দ্ৰব্যৰ গৰাকী। মৈনাক পৰ্বতে ডেউকাৰ পতন (পক্ষপাত) অনুভৱ নকৰাৰ দৰে এই নগৰৰ মানুহো পক্ষপাতশূন্য। আকাশী-গঙ্গাৰ প্ৰৱাহৰ দৰে এওঁলোকৰ পদ্মসংখ্যাৰ কনকৰাশি প্ৰকাশ পাইছে। স্মৃতিশাস্ত্ৰই সভা, বিদ্যালয়, কূপ, মদ্যপান, গৃহ, উদ্যান, দেৱ-মন্দিৰ, সেতু, মন্ত্ৰ আদিৰ বিধান কৰিছে, এই নগৰতো এইবোৰৰ প্ৰৱৰ্তন কৰিছে। মন্দৰ পৰ্বতে সমস্ত ৰত্নৰ সাৰ উদ্ধাৰ কৰিছিল, এওঁলোকেও এইবোৰ সংগ্ৰহ কৰিছে। এওঁলোকে গাৰুড় অৰ্থাৎ মৰকত ৰত্ন সংগ্ৰহ কৰে যদিও 'ভুজঙ্গভীৰু' অৰ্থাৎ গণিকাৰ প্ৰতি আসক্তজনৰ সম্পৰ্কৰ প্ৰতি সন্ত্ৰস্ত। এওঁলোকে 'খলক' অৰ্থাৎ নতুন ধান থোৱা ঠাইক আশ্ৰয় কৰি জীৱিকা কৰে যদিও এওঁলোকৰ সম্পদৰাশি সাধুসকলে উপভোগ কৰে। এওঁলোক বীৰ হৈয়ো বিনয়ী। এওঁলোক প্ৰিয়বাদী হৈও সত্যবাদী। এওঁলোক বিদ্বান হৈয়ো নিজৰ পত্নীৰ লগতে সন্তুষ্ট। এওঁলোকে অভ্যাগতসকলৰ আগমন প্ৰাৰ্থনা কৰে যদিও পৰ-প্ৰাৰ্থনাত অৰ্থাৎ পৰৰ ওচৰত ধন প্ৰাৰ্থনা কৰাত অনভিজ্ঞ। কামাৰ্থপৰ হৈও এওঁলোক ধৰ্মপ্ৰধান। মহাশক্তিশালী হৈয়ো এওঁলোক পৰলোকভীৰু। এওঁলোকৰ সকলো শিল্প আৰু শাস্ত্ৰৰ জ্ঞান আছে যদিও এওঁলোক প্ৰিয়বাদী (বদান্য)। এওঁলোক দক্ষ, স্মিতভাষী আৰু পৰিহাসপ্ৰিয়। এওঁলোকে পৰিস্কাৰ বস্ত্ৰ পৰিধান কৰে। এওঁলোকে নানা দেশৰ ভাষা চৰ্চা কৰে। এওঁলোক বক্ৰোক্তিতো পাৰ্গত। আখ্যায়িকা আৰু আখ্যানৰ বিশেষ জ্ঞানত এওঁলোক কুশল। এওঁলোকে সকলো প্ৰকাৰৰ লিপি চিনি পায়। মহাভাৰত, ৰামায়ণ আৰু পুৰাণৰ প্ৰতি এওঁলোকৰ অনুৰাগ আছে। এওঁলোক বৃহৎ কথাটো কুশল। পাশাখেল আদি কলা-বিদ্যাসমূহত এওঁলোক পাৰদৰ্শী। এওঁলোকৰ শাস্ত্ৰৰ প্ৰতিও অনুৰাগ আছে। এওঁলোক মধুৰ বচনত আসক্ত। এওঁলোকৰ ক্ৰোধ নাই। সুৰভি মাহৰ অৰ্থাৎ বসন্ত কালৰ বতাহ সাধাৰণতে দক্ষিণ অৰ্থাৎ দক্ষিণ দিশৰ পৰা বোৱাৰ দৰে এওঁলোকো দক্ষিণ অৰ্থাৎ উদাৰ। হিমালয়ৰ অৰণ্যৰ ভিতৰত সৰল গছ থাকে, এওঁলোকৰ অন্তৰো সৰল। লক্ষ্মণ আছিল ৰামৰ আৰাধনাত নিপুন, এওঁলোকো ৰামা অৰ্থাৎ সুন্দৰীৰ আৰু ৰামৰ সন্তোষ প্ৰদানত কুশল। শত্ৰুঘ্নই ভৰতৰ প্ৰতি প্ৰেম-পৰিচয় দেখুৱাৰ দৰে

সভা — ধৰ্ম আৰু ৰাষ্ট্ৰ আদিৰ উন্নতিজনক পৰিষদ

এওঁলোকে ভৰতৰ নাট্যশাস্ত্রত ব্যুৎপত্তি প্রকাশ কৰে। দিৱসে বা দিনে মিত্র অর্থাৎ সূর্যক অনুগমন কৰাৰ দৰে এওঁলোকো মিত্রৰ অর্থাৎ বন্ধুৰ অনুগামী। সর্বাস্তিত্ববাদী বৌদ্ধ সম্প্রদায়ে সকলো বস্তুৰে অস্তিত্ব স্বীকাৰ কৰাত পার্গত হোৱাৰ দৰে এই নগৰীৰ লোকসকলে (ব্যৱসায়ীসকলে) সকলো বস্তুৰে আছে বুলি কয়। সাংখ্য দর্শনত প্রধান আৰু পুৰুষ থকাৰ দৰে এই নগৰীও প্রধানপুৰুষৰ অর্থাৎ ধনৱান আৰু গুণৱান উত্তমলোকৰ আশ্রয়। জৈনধর্মই জীৱসকলৰ প্রতি দয়া দেখুৱাৰ দৰে এওঁলোকো সমস্ত জীৱৰ প্রতি সদয়। এই নগৰী দেৱগৃহ আৰু ৰাজভৱনসমূহেৰে পর্বতময়ী যেন হৈ আছে। বিশাল আকাৰৰ ঘৰবোৰক এই নগৰৰ শাখা-নগৰযেন দেখা যায়। সৎপুৰুষসকলেৰে এই নগৰ কল্পবৃক্ষযুক্তা যেন হৈছে। নানা চিত্রেৰে বিচিত্র গৃহবোৰৰ বেৰবোৰে যেন বিশ্বৰূপ দেখুৱাইছে। সন্ধ্যা সময়ে পদ্মৰাগমনিৰ ৰং দেখুৱায়। এই নগৰতো পদ্মৰাগৰ অর্থাৎ বিভিন্ন স্থানত খচিত পদ্মৰাগ মণিবোৰৰ ৰক্তিমা প্রকাশ পাইছে। অমৰাধিপৰ মূর্তিৰ দৰে এই নগৰো শতযজ্ঞৰ অগ্নিৰ ধোঁৱাৰ দ্বাৰা পৱিত্র। পশুপতিৰ অর্থাৎ শিৱৰ লাস্য-ক্রীড়াত অমৃতৰ দৰে শুভ্র (সুধাধৱল) অট্টালিকাসমূহ বিকশি উঠিছে। বৃদ্ধাসকল জাতৰূপক্ষয়া অর্থাৎ এওঁলোকৰ ৰূপ ক্ষীণ হয়, এই নগৰো জাতৰূপক্ষয়া অর্থাৎ জাতৰূপৰ বা সোণৰ ক্ষয়েৰে বা ঘৰবোৰেৰে পৱিপূর্ণ। গৰুড়ৰ মূর্তি অচ্যুতৰ অৱস্থানৰ দ্বাৰা ৰমণীয়, এই নগৰো অচ্যুত অর্থাৎ দৃঢ় অৱস্থানৰ দ্বাৰা ৰমণীয়। প্রভাত কালত সকলো লোক প্রবুদ্ধ হয়, এই নগৰৰ লোকসকলো প্রবুদ্ধ অর্থাৎ জ্ঞানী। শৱৰসকলৰ বাসভূমিৰ ঘৰবোৰ আঁৰি থোৱা সুন্দৰ চোঁৱৰ আৰু হাতীৰ দাঁতেৰে ধৱল বা বগা হৈ থাকে, এই নগৰীৰ ঘৰবোৰো গোটাই থোৱা চোঁৱৰ আৰু হাতীৰ দাঁতেৰে শুভ্র হৈ আছে। অনন্ত নাগৰ শৰীৰে ইয়াৰ ওপৰত থকা (উপৱিস্থিত) পৃথিৱীক (বসুধাক) ধাৰণ কৰে, এই নগৰীৰো ওপৰত বসুধাধৰ অর্থাৎ পর্বতসমূহ আছে। সমুদ্রমন্থনৰ সময়ত মহাঘোষ অর্থাৎ বিপুল ধ্বনিয়ে দশো দিগন্ত ছানি পেলাইছিল, এই নগৰীৰ দিগন্তৰালত মহাঘোষ অর্থাৎ বিস্তৃত গুৱালৰ গাঁওসমূহ আছে। সজ্জিত অভিষেক ভূমিত সহস্র স্বর্ণ কলহ থকাৰ দৰে এই নগৰতো সহস্র স্বর্ণ কলহ সজায় থোৱা আছে। ভগৱতী দুর্গাৰ মূর্ত্তি মহাসিংহাসনৰ দৰে আসনত উপৱিষ্ট কৱিবলৈ যোগ্যা, এই নগৰীৰ ৰূপো মহাসিংহৰ দৰে আসনসমূহেৰে ৰমনীয়। অদিতিক দেৱকুলে সেৱা কৰে, এই নগৰীৰদেৱগৃহসমূহো সেৱাৰ যোগ্য। মহাবৰাহৰ লীলাই হিৰণ্যাক্ষৰ নিপাত দেখুৱাইছিল, এই নগৰীত হিৰণ্যাক্ষ অর্থাৎ সোণেৰে নির্মিত পাশাখেলৰ গুটি নিক্ষেপ কৰা হয়। আস্তীক মুনিৰ শৰীৰে ভুজঙ্গকুলক আনন্দ দিছিল, এই নগৰীতো ভুজঙ্গলোক অর্থাৎ ভোগীসকলে আনন্দ পায়। হৰিবংশ (কৃষ্ণৰ) বাল্য ক্রীড়াৰ কাহিনীৰে ৰমণীয়, এই নগৰীও বালকসকলৰ ক্রীড়া, কৌতুকেৰে মনোমোহা হৈছে। এই নগৰীৰ নাৰীসকলৰ উপভোগ প্রকটিত হ'লেও অর্থাৎ নাৰীসকলে নানাধৰণৰ সুগন্ধি দ্রব্য আদি উপভোগ কৱিলেও তেওঁলোকৰ চৰিত্র অখণ্ডিত। ৰক্তবর্ণ হৈয়ো এই নগৰ শ্বেতবর্ণৰ চূণেৰে শুভ্র। মুক্তাকলাপ ধাৰণ কৱিও ই বিহাৰভূষণা অর্থাৎ জৈন বিহাৰসমূহেৰে শোভিত। বহু প্রকৃতিৰ অর্থাৎ বহু নাগৰিকযুক্তা হৈয়ো এই নগৰী স্থিৰ। এই নগৰে অমৰাৱতীৰ সৌন্দর্য্যকো চেৰ পেলাইছে।

অমৰাধিপ — ইন্দ্র, কেতিয়াবা শিৱ আৰু বিষ্ণুকো বুজোৱা হয়।

এই উজ্জয়িনীৰ উচ্চ সৌধৰ কোলাত সুন্দৰীসকলে আশ্রয় লয়। তেওঁলোকৰ মধুৰ সংগীতৰ ধ্বনিত প্রতিদিনে সূর্যক আকৃষ্ট হোৱা দেখা যায়, তেওঁৰ ৰথৰ ঘোঁড়া কেইটা যেন তলমুৱা হয়। তেওঁ যেন ৰথৰ পতাকাৰ বস্ত্র আগলৈ অৱনমিত কৰি ভগৱান মহাকালক প্রণাম জনাইহে যায়।

এই নগৰীত সূর্যৰ কিৰণবোৰ প্রৱাল মণিৰ গৃহভূমিত সন্ধ্যাৰ অৰুণৰাগৰ দৰে জিলিকি উঠে। মৰকত মণিৰ বেদীত এই কিৰণ পৰি নীলা পদুমে আগুৰি থকাৰ নিচিনাকৈ ঘূৰণীয়া হৈ জিলিকি উঠে। বৈদুর্য্য মণিৰ ভূমিৰ ওপৰত এইবোৰ আকাশত বিস্তৃত হৈ থকাৰ দৰে শোভা পায়। কৃষ্ণ অগৰু চন্দনৰ ধোৱাঁৰ মাজত জিলিকি উঠা এই কিৰণবোৰক অন্ধকাৰৰ আৱৰণ দূৰ কৰিবলৈ বিচৰা যেন দেখা যায়। শুভ্র পতাকা পটত জিলিকা উঠা এইবোৰ যেন আকাশী গংগাৰ উর্মিমালাতহে আশ্রয় লয়। সূর্যকান্ত মণিৰ ওপৰত জিলিকি থকা এইবোৰ যেন পল্লৱিত হৈ উঠে। ইন্দ্রনীল মণিৰ খিড়িকীবোৰৰ জলঙাবোৰত পৰা এই কিৰণমালাক ৰাহুৰ মুখত প্রৱেশ কৰাৰ নিচিনা দেখা যায়। সুন্দৰীসকলৰ ভূষণ প্রভাৱে বালসূর্য্যৰ কিৰণত পীতবর্ণ অর্থাৎ হালধীয়া বৰণৰহোৱাৰ দৰে নিশাবোৰত অন্ধকাৰ নোহোৱাৰ বাবে চক্রবাকযুগলৰ বিৰহ নঘটে। ৰতি-ক্রিয়াৰ প্রদীপবোৰ যেন নিষ্প্রয়োজনীয় হয়। মদনানল উপজি যেন চাৰিওদিশ দহন কৰে। অনৱৰতে গৃহস্থিত কলহংসবোৰৰ কোলাহল উঠে। মকৰধ্বজ দহনৰকাৰণে ৰতি-দেৱীয়ে কৰা বিলাপৰ দৰে এই কোলাহলে যেন ত্রিলোচন (শিৱ) ওচৰতে থকা এই নগৰীক মুখৰিত কৰি তোলে। এই নগৰৰ প্রাসাদবোৰৰ ওপৰত থকা পতাকাৰ পাট কাপোৰবোৰ বতাহে কঁপায়। ৰাতি ৰাতি মালৱী সুন্দৰীসকলৰ মুখকমলৰ কান্তি (সৌন্দর্য) দেখি লাজ পোৱা চন্দ্রৰ কলঙ্ক দূৰ কৰিবৰ মনেৰে প্রাসাদবোৰে ধ্বজৰ দৰে ভুজবোৰ দূৰলৈ প্রসাৰিত কৰা যেন দেখা যায়। ইয়াৰে সৌধ শিখৰত শুই থকা নগৰৰ সুন্দৰীসকলৰ মুখবোৰ দেখি মদনপৰৱশ হৈহে যেন শশাঙ্কই (চন্দ্রই) প্রতিবিম্বৰ ছলেৰে বিস্তৰ চন্দন দ্রব্যৰছিটিকণিৰে শীতল হৈ থকা মণিময় গৃহভূমিত বাগৰি পৰে। ইয়াত নিশাৰ অন্তত গৃহত থকা সাৰসপক্ষীবোৰে অর্থাৎ অমৃতময় শব্দ কৰে। বিলাসিনী নাৰীসকলৰ অলংকাৰৰ শব্দই সাৰসৰকলৰৱ অভিভূত কৰি তোলে। সঁজাত আৱদ্ধ হৈ থকা ভাটৌ পোৱালিবোৰে টান টানকৈ মাত মাতি প্রভাতৰ মংগলগীত গায়। সুন্দৰীসকলৰ অলংকাৰৰ শব্দ লগলাগি এই মংগলগীতবোৰ যেন ব্যর্থ হৈ পৰে। ইয়াত মণিদীপবোৰ নুনুমায়। তৰুলতা বা চঞ্চলতা মুক্তামালাসমূহৰহে আছে, সংগীতকালত মুৰজৰ ধ্বনিয়েহে থিতাপি হেৰুৱায়। দম্পতীৰ বিৰহ ঘটে চক্রবাকমিথুনৰ (চক্রবাক চৰাই যুগলৰ)। বর্ণপৰীক্ষা হয় সোণবোৰত। অস্থিৰতা আছে ধ্বজসমূহৰ। কুমুদবোৰে মিত্র-দ্বেষ ত্যাগ কৰে। কোষত গোপন কৰি ৰখা হয় তৰোৱালবোৰকহে। আনহাতেদি, সুৰাসুৰৰ শিৰোৰত্নৰ কান্তিয়ে চৰণৰ নখৰ কিৰণক চুম্বিত কৰা, তীক্ষ্ণ ত্রিশূলেৰেমহাসুৰ অন্ধকক বিদাৰণ কৰোঁতা, গৌৰীৰ (পার্বতী) নূপুৰৰ অগ্রভাগে কপালৰ চন্দ্রকলাক ঘর্ষণ কৰা, ত্রিপুৰৰ (এজন ৰাক্ষস) ভস্মৰ ছাঁইৰ দ্বাৰা অংগ ৰঞ্জিত হৈ পৰা, কামদেৱৰ বিনাশত কাতৰ হৈ ৰতি দেৱীয়ে প্রসন্ন কৰিবলৈ প্রসাৰিত কৰা কৰযুগলৰ পৰা ধহি পৰা বলয়সমূহে বা খাৰুবোৰে চৰণ বন্দনা কৰা, প্রলয় কালৰ অগ্নিৰ শিখাৰ দৰে কপিল বৰণৰ জটাভাৰৰ চাৰিওফালে আকাশী

গঙ্গাই ভ্ৰমণ কৰা মহাকাল নামেৰে খ্যাত স্বয়ং অন্ধকৰিপুৰে কৈলাসপর্বতত বসতিৰ সুখ ত্যাগ কৰি এই উজ্জয়িনী নগৰীতে বসতি কৰিছে।

৪.৬ 'উজ্জয়িনীবর্ণনম্' পাঠটিৰ সাৰাংশ

'কাদম্বৰী' কথাকাব্য মহাকবি বাণভট্টৰ অমৰসৃষ্টিসমূহৰ ভিতৰত অন্যতম। এই কাব্যতে কবিয়ে অৱন্তী ৰাজ্যৰ ৰাজধানী উজ্জয়িনী নগৰীৰ এক মনোৰম বিৱৰণ দাঙি ধৰিছে। তাৰ সংক্ষিপ্ত সাৰাংশ তলত বর্ণনা কৰা হ'ল—

অৱন্তী ৰাজ্যত উজ্জয়িনী নামৰ নগৰী আছে। সমস্ত ত্ৰিভুৱনৰ অলংকাৰস্বৰূপা এই নগৰীতে ত্ৰিভুৱনৰ সৃষ্টি, স্থিতি, প্ৰলয়ৰ কাৰণ ভগৱান মহাকালৰ বৃহৎ মন্দিৰ আছে। বিশাল বিপনিসমূহেৰে গোটেই নগৰী ভৰি আছে। মহামূল্যৱান বিভিন্ন প্ৰকাৰৰ মনি-মুকুতাৰে এই বিপনিসমূহ পৰিপূর্ণ হৈ আছে। শুভ্ৰ পতাকা থকা সুউচ্চ সোণৰ কলচিযুক্ত দেৱ-মন্দিৰে সমগ্ৰ নগৰীত বিৰাজ কৰিছে। নগৰীৰ উপকণ্ঠত আছে সেউজীয়া উপবনসমূহ। কেউপিনে কদলীবনেৰে আবৃত হাতীৰ দাঁতেৰে নির্মিত চন্দ্ৰশালাবোৰ আছে। উজ্জয়িনী নগৰী আবৃত কৰি আছে শিপ্ৰা নদীয়ে। ইয়াতে মালয় সুন্দৰীসকলে জলক্ৰীড়া কৰে। বিলাসীলোকৰ বসতিস্থান এই নগৰী। ইয়াৰ বাসিন্দাসকল বীৰ, বিনয়ী, প্ৰিয়বাদী, সত্যবাদী, শিল্পশাস্ত্ৰজ্ঞ, দক্ষ, পৰিহাসপ্ৰিয়, নিপুন তথা সমস্ত কলাবিদ্যাত পাৰদর্শী। শাস্ত্ৰ-জ্ঞানত এওঁলোক অনুৰাগী। এওঁলোক উদাৰ, সৰলমনৰ তথা জ্ঞানী। নগৰৰ গৃহসমূহ শুভ্ৰ বৰণৰ। তাতে বিভিন্ন ধর্মাৱলম্বীসকলৰ বিহাৰসমূহেও শোভা পাইছে। মুঠতে এই নগৰীৰ সৌন্দর্যই স্বর্গৰ অমৰাৱতীকো যেন চেৰ পেলাইছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ উজ্জয়িনী নগৰী ক'ত অৱস্থিত আছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ উজ্জয়িনী নগৰী কি নদীৰ দ্বাৰা পৰিবেষ্টিত আছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ মহাকালৰ মন্দিৰ ক'ত অৱস্থিত লিখক।

.....

.....

প্ৰশ্ন নং ৪ ঃ 'কল্পবৃক্ষ' বুলিলে কি বুজায়?

.....

.....

প্ৰশ্ন নং ৫ ঃ 'অমৰাধিপ' বুলিলে কাক বুজায়?

.....

.....

প্ৰশ্ন নং ৬ ঃ 'বিষমলোচন' কোন?

.....

.....

প্ৰশ্ন নং ৭ ঃ 'সভা' কাক বোলে লিখক।

.....

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি 'কাদম্বৰী' কথাকাব্যৰ 'কথামুখম্'ত বৰ্ণিত উজ্জয়িনী নগৰীৰ বিশদ বৰ্ণনা পঢ়িবলৈ পালে। অৱন্তী ৰাজ্যৰ অন্তৰ্গত উজ্জয়িনী নগৰী সমগ্ৰ ত্ৰিভূৱনৰ অলংকাৰ স্বৰূপা। প্ৰাচীন ভাৰতবৰ্ষৰ উজ্জয়িনী ঐশ্বৰ্য্য বিভুতিৰে পৰিপূৰ্ণ এখন জাকত জিলিকা নগৰী। বাণভট্টই দৰাচলতে এই নগৰীৰ বৰ্ণনাৰ জৰিয়তে প্ৰাচীন ভাৰতবৰ্ষৰ সমৃদ্ধিশালী ৰূপটোকে বৰ্ণনা কৰিছে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি প্ৰাচীন উজ্জয়িনী নগৰীৰ বিষয়ে বিশদভাৱে জানিব পাৰিলে লগতে বাণভট্টৰ ৰচনাশৈলীৰো সুন্দৰ নিদৰ্শনৰ লগতো পৰিচিত হ'ল। তদুপৰি মূল সংস্কৃত পাঠ্যাংশৰ লগতে প্ৰতিটো সংস্কৃত শব্দৰ অসমীয়া অৰ্থ আৰু মূল পাঠৰ অসমীয়া অনুবাদো পঢ়িবলৈ সক্ষম হ'ল। মুঠতে মহাকবি বাণভট্টৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি সম্যক ধাৰণা লাভ কৰিলে এই অধ্যায়টিৰ যোগেদিয়েই।



৪.৮ অধিক জানিবলৈ

১) কালে, এম্, আৰ (১৯৬৮) (সম্পাদিত), কাদম্বৰী, পূৰ্বভাগ দিল্লী ঃ তত্ত্বপ্ৰকাশিকা টীকা।

২) শৰ্মা, প্ৰভাত চন্দ্ৰ (২০০০) কাদম্বৰী (অনুবাদ), আবিলেক।

৩) শাস্ত্ৰী, কৃষ্ণমোহন (সম্পাদিত), কাদম্বৰী (পূৰ্বাদ্ধ), চন্দ্ৰকলা আৰু বিদ্যোতিনী সংস্কৃত-হিন্দী টীকা, বাৰানসীঃ চৌখাম্বা সুৰভাৰতী প্ৰকাশন।



৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অৱন্তী ৰাজ্যত।

২ নং প্রশ্নৰ উত্তৰ ঃ শিপ্রা নদী।

৩ নং প্রশ্নৰ উত্তৰ ঃ উজ্জয়িনী নগৰত।

৪ নং প্রশ্নৰ উত্তৰ ঃ বাঞ্ছিত ফল দান কৰিব পৰা বৃক্ষকে ‘কল্পবৃক্ষ’ বোলে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ইন্দ্র।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভগৱান শিৱ।

৭ নং প্রশ্নৰ উত্তৰ ঃ ধর্ম আৰু ৰাষ্ট্র আদিৰ উন্নতিজনক পৰিষদক ‘সভা’ বোলে।



৪.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ উজ্জয়িনী নগৰীৰ চাৰিআলিবোৰৰ বর্ণনা লিখক।

প্রশ্ন ২ ঃ উজ্জয়িনী নগৰীৰ উপকণ্ঠবোৰৰ বর্ণনা লিখক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ‘উজ্জয়িনীবর্ণনম্’ নামৰ পাঠটোৰ সাৰাংশ লিখক।

প্রশ্ন ২ ঃ কবি বাণভট্টৰ অনুকৰণত উজ্জয়িনী নগৰৰ এটি বর্ণনা দাঙি ধৰক।

*** ***** ***

অধ্যায় ৫ ঃ কাদম্ৱৰী - শুকনাসোপদেশঃ (মূল পাঠ)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ 'শুকনাসোপদেশঃ'-ৰ মূল সংস্কৃত পাঠ

৫.৪ মূল সংস্কৃত পাঠৰ শব্দাৰ্থ

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'কাদম্ৱৰী' কাব্যত বৰ্ণিত শুকনাসৰ উপদেশসমূহৰ সংস্কৃত পাঠ পঢ়িব পাৰিব
- শুকনাসৰ উপদেশসমূহৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত হ'ব পাৰিব
- বৰ্তমান সময়তো এই উপদেশৰ প্ৰয়োজনীয়তাৰ বিষয়ে উপলব্ধি কৰিব পাৰিব
- মূল সংস্কৃত পাঠৰ লগতে শব্দাৰ্থ অধ্যয়ন কৰিব পাৰিব।

৫.২ পৰিচয়

ইতিমধ্যেই আপুনি পূৰ্বৰ অধ্যায়ত সংস্কৃত সাহিত্যৰ উজ্জ্বল নক্ষত্ৰস্ৱৰূপ গদ্যকাৰ বাণভট্টৰ বিষয়ে জানিব পাৰিলে। লগতে তেওঁৰ বিখ্যাত গদ্যকাব্য 'কাদম্ৱৰী'ৰ বিষয়েও জানিব পাৰিলে। 'কাদম্ৱৰী' কাব্যত 'শুকনাস উপদেশঃ' নামৰ এটি ভাগ আছে। শুকনাস আছিল অবন্তী দেশৰ ৰাজধানী উজ্জয়িনীৰ ৰজা তাৰাপীড়ৰ মন্ত্ৰী। তাৰাপীড়ৰ পুত্ৰ আছিল চন্দ্ৰাপীড়। এই চন্দ্ৰাপীড়ৰ যৌবৰাজ্য অভিষেক কালত মন্ত্ৰী শুকনাসে নিপুণভাবে ৰজাৰ কৰ্তব্য-অকৰ্তব্যৰ বিষয়ে কুমাৰক নানা উপদেশ দিছিল। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি শুকনাসে দিয়া উপদেশসমূহৰ বিষয়ে অৱগত হ'ব পাৰিব। অধ্যায়টোত আপুনি মূল সংস্কৃত পাঠ্যাংশৰ লগতে শব্দাৰ্থ অধ্যয়ন কৰিব পাৰিব। লগতে বাণভট্টৰ ৰচনাশৈলীৰ লগতো পৰিচিত হ'ব পাৰিব।

৫.৩ 'শুকনাসোপদেশ ঃ'-ৰ মূল সংস্কৃত পাঠ

কাদম্ৱৰী কথাকাব্যৰ পূৰ্বাদ্ধত বাণভট্টই মন্ত্ৰী শুকনাসে ৰাজকুমাৰ চন্দ্ৰাপীড়ক ৰাজ্য শাসন সম্পৰ্কে দিয়া উপদেশসমূহ বৰ্ণনা কৰিছে। এই 'শুকনাসোপদেশঃ'ৰ সংস্কৃত পাঠ্যাংশ

আপোনাৰ বাবে তলত উল্লেখ কৰা হ'ল—

তাত চন্দ্রাপীড়, ৰিদিতৱেদিতব্যস্যাধীত সর্বশাস্ত্রস্যতে নাল্পমপ্যুপদেষ্টব্যমস্তি। কেৱলং চ নিসর্গত এৱাভানু-ভেদ্যৰত্নালোকোচ্ছেদ্যম প্রদীপ প্রভাপনেয়মতি গহনং তমো যৌৱন প্রভৱম্। অপৰিণামোপশমো দাৰুণো লক্ষ্মীমদঃ। কষ্টমনঞ্জনৱর্তি সাধ্যমপৰমৈশ্বর্যতিমিৰান্ধত্বম্। অশিশিৰোপচাৰহার্যোৎতিতীব্রো দর্পদাহজ্বৰোষ্মা। সততমমূলমন্দ্রগম্যো বিষমো বিষয়বিষাস্বাদমোহঃ। নিত্যমস্নানশৌচৰধ্যো ৰাগমলাৱলেপঃ। অজস্রমক্ষপাৱসানপ্রবোধা ঘোৰা চ ৰাজ্যসুখসংনিপাতনিদ্রা ভৱতীতি ৰিস্তৰেণাভিধীয়সে। গর্ভেশ্বৰত্বমভিনৱযৌৱনত্বম প্রতিমব্দপত্বমমানুষশক্তিতত্বং চেতি মহতীয়ং খল্বনর্থপৰংপৰা সর্বা। অৱিনয়ানামেকৈকমপ্যেষামায়তনম্, কিমুত সমবায়ঃ। যৌৱনাৰম্ভে চ প্রায়ঃ শাস্ত্রজলপ্রক্ষালননির্মলাপি কালুষ্যমুপয়াতি বুদ্ধিঃ। অনুজ্ঝিতধৱলতাপি সৰাগৈৱ ভৱতি য়ূনাং দৃষ্টিঃ। অপহৱতি চ ৰাত্যের শুষ্কপত্রং সমুদ্ভূতৰজোভ্রান্তিৰতিদূৱমাত্মেচ্ছয়া যৌৱনসময়ে পুৰুষং প্রকৃতিঃ। ইন্দ্রিয়হৰিণাহাৰিণী চ সততদুৰন্তেয়মুপভোগমৃগতৃষিনকা। নৱযৌৱনকষায়িতাত্মনশ্চ সলিলানীৱ তান্যের ৰিষয়স্বব্দপাণ্যাস্বাদ্যমানানি মধুৰতৰাণ্যাপতন্তি মনসঃ। নাশয়তি চ দিঙ্মোহ ইৱোন্মার্গপ্রৱর্তকঃ পুৰুষমত্যাসঙ্গো বিষয়েষু। ভৱাদৃশা এব ভৱন্তি ভাজনান্যুপদেশানাম্। অপগতমলে হি মনসি স্ফটিকমণাৱিৱ ৰজনিকৰগভস্তয়ো ৰিশন্তি সুখেমোপদেশগুণাঃ। গুৰুৱচনমমলমপি সলিলমিব মহদুপজনয়তি শ্রৱণস্থিতং শূলভভব্যস্য। ইতৰস্য তু কৰিণ ইৱ শঙ্খাভৰণ মাননশোভাসমুদয়মধিকতৰ মুপজনয়তি। হৰত্যতিমলিনমন্ধকাৰমিৱ দোষজাতং প্রদোষসময়নিশাকৰ ইৱ গুৰুপদেশঃ প্রশমহেতুর্বয়ঃ পৰিণাম ইৱ পলিতব্দপেণ শিৰসিজজালমমলীকুর্বন্গুণব্দপেণ তদের পৰিণময়তি। অয়মের চানাস্বাদিতৰিষয়ৰসস্য তে কাল উপদেশস্য। কুসুমশৰশৰপ্রহাৰ জর্জৰিতে হি হৃদি জলমিৱ গলত্যুপদিষ্টম্। অকাৰণং চ ভৱতি দুষ্প্রকৃততেৰন্বয়ঃ শ্রুতং চারিনয়স্য। চন্দনপ্রভরো ন দহতি কিমনলঃ? কিং বা প্রশমহেতুনাপি ন প্রচণ্ডতৰীভৱতি ৰড়বানলো ৰাৰিণা? গুৰুপদেশশ্চ নাম পুৰুষাণামখিলমল প্রক্ষালনক্ষমমজলং স্নানম্, অনুপজাতপলিতাদিবৈব্দপ্যমজৰং বৃদ্ধত্বম্, অনাৰোপিতমেদোদোষং গুৰুকৰণম্, অসুবর্ণবিৰচনমগ্রাম্যং কর্ণাভৰণম্, অতীতজ্যোতিৰালোকঃ, নোদ্বেগকৰঃ প্রজাগৰঃ বিশেষেণ ৰাজ্ঞাম্। বিৰলা হি তেষামুপদেষ্টাৰঃ প্রতিশব্দক ইৱ ৰাজবচনমনুগচ্ছতি জনো ভয়াৎ। উদ্দামদর্পচ পৃথুস্থগিতশ্রৱণবিৰাশ্চোপদিশ্যমানমপি তে ন শৃন্বন্তি। শৃন্বন্তোহপি চ গজনিমীলিতেনাবধীৰয়ন্তঃ খেদয়ন্তি হিতোপদেশদায়িনো গুৰুন্। অহংকাৰদাহজ্বৰমূর্চ্ছান্ধকাৰিতা বিহ্বলা হি ৰাজপ্রকৃতিঃ, অলীকাভিমানোন্মাদকাৰীণি ধনানি, ৰাজ্যবিষবিকাৰতন্দ্রাপ্রদা ৰাজলক্ষ্মীঃ। আলোকয়তু তাবৎ কল্যাণাভিনিবেশী লক্ষ্মীমেব প্রথমম্, ইয়ং হি খড়্গমণ্ডলোৎপলবনবিভ্রমভ্রমৰী লক্ষ্মীঃ ক্ষীৰসাগৰাৎপাৰিজাতপল্লবেভ্যো ৰাগম্, ইন্দুশকলাদেকান্তবক্রতাম্, উচ্চৈঃশ্রৱসশ্বঞ্চলতাম্, কালকূটান্মোহনশক্তিম্, মদিৰায়া মদম্, কৌস্তুভমণেনৈষ্ঠুর্যম্, ইত্যেতানি সহবাস পৰিচয়ৱশাদ্বিৰহবিনোদচিহ্নানি গৃহীত্বেবোদ্গতা। ন হ্যবংবিধমপৰিচিতমিহ জগতি কিংচিদস্তি য়থৈয়মনার্য়া লব্ধাপি খলু দুঃখেন পৰিপাল্যতে। দৃঢ়গুণসংদাননিষ্পন্দীকৃতাপি নশ্যতি। উদ্যামদর্পভট সহস্রোল্লাসিতাসিলতাপঞ্জৰ বিধৃতাপ্যপ ক্রামতি। মদজলদুর্দিনান্ধকাৰগজঘটিত

ঘনঘটাপৰিপালিতাপি প্ৰপলায়তে। ন পৰিচয়ং ৰক্ষতি। নাভিজনভীক্ষতে। ন ৰূপমালোকয়তে। ন কুলক্ৰমমনুবৰ্ততে। ন শীলং পশ্যতি। ন বৈদগ্ধ্যং গণয়তি। ন শ্ৰুতমা কৰ্ণয়তি। ন ধৰ্মমনুৰুধ্যতে। ন ত্যাগমাদ্ৰিয়তে। ন বিশেষজ্ঞতাং বিচাৰয়তি। নাচাৰং পালয়তি। ন সত্যমনুবুধ্যতে। ন লক্ষণং প্ৰমাণীকৰোতি। গন্ধৰ্বনগৰলেখেব পশ্যত এব নশ্যতি। অদ্যাপ্যাৰ্দ্ৰমেন্দৰ পৰিবৰ্তাবৰ্তভ্ৰান্তিজনিতসংস্কাৰেব পৰিভ্ৰমতি। কমলিনীসংচৰণব্যতিকৰলগ্ননলিননালকণ্টকেব ন ক্বচিদপি নিৰ্ভৰমাবধ্নাতি পদম্। অতিপ্ৰয়ত্নবিধৃতাপি পৰমেশ্বৰগৃহেষু বিবিধগন্ধগজগণ্ডমধূপা নমন্তেব পৰিস্খলতি। পাৰুষ্যভিৰোপশিক্ষিতুমসি ধাৰাসু নিবসতি। বিশ্বৰূপত্বমিব গ্ৰহীতুমাশ্ৰিতা নাৰায়ণমূৰ্ত্তিম্, অপ্ৰত্যয়বহুলা চ দিবসান্তকমলমিব সমুপচিতমূলদণ্ডকোশমণ্ডলমপি মুঞ্চতি ভুভুজম্, লতেব বিটপকানধ্যাৰোহতি। গঙ্গেব বসুজনন্যপি তৰংগবুদ্বুদচঞ্চলা, দিবসকৰ গতিৰিব প্ৰকটিতবিবিধসংক্ৰান্তিঃ, পাতালগৃহেব তমোবহুলা, হিড়িম্বেব ভীমসাহসৈকহাৰ্যহৃদয়া, প্ৰাবৃড়িবাচিৰদ্যুতি কাৰিণী, দুষ্টপিশাচীব দৰ্শিতানেকপুৰুষোচ্ছ্বায়া স্বল্পসত্ত্বমুন্মত্তী কৰোতি। সৰস্বতীপৰিগৃহীতমীৰ্য্যয়েব নালিঙ্গতি জনং। গুণবন্তমপৰিত্ৰমিব ন স্পৃশতি। উদাৰসত্ত্বমমঙ্গলমিব ন বহু মন্যতে। সুজনমনিমিত্তমিব ন পশ্যতি। অভিজাতমহিমিব লঙঘ্যতি। শূৰং কণ্টক মিব পৰিহৰতি। দাতাৰং দুঃস্বপ্নমিব ন স্মৰতি। বিনীতং পাতকিনামিব নোপসর্পতি। মনস্বিনমুন্মত্ত মিবোপহসতি। পৰস্পৰবিৰুদ্ধং চেন্দ্ৰজালমিব প্ৰকটয়তি জগতি নিজং চৰিতম্। তথা হি। সংততমূষ্মাণমুপজনয়ন্ত্যপি জাড্যমুপজনয়তি। উন্নতিমাদধানাপি নীচস্বভাবতামাবিস্কৰোতি। তোয়ৰাশিসংভবাপি তৃষ্ণাং সংবৰ্ধয়তি। ঈশ্বৰতাং দধানাপ্যশিবপ্ৰকৃতিত্বমাতনোতি। বলোপচয়মাহৰন্ত্যপি লঘিমানমাপাদয়তি। অমৃতসহোদৰাপি কটুকবিপাকা, বিগ্ৰহবত্যপ্যপ্ৰত্যক্ষদৰ্শনা, পুৰুষোত্তমৰয়াপি খলজনপ্ৰিয়া, ৰেণুময়ীব স্বচ্ছমপি কলুষী কৰোতি। যথাযথ চেয়ং চপলা দীপ্যতে তথাতথা দীপশিখেব কজ্জলমলিনমেব কৰ্ম কেৱলমুদ্গমতি। তথা হি। ইয়ং সংবৰ্দ্ধনবাৰিধাৰা তৃষ্ণাবিষবল্লীনাম্, ব্যাধগীতিৰিন্দ্ৰয়মৃগানাম্, পৰামৰ্শধূমলেখা সচ্চৰিতচিত্ৰণাম্ বিভ্ৰমশম্যা মোহ দীৰ্ঘনিদ্ৰাণাম্, নিবাসজীৰ্ণবলভী ধনমদপিশাচিকানাম্, তিমিৰোদ্গতিঃ উৎপত্তি নিম্নগা ক্ৰোধাবেগগ্ৰাহাণাম্, আপানভূমিবিষয়মধূনাম্, সংগীতশালা ভ্ৰূবিকাৰনাট্যানাম্, আবাসদৰী দোষাশীবিষাণাম্, উৎসাৰণবেত্ৰলতা সৎপুৰুষব্যৰহাৰাণাম্, অকালপ্ৰাবৃড় গুণকলহংসকানাম্, বিসর্পণভূমির্লোকাপবাদবিস্ফোটকানাম্, প্ৰস্তাৰনা কপটনাটকস্য, কদলিকা কামকাৰিণঃ, বধ্যশালা সাধুভাবস্য, ৰাহুজিহ্বা ধৰ্মেন্দুমণ্ডলস্য। ন হি তং পশ্যামি যো হ্যপৰিচিতমানয়া ন নির্ভবমুপগূঢ়ঃ, য়ো বা ন বিপ্ৰলব্ধঃ। নিয়তমিয়মালেখ্যগতাপি চলতি, পুস্তকময়্যপীন্দ্ৰজালমাচৰতি, উৎকীর্ণাপি বিপ্ৰলভতে, শ্ৰুতাপ্যভিসংধত্তে, চিন্ততাপি বঞ্চয়তি। এবং বিধয়াপি চানয়া দুৰাচাৰয়া কথমপি দৈৱবশেন পৰিগৃহীতা বিক্লবা ভজৰন্তি ৰাজানঃ, সর্বাবিনয়াধিষ্ঠানতাং চ গচ্ছন্তি। তথাহি অভিষেকসময় এব চৈতেষাং মঙ্গলকলশজলৈৰিব প্ৰক্ষাল্যতে দাক্ষিণ্যম্, অগ্নিকার্য্যধূমেনেব মলিনীক্ৰিয়তে হৃদয়ম্, পুৰোহিতকুশাগ্ৰসংমার্জনীভিৰিবাপহ্নিয়তে ক্ষান্তিঃ, উষ্ণীষপট্টবন্ধেনেবাচ্ছাদ্যতে জগৰাগমনস্মৰণম্, আতপত্ৰমণ্ডলেনবাপসার্যতে পৰলোকদর্শনম্, চামৰপবনৈৰিবাপহ্নিয়তে সত্যবাদিতা, বেত্ৰদণ্ডৈৰিবোৎসার্য়ন্তে গুণাঃ, জয়শব্দকলকলৰবৈৰিব তিৰস্ক্ৰিয়ন্তে সাধুবাদাঃ, ধ্বজপটপল্লবৈৰিব পৰামৃশ্যতে যশঃ। তথাহি।

কেচিচ্ছ্রমবশশিথিলশকুনিগলপুটচটুলাভিঃ খদ্যোতোন্মেষমুহূর্তমনোহৰাভির্মনস্বিজনগর্হিতাভিঃ সংপদ্ভিঃ প্রলোভ্যমানা ধনলবলাভাবলেপবিস্মৃত জন্মানোৎনেকদোষোপচিতেন দোষাসৃজেব ৰাগাবেশেন বধ্যমানাঃ, বিবিধবিষয়-গ্রাসলালসৈঃ পঞ্চভিৰপ্যনেকসহস্রসংখ্যৈৰিন্দ্রিয়ৈৰায়াস্যমানাঃ, প্রকৃতিচঞ্চলতয়া লব্ধপ্রসৰৈণেকেনাপি শতসহস্রতামিবোপগতেন মনসাকুলীক্রিয়মাণা বিহ্বলতামুপয়ান্তি। গ্রহৈৰিব গৃহ্যন্তে, ভূতৈৰিবাভিভূয়ন্তে, মন্ত্রৈৰিবাবেশ্যন্তে, সত্ত্বৈৰিবাবষ্টভ্যন্তে, বায়ুনেব বিড়ম্ব্যন্তে, পিশাচৈৰিব গ্রস্যন্তে, মদনশৰৈর্মমহিতা ইব মুখভঙ্গসহস্রানি কুর্বতে, ধনোষ্মণা পচ্যমানা ইব বিচেষ্টন্তে, গাড়প্রহাৰাহতা ইবাঙ্গানি ন ধাৰয়ন্তি, কুলীৰা ইব তির্যকম্পৰিভ্রমন্তি, অধর্মভগ্নগতয়ঃ পঙ্গব ইব পৰেণ সংচার্যন্তে, মৃষাবাদবিপাকসংজাত মুখৰোগা ইবাতিকৃচ্ছ্রেণ জল্পন্তি, সপ্তচ্ছদতৰব ইব কুসুমৰজোবিকাৰৈঃ পার্শ্ববর্তিনাং শিৰঃশূলমুৎপাদয়ন্তি, আসন্নমৃত্যব ইব বন্ধুজনমপি নাভিজানন্তি, উৎকম্পিতলোচনা ইব তেজস্বিনো নেক্ষন্তে, কালদষ্টা ইব মহামন্ত্রৈৰপি ন প্রতিবুধ্যন্তে, জাতুষাভৰণানীব সোষ্মাণং ন সহন্তে, দুষ্টৰাৰণা ইব মহামানস্তম্ভনিশ্চলীকৃতা ন গৃহ্নন্ত্যপদেশম্, তৃষ্ণাবিষমূর্চ্ছিতাঃ কনকময়সিব সর্ব পশ্যন্তি, ইষব ইব পানবর্ধিততৈক্ষণ্যাঃ পৰপ্রেৰিতা বিনাশয়ন্তি, দূৰস্থিতান্যপি ফলানি দণ্ডবিক্ষেপৈর্মহৎকুলানি পাতয়ন্তি, অকালকুসুমপ্রসবা ইব মনোহৰাকৃতয়োৎপি লোকবিনাশহেতবঃ, শ্মশানাগ্নয় ইবাতিৰৌদ্রভূতয়ঃ, তৈমিৰিকা ইবাদূৰদর্শিনঃ, উপসৃষ্টা ইব ক্ষুদ্রাধিষ্ঠিতভবনাঃ, শ্রূয়মাণা অপি প্রেতপটহা ইবাদ্বেজয়ন্তি, চিন্ত্যমানা অপি মহাপাতকাধ্যবসায়া ইবোপদ্রবমুপজনয়ন্তি, অনুদিবসমাপূর্যমাণাঃ পাপেনেবাধ্মতমূর্তয়ো ভবন্তি, তদৰস্থাশ্চ ব্যসনশতসংখ্যতামুপগতা। বল্মীকতৃণাগ্রাবস্থিতা জলবিন্দৰ ইব পতিতমপ্যাত্মানং নাবগচ্ছন্তি। অপৰে তু স্বার্থনিষ্পাদনপৰৈর্ধনপিচিতগ্রাসগধ্নৈৰাস্থাননলিনীধূর্তবকৈর্দ্যূতং বিনোদ ইতি, পৰদাৰাভিগমনং বৈদগ্ধ্যমিতি, মৃগয়াং শ্রম ইতি, পানং বিলাস ইতি, প্রমত্ততাং শৌর্যমিতি, স্বদাৰপৰিত্যাগমব্যসনিতেতি, গুৰুবচনাবধীৰপমপৰপ্রণেয়ত্বমিতি, অজিতভৃত্যতাং সুখোপসেব্যত্বমিতি, নৃত্তগীতবাদ্যবেশ্যাভিসক্তি ৰসিকতেতি, মহাপৰাধণৰকর্ণনং মহানুভাবতেতি, পৰাভৰসহত্বং ক্ষমেতি, স্বচ্ছন্দতাং প্রভূত্বমিতি, দেৰাৰমানং মহাসত্বতেতি, ৰন্দিজনখ্যাতিং যশ ইতি, তৰলতামুৎসাহ ইতি, অবিশেষজ্ঞতামপক্ষপাতিত্বমিতি, দোষানপি গুণপক্ষমধ্যা ৰোপয়ন্তিৰন্তঃ স্বয়মপি ৰিহসদ্ভিঃ প্রতাৰণকুশলৈ ধূর্তৈৰমানুষলোকোচিতাভিঃ স্তুতিভিঃ প্রতার্যমাণা ৰিত্তমদমত্তচিত্তা নিশ্চেতনতয়া তথৈৰেত্যাত্মন্যাৰোপিতা লোকাভিমানা মর্ত্যধর্মাণোৎপি দিব্যাংশাৱতীর্ণমিৰ সদৈৰতমিবাতিমানুষমাত্মানমুৎপ্রেক্ষমাণাঃ প্রাৰব্ধদিব্যোচিত চেষ্টানুভাবাঃ সর্বজনস্যোপহাস্যতামুপয়ান্তি। আত্মৰিড়ম্বনাং চানুজীৰিনা জনেন ক্রিয়মাণামভিনন্দন্তি। মনসা দেৱতাধ্যাৰোপণৰিপ্রতাৰণাদ্সন্ততসংভাৱনো-পহতাশ্চান্তঃ প্রৰিষ্টাপৰভূজদ্বয়মিবাত্মবাহুযুগলং সংভাৱয়ন্তি। ত্বগন্তৰিততৃতীয়লোচনং স্বললাটমাশঙ্কতে। দর্শনপ্রদানমপ্যনুগ্রহং গণয়ন্তি। দৃষ্টিপাতমপ্যুপকাৰপক্ষে স্থাপয়ন্তি। সংভাষণমপি সংৰিভাগমধ্যে কুর্বন্তি। আজ্ঞামপি বৰপ্রদানং মন্যন্তে। স্পর্শমপি পাৱনমাকলয়ান্ত্র। মিথ্যামাহাত্ম্যগর্বনির্ভৰাশ্চ ন প্রণমন্তি দেৱতাভ্যঃ, ন পূজয়ন্তি দ্বিজাতীন্, ন মানয়ন্তি মান্যান্, নার্চয়ন্ত্যর্চনীয়ান্, নাভিবাদয়ন্ত্যভিবাদনার্হান্, নাভ্যুত্তিষ্ঠন্তি গুৰুন্, অনর্থকায়াসান্তৰিতবিষয়োপ ভোগসুখমিত্যুপহসন্তি ৰিদ্বজ্জনম্, জৰাবৈক্লব্যপ্রলাপিতমিতি পশ্যন্তি

বৃদ্ধোপদেশম্ আত্মপ্রজ্ঞাপৰিভৱ ইত্যসূয়ন্তি সচিবোপদেশায়, কুপ্যন্তি হিতবাদিনে। সর্বথা তমভিনন্দন্তি, তমালপন্তি, তং পার্শ্বে কুর্বন্তি, তং সংবর্ধয়ন্তি, তেন সহ সুখমৱতিষ্ঠন্তে, তস্মৈ দদতি, তং মিত্রতামুপজনয়ন্তি, তস্য বচনং শৃন্বন্তি, তত্র বর্ষন্তি, তং বহু মন্যন্তে, তমাপ্ততামাপাদয়ন্তি, য়োহহর্নিশমনবৱতমুপৱচিপতাঞ্জলিৱধিদৈৱতমিৱ বিগতান্যকর্তব্যঃ স্তৌতি, য়ো বা মাহাত্ম্যমুদ্ভাৱয়তি। কিং ৱা তেষাং সাংপ্রতং য়েষামতিনৃশংসপ্রায়োপদেশনিঘৃণং কৌটিল্যশাস্ত্রং প্রমাণম্, অভিচাৱক্রিয়াঃ ক্রুৰৈকপ্রকৃতয়ঃ পুৰোধসো গুৰবঃ, পৱাভিসংধানপৱা মন্ত্রিণ উপদেষ্টাৱঃ, নৱপতিসহস্রভুক্তোজ্ঝতায়াং লক্ষ্ম্যামাসক্তিঃ, মাৱণাত্মকেষু শাস্ত্রেস্বাভিয়োগঃ, সহজপ্রেমার্দ্রহৃদয়ানুৰক্তা ভ্রাতৱ উচ্ছেদ্যাঃ। তদেৱং প্রায়াতিকুটিলকষ্টচেষ্টাসহস্রদাৱুণে ৱাজ্যতন্ত্রেহ স্মিন্মহামোহকাৰিনি চ যৌৱনে কুমাৱ তথা প্রযতেথা য়থা নোপহস্যসে জনৈঃ, ন নিন্দ্যসে সাধুভিঃ, ন ধিক্ক্রিয়সে গুৰুভিঃ, নোপলভ্যসে সুহৃদ্ভিঃ, ন শোচ্যসে বিদ্বদ্ভিঃ। যথা চ ন প্রকাশ্যসে বিটৈঃ, ন প্রতার্যসে কুশলৈঃ, নাস্বাদ্যসে ভূজঙ্গৈঃ, নাৱলুপ্যসে সেৱকবৃকৈঃ, ন বঞ্চ্যসে ধূর্তৈঃ, ন প্রলোভ্যসে ৱনিতাভিঃ, ন ৱিড়ম্ব্যসে লক্ষ্ম্যা, ন নর্ত্যসে মদেন, নোন্মত্তীক্রিয়সে মদনেন, নাক্ষিপ্যসে বিষয়ৈঃ, নাৱকৃষ্যসে ৱাগেণ, নাপহ্নিয়সে সুখেন। কামং ভৱনপ্রকৃত্যৈৱ ধীৱঃ, পিত্রা চ সমাৱোপিত সংস্কাৱঃ, তৱলহৃদয়প্রতিবুদ্ধং চ মদয়ন্তি ধনানি, তথাপি ভৱদ্গুণসন্তোষো মামেৱং মুখৰীকৃতবান্। ইদমেৱ চ পুনঃ পুনৱভিধীয়সে, বিদ্বাংসমপি সচেতনমপি মহাসত্ত্বমপ্যভিজাতমপি ধীৱমণি প্রয়ত্নৱন্তমপি পুৰুষমিয়ং দুর্বিনীতা খলীকৱোতি লক্ষ্মীৱিতি। সর্বথা কল্যাণৈঃ পিত্রা ক্রিয়মাণমনুভৱতু ভৱান্ নৱযৌৱৱাজ্যাভিষেক মঙ্গলম্। কুলক্রমাগতামুদ্বহ পূর্বপুৰুষৈৰূঢ়াং ধুৱম্। অৱনময় দ্বিষতাং শিৱাংসি। উন্নময় স্ববন্ধুবর্গম্। অভিষেকানন্তৱং চ প্রাৱৰ্দ্ধ দিগ্বিজয়ঃ পৱিভ্রমন্বিজিতামপি তৱ পিত্রাঃ সপ্তদ্বীপভূষণাং পুনর্বিজয়স্ব বসুংধৱাম্, অয়ং চ তে কালঃ প্রতাপমাৱোপয়িতুম্। আৰূঢ় প্রতাপো ৱাজা ত্রৈলোক্যদর্শীৱ সিদ্ধাদেশো ভৱতি,' ইত্যেতাৱদভিধায়োপশশাম। উপশান্তৱচসি শুকনাসে চন্দ্রাপীড়স্তাভিৰূপদেশৱাগ্ভিঃ প্রক্ষালিত ইৱ, উন্মীলিত ইৱ, স্বচ্ছীকৃত ইৱ, নিমৃষ্ট ইৱ, অভিষিক্ত ইৱ, অভিলিপ্ত ইৱ, অলংকৃত ইৱ, পৱিত্রীকৃত ইৱ, উদ্ভাসিত ইৱ, প্রীতহৃদয়ো মুহূর্তং স্থিত্বা স্বভৱনমাজগাম।



জানি থোৱা ভাল

ওপৰৰ পাঠটোত পোৱা কিছুমান উল্লেখযোগ্য সংস্কৃত পদৰ ব্যাকৰণ তথা ভাঙনি তলত দেখুৱা হ'ল। পদবোৰ ব্যাকৰণগত দিশৰ পৱা বুজি ল'লে সংস্কৃত ভাষাৰ জ্ঞান আহৰণ কৰাত আপুনি যথেষ্ট সুবিধা পাব।

১) অভিষেকঃ = অভি + √ সিচ্ + ঘঞ্ ভাবে

২) চিকীর্ষুঃ = কর্তুম্ ইচ্ছতীতি

৩) আদিদেশঃ = আ + √ দিশ্ + লিট্

৪) সমুপস্থিতঃ = সম্ + উপ + √ স্থা + কুক্তঃ কর্তৰি

৫) নিসর্গঃ = নি + √ সৃজ্ + ঘঞ্ ভাবে

৬) বলৱান = বল +মতুপ্

৭) দৃষ্টিঃ = দৃশ্ + ক্তিন্ কৰণে

৮) প্রকৃতিঃ = প্র + √ কৃ + ক্তিন্

৯) জনয়তি = √ জন্ + ণিচ্ + লট্

১০) আস্বাদিতঃ = আ + স্বদ্ + ণিচ্ + ক্ত

১১) অন্বয়ঃ = অনু + √ ই + অচ্

১২) উপজাতম্ = উপ + √ জন্ + ক্ত, কর্তৰি

১৩) বিনোদ ঃ = বি + √ নুদ্ + ঘঞ্

১৪) পৰিপাল্যতে = পৰি + √ পাল্ + লট্ কর্মবাচ্যে

১৫) শ্রুতম্ = শ্রু + ক্ত ভাবে।

৫.৪ মূল সংস্কৃত পাঠৰ শব্দার্থ

আপুনি ইতিমধ্যে 'শুকনাসোপদেশঃ'-ৰ মূল সংস্কৃত পাঠটো অধ্যয়ন কৰিলে। এতিয়া এই পাঠৰ মূল সংস্কৃত শব্দসমূহৰ অসমীয়া অর্থসমূহ অধ্যয়ন কৰিব পাৰিব। মূল সংস্কৃত পাঠৰ শব্দার্থ তলত উল্লেখ কৰা হ'ল—

তাত চন্দ্রাপীড় (বৎস চন্দ্রাপীড়), বিদিতৱেদিতব্যস্য (তোমাৰ জনাৰ বিষয়সমূহ জনা হৈছে। অধীত সর্বশাস্ত্রস্য (সকলো শাস্ত্র অধ্যয়ন কৰা হৈছে) তে নাল্পমপ্যুপদেষ্টব্যমস্তি (তোমাক সামান্যমাত্রও উপদেশ দিবলগীয়া বিষয় নাই)। কেৱলং চ (আৰু কেৱল) নিসর্গত এর (স্বভাৱতৈ) অভানুভেদ্যম (সূর্যই নষ্ট কৰিব নোৱাৰে) অৰত্নালোকচ্ছেদ্যম্ (ৰত্নৰ আলোকে উচ্ছেদ কৰিব নোৱাৰে) অপ্রদীপ প্রভাপনেয়ম্ (চাকিৰ পোহৰ দূৰ কৰিব নোৱাৰে) অতি গহনং (অত্যন্ত গহীন) তমো (অন্ধকাৰ) যৌৱনপ্রভৱম্ (যৌৱন অৱস্থাত উৎপন্ন হয়)। অপৰিণামোপশমো (পৰিণামত উপশম বা শান্ত নহয়) দাৰুণো (ভীষণ) লক্ষ্মীমদঃ (ধন সম্পত্তিজাত মত্ততা)। কষ্টম্ (দুঃখজনক) অনঞ্জনবর্তিসাধ্যম্ (কাজল সানিলে নিৰাময় নহয়) অপৰমৈশ্বর্যতিমিৰান্ধত্বম্ (ধন সম্পত্তিজাত মত্ততা)। অশিশিৰোপচাৰহার্যঃ (চন্দন আদি আন উপচাৰৰ দ্বাৰা উপশম নহয়) অতিতীব্রো (অত্যন্ত তীব্র) দর্পদাহজ্বৰোষ্মা (অভিমানৰূপ দাহজ্বৰৰ পৰা উৎপন্ন ক্ষোভ বা উষ্ণতা)। সততম্ (সততে) অমূলমন্ত্রগম্যো ঔষধ বা মন্ত্রৰ দ্বাৰা উপশম নহয়) বিষমো (ভীষণ) বিষয়াবিষাস্বাদমোহঃ (বিষয়ৰূপ বিষৰ আস্বাদ অর্থাৎ সম্ভোগজনিত মোহ)। নিত্যম্ (সদায়) অস্নানশৌচৱধ্যো (স্নান আদি শৌচ ক্রিয়াৰ দ্বাৰা পৱিত্র নহয়) ৰাগমলাৱলেপঃ (বিষয়াসক্তিৰূপ মলৰ গাঢ় অৱলেপন)। অজস্রম (বহু) অক্ষণাৱসান প্রবোধাঃ (নিশাৰ অৱসানত চৈতন্য নহয়) ঘোৰা চ (আৰু ভয়ংকৰ) ৰাজ্যসুখসংনিপাতনিদ্রা ভৱতি (ৰাজ্যসুখৰ অনুভৱাত্মক যি নিদ্রা হয়)। ইতি (এই বাবে) ৱিস্তাৰেণ অভিধীয়সে (তোমাক বিস্তাৰিতভাৱে কৈছো)। গর্ভেশ্বৰত্বম্ (মাতৃগর্ভৰ পৰাই যি প্রভূত্ব) অভিনৱ যৌৱনত্বম (নতুন যৌৱন) অপ্রতিৰূপত্বম্ (অনুপম ৰূপ) অমানুষশক্তিত্বম্ চ (আৰু অমানুষিক শক্তি) ইতি (এইবোৰ) মহতীয়ং (অতি) খল্বনর্থপৱংপৰা (ধাৰাবাহিক বিপত্তি)। সর্বা

(সকলোবোৰ)। অবিনয়ানানাম্ একৈকম্ (অবিনয় বা ঔদ্ধত্যৰ এটা এটা) আয়তনম্ (আশ্রয়), কিমুত (কি ক'বলগীয়া আছে) সমবায়ঃ (সমষ্টি)। যৌৱনাৰম্ভে চ (আৰু যৌৱনৰ আৰম্ভণিতে) প্রায়ঃ (প্রায়েই) শাস্ত্রজলপ্রক্ষালননির্মলাপি (শাস্ত্ৰৰূপ পানীৰ দ্বাৰা প্রক্ষালিত হৈ বিশুদ্ধ হ'লেও) কালুষ্যম (কলুষতা) উপয়াতি বুদ্ধিঃ (বুদ্ধি প্রাপ্ত হয়)। অনুজ্ঝিত ধৱলতা অপি (শুভ্রতা ত্যাগ নকৰিলেও) সৰাগৈৰ (ক্রোধযুক্ত) ভবতি (হয়) য়ূনাং দৃষ্টিঃ (যুৱকৰ দৃষ্টি)। অপহৰতি (লৈ যায়) চ ৰাত্যেৰ (প্রবল বায়ুৰ দৰে) শুষ্কপত্রং (শুকান পাত) সমুদ্ভূতৰজোভ্রান্তি (ৰজোগুণৰ বাবে স্বভাৱত ভ্রম জন্মে) অতিদূৰম্ (বহু দূৰ) আত্মেচ্ছয়া (নিজৰ ইচ্ছাত) যৌৱন-সময়ে (যৌৱনকালত) পুৰুষং প্রকৃতিঃ (পুৰুষৰ স্বভাৱ)। ইন্দ্রিয়হৰিণাহাৰিণী চ (আৰু ইন্দ্রিয়ৰ দৰে হৰিণ হৰণ কৰি) সততম্ (সদায়) দুৰন্তা (দুৰন্ত) ইয়ম্ (এই) উপভোগমৃগতৃষ্ণিকা (সম্ভোগ অভিলাষৰূপ মৰীচিকা)। নৱযৌৱনকষায়িতাত্মনশ্চ (নৱযৌৱনৰ বাবে উৎপন্ন হোৱা কাম-ক্রোধ আদিৰ দ্বাৰা কলুষিত হোৱা মনৰ ওচৰত) সলিনানীৱ (পানীৰ দৰে) তান্যের (সেইবোৰ) বিষয়স্বৰূপানি (ভোগ্যবস্তুবোৰ) আস্বাদ্যমানানি (অনুভৱৰ সময়ত) মধুৰতৰাণ্যাপতন্তি (প্রথমতে মধুৰ বুলি ভাৱ হয়) মনসঃ (মনত)। নাশয়তি চ (আৰু নষ্ট কৰে) দিঙমোহ ইব (দিক্‌ভ্রমৰ দৰে) উন্মার্গপ্রৱর্তকঃ (কুপথত পৰিচালক) পুৰুষম্ (মানুহক) অত্যাসঙ্গো বিষয়েষু (ভোগৰ বস্তুবোৰৰ প্রতি অত্যন্ত আসক্তি)। ভবাদুশ এব (তোমাৰ দৰে মানুহে) ভৱন্তি (হয়) ভাজনানি (পাত্র) উপদেশানাম্ (উপদেশৰ বাবে)। অপগতমলে হি (যিহেতু নির্মল বা পৱিত্র) স্ফটিকমণাৱিব যিদৰে স্ফটিক (মনিত) ৰজনিকৰগভস্তয়ো (চন্দ্রৰ কিৰণ) ৱিশন্তি (প্রৱেশ কৰে) সুখমোপদেশগুণাঃ (তেনেদৰে অনায়াসে বা সহজতে উপদেশৰ ফল)। গুৰুবচনম্ (গুৰুৰ বাক্য) অমলমপি (মঙ্গলজনক হ'লেও) সলিলমিব (পানীৰ দৰে) মহদুপজনয়তি (অতি বেছিকৈ বা গুৰুতৰভাৱে উদ্রেক কৰে) শ্রৱণস্থিতং (কাণত সোমালে) শূলম্ (কষ্ট) অভব্যস্য (দুর্জনৰ বা অসজ্জনৰ)। ইতৰস্য তু (কিন্তু আনজনৰ অর্থাৎ সজ্জনৰ) কৱিণ ইব (হাতীৰ দৰে) শঙ্খাভৱণ (শঙ্খময় ভূষণৰ দৰে) আননশোভাসমূদয়ম্ (মুখৰ শোভাবোৰ) অধিকতৱম্ উপজনয়তি (অধিকভাৱে সম্পাদন কৰে)। হৱতি ইতি (নষ্ট কৰে) মলিনম্ (কলুষতা) অন্ধকাৰমিৱ (অন্ধকাৰৰ দৰে) দোষজাতং (দোষযুক্ত বা দোষবোৰ) প্রদোষসময় নিশাকৰ ইব (ৰাতিপুৱাৰ বা পুৱতিনিশাৰ চন্দ্রৰ দৰে) গুৰুপদেশঃ (গুৰুৰ উপদেশ)। প্রশমহেতুঃ (প্রশমনৰ বাবে) বয়ঃ পৰিণাম ইব (বার্ধক্য যিদৰে) পলিতৰূপেন (শুভ্রৰূপে) শিৰসিজজালম্ (কেশসমূহ) অমলী কুর্বন্ (নির্মল কৰি) গুণৰূপেন (গুণৰ দৰে) তদেব (তেনেদৰে) পৰিণময়তি (পৰিণত হয়)। অয়মেব (ইয়াত) চানাস্বাদিতৱিষয়ৱমস্য তে (এনে কোনো বিষয়ৰে ৰস আস্বাদন হোৱা নাই— তোমাৰ।



গুণ - মনুষ্য গুণ তিনি প্রকাৰৰ। সেইকেইটা হৈছে সত্ত্ব, ৰজম্ আৰু তমস্।

কাল ঃ উপদেশস্য (উপদেশৰ সময়)। কুসুমশৰশৰ প্রহাৰ জর্জৰিতে হি (কাৰণ ফুলৰ শৰ অর্থাৎ কামদেৱৰ বাণৰ আঘাতত জর্জৰিত হোৱা) হৃদি (হৃদয়ত) জলমিৱ (পানীৰ দৰে) গলত্যুপদিষ্টম্ (উপদেশ বাক্য নিগৰি পৰে)। অকাৰণং চ ভৱতি (আৰু কাৰণো নহয়) দুষ্প্রকৃতেঃ (দুষ্ট প্রকৃতিৰ মানুহৰ) অন্বয়ঃ (বংশ) শ্রুতং (শুনি) চাৱিনয়স্য (আৰু বিনয়ৰ)। চন্দন প্রভৱো (চন্দনকাঠৰ) ন দহতি (দহন নকৰে) কিম্ অনলঃ (কি অগ্নিয়ে)? কিং বা (অথবা) প্রশমহেতুনাপি



নিশাকৰ - চন্দ্র

(প্রশমনৰ কাৰণ হ'লেও) ন প্রচণ্ডতৰীভৱতি (প্রৱল নহয়) ৱড়ৱানলো (বাড়ৱান অগ্নি) ৱাৰিণা (জলৰ দ্বাৰা)। গুৰুপদেশশ্চ (আৰু গুৰুৰ উপদেশ) নাম (নাম) পুৰুষানাম্ (মানুহৰ) অখিলমলপ্রক্ষালনক্ষমম্ (সকলো মল বা অপৱিত্রতা ধোৱাৰ বাবে যোগ্য) অজল (জলহীন) স্নানম্ (স্নানৰ দৰে), অনুপজাতপলিতাদি— ৱৈৰূপম্ (বার্ধক্যত চুলি পকা আদি অঙ্গবিকৃতি) অজৰম্ (জৰাহীন) বৃদ্ধত্বম (বার্ধক্য), অনাৰোপিতমেদোদোষং (মেদদোষ নজন্মায়) গুৰুকৰণম্ (গুৰুৰ উপদেশ), অসুবর্ণবিৰচনম্ (সুবর্ণনির্মিত নহয়) অগ্রাম্যং (সুন্দৰ) কর্ণাভৰনম্ (কানৰ অলংকাৰ), অতীতজ্যোতিঃ (জ্যোতিবিহীন) আলোকঃ (পোহৰৰ দৰে), নোদ্বেগকৰঃ (উদ্বেগকাৰী নহয়) প্রজাগৰঃ (জাগৰণ)। বিশেষেণ (বিশেষভাৱে) ৰাজ্ঞাম্ (ৰজাসকলৰ বাবে)। বিৰলা হি (কাৰণ বিৰল) তেষাম্ (তেওঁলোকৰ) উপদেষ্টাৰঃ (উপদেশদাতা)। প্রতিশব্দক ইব (প্রতিধ্বনিৰ দৰে) ৰাজবচনম্ (ৰজাৰ বচন) অনুগচ্ছতি (অনুসৰণ কৰে) জনো (মানুহে) ভয়াৎ (ভয়তে)। উদ্দামদর্পাঃ (প্রচণ্ড অহংকাৰৰূপ) শয়থুস্থগিতশ্রৱণবিবৰাঃ (শোথৰোগৰ দ্বাৰা কান বন্ধ হোৱাৰ বাবে) উপদিশ্যমানমপি (উপদেশ দিলেও) তে (ৰজাসকলে) ন শৃন্বন্তি (শুনা নাপায়)। শৃন্বন্তোহপি চ (আৰু শুনিলেও) গজনিমীলিতেন (হাতীৰ দৰে চকু সৰু কৰি) অবধীৱয়ন্তঃ (অৱজ্ঞা কৰে) খেদয়ন্তি (দুখ কৰি থাকে) হিতোপদেশ-দায়িনী (হিত উপদেশ দিয়া) গুৰূন্ (গুৰুসকলক)। অহঙ্কাৰ দাহজ্ৱৰমূর্ছান্ধকাৰিতা (অহঙ্কাৰৰূপ প্রৱল জ্ৱৰত মূর্চ্ছা গৈ বিবেকহীন হৈ) বিহ্ৱলা হি (বিহ্ৱল হৈ যায়) ৰাজপ্রকৃতিঃ (ৰজাসকলৰ স্বভাৱ)। অলীকাভিমানোন্মাদকাৰীণি (মিছা অহংকাৰে উন্মাদ কৰে) ধনানি (ধনসম্পত্তি)। ৰাজ্যবিষবিকাৰতন্দ্রাপ্রদা (ৰাজ্যৰূপ বিষৰ দৰে বিকাৰৰ দ্বাৰা তন্দ্রা দান কৰে) ৰাজলক্ষ্মীঃ (ৰাজলক্ষ্মীয়ে)। আলোকয়তু তাবৎ (এতিয়া চোৱা) কল্যাণাভিনিবেশী (মঙ্গলৰ বাবে আগ্রহী) লক্ষ্মীমেব ((লক্ষ্মীকেই) প্রথমম্ (প্রথমে) ইয়ং হি (কাৰণ ই) খড়্গমণ্ডলো (তৰোৱালৰ দৰে) উৎপলবন (পদুমৰ বনত) বিভ্রম (ভ্রমণ কৰা) ভ্রমৰী (ভোমোৰাৰ দৰে) লক্ষ্মীঃ (লক্ষ্মী) ক্ষীৰসাগৰাৎ (ক্ষীৰসাগৰৰ পৰা উত্থিত) পাৰিজাতপল্লবেভ্যো (পাৰিজাত পাতৰ পৰা) ৰাগম্ (ৰাগ), ইন্দুশকলাৎ (চন্দ্র খণ্ডৰ পৰা) একান্তবক্রতাম্ (অত্যন্ত বক্রতা), উচ্চৈঃশ্রৱম (উচ্চৈঃশ্রৱাৰ পৰা) চঞ্চলতাম্ (চাঞ্চল্য), কালকূটান (কালকূট অর্থাৎ বিষৰ পৰা) মোহনশক্তিম্ (মোহিনী শক্তি), মদিৰায়া (মদিৰাৰ পৰা) মদম্ (মাদকতা), কৌস্তুভমণেঃ (কৌস্তুভ মনিৰ পৰা নেষ্ঠুর্যম্ (নিষ্ঠুৰতা বা কঠিনতা) ইত্যেতানি (এইবোৰ) সহবাসপৰিচয়ৱশাৎ (সহবাসৰ বাবে পৰিচয় বশতঃ) বিৰহ-বিনোদ চিহ্নানি (বিৰহদুখ দূৰ কৰাৰ বাবে চিনবোৰ) গৃহীত্বৈবোদ্গতা (লৈয়ে যেন উত্থিত হৈছে)। ন হ্যবংবিধম (এনে নাই) অপৰম্ (আন) অপৰিচিতম্ (অপৰিচিত) ইহ জগতি (এই জগতত) চিদস্তি (অলপ আছে) যথা অয়ম্ অনার্যা (যিদৰে এই নীচ প্রকৃতিৰ লক্ষ্মীয়ে)। লব্ধাপি (লাভ কৰা হ'লেওঁ) খলু দুঃখেন (দুখেৰে বা কষ্টৰে) পৰিপাল্যতে (ৰক্ষা কৰিব লাগে)। দৃঢ়গুণপাশসন্ধাননিষ্পন্দীকৃতাপি (সন্ধি-বিগ্রহ আদি গুণৰ দ্বাৰা বান্ধি নিশ্চল কৰিলেও) নশ্যতি (চলি যায়)। উদ্যামদর্প (অত্যন্ত অহঙ্কাৰেৰে) ভটসহস্র (সহস্র যোদ্ধাৰ) উল্লাসিত (উত্তোলিত) অসিলতাপঞ্জৰবিধৃতাপি (তৰোৱালৰ দৰে আৱদ্ধ হৈ) অপক্রামতি (বিয়পি পৰে)। মদজল দুর্দিন (মদজলৰ বৃষ্টিৰ দ্বাৰা) অন্ধকাৰ (অন্ধকাৰ বা এন্ধাৰ কৰা) গজঘনঘটাপৰিপালিতা অপি (হাতীৰ

বড় ৱানল - 'বাড় ৱাগ্নি' নামেৰেও জনা যায়। পুৰাণত উল্লেখ কৰা মতে সাগৰৰ তলিত থকা জুইক 'বড়ৱানল' বোলা হয়। ইয়াৰ আন এটা নাম 'বাড়ৱ'।

উচ্চৈঃশ্রৱা— ইন্দ্রৰ বগা ঘোড়া।

কৌস্তুভমণি - শ্রীকৃষ্ণই ডিঙিত পিন্ধা মণি বিশেষ।

দৰে মেঘৰ দ্বাৰা আগুৰি থাকিলেও) প্ৰপলায়তে (পলাই যায়ঃ। ন পৰিচয়ং ৰক্ষতি (পৰিচয় ৰক্ষা নকৰে)। ন অভিজনভীক্ষতে (আভিজাত্য বা বংশপৰিচয় লক্ষ্য নকৰে)। ন ৰূপমালোকয়তে (ৰূপো নাচায়)। ন কুলক্ৰম-মনুবৰ্ততে (কূলধাৰাও অনুসৰণ নকৰে)। ন শীলং পশ্যতি (স্বভাৱ-চৰিত্ৰও নেদেখে)। ন বৈদগ্ধ্যং গণয়তি (দক্ষতাও বিচাৰ নকৰে)। ন শ্ৰুতমাকৰ্ণয়তি (বিদ্যাৰ কথাও নুশুনে)। ন ধৰ্মমনুৰুধ্যতে (ধৰ্মৰ অনুৰোধো ৰক্ষা নকৰে)। ন ত্যাগমাদ্ৰিয়তে (ত্যাগৰ আদৰো নকৰে)। ন বিশেষজ্ঞতাং বিচাৰয়তি (বিশেষজ্ঞৰ বিচাৰ নকৰে)। নাচাৰং পালয়তি (আচাৰ পালন নকৰে)। ন সত্যমনুবুধ্যতে (সত্যক নুবুজে)। ন লক্ষণং প্ৰমাণীকৰোতি (লক্ষণে মূল্য স্বীকাৰ নকৰে)। গন্ধৰ্বনগৰলেখেব (গন্ধৰ্বনগৰৰ ৰেখাৰ দৰে) পশ্যত এব (চাই থাকোতেই) নশ্যতি (নষ্ট হৈ যায়)। অদ্যাপি (আজিও) আৰূঢ়মন্দৰ (উদ্ভূত মন্দৰ পৰ্বতৰ) পৰিবৰ্ত ((পৰিবৰ্তনত) আবৰ্তভ্ৰান্তিজনিত (ভ্ৰান্তিমূলক আবৰ্তন) সংস্কাৰেব (সংস্কাৰ যেন) পৰিভ্ৰমতি (পৰিভ্ৰমণ কৰি আছে)। কমলিনী সংচৰণব্যতিকৰ (পদ্মবনত বিচৰণকালত) লগ্ননলিননালকণ্ঠকেব (পদুমফুলৰ নলৰ কাঁইটত ক্ষত হোৱাৰ বাবেই যেন) ন ৰুচিদপি (কেতিয়াও) নিৰ্ভৰমাবধ্নতি পদম্ (দৃঢ়ভাবে ভৰি স্থাপন কৰিব নোৱাৰে)। অতিপ্ৰয়ত্নবিধৃতাপি (অতি যত্নৰে ধৰি ৰাখিলেও) পৰমেশ্বৰগৃহেষু (ৰজাৰ ঘৰত) বিবিধগন্ধগজ (নানাপ্ৰকাৰৰ শ্ৰেষ্ঠ হাতীৰ) গণ্ডমধূপান (গণ্ডৰ মধুপানত) মত্তেব (উন্মত্ত হৈ) পৰিস্খলতি (গুছি যায়)। পাৰুষ্যভিৰো (যেন নিষ্ঠুৰতাক) উপশিক্ষিতুম (শিক্ষিত কৰাৰ বাবে) অসিধাৰাসু (তৰুৱালৰ ধাৰত) নিবসতি (বাস কৰে)। বিশ্বৰূপত্বমিৰ (বিশ্বৰূপকেই) গ্ৰহীতুম্ (ধাৰণ কৰাৰ বাবে) আশ্ৰিতা (আশ্ৰয় কৰি লৈছে) নাৰায়ণমূৰ্ত্তিম্ (নাৰায়ণৰ শৰীৰক), অপ্ৰত্যয়বহুলা চ (আৰু বহুধৰণৰ অবিশ্বাস) দিৱসান্ত (সন্ধ্যাকালীন) কমলমিব (পদুমৰ দৰে) সমুপচিতমূলদণ্ডকোশমণ্ডলমপি (সৈন্য, দণ্ড, ধন আৰু ৰাজ্য বৃদ্ধি পাই থাকিলেও) মুঞ্চতি (ত্যাগ কৰে) ভূভুজম্ (ৰজাক)। লতেব (লতাই যিদৰে) বিটপকান (বৃক্ষৰ শাখাসমূহক) অধ্যাৰোহতি (আশ্ৰয় কৰে)। গঙ্গেব (গঙ্গাই যিদৰে) বসুজনন্যপি (বসুসকলৰ জননী হৈয়ো) তৰঙ্গবুদ্বুদচঞ্চলা (বুদ্ বুদ্ তৰঙ্গ বা ঢৌৰ দৰে চঞ্চল)। দিৱসকৰ গতিৰিব (সূৰ্য্যৰ গতিয়ে যিদৰে) প্ৰকটিত (প্ৰকাশ কৰে) বিবিধ সংক্ৰান্তি (নানাপ্ৰকাৰৰ সংক্ৰান্তি)। পাতালগৃহেব (পাতালৰ গুহাৰ দৰে) তমোবহুলা (অন্ধকাৰময়)। হিড়িম্বেব (হিড়িম্বাৰ যিদৰে) ভীমসাহমৈকহাৰ্যহৃদয়া (ভীমৰ সাহসৰ দ্বাৰা মন অপহৃত হৈছিল), প্ৰাবৃড়িব (বৰ্ষাকালে যিদৰে) অচিৰদ্যুতিকাৰিনী (বিদ্যুৎ প্ৰকাশ কৰে), দুষ্টপিশাচীব (দুষ্ট পিশাচীৰ দৰে) দৰ্শিতানেকপুৰুষোচ্ছ্বায়া (বহুপুৰুষ পৰিমিত উচ্চতা দেখুৱাই) স্বল্পসত্বম্ ((দুৰ্বল ব্যক্তিক) উন্মত্তী কৰোতি (উন্মও কৰে) সৰস্বতীপৰিগৃহীত (সৰস্বতীৰ দ্বাৰা পৰিগৃহীত) ইৰ্য্যয়েব (ঈৰ্ষাবশতঃ বা হিংসাতে) নালিঙ্গতি (আলিঙ্গণ নকৰে) জনং (মানুহক) গুণবন্তম (গুণবানব্যক্তিক) অপৰিত্ৰমমিব (অপৰিত্ৰৰ দৰে) ন স্পৃশতি (স্পৰ্শ নকৰে) উদাৰসত্বম (উদাৰ মনৰ মানুহক) অমঙ্গলমিব (অমংগলৰ দৰে) ন বহু মন্যতে (আদৰ নকৰে)। সুজনম (সজ্জনক বা সৎলোকক) অনিমিত্তমিব (অমংগলীয়াৰ দৰে) ন পশ্যতি (দৰ্শন নকৰে)। অভিজাতম (সৎ বংশজাতক) অহিমিব (সাপৰ দৰে) লঙঘ্যতি (এৰাই চলে)। শূৰং (বীৰক) কণ্টকমিব (কাঁইটৰ দৰে) পৰিহৰতি (পৰিত্যাগ কৰে)। দাতাৰং (দান কৰা জনক) দুঃস্বপ্নমিব (বেয়া সপোনৰ দৰে) ন

স্মৰতি (স্মৰণ নকৰে)। বিনীতং (বিনয়ী ব্যক্তিৰ) পাতকিনমিব (পাপীৰ দৰে) নোপসর্পতি (ওচৰলৈ নাযায়)। মনস্বিনম (মনস্বী বা জ্ঞানী লোকক) উন্মত্তমিব (উন্মত্তৰ দৰে) উপহসতি (উপহাস কৰে)। পৰস্পৰবিৰুদ্ধং (পৰস্পৰ বিৰোধী) চ ইন্দ্রজালমিব (আৰু ইন্দ্রজাল বা মায়াজালৰ দৰে) প্রকটয়তি (প্রকট কৰে) জগতি (জগতত) নিজং (নিজৰ) চৰিতম্ (চৰিত্র)। তথা হি (গতিকে) সততম্ (সদায়) উষ্মানম্ (উত্তাপ) আৰোপয়ন্তি অপি (জন্মায়ো) জাড্যমুপজনয়তি (শীতলতা জন্মায়)। উন্নতিমাদধানাপি (উন্নতি দান কৰিলেও) নীচস্বভাৱম্ (নীচ স্বভাৱ) আবিষ্কৰোতি (প্রকট কৰে)। তোয়ৰাশিসম্ভবাপি (সাগৰৰ পৰা উৎপন্ন হৈয়ো) তৃষ্ণাং (তৃষ্ণা) সংবর্ধয়তি (বৃদ্ধি কৰে)। ঈশ্বৰতাং দধানাপ্য (শিৰত্ব দান কৰিও) অশিবপ্রকৃতিত্বম (অশিৰ স্বভাৱ) আতনোতি (বিস্তাৰ কৰে)। বলোপচয়ম্ (বলবৃদ্ধি কৰিও) লঘিমানম্ (লঘুতা) আপাদয়তি (সম্পাদন কৰে)। অমৃতসহোদৰাপি (অমৃতৰ সহোদৰ হৈয়ো) কটুকবিপাকা (কটুৰস অনুভূত হয়)। বিগ্রহবত্যপ্য (মূর্তিধাৰিনী হলেও) অপ্রত্যক্ষদর্শনা (চকুৰে দর্শনৰ যোগ্য নহয়), পুৰুষোত্তমৰতয়াপি (পুৰুষোত্তমৰ প্রতি আসক্ত হ'লেও) খলজনপ্রিয়া (দুষ্টজনৰ প্রিয়)। ৰেণুময়ীব (ধূলিময়ীৰ দৰে) স্বচ্ছমপি (নির্মলতাকো) কলুষী (কলুষিত) কৰোতি (কৰে)। যথা যথা চ (আৰু যিদৰে) ইয়ং চপলা (এই চঞ্চলা) দীপ্যতে (প্রকাশ পায়) তথা তথা (সেইদৰে) দীপশিখেব (দীপশিখাৰ দৰে) কজ্জলমলিনমেব (কাজল ক'লা) কর্ম কেৱলম (কেৱল কর্মহৈ) উদ্গমতি (প্রকাশ পায়)। তথা হি (যিহেতু) ইয়ং (এই লক্ষ্মীদেৱী) সংবর্দ্ধন (বৃদ্ধিকাৰক) বাৰিধাৰা (জলধাৰা) তৃষ্ণাবিষবল্লীনাম্ (বিষয়-বাসনাৰূপ বিষলতাসমূহৰ) ব্যাধগীতঃ (চিকাৰীৰ গীত) ইন্দ্রিয়মৃগানাম্ (ইন্দ্রিয়ৰূপ হৰিণবোৰৰ) পৰামর্শধূমলেখা (আবৰণকাৰী ধোঁৱাৰাশি) সচ্চৰিত (সৎচৰিত্রৰূপ) চিত্রানাম (চিত্র বা ছবিসমূহৰ), বিভ্রমশয্যা জলবিলাসশয্যা) মোহদীর্ঘনিদ্রাণাম্ (মোহৰূপ দীর্ঘনিদ্রাৰ), নিবাস (বাসস্থানৰূপ) জীর্ণবলভী (পুৰণা কোঠাৰ) ধনমদ (অর্থাভিমানী) পিশাচিকানাম্ (পিশাচীবোৰৰ), তিমিৰোদ্গতিঃ ('তিমিৰ' নামৰ চকুৰ অসুখ) শাস্ত্রদৃষ্টীনাম্ (শাস্ত্রৰূপ নয়নৰ) পুৰঃপতাকা (সন্মুখৰ পতাকা) সর্বাবিনয়ানাম্ (সকলো অবিনয়ীসকলৰ), উৎপত্তিনিম্নগা (উৎপত্তিৰ নদী) ক্রোধাবেগগ্রাহানাম্ (ক্রোধ - আবেগৰূপ জলজন্তুসমূহৰ) আপানভূমিঃ (পানভূমি) বিষয়মধূনাম্ (ভোগপদার্থৰূপ সুৰা বা মদৰ), সংগীতশালা (ৰঙ্গমঞ্চ) ভ্রূবিকাৰনাট্যানাম্ (ভ্রূভঙ্গীৰূপ অভিনয়ৰ) আবাসদৰী (বাসকৰা গুহা) দোষাশীবিষানাম (দোষৰূপ সর্পসমূহৰ উৎসাৰণ দূৰকৰাৰ বাবে) বেত্রলতা (বেতৰ লাঠী) সৎপুৰুষ (সৎ পুৰুষৰ) ব্যৱহাৰানাম (ব্যৱহাৰবোৰ), অকালপ্রাবৃড় (অকাল বৃষ্টি) গুণ (গুণৰূপ) কলহংসকানাম্ (কলহংসসমূহৰ), বিসর্পভূমি (বিশাল লাভৰ ক্ষেত্র) লোকাপবাদ (লোকনিন্দাৰূপ) বিস্ফোটকানাম্ (বিস্ফোটকসমূহৰ), প্রস্তাৱনা (প্রস্তাৱনা বা আৰম্ভণি) কপটনাটকস্য (কপট আচৰণৰূপ নাটকৰ), কদলিকা (কদলিবন বা কলৰ বাগান) কামকৰিণঃ (কন্দর্পৰূপ হাতীৰ), বধ্যশালা (বধ্যভূমি) সাধুভাবস্য (সাধুতাৰ), ৰাহুজিহ্বা (ৰাহুৰ জিভা) ধর্মেন্দুমণ্ডলস্য (নির্মল চন্দ্রমণ্ডলৰ)। ন হি তং পশ্যামি (তেনে মানুহ দেখা নাযায়) য়ো (মিজন) হ্যপৰিচিতম (অপৰিচিত) অনয়া (এওঁৰ দ্বাৰা অর্থাৎ লক্ষ্মীদেৱীৰ দ্বাৰা) ন নির্ভৰমুপগূঢ়ঃ (গাঢ়ভাৱে আলিঙ্গণবদ্ধ নহয়) য়ো বা (বা যিজন) ন

বিপ্রলব্ধঃ (প্রতাৰিত নহয়)। নিয়তিম (সদায়) ইয়মালেখ্যগতাপি (এওঁ চিত্রিত হৈয়ো) চলতি (গুচি যায়), পুস্তকময়ী অপি (মাটি বা কাঠেৰে নির্মিত পুতলাৰ আকাৰৰ হ'লেও) ইন্দ্রজালম (যাদুৰ দৰে) আচৰতি (আচৰণ কৰে), উৎকীর্ণাপি (খোদিত কৰি ৰাখিলেও) বিপ্রলভতে (প্রতাৰণা কৰে), শ্রুতা অপি (শাস্ত্রজ্ঞ হলেও) অভিসংধত্তে (দুর্ব্যৱহাৰ কৰে), চিন্তিতাপি (চিন্তা কৰিলেও) বঞ্চয়তি (বঞ্চনা কৰে)। এবং বিধয়াপি (এনে হলেও) চ অনয়া দুৰাচাৰয়া (আৰু এই দুৰাচাৰিণী (লক্ষ্মীয়ে)) কথমপি (কিবা প্রকাৰে বা কথমপি) দৈৱবশেন (অদৃষ্টবশতঃ) পৰিগৃহীতা (আশ্রয় কৰিলে) বিক্লবা ভবন্তি (ব্যাকুল হৈ থাকে) ৰাজানঃ (ৰজাসকলে)। সর্বাবিনয়াধিষ্ঠানতাং চ (আৰু সকলো প্রকাৰে দুৰাচাৰ পৰায়ণতা) গচ্ছন্তি (হয়)। তথাহি (কাৰণ) অভিষেকসময় এব (অভিষেক কালতেই) চ এতেষাং (আৰু এওঁলোকৰ অর্থাৎ ৰজাসকলৰ) মঙ্গলকলশজলৈৰিব (মাঙ্গলিক কলহৰ পানীয়ে যেন) প্রক্ষাল্যতে (ধুই পেলায়) দাক্ষিণ্যম্ (সৌজন্যতা)। অগ্নিকার্য্য (যজ্ঞৰ) ধূমেনেব (ধোঁৰাই যেন) মলিনীক্রিয়তে (মলিন কৰে) হৃদয়ম (হৃদয়ক) পুৰোহিত (পুৰোহিতৰ) কুশাগ্রসংমার্জনীভিঃ (কুশবনৰ চিতিকনিয়ে যেন) অবাপনীয়তে ক্ষান্তিঃ (ক্ষমাগুণক দূৰ কৰি দিয়ে)। উষ্ণীষপট্টবন্ধেনেব (পাটকাপোৰেৰে পাগুৰি বন্ধনে যেন) আচ্ছাদ্যতে (আচ্ছাদন কৰে) জৰাগমন (বার্ধক্য আগমনৰ) স্মৰণম্ (চিন্তা), আতপত্রমণ্ডলেনেব (ৰাজছত্রই যেন) অপমার্যতে (নিবাৰণ কৰে) পৰলোকদর্শনম (পৰলোকৰ প্রতি দৃষ্টিপাত)। চামৰপবনৈৰিব (চামৰৰ বতাহে যেন) অপহিয়তে (অপহৰণ কৰে) সত্যবাদিতা (সত্যবাদিতা), বেত্রদণ্ডৈৰিব (বেতৰ লাঠীৰ দৰে যেন) উৎসার্য়ন্তে (অপসাৰিত কৰে) গুণাঃ (গুণবোৰ)। জয়শব্দকলকল ৰবৈৰিব ('জয়' শব্দৰ কলকলধ্বনিতেই যেন) তিৰস্ক্রিয়ন্তে (তল পেলাই দিয়ে) সাধুবাদা (প্রশংসাবোৰ)। ধ্বজপটপল্লবৈৰিব (পতাকাৰ কাপোৰত সংলগ্ন আম পাত আদি যেন) পৰামৃশ্যতে (মুছি পেলায়) যশঃ (যশ খ্যাতি)। তথাহি (সেইদৰে) কেচিৎ (কোনো কোনো ৰজাই) শ্রমবশঃ (পৰিশ্রমৰ বাবে) শিথিল (শিথিল বা ঢিলা হৈ পৰা) শকুনিগলপুট (চৰাইৰ ডিঙিৰ দৰে) চটুলাভিঃ (চঞ্চল) খদ্যোতোন্মেষমুহূর্তমনোহৰভিঃ (জোনাকী পৰুৱাৰ পোহৰৰ দৰে মুহূর্তৰ বাবে সুন্দৰ) মনস্বিজনগর্হিতাভিঃ (জ্ঞানীলোকৰ দ্বাৰা নিন্দিত) সংপদ্ভিঃ (সম্পদবোৰৰ দ্বাৰা) প্রলোভ্যমানাঃ (প্রলুব্ধ হৈ) ধনলবলাভাবলে (সামান্য ধনৰ লোভৰ অহংকাৰত) বিস্মৃত (বিস্মৃত হৈ) জন্মানঃ (জন্মবৃত্তান্ত) অনেকদোষোপচিতেন (নানা প্রকাৰৰ দোষ বৃদ্ধি প্রাপ্ত হৈ) দোষাসৃজেব (দূষিত তেজৰ দৰে) ৰাগাবেশেন (বিষয় আসক্তিৰ দ্বাৰা) বধ্যমানাঃ (যন্ত্রণা ভোগ কৰি কৰি), বিবিধবিষয় গ্রাসলালসৈঃ (নানা প্রকাৰৰ বিষয় গ্রহণ কৰাৰ লালসাত) পঞ্চভিঃ অপি (পঞ্চসংখ্যক হলেও) অনেক সহস্রসংখ্যৈৰিব (বহু হাজাৰ সংখ্যকৰ দৰে) ইন্দ্রিয়ৈঃ (ইন্দ্রিয়সমূহৰ দ্বাৰা) আয়স্যমানাঃ (কষ্ট ভোগ কৰি কৰি), প্রকৃতিচঞ্চলতয়া (স্বভাৱতে চঞ্চল বুলি) লব্ধপ্রসৰেণ (নানা বিষয়ৰ প্রতি আকর্ষিত হয়) একেনাপি (এটা হ'লেও) শতসহস্রতাম ইব উপগতেন (যেন শত-সহস্রপ্রাপ্ত) মনসা (মোৰ দ্বাৰা) আকুলীক্রিয়মাণা (আকুল হৈ) বিহ্বলতামুপয়ান্তি (বিহ্বল বা কাতৰ হৈ পৰে)। গ্রহৈৰিব (দুষ্ট গ্রহবোৰে যেন) গৃহ্যন্তে (আশ্রয় গ্রহণ কৰে)। ভূতৈৰিব (ভূতৰ দৰে) অভিভূয়ন্তে (অভিভূত হয়)। মন্ত্রৈৰিব (মন্ত্রশক্তি যেন) আবেশ্যন্তে (বশীভূত হয়)। সত্বৈৰিব

(জন্তুবোৰে যেন) অবষ্টভ্যন্তে (বলপূৰ্বক গ্ৰহণ কৰে), বায়ুনেব (বায়ুৰোগে যেন) বিড়ম্ব্যন্তে (ইতস্ততঃভাবে চলি থাকে), পিশাচৈৰিব (পিশাচৰ দৰে) গ্ৰস্যন্তে (গ্ৰাস কৰি পেলায়)। মদনশৰৈঃ (মদন বা কামদেৱৰ শৰত) মৰ্মহিতা ইব (মৰ্মাহত হৈ) মুখভঙ্গসহস্ৰাণি কুৰ্বতে (হাজাৰ ধৰণেৰে মুখভঙ্গী কৰে), ধনোষ্মণা (ধনগৰ্বৰ উত্তাপত) পচ্যমানা ইব (দগ্ধ হৈ যেন) বিচেষ্টন্তে (ভাবভঙ্গী কৰে)। গাঢ়প্ৰহাৰাহতাইব (প্ৰচণ্ড প্ৰহাৰত আহত হৈ যেন) অঙ্গানি (নিজৰ শৰীৰ) ন ধাৰয়ন্তি ধাৰণ কৰিব নোৱাৰে)। কুলীৰা ইব (কেকোঁৰাৰ দৰে) তিৰ্যক্‌বংপৰিভ্ৰমন্তি (বেঁকাকৈ যায়), অধৰ্মভগ্নগতয়ঃ (পাপৰ প্ৰতি গমনৰ বাবে শক্তি নোহোৱা হৈ পৰাত) পঙ্গব ইব (পঙ্গুৰ দৰে) পৰেণ (পৰৰ সহায়ত বা আনৰ দ্বাৰা) সংচাৰ্যন্তে (চালিত হয়), মৃষাবাদ (মিছা ভাষণৰ দৰে) বিপাকসংজাত (বিষ বিকাৰৰ বাবে উৎপন্ন) মুখৰোগা ইব (মুখৰ ৰোগৰ দৰে) অতিকৃচ্ছ্ৰেণ (অতি কষ্টেৰে) জল্পন্তি (কথা কয়)। সপ্তচ্ছদ-তৰব ইব (সপ্তপৰ্ণ বা ছতিয়না গছৰ দৰে) কুসুমৰজোবিকাৰৈঃ (ফুলৰ ৰেণুৰ বিকাৰৰ দ্বাৰা) পাৰ্শ্ববৰ্তিনাং (ওৰচৰ লোকসকলৰ) শিৰঃ শূলম্ (মূৰৰ বিষ) উৎপাদয়ন্তি (উৎপাদন কৰে)। আসন্নমৃত্যব ইব (মূমূৰ্ষ ব্যক্তিৰ দৰে) বন্ধুজনমপি (বন্ধুসকলেও) নাভিজানন্তি (চিনি পাব নোৱাৰে)। উৎকম্পিতলোচনা ইব (চকুৰ অসুখ হোৱা ব্যক্তিয়ে যিদৰে) তেজস্বিনঃ (তেজস্বী পদাৰ্থৰ ফালে) ন ইক্ষন্তে (চাব নোৱাৰে), কালদষ্টা ইব (কালসৰ্পই দংশন কৰা মানুহে যিদৰে) মহামন্ত্ৰৈৰপি (মহামন্ত্ৰৰ দ্বাৰাও) ন প্ৰতিবুধ্যন্তে চেতনা লাভ নকৰে), জাতুষাভৰণানীব (লাক্ষাৰে নিৰ্মিত অলঙ্কাৰৰ দৰে) সোষ্মাণং ন সহন্তে (অগ্নিৰ উত্তাপ সহ্য কৰিব নোৱাৰে), দুষ্টবাৰণা ইব (দুষ্ট হাতীবোৰে যিদৰে) মহামানাস্তম্ভ নিশ্চলীকৃতা (বিশাল খুটাত বান্ধি থোৱা নিশ্চল হৈয়ো) ন গৃহ্নন্ত্যপদৈশম্ (মাউতৰ উপদেশ বা নিৰ্দেশ স্বীকাৰ নকৰে) তৃষ্ণাবিষমূৰ্চ্ছিতাঃ (বিষয় - বাসনাৰূপ বিষয়ৰ দ্বাৰা বিভ্ৰান্ত হৈয়ো) কনকময়মিব (ধনশালী বা সম্পদশালী) সৰ্ব পশ্যন্তি (সকলোকে দেখে বা সমস্ত জগতক দেখে)। ইষব ইব (শৰে (বাণে) যিদৰে) পানবৰ্ধিততৈক্ষ্ণ্যাঃ (তীক্ষ্ণতা বৰ্দ্ধিত হৈ) পৰপ্ৰেৰিতা (আনৰ দ্বাৰা প্ৰেৰিত হৈ) বিনাশয়ন্তি (বিনাশ বা ধ্বংস কৰে), দূৰস্থিতান্যপি (দূৰৈত থাকিলেও) ফলানি (ফলৰ দৰে) দণ্ডবিক্ষেপৈঃ (লাঠী নিক্ষেপৰ দ্বাৰা) মহৎকুলানি (সৎবংশজাত মানুহক) পাতয়ন্তি (স্খলিত কৰে)। অকালকুসুম প্ৰসবা ইব (অকালতে ফুলা ফুলৰ দৰে) মনোহৰাকৃতয়োহপি (সুন্দৰ আকৃতিৰ হ'লেও) লোকবিনাশহেতবঃ (লোক বিনাশৰ কাৰণ হয়)। শ্মশানাগ্নয় ইব (শ্মশানৰ অগ্নিৰ দৰে) অতিৰৌদ্ৰভূতয়ঃ (অত্যন্ত ভয়ঙ্কৰ হয়), তৈমিৰিকা ইব (চকুৰ ৰোগ হোৱা ব্যক্তিৰ দৰে) অদূৰদৰ্শিনঃ (দূৰৰ একো দেখা নাপায়), উপসৃষ্টা ইব (বাৰবণিতাসকলৰ ঘৰৰ দৰে) ক্ষুদ্ৰাধিষ্ঠিতভৱনাঃ (কামুক লোকৰ আশ্ৰয় হয়)। শ্ৰূয়মাণা অপি (নাম শুনিলেও) প্ৰেতপটহা ইব (দাহকালীন ঢালৰ শব্দৰ দৰে) উদ্বেজয়ন্তি (উদ্বেগ জন্মায়), চিন্ত্যমানা অপি (চিন্তা কৰিলেও) মহাপাতকাধ্যৱসায়া ইব (মহাপাতক অনুষ্ঠান কৰিবৰ বাবে উদ্যমৰ দৰে) উপদ্ৰবমুপজনয়ন্তি (মনত অশান্তি জন্মায়), অনুদিৱসম্ (প্ৰতিদিন) অপূৰ্যমাণাঃ (পৰিপূৰ্ণ হওঁতে হওঁতে) পাপেনেব (পাপৰ দ্বাৰাই যেন) আধ্মতমূৰ্তয়ো ভৱন্তি (দেহ স্ফীত (ডাঙৰ) হৈ থাকে), তদৱস্থাশ্চ (আৰু সেই অৱস্থাত) ব্যসনশতসংখ্যতামুপগত (কামক্ৰোধ আদি দোষৰ দৰে শত শত দোষৰ আশ্ৰয় হয় (ৰজাসকল),

বল্মীক (উইঁহাফলুৰ) তৃণাগ্রাবস্থিতা (তৃণ বা সৰু বণৰ অগ্রবর্তী) জলবিন্দব ইব (পানীৰ বিন্দুৰ দৰে) পতিতম্ অপি (পৰিলেও) আত্মানং (নিজকে) নাবগচ্ছন্তি (বুজিব নোৱাৰে)। অপৰে তু (অন্যসকলে অর্থাৎ আন ৰজাসকলে কিন্তু) স্বার্থনিষ্পাদনপৰৈঃ (নিজ স্বার্থ সিদ্ধি পৰায়ণ) ধনপিশিতগ্রাসগৃধ্রৈন (ধন সম্পদৰূপ মাংসৰ গ্রাসত লুভীয়া শগুণৰ দল) আস্থাননলিনীধূর্তবকৈ (ৰাজসভাৰ দৰে পদ্মবনত থকা বগলীৰ জাক) দ্যূতং (পাশাখেলক) বিনোদ অতি (ক্রীড়াবিলাস মাথোন) পৰদাৰাভিগমনং (পৰস্ত্রীগমন) বৈদগ্ধ্যমিতি (চতুৰতা) মৃগয়াং শ্রম ইতি (মৃগয়া পৰিশ্রমৰ বিষয়) পানম্ (মদ্যপান) বিলাস ইতি (বিলাসিতা) প্রমত্ততাং (অসাৱধানতা) শৌর্যমিতি (বীৰত্ব), স্বদাৰ পৰিত্যাগ (নিজপত্নী ত্যাগ) অব্যসনিতেতি (অসক্ততা), গুৰুবচনাবধীৰপম (গুৰুজনৰ কথা অনাদৰ কৰা) অপৰপ্রণেয়ত্বমিতি (আনৰ কথাত চালিত নোহোৱা), অজিতভৃত্যতাং (ভৃত্য বা অনুচৰসকলক স্বাধীনভাৱে চলিবলৈ দিয়া) সুখোপসেব্যত্বমিতি (সুখেৰে ৰাজসেৱাৰ সুযোগ দিয়া), নৃত্তগীতবাদ্যবেশ্যাভিসক্তি (নৃত্য, গীত, বাদ্য আৰু বেশ্যাৰ প্রতি আসক্তি) ৰসিকতেতি (ৰসিকতাৰ পৰিচয়), মহাপৰাধাৱকর্ণমং (গুৰুতৰ অপৰাধো নুশুনা) মহানুভাবতেতি (মহানুভাৱতাৰ পৰিচয়) পৰাভৱসত্বং (আনৰ ওচৰত অপমান সহ্য কৰাতো) ক্ষমেতি (ক্ষমা), স্বচ্ছন্দতাং (স্বেচ্ছাচাৰিতা) প্রভূত্বমিতি (হ'ল প্রভূত্ব), দেৱাৱমানং (দেৱতাসকলৰ অবমাননা) মহাসত্ত্বতেতি (মহাশক্তিশালীতাৰ পৰিচয়) ৰন্দিজনখ্যাতিং (স্তুতিপাঠকসকলৰ স্তুতি) যশ ইতি (হ'ল যশ), তৰলতা (চঞ্চলতা) উৎসাহ ইতি (উৎসাহ), অবিশেষজ্ঞতা (ভাল-বেয়া বিচাৰ নকৰা) অপক্ষপাতিত্বমিতি (পক্ষপাতিত্বশূন্যতাৰ পৰিচয়), দোষানপি (দোষবোৰকো) গুণপক্ষমধ্যাৰোপয়ন্তিৰন্তঃ (গুণৰ পর্যায়ত আৰোপ কৰি অন্তৰে অন্তৰে) স্বয়মপি (নিজেও) ৰিহসদ্ভিঃ (হাঁহি হাঁহি) প্রতাৰণকুশলৈঃ (প্রতাৰণাত নিপুণ) ধূর্তৈঃ (ধূর্ত বা টেঙৰ সকলে) অমানুষলোকোচিতাভিঃ (মানুহৰ ক্ষেত্রত প্রযোজ্য নহয় এনে) স্তুতিভিঃ (স্তুতিৰ দ্বাৰা) প্রতার্যমাণাঃ (প্রতাৰণা কৰি থাকে), বিত্তমদমত্তচিত্তা (ধনৰ অহংকাৰেৰে উন্মত্তচিত্ত মানুহে) নিশ্চেতনতয়া (চৈতন্য হেৰুৱাই) তথৈৱ (সেইদৰেই) ইতি আত্মনি (নিজৰ ওপৰতে) আৰোপিতালোকাভিমানাঃ (মিছা অভিমান আৰোপ কৰি থাকে) মর্ত্যধর্মাণঃ অপি (সত্যত গুণবিশিষ্ট অর্থাৎ মৰণশীল হৈয়ো) দিব্যাংশাৱতীর্ণমিৱ (দেৱতাৰ অংশত অৱতীর্ণ হোৱাৰ দৰে) সদৈৱতমিব (দেৱসক্তিসম্পন্নৰ দৰে) অতিমানুষম্ (অতিমানৱৰূপে) আত্মানম্ (নিজকে) উৎপ্রেক্ষমানাঃ (কল্পনা কৰি) প্রাৰব্ধ (আৰম্ভ কৰি) দিব্যোচিত (দেৱতাৰ উপযুক্ত) চেষ্টানুভাবাঃ (কার্য্য আৰু প্রভাৱ) সর্বজনস্য (সকলো লোকৰ) উপহাস্যতাম (উপহাসৰ পাত্র) উপয়ান্তি (হৈ থাকে) আত্মৱিড়ম্বনাং চ (আৰু নিজৰ বঞ্চনা) অনুজীৱিনা জনে (ভৃত্য বা অনুচৰৰ দ্বাৰা) ক্রিয়মাণাম (কৰা হ'লে) অভিনন্দন্তি (প্রশংসা কৰে)। মনসা (মনৰ দ্বাৰা) দেৱতাধ্যাৰোপণ (দেৱত্ব আৰোপৰ বাবে) প্রতাৰণাদসদ্ভূত (প্রতাৰণা হেতু) সম্ভাৱনোপহতাঃ চ (অসম্ভৱ সম্ভৱৰূপ চিন্তাত হতবুদ্ধি হৈ) অন্তঃ প্রৱিষ্টা (নিজৰ মাজতে লুকাই আছে) অপৰ ভূজদ্বয়ম্ ইব (আন আৰু দুটা বাহু) আত্মবাহুযুগলং (নিজৰ বাহু দুটাক) সম্ভাৱয়ন্তি (ভাবে বা সম্ভাৱনা কৰে)। ত্বগন্তৰিত (ছালৰ মাজতে আছে) তৃতীয় লোচনং (তৃতীয় নয়ন বা চকু) স্বললাটম (নিজৰ কপালকে) আশঙ্কতে

(আশংকা কৰি থাকে বা ভাবি থাকে)। দর্শন প্রদানম্ (দেখা দিয়াকো) অনুগ্রহং গণয়ন্তি (দয়া বুলি গণ্য কৰে)। দৃষ্টিপাতম্ অপি (দৃষ্টি পাতকো) উপকাৰপক্ষে (উপকাৰ বুলি) স্থাপয়ন্তি (ধৰি থাকে)। সম্ভাষণমপি (কথা কোৱাকো) সংবিভাগমধ্যে কুর্বন্তি (দান বুলি ভাবে)। আজ্ঞামপি (আদেশ কৰাকো) বৰ প্রদানং (বৰদান বুলি) মন্যন্তে (ভাবে)। স্পর্শমপি (স্পর্শকো) পাৱনম্ (পৱিত্রতাৰ সাধন বুলি) আকলয়ান্তি (কল্পনা কৰে)। মিথ্যমাহাত্ম্য (মিছা মাহাত্ম্যৰ) গর্বনির্ভৰাশ্চ (গর্বৰে পূর্ণ হৈ) ন প্রণমন্তি (প্রণাম নকৰে) দেৱতাভ্যঃ (দেৱতা সকলক)। ন পূজয়ন্তি (পূজা নকৰে) দ্বিজাতীন্ (ব্রাহ্মণসকলক)। ন মানয়ন্তি (সন্মান নকৰে) মান্যান্ (মাননীয়সকলক) নার্চয়ন্তি (অর্চনা নকৰে) অর্চনীয়ান্ (পূজনীয়সকলক)। নাভিবাদয়ন্তি (অভিবাদন নকৰে), অভিবাদনার্হান (অভিবাদনযোগ্যসকলক)। ন অভ্যুত্তিষ্ঠন্তি (উঠি সন্মান নেদেখুৱাই) গুৰুন্ (গুৰুজনক)। অনর্থকায়াসান্তৱিত উপভোগসুখম্ ইতি (বৃথা পৱিশ্রমৰ দ্বাৰা বিষয় সম্ভোগৰ সুখ অস্বীকাৰ কৰা বুলি ভাবি) উপহসন্তি (উপহাস কৰে) বিদ্বজ্জনম্ (বিদ্বানসকলক)। জৰাবৈক্লব্য (বৃদ্ধ অৱস্থাৰ বাবে) প্রলাপিতমিতি (প্রলাপ বকিছে বুলি) পশ্যন্তি (ভাৱি) বৃদ্ধোপদেশম্ (বৃদ্ধৰ উপদেশক) আত্মপ্রজ্ঞা পৱিভৱ ইব (নিজৰ বুদ্ধিৰ পৰাজয় বুলি ভাবি) অসূয়ন্তি (দোষ আৱিস্কাৰ কৰে) সচিবোপদেশায় (মন্ত্রীসকলৰ উপদেশৰ)। কুপ্যন্তি (ক্রোধ বা খং কৰে) হিতবাদিনে (ভাল কথা কোৱা সকলক)। সর্বথা (সদায়) তম্ অভিনন্দন্তি (তেওঁক অভিবাদন জনায়) তম্ আলপন্তি (তেওঁৰ লগত কথা-বার্তা কয়) তং পার্শ্বে কুর্বন্তি (তেওঁক কাষত বহায়) তং সংবর্ধয়ন্তি (তেওঁক সম্বর্ধিত কৰে) তেন সহ (তেওঁৰ লগত) সুখমৱতিষ্ঠন্তে (মুখেৰে অৱস্থান কৰে) তস্মৈ (তেওঁক) দদতি (দান কৰে), তম্ (তেওঁক বা তেওঁৰ লগত) মিত্রতামুপজনয়ন্তি (বন্ধুত্ব কৰে), তস্য (তেওঁৰ) বচনং (কথা) শৃন্বন্তি (শুনে), তত্র (তাত) বর্ষন্তি (ধন বর্ষণ কৰে), তম্ (তেওঁক) বহু মন্যন্তে (বহু সন্মান কৰে), তম্ আন্ততাম (তেওঁ বিশ্বাসী বুলি) উপাদয়ন্তি (ভাৱে), যঃ (যিজনে) অহর্নিশম্ (দিনে-ৰাতিয়ে), অনবৱতম্ (অনবৱতে) উপৱচিতাঞ্জলিঃ (হাতযোৰ কৰি থাকে), অধিদৈৱতমিৱ (দেৱতা জ্ঞান কৰি) বিগতান্যকর্তব্যঃ (আন কর্তব্য বা কর্ম শেষ কৰি) স্তৌতি (স্তুতি কৰে), য়ো বা (অথবা যিজনে) মাহাত্ম্যমুদ্ভাৱয়তি (মহিমা কীর্তন কৰে), কিং বা তেষাম্ (কোনটোৱেই বা তেওঁলোকৰ) সাংপ্রতং (যুক্তিযুক্ত বা ন্যায় সঙ্গত), য়েষাম (যাৰ ওচৰত) অতিনৃশংস (অতি নৃশংস) প্রয়োগ দেশনিঘৃণং (উপদেশেৰে পৱিপূর্ণ আৰু অতি নির্দয়) কৌটিল্যশাস্ত্রং (কৌটিল্য প্রণীত নীতি শাস্ত্র) প্রমাণম্ (প্রমাণ হিচাপে স্বীকৃত) অভিচাৱক্রিয়াঃ (অভিচাৰ ক্রিয়া কৰা) ক্রুৱৈকপ্রকৃতয়ঃ (অতি ক্রুৰস্বভাৱৰ) পুৱোধসো (পুৱোহিতসকল) গুৰবং (যাৰ গুৰু), পৱাভিসংধানপৱা (পৱপ্রতাৱণা পৱায়ণ) মন্ত্রিণঃ (মন্ত্রীসকল) উপদেষ্টাৱঃ (যাৰ উপদেষ্টা), নৱপতিসহস্র (হাজাৰ হাজাৰ ৰজাই) ভুক্তো (ভোগ কৰি) উজ্ঝিতায়াং (পৱিত্যাগ কৰা) লক্ষ্মীম্ (লক্ষ্মীদেৱীৰ প্রতি) আসক্তিঃ (যাৰ আসক্তি), মাৱণাত্মকেষু (মাৱাত্মক) শাস্ত্রেষু (তন্ত্রশাস্ত্রৰ প্রতি) অভিয়োগঃ (যাৰ আগ্রহ) সহজপ্রেমার্দ্রহৃদয়ানুৱক্তা (স্বাভাৱিক স্নেহবশতঃ সদয়চিত্ত আৰু অনুৱক্ত) ভ্রাতৰ (ভাতৃসকল) উচ্চেদ্যাঃ (উচ্ছেদৰ যোগ্য হয়)।

তদেৱং (গতিকে) প্রায়াতিকুটিলকষ্টচেষ্টা সহস্রদাৱুণে (প্রায় এই জাতীয় অত্যন্ত জটিল

আৰু কষ্টকৰ কার্য) ৰাজ্যতন্ত্রে (ৰাজ্য শাসনৰ ক্ষেত্রত) অস্মিন্ (এই) মহামোহকাৰিণি চ যৌৱনে (আৰু অতি মোহকাৰিনি বিবেকশূন্যকাৰিণি যৌৱন কালত) কুমাৰ (হে কুমাৰ) যথা (য'ত) নোপহস্যসে জনৈঃ (মানুহে উপহাস নকৰে), ন নিন্দ্যসে সাধুভিঃ (সৎলোকে নিন্দা নকৰে), ন ধিক্‌ক্রিয়সে (ধিক্কাৰ নিদিয়ে) গুৰুভিঃ (গুৰুজনে), নোপলভ্যসে (তিৰস্কাৰ নকৰে) সুহৃদ্ভিঃ (সুহৃদসকলে), ন শোচ্যসে (শোক নকৰে) বিদ্বদ্ভিঃ (পণ্ডিতসকলে)। যথা (যিদৰে) চ (আৰু) ন প্রকাশ্যসে (প্রকাশ নকৰে) বিটৈঃ (লম্পটবোৰে) ন প্রতার্যসে (উপহাস নকৰে) কুশলৈঃ (দক্ষজনে), ন আস্বাদ্যসে (ভোগ নকৰে) ভূজঙ্গৈঃ (কামুকসকলে), নাৱলুপ্যসে (অন্যায়ভাৱে লুণ্ঠন নকৰে) সেৱকবৃকৈঃ (সেৱকৰূপী কুকুৰনেচীয়া বাঘবোৰ), ন বঞ্চ্যসে (বঞ্চনা নকৰে) ধূর্তৈঃ (ধূর্তসকলে), ন প্রলোভ্যসে (প্রলোভিত নকৰে) ৰনিতাভিঃ (নাৰীসকলে) ন বিড়ম্ব্যসে (ভেঙুচালি নকৰে) লক্ষ্ম্যা (লক্ষ্মীদেৱীয়ে), ন নর্তসে (ননচুৱায়) মদেনেন (অহঙ্কাৰে), নাক্ষিপ্যসে (আকর্ষণ নকৰে) বিষয়ৈঃ (বিষয়সমূহে), নৱকৃষ্যসে (আকর্ষিত নহয়) ৰাগেন (আৱেগেৰে), ন অপহ্রিয়সে (অপহৰণ নকৰে) সুখেন (সুখে)। (প্রকৃত্যৈৱ ধীৰঃ (যদিও তুমি স্বভাৱতেই ধীৰ বা শান্ত), পিত্রা চ (আৰু পিতৃৰ দ্বাৰা) সমাৰোপিত সংস্কাৰঃ (যথেষ্ট সুশিক্ষিত), তৰলহৃদয় (চঞ্চল মনৰ) প্রতিবুদ্ধং চ (আৰু অভুক্তভোগী মানুহক) মদয়ন্তি (উন্মাদ কৰে) ধনানি (ধন-সম্পত্তিয়ে) তথাপি (তথাপিও) ভৱগদুণসন্তোষো (তোমাৰ গুণৰ বাবে সন্তোষতে) মামেৱং (মোক এনেদৰে) মুখৰীকৃতবান্ (মুখৰ কৰিছে)। ইদমেৱ চ (আৰু এইটোৱেই) পুনঃ পুনঃ (বাৰে বাৰে) অভিধীয়সে (কৈছে)— বিদ্বাংসমপি (বিদ্বানকো) সচেতনমপি (সাৱধান হ'লেও) মহাসত্ত্বমপি (মহান হ'লেও) অভিজাতমপি (সৎবংশজাত হ'লেও) ধীৰমপি (ধীৰ স্বভাৱৰ হ'লেও) প্রয়ত্নৱন্তমপি (যত্নবান হ'লেও) পুৰুষমিয়ং (এই পুৰুষক) দুর্বিনীতা (উদ্ধত স্বভাৱৰ) খলীকৰোতি (দুষ্ট কৰি তোলে) লক্ষ্মীৰিতি (ৰাজলক্ষ্মীয়ে)। সর্বথা (সকলো প্রকাৰে) কল্যাণৈঃ (কল্যানৰ সৈতে) পিত্রা (পিতৃৰ দ্বাৰা) ক্রিয়মানম্ (অনুষ্ঠিত) অনুভৱতু (অনুভৱ কৰা) ভবান্ (আপুনি) নৱযৌৱৰাজ্যাভিষেকমঙ্গলম্ (নতুন যুৱৰাজ্যাভিষেকৰ মঙ্গল) কুলক্রমাগতাম্ (বংশ পৰম্পৰাগত) উদ্বহ (বহন কৰা) পূর্বপুৰুষৈঃ (পূর্বপুৰুষসকলে কৰা) উঢ়াম্ (ধৰা) ধুৰম্ (ভাৰক)। অৱনময় (অবনত কৰা) দ্বিষতাং (শত্রুৰ) শিৰাংসি (শিৰসমূহ)। উন্নময় (উন্নীত কৰা) স্ববন্ধুবর্গম্ (নিজৰ বন্ধুবর্গক)। অভিষেকানন্তৰং চ (আৰু (ৰাজ্য) অভিষেকৰ পিছত) প্রাৰব্ধ (আৰম্ভ কৰা) দিগ্বিজয়ঃ (দিগ্বিজয় যাত্রা) পৰিভ্রমণ (ভ্রমণ কৰি কৰি) বিজিতামপি (জয়ী হলেও) তৱ পিত্রা) তোমাৰ পিতৃৰ দ্বাৰা) সপ্তদ্বীপভূষণা (সপ্ত দ্বীপেৰে ভূষিত বা অলংকৃত) পুনর্বিজয়স্ব (নিজে পুনৰ জয় কৰা) বসুন্ধৰাম্ (পৃথিৰীক)। অয়ং চ (আৰু ইয়ে) তে কালঃ (তোমাৰ সময়) প্রতাপম্ (পৰাক্রম) আৰোপয়িতুম্ (অবলম্বন কৰাৰ)। আৰূঢ়ং প্রতাপো ৰাজা (যিহেতু পৰাক্রমী ৰজাই) ত্রৈলোক্যদর্শীব (ত্রিলোকদর্শীৰ দৰে) সিদ্ধাদেশো ভৱতি (অব্যর্থ ভাৱে থাকে)।' ইতি তাৱদ্ অভিধায় (এইখিনিলৈকে কৈ) উপশশাম (বিৰত হ'ল)। উপশান্তবচসি (কথা কোৱাৰ পৰা বিৰত হোৱা) শুকনাসে (শুকনাস) চন্দ্রাপীড় (চন্দ্রাপীড়ঃ) তাভিঃ উপদেশবাগ্‌ভিঃ (সেই উপদেশ বাক্যৰ দ্বাৰা) প্রক্ষালিত ইৱ (যেন প্রক্ষালিত হৈ) উন্মীলিত ইব (যেন প্রবোধিত হৈ) স্বচ্ছীকৃত ইব (যেন নির্মল হৈ) নিমৃষ্ট ইৱ (যেন মসৃণ হৈ) অভিষিক্ত ইব (যেন স্নাত হৈ) অভিলিপ্ত ইৱ

(যেন অভিলিপ্ত হৈ) অলংকৃত ইব (যেন অলংকৃত হৈ) পবিত্রীকৃত ইব (যেন পৱিত্র হৈ) উদ্ভাসিত ইব (যেন আলোকিত হৈ) প্রীতহৃদয়ো (আনন্দমনেৰে) মুহূর্ত স্থিত্বা (অলপসময় থাকি) স্বভৱনম্ (নিজ গৃহ অভিমুখে) আজগাম (প্রত্যাৱর্তন কৰিলে)।



জানি থোৱা ভাল

কালকূট বিষ ঃ ৰৱবিহ, এয়া খালেই প্রাণ যায়। সাগৰ মন্থনত উৎপন্ন হোৱা বিহকো কালকূট বোলা হয়। যি বিষ পাণ কৰি সদাশিৱ নীলকণ্ঠ হৈছিল।

হিমেজু ঃ বলিয়া-তিওৱা হাতীৰ কুমৰ পৰা কাণ-সঁতাইদি বাহিৰলৈ ওলোৱা ৰস। যাৰ আন এটা নাম মদবাৰি।

অষ্টবসু ঃ আঠজনা বসুৰ একশ্রেণীৰ গণদেৱতাক অষ্টবসু বোলে। মহাভাৰতৰ আদিপর্বত থকা মতে তেওঁলোক হ'ল— ধৰ, ধ্রুৱ, সোম, অহৰ, অনিল, অনল, প্রত্যুষ আৰু প্রভাস। বিষ্ণুপু�ৱাণৰ মতে অষ্টবসু হ'ল— আপ, ধ্রুৱ, সোম, ধর্ম, অনিল, অনল, প্রত্যুষ আৰু প্রভাস। শ্রীমদ্ভাগৱতপুৱাণত পোৱা নামবোৰ হৈছে— দ্রোণ, প্রাণ, ধ্রুৱ, অর্ক, অগ্নি, দোষ, বসু আৰু বিভাৱসু। হৰিবংশত থকা অষ্টবসুৰ নামবোৰ এনেধৱণৰ— অখ, ধৰ, ধ্রুৱ, সোম, অনিল, অনল, প্রত্যুষ আৰু প্রভাস।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শুকনাস কোন আছিল?

.....

প্রশ্ন নং ২ঃ শুকনাসে কাক উপদেশ দিছিল?

.....

প্রশ্ন নং ৩ঃ কিহৰ অহংকাৰ আটাইতকৈ বেছি?

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি 'কাদম্বৰী' কাব্যৰ 'শুকনাসোপদেশঃ' নামৰ পাঠটোত বর্ণিত ৰাজতন্ত্রৰ বিষয়ে অৱগত হ'ল। শুকনাস নামৰ তাৰাপীড়ৰ মন্ত্রীজনে চন্দ্রাপীড়ৰ যৌৱ্যৰাজ্যাভিষেকৰ আগমুহূর্তত যিখিনি উপদেশ প্রদান কৰিলে সেই উপদেশ সকলো ৰজাই দৰাচলতে পালন কৰা উচিত। বাণভট্টই প্রকৃততে শুকনাসৰ উপদেশৰ যোগেদি প্রত্যেকজন শাসনকর্তাকে ৰাজতন্ত্রৰ শাসনাৱলীৰ নীতি-নিয়মসমূহ জনাব বিচাৰিছে। বিদ্বান, সর্বশাস্ত্রজ্ঞ ৰজাসকলো যে সম্পদ লাভ কৰি মোহাচ্ছন্ন হৈ পৰে তাকে কবিয়ে এই উপদেশৰ জৰিয়তে

প্রকাশ কৰিছে। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি এই সকলোবোৰ বিশদভাৱে জানিব পাৰিলে। তদুপৰি মূল সংস্কৃত পাঠ্যাংশৰ লগতে প্রতিটো সংস্কৃত শব্দৰ অসমীয়া অর্থ পঢ়িবলৈয়ো সক্ষম হ'ল। লগতে এই অধ্যায়টোৰ যোগেদি বাণভট্টৰ লিখনিৰ বৈশিষ্ট্যসমূহৰ বিষয়েও এটি সম্যক ধাৰণা লাভ কৰিলে।



৫.৬ অধিক জানিবলৈ

১) কালে, এম্, আৰ্ (১৯৬৮) (সম্পাদিত), কাদম্বৰী, পূর্বভাগ, দিল্লী ঃ তত্ত্বপ্রকাশিকা টীকা।

২) শর্মা প্রভাত চন্দ্র, (২০০০) কাদম্বৰী (অনুবাদ), উত্তৰ গুৱাহাটী ঃ আবিলেক।

৩) ভট্টাচার্য নীৰদবৰণ, (সম্পাদিত) কাদম্বৰী (শুকনাসোপদেশঃ), কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ



৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ শুকনাস আছিল উজ্জয়িনীৰ ৰজা তাৰাপীড়ৰ মন্ত্রী।

২ নং প্রশ্নৰ উত্তৰঃ শুকনাসে ৰজা তাৰাপীড়ৰ পুত্র চন্দ্রাপীড়ক উপদেশ দিছিল।

৩ নং প্রশ্নৰ উত্তৰঃ সম্পদৰ অহংকাৰ আটাইতকৈ বেছি।



৫.৮ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন ঃ

প্রশ্ন ১ঃ চমুটোকা লিখক- অষ্টবসু।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ 'শুকনাসোপদেশঃ' নামৰ পাঠটিৰ সাৰাংশটো লিখক।

প্রশ্ন ২ঃ মন্ত্রী শুকনাসে লক্ষ্মীদেৱীৰ চঞ্চলতাৰ বিষয়ে কৰা মন্তব্যখিনিৰ এটি টোকা প্রস্তুত কৰক।

*** ***** ***

অধ্যায় ৬ ঃ কাদম্ববী - শুকনাসোপদেশঃ (অসমীয়া পাঠ)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ মূল শুকনাসোপদেশৰ সংস্কৃত পাঠৰ অসমীয়া অনুবাদ
৬.৪ 'শুকনাসোপদেশঃ' পাঠটিৰ সাৰাংশ
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'কাদম্ববী' কাব্যত বর্ণিত শুকনাসৰ উপদেশসমূহৰ বিষয়ে অসমীয়া পাঠ পঢ়িব পাৰিব
- শুকনাসোপদেশ পাঠটিৰ অসমীয়া সাৰাংশ পঢ়িবলৈ পাব।

৬.২ পৰিচয়

ইতিমধ্যেই আপুনি পূর্বৰ অধ্যায়ত সংস্কৃত সাহিত্যৰ উজ্জ্বল নক্ষত্রস্বৰূপ গদ্যকাৰ বাণভট্টৰ বিষয়ে জানিব পাৰিলে। লগতে তেওঁৰ বিখ্যাত গদ্যকাব্য 'কাদম্ববী'ৰ বিষয়েও জানিব পাৰিলে। 'কাদম্ববী' কাব্যত 'শুকনাস উপদেশ ঃ' নামৰ এটি ভাগ আছে। শুকনাস আছিল অবন্তী দেশৰ ৰাজধানী উজ্জয়িনীৰ ৰজা তাৰাপীড়ৰ মন্ত্রী। তাৰাপীড়ৰ পুত্র আছিল চন্দ্রাপীড়। এই চন্দ্রাপীড়ৰ যৌবৰাজ্য অভিষেক কালত মন্ত্রী শুকনাসে নিপুণভাবে ৰজাৰ কর্তব্য-অকর্তব্যৰ বিষয়ে কুমাৰক নানা উপদেশ দিছিল। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি শুকনাসে দিয়া উপদেশসমূহৰ বিষয়ে অৱগত হ'ব পাৰিব। অধ্যায়টোত আপুনি শুকনাসোপদেশ পাঠটিৰ অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব। লগতে বাণভট্টৰ ৰচনাশৈলীৰ লগতো পৰিচিত হ'ব পাৰিব।

৬.৩ মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

আপুনি ইতিমধ্যে 'শুকনাসোপদেশঃ' পাঠটোৰ মূল সংস্কৃত পাঠ অধ্যয়ন কৰিলে। লগতে প্রতিটো পাঠত থকা প্রতিটো সংস্কৃত শব্দৰ অসমীয়া অর্থ জানিলে। এতিয়া আপুনি মূল সংস্কৃত পাঠৰ অসমীয়া ভাঙনি অধ্যয়ন কৰিবলৈ পাব।

বোপা চন্দ্রাপীড়, তুমি জানিব লগীয়াবোৰ জানিছা, সকলো শাস্ত্র অধ্যয়ন কৰিছা। তোমাক

অলপো উপদেশ দিব লগীয়া নাই। কেৱল স্বভাৱতে যৌৱন কালত সৃষ্টি হোৱা গহন অন্ধকাৰক সূর্য্যৰ কিৰণে ভেদিব নোৱাৰে, ৰত্নৰ পোহৰে আঁতৰাব নোৱাৰে। চাকিৰ প্ৰভাই দূৰ কৰিব নোৱাৰে। সম্পদৰ অহংকাৰ বহু বেছি হয়, অন্তিম অৱস্থাতো ইয়াৰ শেষ নহয়। ঐশ্বৰ্য্যৰ তিমিৰৰ দ্বাৰা উৎপন্ন হোৱা নেত্ৰৰ অন্ধতা বেলেগ ধৰণৰ। অঞ্জনৰ শলাকাৰে আৰোগ্য কৰিব নোৱৰা এই অন্ধতা অতি কষ্টদায়ক। দৰ্পৰূপ পোৱণি জ্বৰৰ অতি তীব্ৰ উত্তাপ শীতল বস্তুৰ উপচাৰেৰে উপশম ঘটাব পৰা নাযায়। বিষয়সমূহ হ'ল বিষ। এইবোৰৰ উপভোগৰ পৰা ওপজা মোহ কঠিন। ইয়াক নিয়মিতভাৱে ঔষধি মূল প্ৰয়োগ কৰি নাইবা মন্ত্ৰেৰে জৰা-ফুকা কৰি নিৱাৰণ কৰা নাযায়। বিষয়াসক্তিৰূপ মলৰ লেপ এৰুৱাবলৈ টান। স্নান কৰি শুদ্ধ হৈয়ো ইয়াক গুচাব নোৱাৰি। নিশাৰ অৱসানৰ পিছতো ৰাজ্যসুখৰূপ ঘোৰ নিদ্ৰাৰ প্ৰবোধ নঘটে। এইবাবেই বিস্তৰভাৱে কৈছোঁ— জন্মিবৰ দিন ধৰি ধনশালী হোৱা, অভিনৱ যৌৱন অনুপম ৰূপ আৰু অলৌকিক শক্তি— এইবোৰ লানি লগা মহান অনর্থ। এইবোৰৰ সকলো একো একোটা অবিনয়ৰ ক্ষেত্ৰ। এইবোৰৰ সমবায় ঘটিলে কি হ'ব পাৰে কি ক'ব লাগিছে? যৌৱনৰ আৰম্ভণিতে প্ৰায়ে শাস্ত্ৰৰূপে জলেৰে প্ৰক্ষালন কৰি থোৱা বুদ্ধিৰো কলুষতা ঘটে। ধৱলতা ত্যাগ নকৰিলেও যুৱকসকলৰ দৃষ্টি ৰাগান্বিত হোৱাৰ দৰে হয়। ধূলি, বালি, ঘূৰণি উঠি হোৱা বা মাৰলীয়ে শুকান পাতক বহু দূৰলৈ উৰুৱাই নিয়াৰ দৰে যৌৱনকালত ৰজোগুণে ভ্ৰম জন্মোৱা প্ৰকৃতিয়ে পুৰুষক অবাধে বহু দূৰলৈ লৈ যায়। ইন্দ্ৰিয়বোৰ হ'ল একো-একোটা হৰিণা। উপভোগৰ বাসনা হ'ল ইন্দ্ৰিয়ৰূপ হৰিণাবোৰক আকৰ্ষণ কৰি অনা মৰীচিকা। ই সততে অতি দুখ দিয়ে। কেঁহা বস্তু খাই পানী খোৱা মানুহৰ মিঠা লগাৰ দৰে নৱযৌৱনৰ সময়ত ৰাগ-দ্বেষ আদিযুক্ত লোকৰ মনত উপভোগ কৰা বস্তুবোৰ মধুৰ যেন লাগে। পথৰ ভ্ৰান্তিয়ে পুৰুষক যেনেকৈ কুপথলৈ লৈ যায় তেনেকৈ ভোগৰ সামগ্ৰীবোৰৰ প্ৰতি জন্মা অতিশয় আসক্তিয়ে পুৰুষৰ অধঃপতন ঘটায়। তোমাৰ নিচিনা লোক সকলেই উপদেশৰ পাত্ৰ। নির্মল স্ফটিকমণিত চন্দ্ৰৰ কিৰণে অনায়াসে উদ্ভাসিত হয়। সেইদৰে অনাবিল মনত উপদেশে সহজে ধৰে। হিতসাধন কৰিবলৈ সমর্থ হ'লেও পানী কাণত সোমালে অতিশয় বেদনা ওপজে। সেইদৰে কল্যাণকৰ গুৰু-বাক্যও অশিষ্টজনৰ কাণত প্ৰৱেশ কৰিলে শূলে বিন্ধাদি বিন্ধে। আনবিলাকৰ কিন্তু হাতীৰ কাণত পিন্ধোৱা অলংকাৰৰ দৰে অধিকভাৱে মুখৰ সৌন্দর্য্য বৃদ্ধি কৰে। তদুপৰি সন্ধ্যাসময়ৰ চন্দ্ৰই ঘোপ মৰা অন্ধকাৰ দূৰ কৰাৰ দৰে গুৰুজনৰ বচনে অতি মলিন দোষসমূহো নোহোৱা কৰে। বৃদ্ধাৱস্থাই কেশবোৰ নির্মল কৰি শুকুলা কৰি তোলে। তেনেকৈ ইন্দ্ৰিয়সমূহক নিগ্ৰহ কৰা গুৰুৰ উপদেশে দোষবোৰ নির্মল কৰি গুণত পৰিণত কৰে। তুমি বিষয় সুখৰ চোক পোৱা নাই আৰু এইটোৱেই তোমাক উপদেশ দিয়া সময়। মদনৰ শৰৰ প্ৰহৰত থকা-সৰকা হোৱা হৃদয়ত উপদেশ পানীৰ দৰে সৰকি যায়। বংশ বা বিদ্যা অসৎ চৰিত্ৰৰ লোকৰ বিনয়ৰ কাৰণ হ'ব নোৱাৰে। চন্দন কাঠৰ পৰা উৎপত্তি হোৱা অগ্নিয়ে জানো নোপোৰে? অথবা অগ্নি নির্বাপণ কৰিব পৰা সাগৰৰ পানীয়ে জানো বাড়বানলক প্ৰচণ্ডতৰ কৰি নোতোলে? গুৰুৰ উপদেশ হৈছে সমস্ত মল (বেয়া বস্তু) প্ৰক্ষালন কৰিব পৰা জলহীন স্নান। ই চুলিৰ শুক্লতা আদি বিৰূপ নঘটাই জৰা সৃষ্টি নকৰা বৃদ্ধত্ব। ই গ্ৰহণ কৰোঁতাজনক ডাঙৰ কৰে অথচ ই শৰীৰত মেদ বৃদ্ধিৰ দোষ নঘটায়। ই

সোণেৰে নিৰ্মাণ নকৰা গ্ৰাম্যত্বদোষশূন্য কৰ্ণ ভূষণ। ই উত্তাপহীন আলোক। ই জাগৰণ, কিন্তু ইয়াৰ পৰা ক্লেশ নোপজে।

এইবোৰ কথা বিশেষকৈ ৰজাৰ ক্ষেত্ৰত খাটে। কিয়নো তেওঁলোকৰ উপদেষ্টাৰ সংখ্যা তাকৰ। মানুহে ভয়ত প্ৰতিধ্বনিৰ নিচিনাকৈ ৰজাৰ বচনৰ অনুসৰণ কৰে। প্ৰচণ্ড অহংকাৰে তেওঁলোকৰ কৰ্ণকুহৰ ঢাকি ৰাখে, উপদেশ দিলেও তেওঁলোকে কৰ্ণপাত নকৰে। শুনিলেও হাতীৰ দৰে চকু কোঁচাই অৱজ্ঞাৰ ভাৱ দেখুৱাই হিত উপদেশ দিওঁতা গুৰুসকলক দুখ দিয়ে। অহংকাৰৰূপ পোৱণি জ্বৰে ঘটোৱা অচেতন অৱস্থাই অন্ধকাৰ ঘটাই ৰজাৰ স্বভাৱক বিহ্বল কৰি তোলে। ধন-সম্পদে অলীক অভিমানৰ উন্মাদনা জন্মায়। ৰাজলক্ষ্মীয়ে ৰাজ্যৰূপ বিষৰ পৰা তন্দ্ৰাৰ সৃষ্টি কৰে।

মঙ্গলজনক বিষয়ৰ প্ৰতি আগ্ৰহী তুমি প্ৰথমে লক্ষ্মীলৈকে চোৱাচোন। নিপুন সৈন্যসকলৰ তৰোৱালস্বৰূপ পদুম বনত বিচৰণৰতা ভ্ৰমৰীসদৃশ এই লক্ষ্মীয়ে ক্ষীৰসমুদ্ৰৰ পৰা পাৰিজাত পল্লৱৰ ৰাগ সদৃশ অনুৰাগ আনিছিল। চন্দ্ৰকলাৰ পৰা আনিছিল একান্ত কুটিলতা। উচ্চশ্ৰৱা অশ্বৰ পৰা আনিছিল চঞ্চলতা। কালকূট বিষৰ পৰা আনিছিল মোহনশক্তি। মদিৰাৰ পৰা মাদকতা। কৌস্তুভমনিৰ পৰা আনিছিল অতিশয় কঠিনতা। একেলগে বসতি কৰি কৰি বিচ্ছেদ ঘটাৰ কাৰণে হোৱা দুখ-বিনোদনৰ চিহ্নস্বৰূপে এইবোৰ লৈ ওলাই আহিছিল লক্ষ্মীদেৱী। এই জগতত এনে কোনো সঁজাত নোপোৱা বস্তু নাই। যেনেকুৱা এই নীচ প্ৰকৃতিৰ লক্ষ্মীদেৱী। এওঁক লাভ কৰিলেও অতিশয় কষ্টেৰে পালন কৰা যায়। গুণৰ পাশৰ বন্ধনেৰে লৰচৰ কৰিব নোৱাৰাকৈ ৰাখিলেও এওঁ পোলোকা মাৰে। প্ৰচণ্ড দৰ্পী সহস্ৰ যোদ্ধাৰ দীৰ্ঘ তৰোৱালৰ সঁজাত আৱদ্ধ কৰি ৰাখিলেও গুচি যায়। হিমেজুৰ ৰসেৰে বৃষ্টিমুখৰ দিনৰ সৃষ্টি কৰি অন্ধকাৰ কৰি পেলোৱা গজস্বৰূপ মেঘমালাৰ দ্বাৰা পৰিৰক্ষিতা হৈও পলায়ন কৰে। এওঁৰ লগত পৰিচয় বুলি একো কথা নাই। এওঁ সৎ কুল বা বংশলৈ নাচায়। ৰূপলৈ চকু নিদিয়ে। নিপুণতাৰ গণনা এওঁ নকৰে। শাস্ত্ৰ জ্ঞানলৈ কৰ্ণপাত নকৰে। ধাৰ্মিক বুলি যে কাৰোবাৰ আশ্ৰয় ল'ব এনে নহয়। দান-দক্ষিণালৈ এওঁৰ আদৰ নাই। বিশেষজ্ঞ বুলি যে কিবা বিচাৰ কৰিব তেনে নহয়। সদাচাৰ পালনৰ প্ৰতি চিন্তা নাই। সত্য কি বুজি নাপায়। কাৰো সুলক্ষণ সাৰ্থক নকৰে। এওঁ নিশা আকাশত দৃষ্টিগোচৰ হোৱা গন্ধৰ্ব নগৰৰ ৰেখাৰ দৰে চাই থাকোঁতেই নোহোৱা হয়। এওঁ যেন মন্দৰ পৰ্বতৰ ঘূৰণৰ ফলত উৎপন্ন হোৱা ক্ষীৰসমুদ্ৰৰ চাকনৈয়াৰ লগে লগে ঘূৰি থকাৰ সংস্কাৰৰ কাৰণেহে যেন এতিয়াও ভ্ৰমি থাকে। পদুমবনত বিচৰণ কৰাৰ কাৰণে পদুম ঠাৰিত থকা কাঁইটে বিন্ধাৰ কাৰণেহে যেন লক্ষ্মীয়ে ক'তো স্থিৰভাৱে থাকিব নোৱাৰে। ৰাজগৃহত অতি যত্নেৰে ৰক্ষিতা হৈয়ো লক্ষ্মীয়ে বিবিধ গন্ধহস্তীৰ গণ্ডস্থলৰ পৰা ওলোৱা মধুপান কৰি মত্তা হৈহে যেন এৰাই যায়। নিষ্ঠুৰতাৰ শিক্ষা ল'বলৈহে যেন এওঁ তৰোৱালৰ ধাৰত বাস কৰে। বিশ্বৰূপ ধাৰণ কৰিবলৈহে যেন এওঁ নাৰায়ণ মূৰ্তিৰ আশ্ৰয় লয়। এওঁৰ ওপৰত অবিশ্বাসৰ উপৰি অবিশ্বাস। পদুমৰ মূল, ঠাৰি, কোষবোৰে বৃদ্ধি পায় থাকিলেও দিনান্তত শোভাই যিদৰে সেই পদুমক ত্যাগ কৰে ঠিক সেইদৰে ৰাজ্যশাসনৰ উপায়বিশেষ দণ্ড, ৰাজকোষ আৰু ৰাজ্যবৃদ্ধি পোৱা ৰজাকো লক্ষ্মীয়ে পৰিত্যাগ কৰে। লতাই যেনেকৈ গছৰ ডালবোৰত বগাই সেইদৰে এৰোঁ নিন্দিত কামুকজনক আশ্ৰয় কৰে। অষ্টবসুৰ জননী গঙ্গা যেনেকৈ তৰঙ্গৰ বুদবুদৰ দ্বাৰা চঞ্চলা,

সেইদৰে লক্ষ্মীও সম্পদৰ জননী হৈয়ো তৰঙ্গৰ বুদ্‌বুদৰ দৰে অস্থিৰা। সূর্যৰ গতিৰ যেনেকৈ বিবিধ সংক্রান্তি হয়, তেনেকৈ এওঁ (লক্ষ্মীদেৱীও) নানাজনৰ ঘৰত সঞ্চৰণ কৰে। পাতালৰ গহ্বৰ অতি তমসাচ্ছন্ন (অন্ধকাৰময়), লক্ষ্মীৰ লগতো বহু পৰিমাণে তমোগুণ আহে। কেৱল সাহস প্রদর্শন কৰি ভীমে হিড়িম্বাৰ হৃদয় হৰণ কৰিছিল, সেইদৰে লক্ষ্মীৰ হৃদয় হৰণ কৰিব পৰা হয় কেৱল ভয়ানক সাহসৰ দ্বাৰা। বর্ষাকালে বিদ্যুতৰ সৃষ্টি কৰাৰ দৰে লক্ষ্মীয়ে কিছুদিনৰ বাবে শোভাৰ প্রদর্শন কৰে। দুষ্ট পিশাচীয়ে কেইবাজনো পুৰুষৰ সমান ওখ হৈ অলপ ধতুৰা মানুহৰ থৰ-কাচুটি হেৰুৱায়, তেনেদৰে এওঁ বহুলোকৰ উন্নতি দেখুৱাই অল্পবুদ্ধি মানুহক উন্মত্ত কৰে। সৰস্বতী দেৱীয়ে আপোন বুলি ভবাজনক এওঁ ঈর্ষাৰ কাৰণেহে যেন আলিঙ্গন নকৰে। অপৰিত্র মানুহক স্পর্শ নকৰাৰ নিচিনাকৈ এওঁ গুণীজনক স্পর্শ নকৰে। উদাৰ ব্যক্তিক অমঙ্গলীয়া বুলি বেছি আদৰ নকৰে। সৎপুৰুষলৈ দুর্লক্ষণ বুলি ভাবি দৃষ্টি নিদিয়ে। অভিজাত বা সৎ বংশজাত ব্যক্তিক সাপে চেৰাই যোৱাৰ দৰে বীৰপুৰুষক ত্যাগ কৰে। দুঃস্বপ্নক স্মৰণ নকৰাৰ দৰে দাতাক স্মৰণ নকৰে। পাতকীৰ ওচৰ নচপাৰ দৰে বিনীতজনৰ ওচৰলৈ নাযায়। উন্মত্তক উপহাস কৰাৰ দৰে এওঁ মনস্বীজনক উপহাস কৰে। পৰস্পৰ বিৰুদ্ধ ইন্দ্রজাল (যাদু) দেখু�ৱাৰ দৰে এওঁ জগতত নিজৰ চৰিত্র প্রকট কৰে। আৰু সর্বদা উত্তাপ জন্মায়ো শীতলতা জন্মায় (অর্থাৎ ধনৰ অহংকাৰ জন্মায় অথচ মানুহক সৎ-অসৎ বিবেচনাহীন কৰে)। অৱস্থাৰ উন্নতি কৰিও নীচতা প্রকাশ কৰে। সাগৰত জন্ম গ্রহণ কৰিও তৃষ্ণা বৃদ্ধি কৰে (অর্থাৎ ধনৰ আকাংক্ষা বৃদ্ধি কৰে।) ঐশ্বর্য দান কৰিও অশিৱপ্রকৃতি বিস্তাৰ কৰে। বল বৃদ্ধি কৰিও লঘুতাৰ সৃষ্টি কৰে। অমৃতৰ সহোদৰা হৈয়ো এওঁ পৰিণামত কটু (অর্থাৎ পৰিনামত দুখ জন্মায়)। বিগ্রহধাৰিণী (মূর্তিময়ী) হ'লেও এওঁৰ দর্শন প্রত্যক্ষ নহয়। উত্তম পুৰুষৰ প্রতি আসক্তা হৈয়ো এওঁ দুর্জনৰ প্রিয়া, ধূলিময়ী হোৱাৰ নিচিনাকৈ এওঁ নির্মলক মলিন কৰে। বিদ্যুতৰ দৰে চঞ্চলা এওঁ যিভাৱেই আৱির্ভূতা হয় তাতে দীপশিখাই কাজল উলিওৱাৰ দৰে মলিন কর্মৰ প্রদর্শন কৰে। সেয়েহে লক্ষ্মীদেৱী বিষয়-বাসনাৰূপ বিফলতাসমূহৰ বুদ্ধিজনৰ জলধাৰা, এওঁ ইন্দ্রিয়ৰূপ মৃগবোৰৰ বধ ঘটোৱা ব্যাধৰ গীত, এওঁ সচ্চৰিত্রৰূপ চিত্রসমূহক আৱৰি ৰখা লানি লগা ধোঁৱা, অজ্ঞানতাৰ দীঘলীয়া নিদ্রাৰ বিলাসশয্যা এই লক্ষ্মী, ধনৰ পৰা (উৎপন্ন) হোৱা গর্বৰ এজনী পিশাচী, এই পিশাচী বাস কৰে লক্ষ্মীৰূপ জৰাজীর্ণ চন্দ্রশালাত, এওঁ হৈছে শাস্ত্রৰূপ নয়নৰ তিমিৰৰোগৰ উৎপত্তি। সকলো দুশ্চৰিত্রৰ আগে আগে লৈ যোৱা পতাকা এওঁ। এই লক্ষ্মীৰূপ নদীত ক্রোধৰ আবেগৰূপ জলজন্তুসমূহৰ উৎপত্তি ঘটে। সম্ভোগ-সামগ্রীৰূপ মদিৰাৰ পানভূমি এওঁ। ভ্রূকুটিৰূপ অভিনয়ৰ ৰঙ্গমঞ্চ হ'ল এওঁ। এই লক্ষ্মীৰূপ গুহাত কামাদি দোষৰূপ সাপ সোমাই থাকে। বেতৰ লাঠিৰ দৰে এওঁ সৎপুৰুষসকলৰ শিষ্ট ব্যৱহাৰক খেদি পঠায়। গুণৰূপ কলহংসসমূহৰ অদর্শন ঘটোৱা অকাল বর্ষা হ'ল এওঁ লক্ষ্মীদেৱী। এওঁ লোক নিন্দাৰূপ বিস্ফোটকৰ বিয়পা ক্ষেত্র। কপটাচৰণৰূপ নাটকৰ এওঁ প্রস্তাৱনা মদনৰূপ হস্তীৰ এওঁ কদলী। সৌজন্যৰ এওঁ বধ্যশালা। ধর্মৰূপ চন্দ্রবিম্বৰ বাবে এওঁ ৰাহুৰ জিহ্বা। সেইজন পুৰুষ মোৰ দৃষ্টিগোচৰ হোৱা নাই যিজনক অপৰিচিতা এই লক্ষ্মীয়ে গাঢ়ভাৱে আলিঙ্গন কৰা নাই বা যিজনক এওঁ বিৰহত পেলোৱা নাই। এওঁ চিত্রপটত চিত্রিত কৰি থ'লেও যায়।

পুস্তকত স্থাপিতা হ'লেও ইন্দ্রজাল প্রদর্শন কৰে, খোদিতা হ'লেও এৰি যায়, শাস্ত্রাভিজ্ঞা হৈও এওঁ অভিসন্ধি কৰে। ধ্যান কৰিলেও বঞ্চনা কৰে।

এনেকুৱা এই দুৰাচাৰিণী লক্ষ্মীদেৱীয়ে কিবা প্রকাৰে আশ্রয় কৰা ৰজাসকল বিমূঢ় হয়। তেওঁলোকে হৈ পৰে সকলো দুর্ব্যৱহাৰৰ থল। সেইদৰে অভিষেকৰ সময়তে মাঙ্গলিক কলহৰ পানীৰে যেন তেওঁলোকৰ দাক্ষিণ্য (ঔদার্য্য) ধুই দিয়া হয়। তেওঁলোকৰ হৃদয় যেন হোমৰ ধোঁৱাৰে মলিন কৰা হয়। পুৰোহিতসকলে লোৱা কুশাগ্রৰূপ মার্জনীৰে যেন তেওঁলোকৰ ক্ষমা গুণবোৰ আঁতৰাই দিয়া হয়। পাগুৰিৰ পাটকাপোৰেৰে যেন তেওঁলোকৰ জৰা-প্রাপ্তিৰ স্মৰণ আৱৰি পেলোৱা হয়। ছাতিবোৰেৰে তেওঁলোকৰ দৃষ্টি জন্মান্তৰলৈ ঢাকি দিয়া হয়। চোঁৱৰৰ বা লগাই তেওঁলোকৰ সত্যবাদিতা যেন অপহৰণ কৰা হয়। বেতৰ দণ্ডৰে তেওঁলোকৰ গুণবোৰক যেন খেদি পঠোৱা হয়। জয়ধ্বনিৰ কোলাহলেৰে যেন তেওঁলোকৰ সৌজন্যবচন তল পেলোৱা হয়। ধ্বজলগ্ন পতাকাৰে যেন তেওঁলোকৰ যশস্যা ম্লান কৰা হয়। ই সম্পদ-ভাগৰত শিথিল হৈ পৰা পক্ষীৰ কণ্ঠৰ দৰে চঞ্চল। জোনাকী পৰুৱাৰ জিলিকনিৰ দৰে মুহূর্তৰ বাবে মনোহৰ। জ্ঞানীলোকে ইয়াৰ নিন্দা কৰে। কিছুসংখ্যক লোকে এই সম্পদৰ দ্বাৰা প্রলোভিত হয়। অলপ ধন পায়ে তেওঁলোকে গর্বত নিজৰ জন্মৰ কথা পাহৰি যায়। তেওঁলোক বহু ধৰণৰ দোষযুক্ত তেজৰ দ্বাৰা পীড়িত হোৱাৰ দৰে বহুভাৰে বিষয়াসক্তিৰ আধিক্যৰ দ্বাৰা যাতনা ভুঞ্জে। তেওঁলোকৰ ইন্দ্রিয়বোৰ বহু সম্ভোগৰ বস্তুৰ প্রতি লোলুপ হয়। এই ইন্দ্রিয়সমূহৰ সংখ্যা পঞ্চ হৈও বহু হাজাৰ হৈ পৰে আৰু এইবোৰৰ দ্বাৰা এওঁলোক ক্লান্ত হৈ পৰে। তেওঁলোকৰ মন চঞ্চল হোৱাৰ বাবে বিবিধ বিষয়ত বিয়পি পৰে। সেইবাবেই ই এটা হৈও সহস্রসংখ্যক হোৱাৰ দৰে হয়। এনেধৰণৰ মনে তেওঁলোকক ব্যগ্র কৰি তোলে আৰু এওঁলোক হৈ পৰে চঞ্চল। তেওঁলোকক যেন গ্রহই লম্ভে। তেওঁলোকক যেন ভূতে ধৰে। তেওঁলোকক কুমন্ত্র প্রয়োগ কৰাৰ নিচিনা হয়। তেওঁলোকে যেন হিংস্র জন্তুৰ আক্রমণত পৰে। তেওঁলোকক যেন বাতৰোগে আতুৰ কৰি তোলে। তেওঁলোকক যেন পিশাচে পায়। মদনৰ শৰ লাগি যেন তেওঁলোক মর্মাহত হয় আৰু সেই কাৰণে যেন তেওঁলোকে যেন মুখৰ বহু অঙ্গী-ভঙ্গী দেখুৱায়। ধনৰ উষ্মা লাগি যেন তেওঁলোক কেতিয়াবা লৰচৰ নকৰাকৈ থাকে, কেতিয়াবা লৰিবলৈ ধৰে। প্রচণ্ড প্রহাৰৰ আঘাত লাগি তেওঁলোকৰ অঙ্গবোৰ যেন ছিগি-ভাগি যায়। কেঁকোৱাৰ দৰে তেওঁলোকে বেঁকাকৈ বিচৰণ কৰে। অধর্মই যেন তেওঁলোকৰ গতিত বাধা জন্মায়। পঙ্গুলোকে আনৰ সহায় লৈ খোজ দিয়াৰ দৰে সেই ৰজাসকল আনৰ দ্বাৰা পৰিচালিত হ'ব লগা হয়। অসত্য বচনৰ বিষত যেন তেওঁলোকৰ মুখত ৰোগ জন্মে, সেই কাৰণে যেন তেওঁলোকে অতি কষ্টেৰে কথা কয়। সপ্তপর্ণ বৃক্ষৰ বতাহত উৰি যোৱা পুষ্পৰেণুৰে ওচৰত থকা মানুহৰ শিৰোবেদনা সৃষ্টি কৰাৰ দৰে তেওঁলোকে নেত্রৰ অৱজ্ঞাসূচক দৃষ্টিৰ ৰাজসিক বিকাৰেৰে নিকটবর্তী লোকৰ দুখ জন্মায় থাকে। মৃত্যু চমু চাপি অহা মানুহে আত্মীয়জনক চিনি নোপোৱাৰ দৰে তেওঁলোকে আপোনজনক নিচিনে। নেত্ররোগীয়ে উজ্জ্বল জ্যোতিষ্কবোৰক নোচোৱাৰ দৰে তেওঁলোকেও প্রতাপশালী লোকলৈ নাচায়। কালসর্পই দংশন কৰা লোকৰ জ্ঞান মহামন্ত্রই ঘূৰাই আনিব নোৱাৰে। তেনেদৰে তেওঁলোকৰ নিজ কর্তব্যৰ প্রতি বোধ উত্তম মন্ত্রণায়ো জগাই তুলিব নোৱাৰে। লাক্ষাৰে

নির্মিত অলংকাৰে উত্তাপ সহিব নোৱাৰে। তেওঁলোকেও প্রতাপীলোকক সহ্য কৰিব নোৱাৰে। দুষ্ট হাতীক প্রকাণ্ড স্তম্ভত লৰিব নোৱাৰাকৈ বান্ধি থ'লেও শিক্ষা নামানে, অতিশয় অভিমানৰ দ্বাৰা নিশ্চল হৈ থকা সেই ৰজাসকলেও উপদেশ গ্রহণ নকৰে। লোভৰ গৰলে মূর্চ্ছিত কৰা তেওঁলোকে সকলোবোৰ স্বর্ণময় দেখে। শৰবোৰৰ তীক্ষ্ণতা বাঢ়ে শিলত ঘর্ষণৰ দ্বাৰা, আন বস্তুৰ দ্বাৰা প্রেৰিত হৈ এইবোৰে লক্ষ্যবস্তুৰ বিনাশ ঘটায়। সুৰাপানৰ দ্বাৰা ৰজাৰ উগ্রতা বৃদ্ধি পায়, আনৰ প্রৰোচনাত তেওঁলোকে প্রজাসকলৰ বিনাশ সাধন কৰে। টাকোনেৰে ফর্মুটি মাৰি দূৰত থকা ফল সৰোৱাৰ দৰে তেওঁলোকে দণ্ডনীতি প্রয়োগ কৰি দূৰত অৱস্থিত উত্তম কূলৰ মানুহৰ বিনাশ সাধন কৰে। অকাল পুষ্পৰ কলি সুন্দৰ আকৃতিৰ হ'লেও যিদৰে লোক-বিনাশৰ কাৰণ হয়, সেইদৰে তেওঁলোকে মনোহৰ আকৃতিৰ হৈও লোক-বিনাশৰ কাৰণ। শ্মশানৰ অগ্নিয়ে যিদৰে অতি ভয়ৰ সঞ্চাৰ কৰে, সেইদৰে তেওঁলোকেও অতি ভয় জন্মায়। তিমিৰ ৰোগীয়ে দূৰলৈ দৃষ্টি নিক্ষেপ কৰিব নোৱৰাৰ দৰে তেওঁলোকেও কামৰ ভৱিষ্যত ফলাফললৈ দৃষ্টি নিদিয়ে। গণিকাসকলৰ গৃহ যিদৰে নীচজনৰ থিতাপি লোৱা স্থান, সেইদৰে তেওঁলোকৰ বাসস্থানো ক্ষুদ্রলোকসকলৰ দ্বাৰা পূর্ণ। শৱদহনৰ সময়ত বজোৱা ঢোলৰ শব্দ শুনিলেই যিদৰে উদ্বেগৰ সৃষ্টি হয়, সেইদৰে সেই ৰজাসকলৰ নামেও উদ্বেগ জন্মায়। মহাপাপৰ আচৰণৰ চিন্তাই যিদৰে মনৰ শান্তি নাশ কৰে, সেইদৰে তেওঁলোকৰ কথা মনলৈ আহিলেই অশান্তি হয়। দিনে দিনে পাপেৰে পৰিপূর্ণ হৈহে যেন তেওঁলোক নোদোকা হৈ পৰে। এনেদৰে তেওঁলোক শত ব্যসনৰ বা অনুচিত কামৰ লক্ষ্য হৈ পৰে। বল্মীকৰ বা উঁই হাফলুৰ ওপৰত জন্মা তৃণৰ আগভাগত অৱস্থিত জলবিন্দুবোৰ তললৈ পৰি গৈ যিদৰে শুকাই যায়, সেইদৰে ৰজাসকলে পতিত হৈও নিজক বুজি নাপায়।

আন কিছুমান ৰজা ধূর্তসকলৰ দ্বাৰা প্রতাৰিত হয়। সেই ধূর্তবোৰ স্বার্থ পূৰণত ব্যস্ত। সিহঁত হৈছে ধনৰূপ মাংসভোজী শগুন। ৰজাসকলৰ উপৱেশন স্থানৰূপ সৰোবৰৰ সিহঁত বগলী। সিহঁতে দোষবোৰক গুণৰ পক্ষলৈ লৈ যায়। সিহঁতে পাশা খেলক কৌতুক বোলে। পৰস্ত্রীগমনক বোলে চাতুর্য। সিহঁতৰ মতে মৃগয়া হৈছে ব্যায়াম। মদ্যপান হৈছে বিলাস। অসাৱধানতাক বোলে বীৰত্ব। নিজ পত্নীক পৰিত্যাগ কৰাক কয় অনাসক্তি। গুৰুজনৰ বচন উলঙঘা কৰা কার্য্য হৈছে আনৰ বশ্যতা স্বীকাৰ নকৰা। দাস-দাসীৰ স্বেচ্ছাচাৰিতাক সিহঁতে কয় মনৰ আনন্দৰে কৰা সেৱা। নৃত্য, গীত, বাদ্য আৰু গণিকাৰ প্রতি আসক্তি হৈছে ৰসিকতা। বৰলোকৰ অপৰাধৰ কথালৈ কাণ নিদিয়াটোক সিহঁতে মহানুভৱতা বোলে। আনে কৰা অপমান সহ্য কৰাটো হৈছে ক্ষমা। স্বেচ্ছাচাৰিতা প্রভুত্ব। দেৱতাৰ অৱমাননা হৈছে অতিশয় শক্তিমানৰ কাম। স্তুতি পাঠকৰ প্রশংসাক সিহঁতে যশস্যা বুলি কয়। সিহঁতৰ মতে চঞ্চলতা হৈছে উৎসাহ। সূক্ষ্মৰূপে বিচাৰ নকৰাকৈ কাম কৰাটোক সিহঁতে পক্ষপাতশূন্য বা অপক্ষপাতিত্ব বুলি কয়। এইদৰে প্রতাৰণাত পাকৈত সেই ধূর্তবোৰে দেৱতাৰ যোগ্য স্তুতিৰে তেনে মন্তব্য কৰি নিজৰ মনতে হাঁহে।

ৰজাসকলৰ চিত্ত ধনৰ অভিমানেৰে মত্ত। তেওঁলোকে চৈতন্যবিহীন হৈ আনে কৰা আৰোপ যথার্থ বুলি ভাবি অলীক অভিমানযুক্ত হয়। মৰণশীল মানুহৰ ধর্ম পালন কৰিব লগা হৈও তেওঁলোকে নিজকে দেৱতাৰে অংশৰ দৰে দেৱতাসদৃশ অতিমানৱ বুলি ধাৰণা কৰে আৰু

দেৱতাৰ উপযুক্ত কার্য আৰু চেষ্টা দেখুৱাই সকলোৰে উপহাসৰ পাত্ৰ হৈ পৰে। অনুচৰসকলে কৰা ৰজাসকলৰ নিজৰ বঞ্চনাক অভিনন্দন জনায়। তেওঁলোকে নিজেই নিজৰ গাত দেৱতাই থিতাপি লোৱা বুলি ভাবি প্ৰতাৰিত হয়। এই ধাৰণাৰ দ্বাৰা তেওঁলোকৰ বুদ্ধিনাশ ঘটে। তেওঁলোকে নিজৰ বাহুযুগলত আন বাহুযুগলে প্ৰৱেশ কৰা বুলি ভাবে। তেওঁলোকে নিজৰ কপালক ছালৰ তলত লুকাই থকা তৃতীয় এটি নেত্ৰযুক্ত বুলি আশংকা কৰে। তেওঁলোকে লোক সমাজত নিজকে প্ৰকট কৰাটো অনুগ্ৰহ বুলি ভাবে। দৃষ্টি প্ৰদানক উপকাৰৰ পক্ষত ৰাখে। সম্ভাষণকো বিতৰণ কৰি দিবলগীয়া বস্তুবোৰৰ ভিতৰত এটা বুলি ভাবি লয়। আজ্ঞাকো বৰপ্ৰদান বুলি বিবেচনা কৰে। তেওঁলোকৰ স্পৰ্শক বতাহ (পাৱন) বুলি ভাবে। নিজৰ অলীক মহিমাৰ গৰ্বেৰে পৰিপূৰ্ণ হৈ তেওঁলোকে দেৱতাসকলকো প্ৰণাম নকৰে। ব্ৰাহ্মণসকলক অৰ্চনা নকৰে। মাননীয়জনক সন্মান নকৰে। পূজনীয়সকলক নুপুজে। অভিৱাদনৰ যোগ্যসকলক অভিবাদন নকৰে। গুৰুসকলক দণ্ডায়মান হৈ সৎকাৰ নকৰে। অনৰ্থক কষ্টেৰে বিষয় উপভোগৰ সুখ দূৰলৈ ঠেলি দিয়া বুলি বিদ্বানসকলক উপহাস কৰে। বৃদ্ধজনৰ উপদেশক বাৰ্দ্ধক্যৰ কাৰণে হোৱা অস্থিৰতাৰ দ্বাৰা কৰা প্ৰলাপ বুলি ভাবে। নিজৰ প্ৰজ্ঞাৰ অৱমাননা হ'ব বুলি মন্ত্ৰীৰ উপদেশক হিংসা কৰে। হিত বচন কোৱা লোকক ক্ৰোধ কৰে। যিজনে আন সকলো কৰ্ম বাদ দি দিনে-ৰাতিয়ে অনবৰতে কৰযোৰে আৰাধ্য দেৱতাৰ দৰে স্তুতি কৰি থাকে বা তেওঁলোকৰ মাহাত্ম্য উদ্ভাৱন কৰে তেওঁলোকে তেওঁক সকলো প্ৰকাৰে আদৰ কৰে, তেওঁৰ লগত আলাপ কৰে, তেওঁক কাষত ৰাখে, তেওঁৰ উন্নতিৰ বিধান কৰে। তেওঁৰ সৈতে সুখেৰে থাকে, তেওঁক দিয়ে, তেওঁৰ সৈতে মিত্ৰতা কৰে, তেওঁৰ বচনলৈ কাণ দিয়ে, তেওঁক ধন বৰষে, তেওঁক বহু মান-সন্মান কৰে আৰু তেওঁক অতিশয় বিশ্বাসৰ পাত্ৰ কৰি লয়। অতিশয় নিষ্ঠৰতাপূৰ্ণ উপদেশেৰে ভৰি থকা কৌটিল্যৰ অৰ্থশাস্ত্ৰ যিসকলৰ প্ৰমাণ-গ্ৰন্থ, অভিচাৰ-ক্ৰিয়াৰ দ্বাৰা নিষ্ঠুৰ হোৱাটো মুখ্য স্বভাৱৰ পুৰোহিতসকল যিবিলাকৰ গুৰু, আনক বঞ্চনা কৰাত তৎপৰ মন্ত্ৰীসকল যিবিলাকৰ উপদেষ্টা, সহস্ৰজন ৰজাই ভোগ কৰি ত্যাগ কৰা লক্ষ্মীৰ প্ৰতি যিসকলৰ আসক্তি, মৃত্যুৰ (মৰণৰ) শিক্ষা থকা শাস্ত্ৰবোৰৰ প্ৰতি যিসকল আগ্ৰহী, যিসকলৰ বাবে স্বাভাৱিক স্নেহযুক্ত অন্তৰেৰে অনুৰক্ত ভাতৃসকল উচ্ছেদৰ যোগ্য, সেইসকলে এনে কি ন্যায়সঙ্গত কার্য্য সম্পাদন কৰিব পাৰে?

গতিকে এনেকৈ ৰাজ্যশাসনৰ কর্তব্য অতি জটিল আৰু কষ্টকৰ। যৌৱন কালতে অতিপাত অবিবেকৰ কাৰণে অন্ধতাৰ সৃষ্টি হয়। কুমাৰ, এনেভাৱে যত্ন কৰিবা যাতে মানুহে উপহাস নকৰে, সাধুসকলৰ দ্বাৰা নিন্দিত নোহোৱা, গুৰুসকলে ধিক্কাৰ নিদিয়ে। মিত্ৰসকলৰ দ্বাৰা তিৰস্কৃত নোহোৱা আৰু পণ্ডিতসকলৰ দ্বাৰা দুখ কৰিবলগীয়া নোহোৱা। কামুকসকলে যাতে তোমাক তেওঁলোকৰ লগৰ বুলি প্ৰকাশ কৰিব নোৱাৰে। কার্যদক্ষলোকসকলে যাতে তোমাক হাঁহিব নোৱাৰে। লম্পটবোৰে যাতে তোমাৰ আঁসৈ নাপায়। সেৱকবোৰে যেন কুকুৰ-নেচীয়া বাঘৰ দৰে প্ৰৱেশ কৰি তোমাৰ সর্বনাশ সাধন কৰিব নোৱাৰে। ধূর্তসকলে যেন বঞ্চনা কৰিব নোৱাৰে। নাৰীৰ দ্বাৰা যেন তুমি প্ৰলোভিত নোহোৱা। ৰাজলক্ষ্মীয়ে যাতে তোমাক ত্যাগ নকৰে। অভিমানতে যেন নৃত্য নকৰা। মদনে যেন তোমাক উন্মত্ত নকৰে। বিষয়সুখে যাতে আকৃষ্ট নকৰে। কোনো বস্তুত উপভোগ

কৰাৰ তীব্ৰ ইচ্ছাই যাতে আকৰ্ষিত নকৰে আৰু আনন্দই যেন এৰা নিদিয়ে।

তুমি নিশ্চয় প্ৰকৃততে ধীৰ। পিতাৰাই তোমাক অতীৰ প্ৰয়াসেৰে সকলো বিষয়ৰ জ্ঞান দিয়াইছে। চঞ্চল চিত্ত আৰু অনভিজ্ঞ লোকক ধনে উন্মত্ত কৰে। এনে ক্ষেত্ৰত তোমাৰ গুণৰাশিৰ প্ৰতি হোৱা সন্তুষ্টিয়ে মোক মুখৰ কৰি তুলিছে।

ইয়াকে তোমাক বাৰে বাৰে কৈছো— বিদ্বান, সচেতন, মহাশক্তিশালী, সদ্বংশজাত, ধৈৰ্য্যশীল আৰু প্ৰযত্নৱান পুৰুষকো এই দুৰ্বিনীতা লক্ষ্মীয়ে সৎপথৰ পৰা বিচলিত কৰে। তোমাৰ পিতৃয়ে সকলো প্ৰকাৰে কল্যাণ সম্পাদন কৰি তোমাৰ নৰ যুৱৰাজ পদৰ অভিষেকৰ মাঙ্গলিক কাৰ্য সম্পন্ন কৰিবলৈ ওলাইছে। সেই কথা তুমি অনুভৱ কৰা। পূৰ্ব পুৰুষসকলে বহন কৰা, বংশানুক্ৰমে পোৱা শাসনভাৰ গ্ৰহণ কৰা। শত্ৰুসকলৰ শিৰবোৰ অৱনত কৰা। আত্মীয়-স্বজনৰ উন্নতিৰ বিধান কৰা। অভিষেকৰ অন্তত দিগ্‌বিজয় আৰম্ভ কৰি পৰ্যটন কৰা আৰু পিতৃৰ দ্বাৰা বিজিত, সপ্তদ্বীপেৰে অলংকৃত বসুন্ধৰাক পুনঃ জয় কৰা। এয়ে তোমাৰ শক্তি বা প্ৰতাপ প্ৰদৰ্শন কৰাৰ সময়। প্ৰতাপ প্ৰদৰ্শন কৰিব পৰা ৰজাহে ত্ৰৈলোক্যদৰ্শীৰ দৰে হয় আৰু তেওঁৰ আদেশ হয় অপ্ৰতিহত।

ইমানখিনি কৈ শুকনাস ক্ষান্ত হৈছিল শুকলাসে ক'বলৈ এৰিলত চন্দ্ৰাপীড় সেই নিৰ্মল উপদেশ বাক্যৰ দ্বাৰা প্ৰক্ষালিত হোৱা যেন হৈছিল। তেওঁ যেন বিকশিত হৈ উঠিছিল। তেওঁক যেন স্বচ্ছ কৰা হৈছিল। তেওঁক যেন মসৃণ কৰি দিয়া হৈছিল। তেওঁক যেন স্নান কৰোৱা হৈছিল। তেওঁ যেন অভিষিক্ত হৈছিল। তেওঁৰ গাত যেন চন্দন আদিৰ প্ৰলেপ ঘঁহি দিয়া হৈছিল। তেওঁ যেন অলংকৃত হৈছিল। সেই শিক্ষাই তেওঁক পৰিত্ৰ কৰিছিল। তেওঁ যেন উদ্ভাসিত হৈছিল। খন্তেক সময় তেওঁ সন্তুষ্ট মনেৰে ৰৈ নিজ ভৱনলৈ আহিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ কিহে পুৰুষৰ অধঃপতন ঘটায়?

.....

প্ৰশ্ন নং ২ঃ কাৰ উপদেশে দোষবোৰ গুণলৈ পৰিৱৰ্তন কৰে?

.....

প্ৰশ্ন নং ৩ঃ অষ্টবসুৰ জননী কোন?

.....

৬.৪ 'শুকনাসোপদেশঃ' পাঠটিৰ সাৰাংশ

মহাকবি বাণভট্টৰ অমৰসৃষ্টি 'কাদম্বৰী'। এই কথাকাব্যতে 'শুকনাসোপদেশঃ' অৰ্থাৎ শুকনাসৰ উপদেশ নামৰ পাঠটিৰ জৰিয়তে বাণভট্টই নতুনকৈ ৰাজকুমাৰ ৰূপে অভিষিক্ত হ'ব লগা চন্দ্ৰাপীড়ক বহুমূলীয়া উপদেশ প্ৰদান কৰিছে। তাৰ সংক্ষিপ্ত বিৱৰণ তলত দাঙি ধৰা হ'ল—

চন্দ্ৰাপীড় সৰ্বশাস্ত্ৰজ্ঞ তথা ধীৰ-স্থিৰ স্বভাৱৰ। কিন্তু যৌৱনকালত মানুহৰ মন স্বভাৱতেই

মোহাচ্ছন্ন হৈ থাকে। সেয়েহে তেওঁ সতর্ক থকা প্রয়োজন। কাৰণ যৌৱনকাত শাস্ত্রজ্ঞান থাকিলেও বুদ্ধি অতি সহজতে কলুষিত হয়। সেয়েহে শুকনাসে তেওঁক ৰাজ্যশাসনৰ বিষয়ে কিছুমান সুপৰামর্শ দিবলৈ যত্ন কৰিছিল।

ৰজাসকল সদায় দুৰাচাৰিণী লক্ষ্মীৰ পৰা সাৱধানে থকা উচিত। কাৰণ তেওঁৰ কৃপা কটাক্ষ লাভ কৰিয়েই ৰজাসকলৰ বুদ্ধিভ্রংশ হয়। ফলত তেওঁলোক অবিনয়ী, চঞ্চল, অর্থৰ দ্বাৰা উন্মাদ হৈ পৰে। সন্মুখতে থকা বন্ধু বা শুভাকাঙ্খীজনকো চিনি নোপোৱা হৈ পৰে। স্বার্থপৰ আৰু বঞ্চনা কৰাত পাকৈত মানুহৰ দোষবোৰ গুণ বুলি প্রতপন্ন কৰিব বিচাৰে। দ্যুতক্রীড়া, মদ্যপান, প্রমত্ততা, স্বেচ্ছাচাৰিতা, চঞ্চলতা আদিক নিজৰ চৰিত্রৰ মহত্ব বুলি ভাবে। মিছা গর্বত তেওঁলোক ওফন্দি থাকে। মন্ত্রীৰ উপদেশ শুনিলে এওঁলোক বিৰক্ত আৰু ক্রোধিত হৈ পৰে। দেৱতা, দ্বিজ আদিক ভক্তি বা সন্মান প্রদর্শন নকৰে। যিসকলে তেওঁৰ দিনে-ৰাতিয়ে সমস্ত কর্ম বাদ দি স্তুতি কৰি থাকে, তেওঁলোককে বিশ্বাস কৰে আৰু দান দিয়ে।

গতিকে এনে জটিল ৰাজতন্ত্র আৰু মোহময় যৌৱনকালত চন্দ্রাপীড় সংযত আৰু সতর্ক হৈ থকা উচিত। যাতে সাধুসকলৰ আৰু বন্ধুসকলৰ উপহাসৰ পাত্র নহয়। যাতে তেওঁক সেৱকসকলে ঠগাব নোৱাৰে, যাতে লক্ষ্মীয়ে বিড়ম্বনা কৰিব নোৱাৰে আৰু বিষয়সুখে যাতে চিত্ত-বৃত্তি হৰণ কৰিব নোৱাৰে।

চন্দ্রাপীড় স্বভাৱতেই ধীৰ। তেওঁৰ পিতৃ তাৰাপীড়ে পুত্রক অতি যত্নেৰে শিক্ষা-দীক্ষা প্রদান কৰিছে। তথাপি শুকনাসই চন্দ্রাপীড়ৰ গুণত মুগ্ধ হৈয়ে ৰাজ্য শাসনৰ উপদেশখিনি দিছিল। কাৰণ উপদেশৰ সুযোগ্য পাত্র অতি দুর্লভ।



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি 'কাদম্বৰী' কাব্যৰ 'শুকনাসোপদেশঃ' নামৰ পাঠটোত বর্ণিত ৰাজতন্ত্রৰ বিষয়ে অৱগত হ'ল। শুকনাস নামৰ তাৰাপীড়ৰ মন্ত্রীজনে চন্দ্রাপীড়ৰ যৌৱ্যৰাজ্যাভিষেকৰ আগমুহূর্তত যিখিনি উপদেশ প্রদান কৰিলে সেই উপদেশ সকলো ৰজাই দৰাচলতে পালন কৰা উচিত। বাণভট্টই প্রকৃততে শুকনাসৰ উপদেশৰ যোগেদি প্রত্যেকজন শাসনকর্তাকে ৰাজতন্ত্রৰ শাসনাৱলীৰ নীতি-নিয়মসমূহ জনাব বিচাৰিছে। বিদ্বান, সর্বশাস্ত্রজ্ঞ ৰজাসকলো যে সম্পদ লাভ কৰি মোহাচ্ছন্ন হৈ পৰে তাকে কবিয়ে এই উপদেশৰ জৰিয়তে প্রকাশ কৰিছে। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি এই সকলোবোৰ বিশদভাৱে জানিব পাৰিলে। তদুপৰি মূল সংস্কৃত পাঠৰ অসমীয়া অনুবাদ পঢ়িবলৈয়ো সক্ষম হ'ল। লগতে এই অধ্যায়টোৰ যোগেদি বাণভট্টৰ লিখনিৰ বৈশিষ্ট্যসমূহৰ বিষয়েও এটি সম্যক ধাৰণা লাভ কৰিলে।



৬.৬ অধিক জানিবলৈ

১) কালে, এম্, আৰ্ (১৯৬৮) (সম্পাদিত), কাদম্বৰী, পূৰ্বভাগ, দিল্লী ঃ তত্ত্বপ্রকাশিকা টীকা।

২) শর্মা প্রভাত চন্দ্র (২০০০) কাদম্বৰী (অনুবাদ), উত্তৰ গুৱাহাটী ঃ আবিলেক।

৩) ভট্টাচার্য নীৰদবৰণ, (সম্পাদিত) কাদম্বৰী (শুকনাসোপদেশঃ), কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ



৬.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ভোগৰ সামগ্রীবোৰৰ প্রতি জন্মা অতিশয় আসক্তিয়ে পুৰুষৰ অধঃপতন ঘটায়।

২ নং প্রশ্নৰ উত্তৰঃ গুৰুৰ উপদেশে দোষবোৰ গুণলৈ পৰিৱর্তন কৰে।

৩ নং প্রশ্নৰ উত্তৰঃ অষ্টবসুৰ জননী গঙ্গা।



৬.৮ আৰ্হি প্রশ্ন

(ক) চুটী প্রশ্ন ঃ

প্রশ্ন ১ঃ ধূর্ত্ত ৰজাসকলৰ চৰিত্রৰ বিষয়ে চমুকৈ লিখক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ 'শুকনাসোপদেশঃ' নামৰ পাঠটিৰ গুৰুত্ব বহলাই লিখক।

প্রশ্ন ২ঃ 'শুকনাসোপদেশঃ' নামৰ পাঠটিৰ আধাৰত ৰজাৰ কর্তব্যসমূহৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৭ ঃ কাদম্ববী ঃ সাহিত্য সমালোচনা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ বাণভট্টৰ ৰচনাশৈলী
৭.৪ বাণোচ্ছিষ্টং জগৎ সর্ৱম্
৭.৫ গদ্যং কবীনাং নিকষং বদন্তি
৭.৬ কথাৰূপে 'কাদম্ববী'
৭.৭ 'কাদম্ববী'ৰ কাব্যিক বৈশিষ্ট্য
৭.৮ বাণভট্টৰ পৰৱৰ্তী প্ৰভাৱ
৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.১০ অধিক জানিবলৈ
৭.১১ অগ্ৰগতিৰ খতিয়ান
৭.১২ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত গদ্যসাহিত্যৰ মহান গদ্যকাৰ বাণভট্টৰ ৰচনাশৈলীৰ বিষয়ে জানিব পাৰিব
- 'বাণোচ্ছিষ্টং জগৎ সর্ৱম্' —এই বাক্যফাঁকিৰ অর্থৰ লগত পৰিচিত হ'ব
- গদ্যকাব্য ৰচনাৰ কাৰণে প্ৰয়োজনীয় গুণাৱলীৰ বিষয়ে জানিব পাৰিব
- কাদম্ববী কথাকাব্যৰ কাব্যিক বৈশিষ্ট্যৰ লগতো পৰিচিত হ'ব
- গদ্যকাব্য ৰচয়িতাসকলৰ মাজত বাণভট্টৰ স্থানৰ বিষয়েও অবগত হ'ব।

৭.২ পৰিচয়

আগৰ অধ্যায়কেইটা অধ্যয়ন কৰি আপুনি ইতিমধ্যে বাণভট্ট আৰু তেওঁৰ লিখনিসমূহৰ বিষয়ে অৱগত হ'ল। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বাণভট্টৰ লগতে তেওঁৰ অমৰ সৃষ্টি 'কাদম্ববী'ৰ বিভিন্ন বৈশিষ্ট্যসমূহৰ বিষয়ে আভাস লাভ কৰিব। বাণভট্টই তেওঁৰ লিখনিসমূহৰ জৰিয়তে সংস্কৃত সাহিত্যৰ আকাশত উজ্জ্বল নক্ষত্ৰ হৈ আজিও জিলিকি আছে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বাণৰ বৈশিষ্ট্যপূর্ণ লিখনিৰ লগতে 'কাদম্ববী'ৰ উৎকৃষ্টতা সম্বন্ধেও অধ্যয়ন কৰিব পাৰিব।

৭.৩ বাণভট্টৰ ৰচনাশৈলী

সংস্কৃত কবিসকলৰ মাজত বাণভট্ট অন্যতম শ্ৰেষ্ঠ কবি। সংস্কৃত গদ্য সাহিত্যৰ আকাশত তেওঁ উজ্জ্বল নক্ষত্ৰ। গদ্য লেখক ৰূপে বাণ অদ্বিতীয়। ভাৰতীয় প্ৰাচীন কবি-সাহিত্যিকসকলে প্ৰায়েই নিজৰ পৰিচয় লিপিবদ্ধ কৰি যোৱা নাই। সেইক্ষেত্ৰত বাণ ব্যতিক্ৰম। তেওঁ নিজৰ ৰচনাৱলীত নিজৰ তথা তেওঁৰ বংশ সম্পৰ্কে বহু তথ্য লিখি থৈ গৈছে। সেই তথ্যসমূহৰ মাধ্যমেৰে জনা যায় যে তেওঁ বাৎস্য গোত্ৰীয় ব্ৰাহ্মণবংশত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল চিত্ৰভানু আৰু তেওঁৰ মাতৃৰ নাম আছিল ৰাজ্যদেৱী। তেওঁ অতি সৰু থাকোতেই মাতৃৰ মৃত্যু হয়। মাতৃহাৰা বাণক পিতৃয়ে অতি যতনেৰে তুলি-তালি ডাঙৰ-দীঘল কৰে লগতে বিধি অনুসৰি শিক্ষাদানো কৰিছিল। কিছুদিনৰ পাছত তেওঁৰ পিতৃৰো মৃত্যু হয়। তাৰ পিছত বাণে বন্ধু-বান্ধৱৰ সৈতে বহু ভ্ৰমণ কৰে আৰু লগতে বহু অভিজ্ঞতাও সঞ্চয় কৰে। থানেশ্বৰ ৰাজ্যৰ ৰজা সম্ৰাট হৰ্ষবৰ্দ্ধনৰ ৰাজসভাৰ সভাকবি আছিল বাণভট্ট। হৰ্ষবৰ্দ্ধনৰ সময় ৬০৬ খ্ৰীষ্টাব্দৰ পৰা ৬৪৮ খ্ৰীষ্টাব্দলৈ। গতিকে বাণৰ সময় খ্ৰীষ্টীয় ষষ্ঠ শতকৰ শেষভাগৰ পৰা সপ্তম শতকৰ প্ৰথমভাগলৈ বুলি নিশ্চিতকৈ ক'ব পাৰি।

বাণভট্টৰ ৰচনাৱলীৰ ভিতৰত দুখন শ্ৰেষ্ঠ কাব্য হৈছে 'কাদম্বৰী' আৰু 'হৰ্ষচৰিত'। কাদম্বৰী এখন কথা আৰু হৰ্ষচৰিত এখন আখ্যায়িকা। এই দুয়োখন কাব্যই শৈলী প্ৰধান, ঘটনাপ্ৰধান নহয়। শৈলীপ্ৰধান ৰচনাত ঘটনা বা বৰ্ণনীয় বিষয়ক অধিক গুৰুত্ব দিয়া নহয়। বিভিন্ন বিষয়সমূহৰ বৰ্ণনাকহে বেছিকৈ মহত্ব দিয়া হয়। বাণভট্টৰ বহু আগতেই এই শৈলীৰ উদ্ভাৱন হৈছিল। প্ৰাচীন শিলালিপিসমূহত এয়া পৰিলক্ষিত হয়। বাণৰ ৰচনাতো এই শৈলী বিদ্যমান। তেওঁৰ ৰচনাশৈলীক সাধাৰণতে গদ্যকাব্যৰ মানদণ্ডৰূপেও গণ্য কৰা হয়। অৰ্থাৎ বাণভট্টৰ ৰচনাৰ শৈলীক আন গদ্যকাৰসকলে আৰ্হি ৰূপে গণ্য কৰে।

বিশেষতঃ বাণভট্টৰ গদ্যত পাঞ্চালী ৰীতিৰ প্ৰয়োগ বেছিকৈ দেখা যায়। কাদম্বৰী আৰু হৰ্ষচৰিত এই ৰীতিৰ উৎকৃষ্ট উদাহৰণ। মাধুৰ্য আৰু সৌকুমাৰ্য্য গুণেৰে মণ্ডিত ৰীতিকেই পাঞ্চালী ৰীতি বোলা হয়। বামণে তেওঁৰ 'কাব্যালঙ্কাৰ সূত্ৰবৃত্তিঃ' (১/২/১৩) নামৰ গ্ৰন্থত এই কথাকে উল্লেখ কৰি কৈছে যে— '*মাধুৰ্যসৌকুমাৰ্য্যো*পপন্না পাঞ্চালী'। অৰ্থাৎ মাধুৰ্য্য আৰু ওজঃ গুণ প্ৰকাশক বৰ্ণৰ প্ৰয়োগত হোৱা ৰচনা-ৰীতিয়েই পাঞ্চালী ৰীতি।



মাধুৰ্য ঃ মধুৰ, সুললিত।
সৌকুমাৰ্য্য ঃ সুকুমাৰতা।

বাণভট্টই কেৱল পাঞ্চালী ৰীতিৰেই তেওঁৰ কাব্যসমূহ ৰচনা কৰা নাই। এই ৰীতিৰ লগতে বিষয়-বস্তুৰ প্ৰয়োজন অনুসৰি তেওঁ গৌড়ী আৰু বৈদৰ্ভী ৰীতিৰো ব্যৱহাৰ কৰিছে। 'কাব্যালঙ্কাৰসূত্ৰবৃত্তিঃ (১/২/১২) গ্ৰন্থ অনুসৰি গৌড়ী ৰীতিৰ লক্ষণ হ'ল— 'ওজঃ কান্তিমতী গৌড়ীয়া।' অৰ্থাৎ ওজঃ গুণপ্ৰকাশক কাব্য ৰচনা ৰীতিকেই গৌড়ী ৰীতি বোলা হয়। বাণভট্টই কাদম্বৰীৰ বিভিন্ন বৰ্ণনাত এই ৰীতিৰ প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে, 'বিন্ধ্যাটৱী বৰ্ণনা', 'উজ্জয়িনী বৰ্ণনা', 'ইন্দ্ৰায়ুধ বৰ্ণনা' আদিত এই ৰীতিৰ প্ৰয়োগ পোৱা যায়।

ইয়াৰ উপৰিও বাণে তেওঁৰ ৰচনাত বৈদৰ্ভী ৰীতিৰো সুষম প্ৰয়োগ কৰিছে। মাধুৰ্য্যগুণযুক্ত বৰ্ণৰ সমাৱেশত সুললিত, সমাসহীন বা অলপ সমাসবিশিষ্ট ৰচনাক বৈদৰ্ভী ৰীতি বোলা হয়।

বৰ্ণনীয় বিষয়ৰ স্নিগ্ধতা আৰু মৃদুতা বুজাবলৈ এই ৰীতিৰ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, কাদম্বৰী কাব্যৰে 'শুকনাসৰ উপদেশ', মহাশ্বেতা, পুণ্ডৰীক আৰু কাদম্বৰীৰ বিৰহ অৱস্থা বৰ্ণনাত বাণভট্টই বৈদৰ্ভী ৰীতিৰ প্ৰয়োগ কৰিছে।



অলঙ্কাৰ ঃ কাব্যৰ অলঙ্কাৰ অতিশয় সৌন্দৰ্যবৰ্দ্ধক, ৰস আদিৰ উপকাৰক।
শ্লেষ ঃ এটা পদেৰে অনেক অৰ্থ বুজালে শ্লেষ হয়।

বাণভট্টৰ ৰচনাশৈলীৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ***অলঙ্কাৰৰ*** বহুল প্ৰয়োগ। তেওঁৰ ৰচনাত বিশেষকৈ অনুপ্ৰাস, উপমা, ৰূপক, উৎপ্ৰেক্ষা, অতিশয়োক্তি, সমাসোক্তি, অৰ্থান্তৰন্যাস, বিৰোধাভাস আদি অলঙ্কাৰৰ প্ৰয়োগ পোৱা যায়। ইয়াৰ উপৰিও বাণৰ গদ্যত ***শ্লেষৰ*** প্ৰয়োগো পৰিলক্ষিত হয়। কাদম্বৰী গ্ৰন্থৰ আদিতে উল্লেখ কৰা হৈছে যে ৰচনাত শ্লেষ থাকিলেহে পাঠকৰ মন জয় কৰিব পাৰি।

পৰম্পৰাগতভাৱে সংস্কৃত গদ্যক চাৰিভাগত ভাগ কৰা হৈছে। যেনে— মুক্তক, বৃত্তগন্ধী, উৎকলিকাপ্ৰায় আৰু চূৰ্ণক। বাণভট্টৰ ৰচনাত উক্ত চাৰিওবিধৰ সুন্দৰ প্ৰয়োগ দেখা যায়। ইয়াৰে মুক্তক প্ৰকাৰৰ গদ্য সমাসহীন। কাদম্বৰী কাব্যত মহাশ্বেতা, কপিঞ্জল আৰু কাদম্বৰীৰ বিৰহ অৱস্থা বৰ্ণনা কৰা সময়ত এই গদ্য ব্যৱহৃত হোৱা দেখা যায়। গদ্যত যেতিয়া আংশিকভাৱে ছন্দৰ সম্পৰ্ক থাকে অৰ্থাৎ ছন্দৰ অংশ থকা বুলি ভাৱ হয়, তেতিয়া তাক বৃত্তগন্ধী গদ্য বোলা হয়। এনে বৃত্তগন্ধী গদ্যৰ ৰচনাও কাদম্বৰীত পোৱা যায়। তৃতীয়তে, দীঘল সমাসযুক্ত পদৰ দ্বাৰা ৰচিত গদ্যক উৎকলিকাপ্ৰায় বোলে। বাণভট্টই তেওঁৰ লিখনিত এই গদ্যৰো প্ৰায়ে ব্যৱহাৰ কৰা দেখা যায়। চতুৰ্থতে চুটি চুটি সমাসযুক্ত পদৰ দ্বাৰা ৰচিত গদ্যৰ নাম চূৰ্ণক। এনে গদ্যৰ ব্যৱহাৰো বাণভট্টৰ ৰচনাৰাজিত পৰিলক্ষিত হয়।

অগ্নিপুৰাণত গদ্যকাব্যৰ পাঁচটা ভাগ পোৱা যায়। সেই ভাগকেইটা হৈছে— কথা, আখ্যায়িকা, খণ্ডকথা, পৰিকথা আৰু কথানক। বাণভট্ট বিৰচিত হৰ্ষচৰিত 'আখ্যায়িকা' আৰু কাদম্বৰী 'কথা' ভাগৰ সুন্দৰ উদাহৰণ।

ভাৰতীয় পৰম্পৰামতে ৰসেহে এখন কাব্যক জীৱনদান কৰিব পাৰি। আলংকাৰিক বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্যদৰ্পণ' নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে, 'বাক্যং ৰসাত্মকং কাব্যম্'। অৰ্থাৎ 'ৰসপূৰ্ণ বাক্যই কাব্য'। বাণভট্টই তেওঁৰ ৰচনাৰাজিত বিভিন্ন ৰসৰ প্ৰয়োগ অতি সফলতাৰে কৰিছে। প্ৰকৃততে তেওঁৰ লিখনিত ***নৱৰসৰ*** অপূৰ্ব সংমিশ্ৰণ ঘটা পৰিলক্ষিত হয়।



নৱৰস ঃ শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, বীভৎস, ভয়ানক, অদ্ভুত, আৰু শান্ত।

দৰাচলতে গদ্যৰচনাৰ নিপুণতা বাণভট্টৰ লিখনিত স্পষ্টভাৱেই প্ৰতিফলিত হৈছে। কিন্তু বাণৰ গদ্যশৈলী বা ৰচনাশৈলী একাংশ পাশ্চাত্য আধুনিক সমালোচকে সহজভাৱে ল'ব পৰা নাই। এই সন্দৰ্ভত ৱেৰাৰ (weber) নামৰ পাশ্চাত্য সমালোচক এজনৰ উদ্ধৃতি প্ৰায়ে দিয়া হয়। তেওঁ বাণৰ ৰচনাশৈলীক ভাৰতীয় ঘন অৰণ্যৰ লগত তুলনা কৰিছে। য'ত পাঠকে সোমাবহে পাৰে কিন্তু ভিতৰত শব্দৰ বৰ্ণাঢ্যত দিশহাৰা হৈ পৰে। আধুনিক পাঠকে বাণৰ দীঘল দীঘল বৰ্ণনা সহজভাৱে ল'ব নোৱাৰে। ইয়াৰ উপৰিও কাহিনীৰ মাজতে উপ-কাহিনী, দীঘল দীঘল সমাসযুক্ত বাক্য বা অতি দীঘল বৰ্ণনাসমূহেও পাঠকক কেতিয়াবা আমনি দিয়ে। কিন্তু আধুনিক যুগৰ পাঠকৰ ৰুচি আৰু প্ৰয়োজনক লক্ষ্য কৰি বাণভট্টৰ ৰচনাশৈলীৰ বিচাৰ সমীচীন নহ'ব। বোধহয় কবিজনাৰ সময়ত এনে ৰচনাহে অধিক গ্ৰহণযোগ্য আছিল। সেইবাবে মানুহৰ আকৰ্ষণ সৃষ্টি কৰিবলৈকে

হয়তো তেওঁ এনে লিখনিৰ সৃষ্টি কৰিছিল। কবিৰ নিজা সময়ৰ দৃষ্টিত তেওঁৰ ৰচনাশৈলীৰ বিচাৰ-বিশ্লেষণ কৰিলেহে কবিজনাৰ প্ৰকৃত মূল্যায়ন হ'ব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ বাণভট্টৰ পিতৃ-মাতৃৰ নাম কি আছিল?

.....

প্ৰশ্ন ২ ঃ বাণভট্টৰ পৃষ্ঠপোষক ৰজাজনৰ নাম লিখক।

.....

প্ৰশ্ন ৩ ঃ পাঞ্চালী ৰীতিৰ লক্ষণ লিখক।

.....

প্ৰশ্ন ৪ ঃ গৌড়ী ৰীতিৰ লক্ষণ কি?

.....

প্ৰশ্ন ৫ ঃ বৈদভী ৰীতি কাক বোলা হয়?

.....

প্ৰশ্ন ৬ ঃ 'শ্লেষ' শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন ৭ ঃ সংস্কৃত গদ্যৰ ভাগকেইটা আৰু কি কি লিখক।

.....

প্ৰশ্ন ৮ ঃ 'নবৰস' বুলিলে কি বুজে লিখক।

.....

৭.৪ বাণোচ্ছিষ্টং জগৎ সৰ্ৱম্

সংস্কৃত সাহিত্যৰ মহান কবিসকলৰ মাজত বাণভট্ট আছিল অপ্ৰতিদ্বন্দ্বী। তেওঁ কবিসকলৰো কবি, লেখকসকলৰো লেখক। ভাৰতীয় পণ্ডিতসকলে তেওঁক ভূয়সী প্ৰশংসা কৰিছে। পণ্ডিতসকলে স্বীকাৰ কৰিছে যে— 'বাণোচ্ছিষ্টং জগৎ সৰ্ৱম্'। অৰ্থাৎ জগতৰ সকলোবোৰ বস্তুকে বাণে উচ্ছিষ্ট বা স্পৰ্শ কৰিছে। পৃথিৱীত এনে বস্তু নাই যাৰ বৰ্ণনাই তেওঁৰ লিখনিত স্থান পোৱা নাই। তেওঁৰ সমস্ত সাহিত্য কৰ্মতে সকলোবোৰবিষয়ৰ অভিজ্ঞতা আৰু নিপুন বৰ্ণনা চাতুৰ্য্য প্ৰকাশ পাইছে।

বাণভট্ট আছিল বৰ্ণনাৰ ৰজা। বিষয়বস্তুসমূহৰ বৰ্ণনাৰ ধৰণ তেওঁৰ অতুলনীয়। কোনো বিষয়ৰে সাধাৰণভাৱে বৰ্ণনা কৰাৰ পক্ষপাতি তেওঁ নহয়। কবিৰ মনে যেন কিবা নতুনত্ব উপস্থাপনৰ বাবে, কিবা এটা অসাধাৰণ বা অদ্ভুত বৰ্ণনা কৰিবৰ বাবে ব্যাকুল হৈ থাকে। এই ব্যাকুলতাই তেওঁক এটা অবিস্মৰণীয় কাহিনী বৰ্ণনাত সহায় কৰে। কাহিনী বৰ্ণনাৰ সময়ত তেওঁ ভৱিষ্যতে কি ঘটিব সেই বিষয়ে ক'বলৈ লৰালৰি নকৰে, ধীৰে ধীৰে আগুৱাই লৈ যায় তেওঁৰ লিখনি।

সাধাৰণতে ঘটনাৰ বৰ্ণনাই হৈছে গল্প। কিন্তু বাণভট্টই তেওঁৰ গল্প সৃষ্টি কৰিছিল মুহূর্তে মুহূর্তে ভাষাচিত্ৰ অংকন কৰিহে। সেই কাৰণেই তেওঁৰ ৰচনা গতিশীল নহয়। উদাহৰণস্বৰূপে, কাদম্বৰী কাব্যৰ উজ্জয়িনীবর্ণনাত পোৱা যায়, 'অস্তি সকলত্রিভুবনললামভূতা... ... ... উজ্জয়িনী নাম নগৰী'। এই গদ্যাংশভাগত লেখকৰ প্ৰধান উদ্দেশ্যটো হ'ল পাঠকক অৱগত কৰোৱাটো যে অৱন্তি দেশত উজ্জয়িনী নামৰ এখন নগৰ আছিল। কিন্তু বাণভট্টই এই উজ্জয়িনীৰ বর্ণনা আৰম্ভ কৰি 'অস্তি' বুলি লিখাৰ পিছতে নগৰখনৰ বহু বিশেষণ ব্যৱহাৰ কৰিছে। বহুপিছততে তেওঁ কৈছে যে বর্ণনীয় নগৰখনৰ নাম উজ্জয়িনী। এনেদৰে অতি দীঘলীয়া সমাসবদ্ধ গদ্যৰ ব্যৱহাৰৰ লগতে অত্যধিক বিশেষণৰ ব্যৱহাৰৰ বাবেই বাণভট্টৰ বর্ণনা অতি ধীৰ গতিত আগবাঢ়ে। কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰৰ মতে, 'অন্য লেখকে যেতিয়া কোনো এটা গল্প ঘটনাৰে বর্ণনা কৰে, বাণে তেতিয়া ইয়াক বর্ণনা কৰে চিত্র অঙ্কনৰ দ্বাৰা।'

নিজৰ লিখনিসমূহত চৰিত্র উপস্থাপনৰ ক্ষেত্রতো বাণভট্টৰ দক্ষতা অপৰিসীম। তেওঁৰ ৰচনাত ৰজা-ৰাণী, ৰাজকুমাৰ-ৰাজকুমাৰী, মন্ত্রী, তপস্বী, কিন্নৰ, অপ্সৰা আদি সকলো বিদ্যমান। যদিও তেওঁৰ এই চৰিত্রসমূহ কম-বেছি পৰিমাণে প্রচলিত ধৰণে উপস্থাপন কৰিছে, তথাপি চৰিত্রসমূহ নিজ ব্যক্তিত্বৰে মহীয়ান। বাণভট্টই তেওঁৰ জীৱনকালত বিভিন্ন সময়ত বহু ঠাই ভ্রমণ কৰিছিল। এই ভ্রমণকালত তেওঁ বহু অভিজ্ঞতা সঞ্চয় কৰিছিল। লগতে বহু মানুহৰ সংস্পর্শলৈ আহিছিল। মানুহৰ প্রকৃতি তেওঁ খুব সূক্ষ্মভাৱে পর্যবেক্ষণ কৰিছিল। সেইবাবেই হয়তো তেওঁ ৰচনাৰ চৰিত্রসমূহক জীৱন্তভাৱে উপস্থাপন কৰিব পাৰিছিল।

কাব্যৰ আত্মা হৈছে ৰস। বাণভট্টয়ো তেওঁৰ ৰচনাৰাজিত ৰসৰ প্রয়োজনীয়তা উলাই কৰা নাছিল। তেওঁৰ বিখ্যাত দুয়োখন ৰচনাতে অর্থাৎ 'হর্ষচৰিত' আৰু 'কাদম্বৰী'ত প্রায় সকলো ৰসৰে সমাহাৰ পৰিলক্ষিত হয়। কাদম্বৰীৰ কাহিনী শৃঙ্গাৰ ৰস প্রধান। ইয়াৰ উপৰিও এই গ্রন্থত আন ৰসসমূহেও সমানেই আস্বাদ্য হৈছে। সেইদৰে 'হর্ষচৰিত'ৰ প্রধান ৰস হৈছে বীৰ। কিন্তু এই বীৰৰসৰ লগতে নানাবিধ ৰসৰ অপূর্ব সংমিশ্রণ এই কাব্যত ঘটিছে।

বাণভট্টৰ ৰচনাত প্রকৃতি-বর্ণন অতি সুন্দৰ। তেওঁ যেন সদায়ে সহৃদয় পাঠকৰ সন্মুখত এক সজীৱ প্রাকৃতিক বর্ণনা দাঙি ধৰিবলৈ যত্ন কৰে। হর্ষচৰিত আৰু কাদম্বৰী এই দুই কাব্যতে তেওঁ বিস্তাৰিতকভাৱে নদ-নদী, গছ-বৃক্ষ, নগৰ-আশ্রম, পুৱা-গধূলিৰ অনুপম দৃশ্য, পুৰুষ আৰু নাৰীৰ সৌন্দর্য আদি বর্ণনা কৰিছে। প্রকৃতিৰ লগত যে মানৱৰ সম্বন্ধ অতি আত্মিক আৰু চিৰন্তন, সেই কথাও তেওঁ লিখনিৰ মাজেৰে প্রকাশ কৰিছে। বিভিন্ন অলংকাৰ প্রয়োগৰ দ্বাৰা প্রকৃতিৰ বিভিন্ন উপাদানৰ চিত্রনৰ জৰিয়তে তেওঁ গছ-বৃক্ষ বা পশু-পক্ষীৰ যি অনুপম বর্ণনা আগবঢ়াইছে, সেয়া অদ্বিতীয়।

বাণভট্টই তেওঁৰ লিখনিত উপযুক্ত বর্ণৰ সমাহাৰ দেখুৱাইছে। উদাহৰণস্বৰূপে তেওঁ 'ৰক্তবর্ণ'ৰ বাবে বিভিন্ন সময়ত বিভিন্ন পর্যায়বাচক শব্দ বা বিশেষণ ব্যৱহাৰ কৰিছে। যেনে— পদ্মৰাগপাটল, প্রতপালক্ষৰহিত, গজৰোধিৰবিদ্রুম, পাটল আদি। সেইদৰে বগা ৰং বুজাবলৈ তেওঁ কেবল শ্বেত বা ধবল শব্দৰে ব্যৱহাৰ কৰা নাই। ইয়াৰ বাবে তেওঁ হংসচিত্ত, জৰথমৃণাল, দণ্ডধৱল,

মুক্তাফলধৱল, অমৃতফেন ধৱল আদি শব্দৰ ব্যৱহাৰ কৰিছে। বাণৰ শব্দ সম্ভাৰৰ প্ৰাচুৰ্য্য সঁচাকৈয়ে বিস্ময়কৰ। ভাৰ হয় তেওঁ গভীৰভাৱে শব্দকোষৰ জ্ঞান লাভ কৰিছিল। তেওঁ তেওঁৰ ৰচনাত প্ৰচলিত শব্দৰ লগতে মাজে-সময়ে কেতিয়াবা কিছুমান অপ্ৰচলিত দুৰ্লভ শব্দ ব্যৱহাৰ কৰিছে। তেওঁৰ কাব্যসমূহ যেন শব্দকোষৰ ভাণ্ডাৰ। সংস্কৃত ভাষাত অতি দখল থকা বাণে একেটা অৰ্থ বুজাবলৈ বহু শব্দৰ ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে 'নিনাদ'ৰ (অৰ্থাৎ ধ্বনি) প্ৰায় সকলো পৰ্যায়বাচী শব্দ তেওঁ প্ৰয়োগ কৰিছে। যেনে— ধ্বনি, ৰনিত, নাদ, ৰসিত, ঘৰ্ঘৰ, ঝঙ্কাৰ, ঝণঝণ, কোলাহল, ৰৱ, কেংকাৰ, শব্দ, নিঃস্বন, বিৰুত, কলকল, হুংকৃত, ৰুনিত, গৰ্জিত, কূজিত, টংকাৰ, স্বৰ, ঘোষ, স্বন, হ্লাদ, চীৎকৃত, আক্ৰন্দিত আদি। সেইদৰে ভগৱান শিবক বুজাবলৈ তেওঁ ব্যৱহাৰ কৰা কিছুমান শব্দ হ'ল— হৰ, ঈশান, পশুপতি, শম্ভু, শেখৰ, শিতিকণ্ঠ, মহাকাল, মহেশ্বৰ, পিনাকী, নীলকণ্ঠ, স্থাণু, বিৰূপাক্ষ, ধূৰ্জটি, প্ৰমথনাথ, ত্ৰিলোচন, ত্ৰিপুৰাৰি, গৌৰীনাথ, শঙ্কৰ, ত্ৰিনয়ন, কামজিৎ শূলপাণি আদি। মুঠতে বাণভট্ট আছিল 'সৰ্বেশ্বৰ'। তেওঁ নিজৰ লিখনিত বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰায় সকলো বস্তু বা বিষয়কে বৰ্ণনা কৰিছে। সেয়েহে তেওঁৰ বিষয়ে যথাৰ্থভাৱেই কোৱা হয় যে— 'বণোচ্ছিষ্টং জগৎ সৰ্বম্।'

৭.৫ গদ্যং কবীনাং নিকষং বদন্তি

বৈদিক যুগত গদ্যাত্মক ৰচনা বহুল পৰিমাণে পোৱা যায়। সেই যুগত মানুহে গদ্য-সাহিত্যৰ বিস্তৃত অধ্যয়ন কৰিছিল। কিন্তু বৈদিকোত্তৰ কালৰ প্ৰথম অৱস্থাত সকলো সাহিত্যিক গ্ৰন্থতে পদ্যাত্মক ৰচনাহে প্ৰধান হৈ পৰে। আনকি ব্যাকৰণ, জ্যোতিষ, চিকিৎসাশাস্ত্ৰ আদি বিষয়তো ছন্দোবদ্ধ কাব্যৰ সৃষ্টি হয়। ইয়াৰ প্ৰধান কাৰণ হ'ল পদ্য মনত ৰাখিবলৈ সহজ। ফলত গদ্যৰ জনপ্ৰিয়তা লাহে লাহে হ্ৰাস পাবলৈ ধৰিলে। সমালোচকসকলেও গদ্যৰ নীৰস আৰু সাধাৰণ বিষয়বস্তুত বিশেষ আকৰ্ষণ বিচাৰি নোপোৱা হ'ল। এইবোৰ কাৰণতে গদ্যকাৰসকলে তেওঁলোকৰ গদ্যৰচনাত এক বৈশিষ্ট্য সৃষ্টিৰ বাবে যত্নপৰ হৈ পৰিল। ছন্দোবদ্ধ ৰচনাৰ লগত ফেৰ মাৰিব পৰাকৈ গদ্যৰচনাতে এক কাব্যিক চাৰুতাৰ সৃষ্টি কৰা হ'ল। গদ্যতে পদ্যজনিত এক আবেদন সৃষ্টিৰ প্ৰয়াস কৰিলে গদ্যকাৰসকলে। ছন্দৰ বাহিৰে পদ্যৰ সকলোবোৰ বৈশিষ্ট্য গদ্যৰচনাত প্ৰয়োগ হ'বলৈ ধৰিলে। ফলত বিশেষ একপ্ৰকাৰৰ পদ্যময় গদ্যৰ সৃষ্টি হ'ল। এই বিশেষ ৰচনাসমূহে লোককথাসমূহৰ পৰা বিষয়বস্তু গ্ৰহণ কৰিলে। কিন্তু গদ্যত পদ্যৰ সহজাত গুণ প্ৰয়োগ কৰাটো সহজ নাছিল। সেয়েহে পাঠকৰ মন আকৰ্ষণ কৰিব পৰা গদ্যৰচনা কৰিবলৈ গৈ গদ্যকাৰসকলে অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰিব লগা হ'ল। ফলত পদ্যাত্মক ৰচনাতকৈ গদ্যাত্মক ৰচনাহে অধিক কঠিন বুলি সময়ত বিবেচিত হ'ল। কোৱা হ'ল যে 'গদ্যং কৱীনাং নিকষং বদন্তি' অৰ্থাৎ 'গদ্য কবিসকলৰ ***কষটিশীলা***।'

সংস্কৃত কবিসকলৰ মাজত বাণভট্ট অন্যতম শ্ৰেষ্ঠ কবি। নাটক আৰু পদ্য ৰচনাত মহাকবি কালিদাসৰ প্ৰতিভা অদ্বিতীয় বুলি জনাজাত। সেইদৰে গদ্যকাৰ হিচাপে বাণভট্টক অদ্বিতীয় বুলি ক'ব পাৰি। যি সময়ত শ্লোকবদ্ধ পদ্য ৰচনা কৰাতকৈ বিশিষ্ট গুণসম্পন্ন গদ্যকাব্য ৰচনা কৰাটো অধিক কঠিন আছিল, তেনে সময়তে বাণভট্টই 'কাদম্বৰী' আৰু 'হৰ্ষচৰিত' ৰচনা কৰি আদৰ্শৰূপে পাঠকৰ আগত দাঙি ধৰি নিজৰ কবিপ্ৰতিভাৰ যথাৰ্থতা প্ৰতিপন্ন কৰি থৈ গৈছে।



কষটিশীলা ঃ সোণৰ শুদ্ধতা বা অশুদ্ধতা পৰীক্ষা কৰিবলৈ সোণ ঘঁহা এবিধ ক'লা শিল। ইংৰাজীত কোৱা হয় Touch stone.

আপুনি ইতিমধ্যে জানিছে যে পৰম্পৰাগতভাৱে গদ্যক চাৰিটা ভাগত ভাগ কৰা হৈছে— মুক্তক, বৃত্তগন্ধী, চূৰ্ণক আৰু উৎকলিকা প্ৰায়। বাণভট্টৰ ৰচনাত উক্ত চাৰিওবিধৰ সুন্দৰ প্ৰয়োগ দেখা যায়। 'মুক্তক' গদ্যৰ নিৰ্দশন হৈছে সমাসবিহীন ৰচনা। বাণে এনে সমাসবিহীন গদ্য অনুভূতিৰ তাড়নাত কিছুমান বিশেষ চৰিত্ৰই কৰা উক্তিত প্ৰয়োগ কৰিছে। যেনে— কাদম্বৰী গ্ৰন্থত পোৱা যায় যে, 'হা হতোহস্মিহ্ল হা দগ্ধোহস্মিহ্ল হা ৱঞ্চিতোহস্মি' হা কিমিদমপেতিতম্। কিংবৃত্তম্। উৎসন্নোহস্মি।' (অৰ্থাৎ 'উঃহ্ল মৰিলোঁ। হায়'হ্ল মোক পুৰি মাৰিলে। মোক বঞ্চনা কৰিলে। উঃহ্ল এয়া কি হ'ল? কি ঘটিল? মোক পুলিয়ে পোখাই উভালিলে।) দ্বিতীয়তে, আংশিকভাৱে ছন্দৰ ব্যৱহাৰ থকা গদ্যই 'বৃত্তগন্ধী'। কাদম্বৰী গ্ৰন্থত বাণভট্টই এই গদ্যৰো প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে — 'অম্বিকাকৰতলমিৰ ৰুদ্ৰাক্ষৱলয়গ্ৰহণনিপুণম্, শিশিৰসময়সূৰ্যমিব কৃতোত্তৰা সঙ্গম্, বাড়ৱানলমিৰ সন্ততপয়োভক্ষম্, শূন্যনগৰমিব দীননাথৰিপন্নশৰণম্, পশুপতিমিৰ ভস্মপাণ্ডুৰোমাশ্লিষ্টশৰীৰং ভগৱন্তং জাবালিমপশ্যম্। (অৰ্থাৎ ভগৱতী অম্বিকা বা পাৰ্বতীয়ে নিজৰ হাতৰ তলুৱাৰে নিপুণভাৱে ৰুদ্ৰৰ অৰ্থাৎ ভগৱান শিৱৰ চকুযুৰি আৰৰি ধৰে, এওঁ ৰুদ্ৰাক্ষমালাজপত নিপুণ আছিল। শীতকালত সূৰ্য উত্তৰদিশে গতি কৰে, এওঁ উত্তৰীয় বসন ধাৰণ কৰিছিল। ***বাড়ৱানল*** সততে সাগৰৰ পানীত থকাৰ দৰে এওঁ সততে দুগ্ধ আৰু পানী পাণ কৰিছিল। দীন, অনাথ, বিপন্নসকলে শূন্য নগৰত আশ্ৰয় লয়, এৰোঁ এইবিলাকৰ আশ্ৰয় আছিল। পশুপতিৰ অৰ্থাৎ শিৱৰ দৰে ভস্ম-ধৱল ৰোমৰাজিৰে আবৃত আছিল এওঁৰ শৰীৰ। এনে ভগৱান জাবালিক দেখিলো।) তৃতীয়তে, 'চূৰ্ণক' নামৰ গদ্যৰ ভেদত সমাসবোৰ সৰু হয় আৰু পদবিলাক কোমল আৰু মধুৰ হয়। কাদম্বৰী কাব্যত এই গদ্যভেদৰো উদাহৰণ পোৱা যায়। যেনে— 'সখে পুণ্ডৰীক, নৈতদনুৰূপং ভৱতঃ। ক্ষুদ্ৰজনক্ষুণ্ণঃ এষ মাৰ্গঃ। ধৈৰ্যধনা হি সাধৱঃ। কিং যঃ কশ্চন প্ৰাকৃত ইব ৰিক্লৰীভৱন্তমাত্মনং ন ৰূণৎসি।' (অৰ্থাৎ, 'সখা পুণ্ডৰীক, এইটো তোমাৰ পক্ষে উচিত নহয়। নীচ লোকে আচৰণ কৰা এই পথ। ধৈৰ্য সাধুসকলৰ ধন। যিকোনো সাধাৰণ লোকএজনৰ দৰে কিয় মন বন্ধা নাই?') চতুৰ্থতে, উৎকলিকাপ্ৰায় নামৰ গদ্যত দীঘল দীঘল সমাস থাকে। বাণে তেওঁৰ ৰচনাত এইবিধ গদ্যৰ সঘনাই ব্যৱহাৰ কৰিছে। কাদম্বৰীৰে পূৰ্বভাগত এনে উদাহৰণ পোৱা যায়। যেনে— 'উদ্দামকেকাৰবানুমীয়মানমৰকতকুট্টিমস্থিতশিখণ্ডিমণ্ডলম্ অতিশিশিৰচন্দনবিটপিচ্ছায়ানিষণ্ণনিদ্ৰায়মানগৃহসাৰসম্'। (অৰ্থাৎ 'মৰকত মনিৰে নিৰ্মিত ভেটিৰ ওপৰত থকা ম'ৰাজাকক সিহঁতৰ দীঘলীয়া কেকাধ্বনিৰদ্বাৰাহে অনুমান কৰিব পৰা হৈছিল। পোহনীয়া সাৰসপক্ষীবোৰে সুশীতল চন্দন-বৃক্ষৰ ডালৰ ছাঁত বহি টোপনি মাৰিছিল।' কাদম্বৰী— পূৰ্বভাগ)



বাড়ৱানল ঃ সাগৰৰ পানীত জ্বলি উঠা অগ্নি। ইয়াৰ আন এটা নাম 'বাড়ৱ'।

আপুনি ইতিমধ্যে অবগত হৈছে যে অগ্নিপুৰাণত গদ্যকাব্যৰ পাঁচটা ভাগৰ বিষয়ে কোৱা হৈছে। এই পুৰাণত কোৱা হৈছে যে—

আখ্যায়িকা কথা খণ্ডকথা পৰিকথা তথা।
কথানিকেতি মন্যন্তে গদ্যকাব্যং চ পঞ্চধা।। (অগ্নিপুৰাণম্, ৩৩৭/১২)

অৰ্থাৎ, আখ্যায়িকা, কথা, খণ্ডকথা, পৰিকথা তথা কথানিকা— গদ্যকাব্য এই পাঁচ প্ৰকাৰৰ হয়। বাণভট্টৰ হৰ্ষচৰিত 'আখ্যায়িকা' আৰু কাদম্বৰী 'কথা' ভাগৰ উৎকৃষ্ট উদাহৰণ।

বাণভট্টই তেওঁৰ ৰচনাৰাজিত বিভিন্ন ৰীতিৰ প্ৰয়োগ কৰিছে। তেওঁ যেন এটা ৰীতিৰ প্ৰয়োগত তৃপ্তি নাপায়। কেতিয়াবা তেওঁ প্ৰতি প্ৰসঙ্গতে বিবিধ ৰীতি প্ৰয়োগ কৰাও পৰিলক্ষিত হয়। বাণ অতিশয় পৰিৱৰ্তনপ্ৰিয় লিখক। উদাহৰণস্বৰূপে, 'কাদম্বৰী' আৰু 'হৰ্ষচৰিত', এই দুইখন কাব্যই পাঞ্চালী ৰীতিৰ উজ্জ্বল নিৰ্দশন। কিন্তু তেওঁ মাজে মাজে গৌড়ী আৰু বৈদৰ্ভী ৰীতিৰো প্ৰয়োগ কৰিছে। যেনে 'কাদম্বৰী' কাব্যৰ বিন্ধ্যাটৱী বৰ্ণনা, উজ্জয়িনী বৰ্ণনা, ইন্দ্ৰায়ুধ বৰ্ণনা আদিত গৌড়ী ৰীতিৰ ব্যৱহাৰ দেখা যায়। আনহাতেদি এই কাব্যত সন্নিবিষ্ট শুকনাসৰ উপদেশ, মহাশ্বেতা, পুণ্ডৰীক আৰু কাদম্বৰীৰ বিৰহ অৱস্থা বৰ্ণনাত কবিয়ে বৈদৰ্ভী ৰীতিৰ প্ৰয়োগ কৰিছে।

বাণভট্টৰ কাব্যত শব্দালংকাৰ আৰু অৰ্থালংকাৰ উভয়ৰে প্ৰয়োগ প্ৰায় সমভাৱেই দেখা যায়। কবিৰ কেইটামান প্ৰিয় অলংকাৰ হৈছে উপমা, উৎপ্ৰেক্ষা, ৰূপক, অনুপ্ৰাস, শ্লেষ, পৰিসংখ্যা, বিৰোধ, সমাসোক্তি, অতিশয়োক্তি। তেওঁ এই সকলো অলংকাৰৰে যথাযথ প্ৰয়োগ কৰিছে। কিন্তু এইবোৰৰ লগতে ঠায়ে ঠায়ে আন অলংকাৰসমূহৰ যেনে, ব্যতিৰেক, ভ্ৰান্তিমান, যমক, নিদৰ্শনা, দৃষ্টান্ত, বিভাৱনা আদিৰো বাণভট্টই বহুবাৰ অতি নিপুণভাৱে প্ৰয়োগ কৰিছে।

আলংকাৰিকসকলে ৰসকে কাব্যৰ সাৰবস্তু বুলি কৈছিল। 'সাহিত্য-দৰ্পণ' নামৰ অলংকাৰ গ্ৰন্থৰ ৰচক বিশ্বনাথ কবিৰাজৰ মতে 'ৰসপূৰ্ণ বাক্যই কাব্য' (ৰসাত্মকং ৱাক্যং কাব্যম্)। বাণভট্টৰ দুয়োখন গদ্যকাব্যতে নৱৰসে স্থান পাইছে। প্ৰতিটো ৰসকে তেওঁ অতি দক্ষতাৰে উপস্থাপন কৰিছে। কাদম্বৰীৰ মুখ্য ৰস হৈছে শৃংগাৰ। কিন্তু ইয়াৰ লগতে কবিয়ে কৰুণ, হাস্য, অদ্ভুত আদি ৰসৰো তেওৰ লিখনিত স্থান দিছে।

দৰাচলতে বাণভট্টৰ গদ্যৰচনাৰ নিপুণতা তেওঁৰ কাব্যত স্পষ্টভাৱেই প্ৰতিফলিত হৈছে। পাশ্চাত্যৰ কোনো কোনো পণ্ডিতে তেওঁৰ ৰচনাত বৰ্ণনাৰ আতিশয্য, সমাসৰ জটিলতা আদিৰ উল্লেখ কৰি এই ৰচনাসমূহ সহজভাৱে ল'ব পৰা নাই। বহু সমালোচকৰ মাজতে বাণে বৰ্ণনাত সীমা অতিক্ৰম কৰি যায়। কিন্তু ভাৰতীয় পণ্ডিতসকলে তেওঁৰ ভূয়সী প্ৰশংসা কৰিছে। তেওঁলোকে স্বীকাৰ কৰিছে যে জগতৰ সকলোবোৰ বস্তুকে বাণভট্টৰ বৰ্ণনাই সামৰি লৈছে। সেইবাবেই সোড়ঢ়লে তেওঁৰ 'উদয়সুন্দৰীকথা' নামৰ কাব্যত এনেদৰে কৈছে— 'ৰসেশ্বৰং স্তৌমি চ কালিদাসং বাণং তু সর্ৱেশ্বৰমানতোহস্মি।' (অৰ্থাৎ কালিদাস হৈছে 'ৰসেশ্বৰ' কিন্তু বাণ হৈছে 'সর্ৱেশ্বৰ'।)

৭.৬ কথাৰূপে কাদম্বৰী

সংস্কৃত সাহিত্যত কাব্য দুই প্ৰকাৰৰ— দৃশ্য কাব্য আৰু শ্ৰব্য কাব্য। দৃশ্যকাব্য অভিনয়াত্মক। যেনে, নাটক আদি। শ্ৰব্য কাব্যক আকৌ দুই ভাগত ভাগ কৰা হৈছে— পদ্য আৰু গদ্য। পদ্যাত্মক শ্ৰব্যকাব্যসমূহ হৈছে মহাকাব্য, খণ্ডকাব্য আদি। গদ্যাত্মক শ্ৰব্যকাব্যৰ বহু প্ৰকাৰ ভেদ আছে। কিন্তু পৰৱৰ্তীকালত দণ্ডী, ভামহ, বিশ্বনাথ কবিৰাজ আদি আলংকাৰিকে গদ্যকাব্যৰ দুটা ভাগহে স্বীকাৰ কৰিছে। সেই ভাগ দুটা হৈছে— কথা আৰু আখ্যায়িকা।

বাণভট্ট ৰচিত 'কাদম্বৰী' কথা নে আখ্যায়িকা এই প্ৰসঙ্গৰ আলোচনা কৰাৰ পূৰ্বে কথা আৰু আখ্যায়িকাৰ লক্ষণ সম্বন্ধে বিভিন্ন আলংকাৰিকৰ মতামতসমূহ পৰ্যালোচনা কৰাটো আৱশ্যক।

আচার্য ভামহৰ মতে আখ্যায়িকা কাব্যৰ বৈশিষ্ট্যসমূহ হৈছে— (ক) ইয়াৰ বিষয়বস্তু হ'ব লাগিব লোকসমাজত প্রচলিত ঘটনা, (খ) নায়ক নিজেই আখ্যানভাগৰ বক্তা হ'ব, (গ) গল্পটো ক'ব লাগিব সুন্দৰ গদ্যত, (ঘ) কাব্যৰ বিভাগবোৰৰ নাম হ'ব লাগিব উচ্ছ্বাস, (ঙ) প্রথম পৰিচ্ছেদৰ বাহিৰে আন প্রতিটো পৰিচ্ছেদৰ আৰম্ভণিতে আর্য্যাছন্দত ৰচিত শ্লোক থাকিব লাগিব, (চ) গদ্যাংশৰ মাজত থকা পদ্য বক্ত্র বা যিকোনো ছন্দত ৰচিত হ'ব লাগে। ভামহে কথা কাব্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে কৈছে যে— (ক) পদ্য বা শ্লোকসমূহত দেৱতা বা গুৰুক উদ্দেশ্য কৰি নমস্কাৰ, কবিৰ বংশ বর্ণনা, কাব্যৰচনাৰ প্রেৰণা থাকিব লাগিব, (খ) কথাভাগ গদ্যত ৰচিত হ'ব লাগিব, (গ) গদ্যৰ মাজত ব্যৱহৃত পদ্যত, ভাষাত অনুপ্রাস ছন্দ ব্যৱহাৰ কৰিব পাৰিব।

'সাহিত্যদর্পণ' গ্রন্থত বিশ্বনাথ কবিৰাজে কথা আৰু আখ্যায়িকাৰ লক্ষণ দাঙি ধৰিছে। কবিৰাজৰ মতে কথা হ'ল—

'কথায়াং সৰসং ৰস্তু গদ্যৈৰেৰ ৰিনির্মিতম্
ক্বচিদত্র ভৱেদার্য্যা ক্বচিদৰক্ত্রাপৰক্ত্রকে।
আদৌ পদ্যৈর্নমস্কাৰঃ খলাদের্ৱৃত্তকীর্তনম্।' (সাহিত্যদর্পণ, ষষ্ঠ পৰি)

অর্থাৎ, কথাত গদ্যৰ মাধ্যমেৰে সৰস কাহিনী বর্ণিত হয়। এনে কোনো কোনো কাব্যত আর্যা, ৰক্ত্র আৰু অপৰক্ত্র ছন্দৰ পদ্য থাকে। গ্রন্থৰ আৰম্ভণিতে পদ্যত ৰচিত কবিৰ ইষ্ট-দেৱতাৰ স্তুতি থাকে। তাৰ পিছত থাকে দুর্জন বা অসৎ লোক আৰু সাধু বা সৎলোকৰ চৰিত্রৰ বর্ণনা। ইয়াৰ পিছত থাকে পৰিকল্পিত কাহিনীভাগৰ বর্ণনা।

বিশ্বনাথ কবিৰাজৰ মতে আখ্যায়িকাৰ লক্ষণ হ'ল—
আখ্যায়িকা কথাৱৎ স্যাৎ করেৰ্ৱংশানুকীর্তনম্।
অস্যামন্যকৱীনাঞ্চ ৱৃত্তং পদ্যং ক্বচিৎ ক্বচিৎ।।
কথাংশানাং ব্যৱচ্ছেদ আশ্বাস ইতি বদ্ধ্যতে।
আর্য়াৱক্ত্রাপৰক্ত্রনাং ছন্দসা য়েন কেনচিৎ।
অন্যাপদেশেনাশ্বাসমুখে ভাৱ্যর্থসূচনম।। (সাহিত্যদর্পণ, ষষ্ঠ পৰি)

অর্থাৎ আখ্যায়িকা কথাৰ দৰেই। ইয়াৰ আদিতে কবিৰ বংশৰ বর্ণনা আৰু ক'ৰবাত ক'ৰবাত অন্য কবিসকলৰ কাহিনী পদ্যত বর্ণিত হয়। কাহিনীৰ অংশবোৰক আশ্বাস বোলা হয়। প্রত্যেক আশ্বাসৰ আৰম্ভণিতে ভাবী ঘটনাৰ সূচনা কৰা হয় আর্য্যা, ৰক্ত্র আৰু অপৰক্ত— এই তিনিটাৰ যিকোনা এটা ছন্দত ৰচনা কৰা পদ্যৰ জৰিয়তে।

ইয়াৰ বাহিৰেও বিভিন্ন আলংকাৰিকে যেনে দণ্ডী, ৰুদ্রট আদিয়েও কথা আৰু আখ্যায়িকাৰ লক্ষণ নিৰূপণ কৰিছে। এই সকলোৰে মতসমূহ বিচাৰ কৰি চালে দেখা যায় যে তেওঁলোকৰ মতে কথাৰ বিষয়বস্তু সম্পূর্ণ কল্পনাপ্রসূত হোৱাটো বাঞ্ছনীয়। আনহাতেদি, আখ্যায়িকাৰ বিষয়বস্তু তথ্যপূর্ণ ভূতকালিক ঘটনাৰ ওপৰত প্রতিষ্ঠিত আৰু ঐতিহাসিক বা ঐতিহাসিকতাযুক্ত হ'ব লাগে।

বাণভট্ট বিৰচিত 'কাদম্বৰী' এক প্রসিদ্ধ কথা শ্রেণীৰ কাব্য। ইয়াত কথাকাব্যৰ প্রায় সকলোবোৰ লক্ষণ প্রতিফলিত হৈছে। যেনেদৰে, গ্রন্থৰ আৰম্ভণিতে কবিয়ে ব্রহ্মা, শিব, বিষ্ণু

আৰু গুৰু ভৰ্বুক প্ৰণাম জনাইছে। লগতে কাব্যৰ ফলশ্ৰুতি সম্পৰ্কে মন্তব্য কৰিছে আৰু কবিয়ে নিজ বংশকীৰ্তন কৰিছে। চন্দ্ৰাপীড় আৰু কাদম্বৰী তথা পুণ্ডৰীক আৰু মহাশ্বেতাৰ প্ৰণয় কাহিনী গ্ৰন্থখনৰ মূল উপজীব্য বিষয়। কথাশ্ৰেণীৰ গদ্যৰ লক্ষণ অনুসৰি গ্ৰন্থৰ কাহিনীভাগৰ মূল বক্তা নায়ক নহয়। বৈশম্পায়ন বা মহাশ্বেতা বা মহৰ্ষি জাবালিয়ে বক্তাৰ ভূমিকা পালন কৰিছে। ইয়াৰ ৰীতি পাঞ্চালী। প্ৰধান ৰস হৈছে শৃংগাৰ। কাদম্বৰীৰ কাহিনীভাগ কবিকল্পিত। ইয়াত উচ্ছ্বাসভাগ নাই। লিখকে একেলেথাৰিয়ে কাহিনী বৰ্ণনা কৰি গৈছে। মাজে মাজে ৰক্ত্ৰ আৰু অপৰক্ত্ৰ ছন্দত ৰচিত পদ্য সন্নিৱিষ্ট কৰা হৈছে। কাদম্বৰীত প্ৰকৃতিৰ বৰ্ণনা আদিৰ ক্ষেত্ৰতো গদ্যকাৰে বিশেষ দৃষ্টি নিবদ্ধ কৰিছে। বিন্ধ্যাটৱী, পম্পাসৰোবৰ, জাবালি আশ্ৰম, চণ্ডিকাদেৱীৰ মন্দিৰ ইত্যাদিৰ বৰ্ণনা এই ক্ষেত্ৰত বিশেষ উল্লেখযোগ্য। এই সকলোবোৰে সহৃদয় পাঠকৰ হৃদয়ত গভীৰ আনন্দৰ সঞ্চাৰ কৰে। তেনেদৰে, অলংকাৰ তথা ৰসৰ মধুৰ মিলনত, ভাষা আৰু ভাৱৰ পৰস্পৰ সম্পৰ্কত, কল্পনা তথা বৰ্ণনাৰ অনুৰূপ সংঘটনত কাদম্বৰী গ্ৰন্থখনে সংস্কৃত সাহিত্যত অনুপম আৰু অদ্বিতীয় গ্ৰন্থৰূপে সৰ্বজন স্বীকৃত হৈ পৰিছে। উক্ত আলোচনাৰ পৰা এয়া প্ৰতীয়মান হয় যে বাণভট্ট বিৰচিত কথাকাব্যখনি সংস্কৃত সাহিত্যৰ এক উৎকৃষ্ট কাব্যৰূপে পণ্ডিত তথা বিদ্বানসমাজত সমাদৃত হৈ আহিছে।



জানি থোৱা ভাল

১। **অগ্নিপুৰাণ ঃ** এই পুৰাণক সকলো ভাৰতীয় বিদ্যাসমূহৰ সংক্ষিপ্ত বিশ্বকোষ বোলা হয়। ইয়াত প্ৰায় চাৰে এঘাৰ হাজাৰ অৰ্থাৎ এঘাৰ হাজাৰ পাঁচশ শ্লোক আছে। ইয়াত ৩৮৩টা অধ্যায় আছে। এই পুৰাণত বিষ্ণুৰ অৱতাৰসমূহৰ চমু বিৱৰণ পোৱা যায়।

২। **ভামহ ঃ** ভামহৰ কাল ৫০০—৬২০ খৃষ্টাব্দৰ মাজত বুলি কোৱা হয়। তেওঁ 'কাব্যালংকাৰ' নামে অলংকাৰ শাস্ত্ৰ ৰচনা কৰে। গ্ৰন্থখন ছটা পৰিচ্ছেদত বিভক্ত।

৩। **দণ্ডী ঃ** দণ্ডীয়ে 'কাব্যাদৰ্শ' নামেৰে অলংকাৰ শাস্ত্ৰ ৰচনা কৰে। গ্ৰন্থখন তিনিটা পৰিচ্ছেদত বিভক্ত। ইয়াত ৬৬০ (-৬৬৩)টা শ্লোক আছে। দণ্ডী ৰচিত আন এখন বিখ্যাত গ্ৰন্থ হৈছে 'দশকুমাৰচৰিত'।

৪। **ৰুদ্ৰট ঃ** ৮২৫—৮৫০ খৃষ্টাব্দৰ ভিতৰত ৰুদ্ৰটৰ জন্ম কাশ্মীৰত হৈছিল বুলি কোৱা হয়। তেওঁ 'কাব্যালংকাৰ' নামৰ অলংকাৰ শাস্ত্ৰ ৰচনা কৰে। ইয়াত ষোল্লটা অধ্যায় আছে। ইয়াত সৰ্বমুঠ ৭৩৪টা শ্লোক আছে।

৭.৭ কাদম্বৰীৰ কাব্যিক বৈশিষ্ট্য

'কাদম্বৰী' বাণভট্টৰ সৰ্বশ্ৰেষ্ঠ ৰচনা। বিশ্বসাহিত্যৰ উদ্যানত সমূহ গদ্য-সাহিত্যকুসুমৰ মাজত কাদম্বৰী যেন ৰূপে-গুণে অতুলনীয়। ই কবিৰ বহুমুখী প্ৰতিভাৰ এক অপূৰ্ব নিদৰ্শন। কবিৰ সূক্ষ্ম নিৰীক্ষণ শক্তি, বিস্তৰ অভিজ্ঞতা আৰু বৰ্ণনা নৈপুণ্যৰ বলত কাদম্বৰী পাঠক সামজৰ

মাজত সৰ্বজন সমাদৃত। ইয়াৰ প্ৰতিটো বৰ্ণনাই পাঠকৰ হৃদয় স্পৰ্শ কৰি যায়।

কাদম্বৰীৰ মূল কাহিনীভাগৰ বিষয়বস্তু হৈছে কাদম্বৰী আৰু চন্দ্ৰাপীড় তথা মহাশ্বেতা আৰু পুণ্ডৰীকৰ প্ৰণয় কাহিনী। ইয়াৰ প্ৰধান ৰস হৈছে শৃঙ্গাৰ ৰস। কিন্তু এই ৰসৰ লগতে আন আন ৰসসমূহবো সমানেই স্ফুৰণ ঘটিছে। শৃঙ্গৰ ৰস সাধাৰণতে দুই ভাগত বিভক্ত— সম্ভোগ-শৃঙ্গাৰ ৰস আৰু ৰিপ্ৰলম্ভ-শৃঙ্গাৰ ৰস। এই দুয়োবিধ শৃঙ্গাৰ ৰসেই কাদম্বৰীত ফুটি উঠা দেখা যায়। অচ্ছোদ সৰোবৰৰ পাৰত পুণ্ডৰীক আৰু মহাশ্বেতাৰ দৰ্শন, পৰস্পৰে পৰস্পৰৰ প্ৰতি আকৰ্ষিত হোৱা, স্পৰ্শসুখ লাভ আদিৰ জৰিয়তে সম্ভোগ শৃঙ্গাৰ ৰস ফুটি উঠিছে। কাদম্বৰী আৰু চন্দ্ৰাপীড়ৰ প্ৰথম দৰ্শনৰ বৰ্ণনাতো এই ৰসৰ সৃষ্টি হৈছে। এই ৰসৰ বৰ্ণনা কৰিলেও কিন্তু ক'তো অশ্লীলতাৰ আভাস পোৱা নাযায়। অৱশ্যে কাদম্বৰীত বিপ্ৰলম্ভ-শৃঙ্গাৰ ৰসৰ বৰ্ণনো আকৰ্ষণীয়। অচ্ছোদ সৰোবৰৰ পাৰত পুণ্ডৰীকক প্ৰথম দেখা পোৱাৰ পাছত মহাশ্বেতা নিজ প্ৰাসাদলৈ উভতি যায়। তাৰ পিছত পুণ্ডৰীকৰ ভাৱনাত মহাশ্বেতাৰ মনৰ অস্থিৰ অৱস্থাৰ যি বৰ্ণনা পোৱা যায়, তাত বিপ্ৰলম্ভ-শৃঙ্গাৰ ৰস স্পষ্টকৈ ফুটি উঠিছে। আনহাতেদি চন্দ্ৰাপীড়ৰ প্ৰস্থানৰ পিছত মদনাৰ্তা কাদম্বৰীৰ যি অৱস্থা, তাতো এই ৰসৰ সুন্দৰ নিৰ্দশন পোৱা যায়। প্ৰেম বা কামৰ দহোটা অৱস্থা আলংকাৰিকসকলে উল্লেখ কৰিছে। বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্যদৰ্পণ' গ্ৰন্থৰ তৃতীয় পৰিচ্ছেদত এই বিষয়ে কৈছে যে—

অভিলাষশ্চিন্তা স্মৃতিগুণকথনোদ্বেগসম্প্ৰলাপাশ্চ।
উন্মাদ্যোহথ ব্যাধির্জড়তা মৃতিৰিতি দশোহএ কামদশাঃ।

অৰ্থাৎ, অভিলাষ, চিন্তা, স্মৰণ, গুণ-কীৰ্তন, উদ্বেগ, প্ৰলাপ, উন্মাদ, ব্যাধি, জড়তা আৰু মৃত্যু — এই দহোটা হ'ল কামৰ অৱস্থা। সংস্কৃত সাহিত্যত সাধাৰণতে মৃত্যু বা মৰণ অৱস্থাটোৰ বৰ্ণনা কৰা নহয়। কিন্তু বাণভট্টই তেওঁৰ 'কাদম্বৰী'ত এই দশম অৱস্থাটোও চিত্ৰিত কৰিছে। মহাশ্বেতাৰ লগত বিচ্ছেদ সহিব নোৱাৰি প্ৰেমত আতুৰ হৈ পুণ্ডৰীকে মৃত্যুক আকোৱালি লৈছে। আকৌ চন্দ্ৰাপীড়ৰৰ বিৰহত কাদম্বৰীৰ সন্তাপ-জ্বৰৰূপ ব্যাধিয়ে দেখা দিছে। তাৰ নিবাৰণৰ বাবে হিমগৃহৰ ব্যৱস্থা কৰা হৈছে। এই ব্যাধি কাম অৱস্থাৰ অষ্টম দশা। এনেদৰে শৃঙ্গাৰ ৰসৰ সুন্দৰ নিদৰ্শন 'কাদম্বৰী' কাব্যত বিদ্যমান।

'কাদম্বৰী'ত শৃঙ্গাৰৰস মুখ্য ৰস হ'লেও কিন্তু আন ৰসবোৰেও সমানে প্ৰাধান্য লাভ কৰিছে। তাৰ ভিতৰত কৰুণ ৰস বিশেষ উল্লেখযোগ্য। 'কাদম্বৰী'ৰ কথামুখতে এই ৰসৰ অনুভূতি জাগি উঠিছে। বৃদ্ধ শৰৰটোৱে (চিকাৰী) নিষ্ঠুৰভাৱে ভাটৌ পোৱালীবোৰ বধ কৰি যেতিয়া গছৰ ওপৰত পৰা মাটিত পেলাই দিয়ে তেতিয়া সেই বৰ্ণনা পঢ়ি পাঠকৰ মন কৰুণাৰে উপচি পৰে। সেইদৰে শুক-শাৰকটোৰ (ভাটৌ পোৱালী) পিতৃয়ে তাৰ প্ৰাণৰক্ষাৰ বাবে কৰা চেষ্টা আৰু পাছত ভাটৌ— পিতৃৰ মৃত্যুৰ যি বৰ্ণনা, সেয়া পঢ়িও মন শোকত উথলি উঠে। পুনৰ কৰুণ ৰস ফুটি উঠিছে পুণ্ডৰীকৰ মৃত্যুত মহাশ্বেতাই কৰা বিলাপত। মহাশ্বেতাই কৰুণ বিননিৰে বিধাতাৰ ওচৰত পুণ্ডৰীকৰ জীৱন-ভিক্ষা কৰাৰ বৰ্ণনা সঁচাকৈয়ে অতি হৃদয় বিদাৰক। মিত্ৰ পুণ্ডৰীকৰ মৃত্যুত কপিঞ্জলে কৰা শোকৰ বৰ্ণনাতো কৰুণৰস ফুটি উঠিছে।

ইয়াৰ উপৰিও, 'কাদম্বৰী'ত বীৰৰসৰ আভাসো পোৱা যায়। চন্দ্রাপীড়ৰৰ দিগ্বিজয় যাত্রাৰ বৰ্ণনা, বিশাল সৈন্য বাহিনী, নৃপতিসকল, অশ্ব, হস্তী, প্রজাৰ জয়-জয়কাৰ, বিভিন্ন বাদ্যৰ যাত্রাকালত ধ্বনি, সৈন্য, ৰথ, পদাতিকৰ দ্বাৰা উত্থিত ধূলিয়ে ধূসৰিত কৰা দিগন্ত আদিৰ বৰ্ণনায়ো সহৃদয় পাঠকৰ অন্তৰত বীৰ ৰসৰ অনুভূতি জাগ্রত কৰে।

বাণভট্টই 'কাদম্বৰী'ত হাস্য ৰসৰ উদ্রেক কৰা বৰ্ণনাও দাঙি ধৰিছে। চণ্ডিকা মন্দিৰত বাস কৰা বৃদ্ধ দ্রাবিড়দেশীয় ধার্মিকজনৰ বৰ্ণনা পঢ়িলে হাস্য ৰসৰ অনুভৱ হয়। কাদম্বৰীয়ে বিয়া পাতি দিয়া কালিন্দী নামৰ শালিকাজনী আৰু পৰিহাস নামৰ ভাটৌটোৰ মাজত হোৱা কন্দলখনেও হাঁহিৰ খোৰাক যোগোৱাত সহায় কৰিছে। সেইদৰে এই বৃদ্ধ ধার্মিকৰ বৰ্ণনাত পোৱা যায় যে তেওঁৰ দেহৰ ধণনীবোৰে দগ্ধ বৃক্ষ বুলি উঠি যোৱা গুঁই, জেঠী আৰু তেজপিয়াৰ জাকৰ দৰে হৈ শৰীৰত খিড়িকীবোৰৰ সৃষ্টি কৰিছিল। এটা চকু তেওঁৰ ফুটি গৈছিল সিদ্ধাঞ্জন বা কাজল লগোৱাৰ বাবে। এনে বৰ্ণনাবোৰত বীভৎস ৰসৰ উদ্রেক হৈছে।

ইয়াৰ উপৰিও কাদম্বৰীৰ কথামুখত থকা শৱৰসকলৰ মৃগয়াৰ বৰ্ণনাত মাতঙ্গ নামৰ শৱৰ-সেনাপতিজনৰ যি বৰ্ণনা পোৱা যায়, তাত ৰৌদ্র ৰস অনুভূত হয়। এই শৱৰ-সৈন্যসকলৰ কোলাহলত অৰণ্যৰ জীৱ-জন্তু, চৰাই-চিৰিকতিবোৰে ভয় খাই দৌৰি পলাই যোৱাৰ যি বৰ্ণনা আছে, তাত ভয়ানক ৰসৰ উদ্রেক হৈছে। এই বৰ্ণনাতে সন্নিৱিষ্ট থকা হাতী পোৱালীবোৰৰ চিঞৰ, সিংহৰ গর্জন, চিকাৰীবোৰৰ ভৰিৰ শব্দত সৃষ্টি হোৱা ভূমিকম্প, গুণ টনা ধনুবোৰে শৰ বৰষাৰ শব্দ, বতাহত তৰোৱালবোৰৰ সোঁ-সোৱনি শব্দ, বনৰীয়া জন্তুবোৰৰ ঘর্ঘৰনি আদিৰ বৰ্ণনাই পাঠকৰ অন্তৰত ভয়ৰ সঞ্চাৰ কৰে।

'কাদম্বৰী'ত কিছুমান অদ্ভুত বৰ্ণনা পঢ়িবলৈ পোৱা যায় য'ৰ পৰা অদ্ভুত ৰসৰ অনুভূতি হয়। পুণ্ডৰীক আৰুচন্দ্রাপীড়ৰ পুনৰ জন্ম, মহাশ্বেতা-পুণ্ডৰীক আৰুকাদম্বৰী-চন্দ্রাপীড়ৰ পুনৰ মিলন, স্বর্গীয় জ্যোতি এটিয়ে আহি পুণ্ডৰীকৰ শৱদেহটো আকাশলৈ তুলি লৈ যোৱা কার্য, ৰৈশম্পায়ন নামৰ ভাটৌ চৰাইটোৰ পাণ্ডিত্য আদিত অদ্ভুত ৰসৰ আস্বাদ পোৱা যায়।

তেনেদৰে, কাদম্বৰীত শান্ত ৰসৰো বৰ্ণনা পোৱা যায়। পম্পা সৰোবৰৰ বৰ্ণনা, প্রভাত বৰ্ণনা, জাবালি আশ্রম বৰ্ণনা, সন্ধ্যা-বৰ্ণনা, অচ্ছোদ সৰোবৰৰ বৰ্ণনা আদিত শান্তি ৰসৰ উদ্রেক হৈছে। এই শান্ত ৰসৰ লগতে বাৎসল্য ৰসৰো আভাস পোৱা যায়। পুত্র জন্ম হোৱাৰ সময়ত তাৰাপীড় আৰু বিলাসৱতীৰ যি অনন্দৰ বৰ্ণনা তাত বাৎসল্য ৰস ফুটি উঠিছে। তেনেদৰে বৃদ্ধ শৱৰটোৰ হাতৰ পৰা পোৱালী ভাটৌটোক ৰক্ষা কৰাৰ বাবে পিতৃ ভাটৌটোৰ যি ব্যাকুলতা, তাতো বাৎসল্য প্রেমৰ সম্পূর্ণ আস্বাদ পোৱা যায়। এনেদৰে, 'কাদম্বৰী' কাব্যত বাণভট্টই প্রায় নবৰসৰে বৰ্ণনা কৰিছে।

'কাদম্বৰী' কাব্যত যি প্রকৃতিৰ অনুপম বৰ্ণনা পোৱা যায় সি অতি মনোমোহা। এই বৰ্ণনাসমূহৰ ভিতৰত বিন্ধাটৱী বৰ্ণনা, জাবালি মুনিৰ আশ্রম বৰ্ণনা, পম্পা সৰোবৰ, অচ্ছোদ সৰোবৰৰ বৰ্ণনা, সন্ধ্যা-প্রভাত আদিৰ বৰ্ণনা পঢ়িলে পাঠকৰ মনত যেন এক সজীৱ প্রাকৃতিক ছবিয়ে ভুমুকি মাৰেহি। প্রকৃতিৰ বিভিন্ন উপাদানসমূহৰ মাধ্যমেৰে কবিয়ে প্রকৃতিৰ যি অনুপম বৰ্ণনা আগবঢ়াইছে,

সেয়া সঁচাকৈয়ে অতুলনীয়, অদ্বিতীয়।

বাণভট্টই 'কাদম্বৰী'ত প্ৰেমৰ ধাৰণাৰ বিষয়ে যি উচ্চ ভাবাদৰ্শ ব্যক্ত কৰিছে, সেয়া তুলনাহীন। কবিৰ মতে বিচ্ছেদৰ পিছতহে প্ৰেমে পূৰ্ণতা লাভ কৰে। এই কথাকে বাণে কাদম্বৰী-চন্দ্ৰাপীড় আৰু মহাশ্বেতা-পুণ্ডৰীকৰ চৰিত্ৰৰ জৰিয়তে প্ৰকাশ কৰিছে। কবিৰ মতে প্ৰেম হ'ল দুটি আত্মাৰ পবিত্ৰ সম্পৰ্ক। এই প্ৰেম অমৰ, জন্ম-জন্মান্তৰে এই প্ৰকৃত প্ৰেমৰ পৰিৱৰ্তন নহয়। সেয়ে 'কাদম্বৰী'ত নায়ক-নায়িকাৰ মিলন বিচ্ছেদৰ পাছত পুনৰজন্মত দেখুওৱা হৈছে।

বৰ্ণনাৰ ৰজা বাণভট্ট। কোনো এটা বিষয় বা ঘটনাৰ বৰ্ণনা কৰোতে তেওঁ ধীৰে-সুস্থিৰে আগবাঢ়ে। প্ৰতিটো বিষয়ৰ বৰ্ণনাত কবিৰ বৰ্ণনা-চাতুৰ্যৰ পূৰ্ণ প্ৰকাশ ঘটিছে। কাদম্বৰীৰ পূৰ্বভাগত পোৱা, শূদ্ৰক বৰ্ণনা, চণ্ডালকন্যা বৰ্ণনা, শূদ্ৰকৰ ৰাজসভা বৰ্ণনা, উজ্জয়িনী বৰ্ণনা, ৰাজকুল বৰ্ণনা আদিত কবিৰ অশেষ জ্ঞানৰ পৰিচয় পোৱা যায়। সেইদৰে কবিয়ে চণ্ডালকন্যা, ৰাণী বিলাসৱতী, পত্ৰলেখা, মহাশ্বেতা, কাদম্বৰীৰ যোগেদি নাৰী সৌন্দৰ্যৰ যি বৰ্ণনা আগবঢ়াইছে, তাৰ যোগেদি তেওঁৰ বৰ্ণনা চাতুৰ্য ফুটি উঠিছে। পুৰুষ সৌন্দৰ্যৰ ৰূপ বৰ্ণনাতো তেওঁ সিদ্ধহস্ত, ৰজা শূদ্ৰক, তাৰাপীড়, চন্দ্ৰাপীড় আদিৰ বৰ্ণনাৰ জৰিয়তে সেয়া প্ৰকাশ পাইছে। চন্দ্ৰাপীড়ৰ দিগ্বিজয় যাত্ৰা, দ্ৰাবিড়দেশীয় বৃদ্ধ ধাৰ্মিকৰ বৰ্ণনা আদিৰ যোগেদি বাণৰ অভিজ্ঞতা সমৃদ্ধ জ্ঞানৰ পৰিচয় পোৱা যায়।

'কাদম্বৰী' কাব্যখন অধ্যয়ন কৰিলে সেইসময়ৰ বাণ-কালীন ভাৰতবৰ্ষৰ এখন স্পষ্ট-সামাজিক চিত্ৰ পোৱা যায়। চন্দ্ৰাপীড়ৰ শিক্ষা গ্ৰহণ ব্যৱস্থাৰ বৰ্ণনাৰ যোগেদি সেই সময়ৰ ভাৰতবৰ্ষত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আভাস পোৱা যায়। সেইদৰে সূতিকাগৃহ বৰ্ণনা, পুত্ৰৰ জন্মোৎসৱৰ বৰ্ণনা আদিৰ মাধ্যমেৰে ভাৰতত সেই সময়ত প্ৰচলিত বিভিন্ন সামাজিক নিয়ম-নীতিৰ ধাৰণা পোৱা যায়। ইয়াৰ উপৰিও কাদম্বৰী কাব্যখন ভৌগোলিক দিশতো তথ্য সমৃদ্ধ। তাত পোৱা বিভিন্ন নদ-নদী, পাহাৰ-পৰ্বত, জনপদ, জনগোষ্ঠীসমূহৰ নাম আদি অধ্যয়ন কৰিলে সেই সময়ৰ ভাৰতবৰ্ষৰ ভৌগোলিক স্থিতি সম্বন্ধে জ্ঞান আহৰণ কৰিব পাৰি।

কাদম্বৰী শব্দৰ প্ৰকৃত অৰ্থ 'সুৰা' বা 'মদিৰা'। সুৰাৰ প্ৰভাৱত মানুহ যেনেদৰে আত্মহাৰা হয়, 'কাদম্বৰী' পাঠ কৰিলেও মানুহ বিভোৰ হৈ পৰে। বাণভট্টৰ বিস্তৰ অভিজ্ঞতা, সূক্ষ্ম নিৰীক্ষণ শক্তি আৰু নিপুণ প্ৰতিভাৰে ৰচনা কৰা এই কাব্যখনি পণ্ডিতসমাজৰ মাজত এখন উৎকৃষ্ট কথা-কাব্যৰূপে সৰ্বদা আদৰণীয় হৈ আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ ঃ শৃঙ্গাৰ ৰসৰ ভাগ দুটাৰ নাম লিখক।

.....

প্ৰশ্ন ১০ ঃ 'কাদম্বৰী' শব্দৰ প্ৰকৃত অৰ্থ কি?

.....

৭.৮ বাণভট্টৰ পৰৱৰ্তী প্ৰভাৱ

সংস্কৃত সাহিত্যৰ কবিসকলৰ ৰচনাৱলীত বাণভট্টৰ প্ৰভাৱ বাৰুকৈয়ে পৰা দেখা যায়। বিশেষকৈ বাণৰ পাছৰ কবিসকলৰ বাবে তেওঁৰ লিখনিসমূহ যেন বীজস্বৰূপ। দৰাচলতে বাণভট্টৰ লিখনিসমূহত এনে কোনো বিষয়-বস্তুৰ বৰ্ণনা নাই যি পৰৱৰ্তী কবিসকলৰ লিখনিত পোৱা যায়, সেইবাবেই সংস্কৃত জগতত যথাযথভাৱেই কোৱা হয় যে 'বাণোচ্ছিষ্টং জগৎ সৰ্বম্' অৰ্থাৎ 'জগতৰ সকলো বস্তুৱেই বাণে স্পৰ্শ কৰি গৈছে, বাণৰ পৰৱৰ্তী কবিসকলৰ ৰচনাৰাজিত বিশেষ একো নতুনত্ব বিচাৰি পোৱা নাযায়। এই ক্ষেত্ৰত গদ্যকাৰ সুবন্ধুৰ নাম উল্লেখ কৰিব পাৰি। সুবন্ধুক অৱশ্যে বহুতো সমালোচকে বাণৰ পূৰ্ববৰ্তী কবি বুলি প্ৰতিষ্ঠিত কৰিব বিচাৰে। কাৰণ বাণে তেওঁৰ লিখনিত 'বাসবদত্তা'-ৰ উল্লেখ কৰিছে। সুবন্ধুৱেও 'বাসৱদত্তা' নামৰ গদ্যকাব্য ৰচনা কৰিছিল। কিন্তু বাণে উল্লেখ কৰা 'বাসৱদত্তা' সুবন্ধুৰ 'বাসৱদত্তা' নহয়। বাৰ্তিককাৰ কাত্যায়নে বাসৱদত্তা— উদয়নৰ কাহিনীৰ আধাৰত 'বাসৱদত্তা' ৰচনা কৰিছিল। এইখন বাণভট্টৰ সময়ত উপলব্ধ আছিল, কিন্তু অধুনা লুপ্ত। ইয়াৰ উপৰিও সুবন্ধুৱে তেওঁৰ লিখনিত বাণৰ কাদম্বৰীৰ অনেক ঘটনাই অনুকৰণ কৰা যেন লাগে। গতিকে সুবন্ধুৰ দ্বাৰা ৰচিত 'বাসৱদত্তা' নামৰ গদ্যকাব্যখনিত বাণভট্টৰ প্ৰভাৱ যথেষ্ট পৰিছে। ইয়াৰ উপৰিও দণ্ডী, ত্ৰিবিক্ৰমভট্ট, সোমদেৱ, সোড্ঢ়ল আৰু অম্বিকাদত্ত ব্যাস আদি গদ্যকাৰসকলে বাণভট্টক নিজৰ নিজৰ আদৰ্শ ৰূপে গণ্য কৰিছে। সেয়েহে তেওঁলোকৰ লিখনিসমূহত বাণৰ স্পষ্ট প্ৰভাৱ পৰা পৰিলক্ষিত হয়। শ্ৰীহৰ্ষ ৰচিত 'নৈষধচৰিত' কাব্যতো বাণভট্টৰ 'কাদম্বৰী'ৰ প্ৰভাৱ পৰা দেখা যায়।

ইয়াৰ উপৰিও পণ্ডিতসকলে বাণভট্টৰ বিশাল-সাহিত্য কৰ্মৰ ভূয়সী প্ৰশংসা কৰিতেওঁৰ বাবে বহু প্ৰশস্তি লিখি থৈ গৈছে। সোড্ঢ়লে তেওঁৰ 'উদয়সুন্দৰীকথা' নামৰ কাব্যত বাণভট্টক 'সৰ্ৱেশ্বৰ' বুলি উল্লেখ কৰি কৈছে যে— 'ৰসেশ্বৰং স্তৌমি চ কালিদাসং বাণং তু সৰ্ৱেশ্বৰমানতোহস্মি।' অৰ্থাৎ কালিদাসক 'ৰসেশ্বৰ' বুলি কোৱা হয় কিন্তু বাণক 'সৰ্ৱেশ্বৰ' বুলি মানো।' সেইদৰে পণ্ডিত গোবৰ্দ্ধনাচাৰ্যই তেওঁৰ 'আৰ্য়াসপ্তশতী' নামৰ গ্ৰন্থত বাণভট্টক মূৰ্তিমান সাহিত্য-প্ৰতিভা বুলি বৰ্ণনা কৰি এনেদৰে উল্লেখ কৰিছে—

জাতা শিখণ্ডিনী প্ৰাগ্ যথা শিখণ্ডী তথাহৱগচ্ছামি।
প্ৰাগল্ভ্যমধিকমাপ্তুং ৱাণী বাণো বভূৱেতি।।

উক্ত শ্লোকফাঁকিৰ অৰ্থ হৈছে— 'যেনেকৈ প্ৰথমতে শিখণ্ডিনী হৈ জন্মি পিছত শিখণ্ডী হৈছিল, তেনেকৈ বোধকৰোঁ প্ৰকাশৰ আধিক্য লাভৰ বাবে বাণীয়ে (সাহিত্য-প্ৰণয়নৰ প্ৰতিভাই) বাণ হৈছিল।' এনেদৰে বাণভট্টৰ সাহিত্যকৰ্মৰ প্ৰশংসা কৰি অনেক সংস্কৃত পণ্ডিতে বহু প্ৰশংসা-বাণী লিখি থৈ গৈছে। এনেধৰণৰ প্ৰশস্তিসূচক মন্তব্যই বাণভট্টক বিশ্বদৰবাৰত সৰ্বজনসন্মানিত কবি ৰূপে প্ৰতিষ্ঠিত কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ১১ ঃ 'বাসৱদত্তা' নামৰ গ্ৰন্থখনৰ ৰয়য়িতা কোন?

.....

প্ৰশ্ন ১২ ঃ শ্ৰীহৰ্ষ ৰচিত কাব্যখনৰ নাম লিখক?

.....

প্ৰশ্ন ১৩ ঃ 'উদয়সুন্দৰীকথা' কাব্যৰ ৰচয়িতাগৰাকী কোন?

.....

প্ৰশ্ন ১৪ ঃ বাণভট্টক কোনে 'সৰ্বেশ্বৰ' বুলি কৈ গৈছে?

.....

প্ৰশ্ন ১৫ ঃ 'আৰ্যাসপ্তশতী' নামৰ গ্ৰন্থখনৰ গ্ৰন্থকাৰজনৰ নাম লিখক।

.....



৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাণভট্ট বিৰচিত গদ্যকাব্য 'কাদম্বৰী'ৰ বিষয়ে অধিক জানিব পাৰিলে। লগতে বাণভট্টৰ ৰচনাশৈলীৰ বিষয়েও অৱগত হ'ল। বিভিন্ন সময়ত বিভিন্ন সমালোচকে বাণৰ লিখনিসমূহৰ ওপৰত মতামত আগবঢ়াই আহিছে।
- তেওঁৰ গদ্যশৈলী, 'কাদম্বৰী'ৰ কাব্যিক বৈশিষ্ট্য, বাণৰ প্ৰতি আগবঢ়োৱা প্ৰাচীন প্ৰশস্তিসমূহৰ লগতো পৰিচিত হ'ল। দৰাচলতে এই জগতত এনে কোনো বস্তু নাই যিয়ে বাণৰ লিখনিত স্থান পোৱা নাই। গদ্যকাৰৰূপে বাণ অদ্বিতীয়।
- 'কাদম্বৰী' নামৰ কথাকাব্য প্ৰণয়ন কৰি বাণে সংস্কৃত গদ্যকাব্যৰ লেখকসকলৰ ভিতৰত শ্ৰেষ্ঠ স্থান লাভ কৰিছে।



৭.১০ অধিক জানিবলৈ

১) কাণে, পি. ভি. (১৯৮৬), *হৰ্ষচৰিতম্*, দিল্লী ঃ মোতিলাল বানাৰসী দাস।

২) কালে, এম. আৰ. (১৯৬৮), *কাদম্বৰী*, পূৰ্বভাগ, দিল্লী ঃ মোতিলাল বানাৰসী দাস।

৩) শর্মা, থানেশ্বৰ (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্রপ্রকাশ।

৪) শর্মা, প্রভাত চন্দ্র (২০০০), *কাদম্বৰী* (অনুবাদ), গুৱাহাটী ঃ আবিলেক।



৭.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ বাণভট্টৰ পিতৃৰ নাম চিত্রভানু আৰু মাতৃৰ নাম ৰাজ্যদেৱী।

২নং প্রশ্নৰ উত্তৰ ঃ থানেশ্বৰ ৰাজ্যৰ ৰজা সম্রাট হর্ষবর্দ্ধন।

৩নং প্রশ্নৰ উত্তৰ ঃ মাধুর্য্য আৰু সৌকুমার্য্য গুণেৰে মণ্ডিত ৰীতিকেই পাঞ্চালী ৰীতি বোলা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ ওজঃ গুণ প্রকাশক কাব্য ৰচনা ৰীতিকে গৌড়ী ৰীতি বোলা হয়।

৫নং প্রশ্নৰ উত্তৰ ঃ মাধুর্য্য গুণযুক্ত বর্ণৰ সমাবেশত সুললিত বা অলপ সমাসবিশিষ্ট ৰচনাৰ ৰীতিক বৈদর্ভী ৰীতি বোলা হয়।

৬নং প্রশ্নৰ উত্তৰ ঃ এটা পদেৰে একাধিক অর্থ বুজালে শ্লেষ বোলা হয়।

৭নং প্রশ্নৰ উত্তৰ ঃ পৰম্পৰাগতভাৱে সংস্কৃত গদ্যৰ ভাগ চাৰিটা। সেইকেইটা হৈছে— মুক্তক, বৃত্তগন্ধী, উৎকলিকাপ্রায় আৰু চূর্ণক।

৮নং প্রশ্নৰ উত্তৰ ঃ 'নৱৰস' পদেৰে কাব্যৰ নটা ৰসক বুজোৱা হৈছে। সেইকেইটা হৈছে— শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্র, ৱীৰ, ৱীভৎস, ভয়ানক, অদ্ভুত আৰু শান্ত।

৯নং প্রশ্নৰ উত্তৰ ঃ শৃঙ্গাৰ ৰসৰ ভাগ দুটা হৈছে— সম্ভোগ-শৃঙ্গাৰ ৰস আৰু ৱিপ্রলম্ভ-শৃঙ্গাৰ ৰস।

১০নং প্রশ্নৰ উত্তৰ ঃ সুৰা বা মদিৰা।

১১নং প্রশ্নৰ উত্তৰ ঃ সুবন্ধু।

১২নং প্রশ্নৰ উত্তৰ ঃ নৈষধচৰিতম্।

১৩নং প্রশ্নৰ উত্তৰ ঃ সোড্ঢ়ল।

১৪নং প্রশ্নৰ উত্তৰ ঃ সোড্ঢ়লে।

১৫নং প্রশ্নৰ উত্তৰ ঃ গোবর্দ্ধনাচার্য্য।



৭.১২ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ভামহ কোন আছিল লিখক।

প্রশ্ন ২ ঃ ৰুদ্রট কোন আছিল লিখক।

খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ব্যাখ্যা কৰি লিখক— বাণোচ্ছিষ্টং জগৎ সর্ৱম্।

প্ৰশ্ন ২ ঃ গদ্যং কৱীনাং নিকষং বদন্তি— বাক্যফাঁকিৰ অর্থ বহলাই আলোচনা কৰক।

গ) ৰচনাধর্মী প্ৰশ্ন (৩০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বাণভট্টৰ ৰচনাৰীতিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কাদম্বৰী কথা নে আখ্যায়িকা? ব্যাখ্যা কৰি লিখক।

* * * * * * * * * *